ডাক-প্ৰবচন
আৰু
ডাক-পৰম্পৰা

ড° নবীন চন্দ্ৰ শৰ্মা

জ্যোতি প্ৰকাশন

জ্যোতি প্ৰকাশন
পাণবজাৰ ঃ গুৱাহাটী-৭৮১ ০০১

Ḍāk-Pravacan Āru Ḍāk-Paramparā, i.e., Maxims attributed to Ḍāk and the Tradition of Ḍāk prepared by Dr. Nabin Chandra Sarma, Retired Professor, Dept. of Folklore Research, Gauhati University, Guwahati-781 014 and published by Smti Ila Sarma, on behalf of **M/s Jyoti Prakashan,** Jaswanta Road, Panbazar, Guwahati-781 001, Assam.

First (Jyoti Prakashan) edition : November, 2005 **Price :** *Rs. Seventy only*

প্ৰকাশক ঃ
শ্ৰীমতী ইলা শৰ্মা
জ্যোতি প্ৰকাশন
পাণবজাৰ,
গুৱাহাটী-৭৮১ ০০১

প্ৰথম প্ৰকাশ ঃ নৱেম্বৰ, ২০০৫

বেটুপাত ঃ ৰঞ্জিত গগৈ

মূল্য ঃ ৭০.০০ টকা

অক্ষৰ বিন্যাস ঃ
ময়ূৰ ডেস্কটপ
ডেনিচ ৰোড, পাণবজাৰ
গুৱাহাটী ৭৮১ ০০১

ছপাশাল ঃ
ত্ৰিনয়ন গ্ৰাফিক অফছেট
বিহাবাৰী
গুৱাহাটী ৭৮১ ০০৮

উছৰ্গা



যিগৰাকী অনুষ্ঠানসদৃশ ব্যক্তিৰ আশিস-নিৰ্মালি আৰু অন্তহীন অনুপ্ৰেৰণাই সততে জাগ্ৰত আৰু উদ্দীপ্ত কৰিছিল, সেইগৰাকী নমস্য সাহিত্যাচাৰ্য স্বৰ্গীয় অতুলচন্দ্ৰ হাজৰিকাদেৱৰ পূত-পৱিত্ৰ স্মৃতিত।

শ্ৰীনবীন চন্দ্ৰ শৰ্মা

জ্যোতি প্ৰকাশন সংস্কৰণৰ অৱতৰণিকা

১৯৮৭ খ্ৰীষ্টাব্দতে ছপা হোৱা *ডাকৰ-প্ৰবচন* গ্ৰন্থখনৰ কিতাপবোৰ কেতিয়াবাই শেষ হৈ গ'ল। পূৰ্ব প্ৰকাশকৰ আগ্ৰহ নেদেখি জ্যোতি প্ৰকাশনৰ প্ৰকাশক শ্ৰীযুত নগেন শৰ্মাক কথাষাৰ ক'লোঁ। তেওঁ কোনো ধৰণৰ অজুহাত নেদেখুৱাই এযাবতেই গ্ৰন্থখন প্ৰকাশ কৰাৰ দায়িত্ব গ্ৰহণ কৰি নিচেই কেইদিনমানৰ ভিতৰতে গ্ৰন্থখনৰ অক্ষৰবিন্যাসৰ কাম সম্পূৰ্ণ কৰি অটালে। প্ৰকাশকৰ তৎপৰতা আৰু নিষ্ঠাৰ ভাব দেখি বাস্তৱিকতে বিমুগ্ধ হ'বলৈ বাধ্য হৈছোঁ। জ্যোতি প্ৰকাশনৰ অম্লান জ্যোতিৰ দ্বাৰা অসমীয়া ভাষা-সাহিত্য জ্যোতিষ্মান হৈ উঠিব তাত সন্দেহ নাই।

কামটো ভাল আৰু সম্পূৰ্ণ কৰিবলৈ মই চেষ্টাৰ ত্ৰুটি কৰা নাই; তাৰ মাজতেই দুই-এটা দোষ-ত্ৰুটি থাকিব পাৰে— তাৰ বাবে সদাশয় পাঠক-পাঠিকাৰ ওচৰত আগতীয়াকৈ ক্ষমা বিচাৰিছোঁ। আমি সদায়েই সহৃদয় সামাজিকজনৰপৰা মৰম-চেনেহ আৰু সহানুভূতি আশা কৰোঁ আৰু আশাকৰা মতে সেই মৰম-চেনেহ আৰু সহানুভূতি পায়ো আহিছোঁ। *ডাক-প্ৰবচন আৰু ডাক-পৰম্পৰা*-ৰ ক্ষেত্ৰতো যে আমি সহৃদয় সামাজিকজনৰপৰা মৰম-চেনেহ লাভ কৰিব পাৰিম তাত সন্দেহ নাই।

এই ছেগতে জ্যোতি প্ৰকাশনৰ প্ৰকাশক শ্ৰীযুত নগেন শৰ্মা, প্ৰকাশিকা শ্ৰীমতী ইলা শৰ্মা উভয়কে শলাগ লৈছোঁ— ঈশ্বৰে তেওঁলোকক দিয়ক বল-শক্তি, সাহস-মনোবল-অৰ্থবল আৰু সাংস্কৃতিক চেতনা আদি যাতে অসমীয়া ভাষা-সাহিত্যৰ গতি-প্ৰগতিত তেওঁলোকে অৰ্থপূৰ্ণ দান-অৱদান-বৰঙণি আগবঢ়াব পাৰে। প্ৰচ্ছদ পটৰ শিল্পী, অক্ষৰ বিন্যাসক আৰু প্ৰিণ্টাৰ ত্ৰিনয়ন গ্ৰাফিক অফছেট আৰু জ্যোতি প্ৰকাশনৰ কৰ্মচাৰীসকলকো এই ছেগতে শলাগ লৈছোঁ। কিমাধিকম্।

বিনীত—

০১-১০-০৫

অৱতৰণিকা
[বাণী প্ৰকাশ সংস্কৰণ]

১৯৮১ চনৰ মাৰ্চ মাহতেই গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন কলা-গুৰু আৰু এই বিশ্ববিদ্যালয়ৰে লোকসংস্কৃতি গৱেষণা বিভাগৰ অৱসৰপ্ৰাপ্ত মুখ্য প্ৰফেছৰ, উত্তৰ-পূব ভাৰতৰ লোকবিদ্যাৰ ডয়েন (Doyen)স্বৰূপ পৰম শ্ৰদ্ধেয় গুৰু ড° প্ৰফুল্লদত্ত গোস্বামীদেৱে মোক 'ডাকৰ বচন'ৰ এটি বিশ্বাসযোগ্য পাঠ নিৰ্ণয় কৰি বিষয়টোৰ ওপৰত প্ৰণালীবদ্ধ চিন্তা-চৰ্চা আৰু অনুশীলন কৰিবলৈ নিৰ্দেশ দিছিল। ইতিপূৰ্বে তেখেতে শ্ৰীযুত জগদীশ শৰ্মাৰ (অভিলেখক) হতুৱাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ পুৰণি পুথি সংৰক্ষণ বিভাগত ৰক্ষিত 'ডাকৰ বচন' পুথি এখনৰ প্ৰতিলিপি এটিও প্ৰস্তুত কৰাইছিল। শ্ৰদ্ধেয় ছাৰে উক্ত প্ৰতিলিপিটোৰ সৈতে প্ৰয়োজনীয় প্ৰাসঙ্গিক পুথি-পাঁজি আদি আমাক প্ৰদান কৰি ডাকৰ-বচনৰ ওপৰত প্ৰণালীবদ্ধ আৰু বিশ্বাসযোগ্য অধ্যয়নৰ বাবে প্ৰয়োজনীয় পথ নিদৰ্শনত অনুকূল পৰিৱেশ ৰচনা কৰি দিছিল। পৰমপূজ্য ছাৰৰ নিৰ্দেশ আৰু অভিভাৱন শিৰে ধৰি কামত ব্ৰতী হ'লোঁ, যদিও কামটো সম্পূৰ্ণ কৰোঁতে অপ্ৰত্যাশিতভাৱে যথেষ্ট পলম হৈ গ'ল। দ্বিতীয়তে, শ্ৰদ্ধেয় ছাৰৰ অভিলষিত পদ্ধতিৰে (desired manner) কামটো সম্পাদন কৰিব পাৰিলোঁ নে নাই তাৰ বিচাৰ কৰিব শ্ৰদ্ধেয় সহৃদয় পাঠক-পাঠিকাই।

'ডাকৰ বচন'ৰ কেইবাখনিও ছপা পুথি পোৱা যায়; কিন্তু ছপা 'ডাকৰ বচন' পুথিৰ পাঠবোৰ কোনো এখন বিশেষ পুথিৰ ওপৰত প্ৰতিষ্ঠিত নহয় যেন লাগে। দ্বিতীয়তে, ছপা পুথিবোৰত বানান-পদ্ধতি সম্পূৰ্ণভাৱে আধুনিকীকৰণ কৰাৰ প্ৰৱণতা সুস্পষ্ট। তৃতীয়তে, দুই-এখন ছপা পুথিত সংযোজিত সমীক্ষাক স্বৰূপাৰ্থত সমীক্ষা বুলিব নোৱাৰি। সমীক্ষাৰ প্ৰসঙ্গত প্ৰথম আৰু অন্যতম সমস্যা হ'ল ঃ ডাক ঐতিহাসিক ব্যক্তি নে এক পৰম্পৰা। অসমৰ বাহিৰে আন আন প্ৰদেশৰ পণ্ডিতসকলেও এই বিষয়ত ঐক্যমতত উপনীত হ'ব পৰা নাই। 'ডাক-প্ৰবচন'ৰ অধিসমীক্ষাত ডাক যে ঐতিহাসিক ব্যক্তি নহয়, পৰম্পৰাহে সেই বিষয়ে প্ৰণালীবদ্ধ আলোচনা উপস্থাপন কৰিবলৈ প্ৰয়াস কৰা হৈছে।

ডাকৰ নামত চলা প্ৰবচনৰ নিৰ্দিষ্ট সংখ্যা বা সীমা নিৰ্ধাৰণ কৰা একপ্ৰকাৰে অসম্ভৱেই. কাৰণ সময়ৰ লগে লগে ডাকৰ নামত চলা প্ৰবচনৰ সংখ্যা বাঢ়িয়েই আছে। ডাকৰ বচনবোৰৰ ভাষা-ৰীতিৰপৰা অতি সহজে অনুমান কৰিব পাৰি যে, এইবোৰ উচ্চ প্ৰতিভাসম্পন্ন ৰচকৰ ৰচনা নহয়; সাধাৰণভাৱে লিখিব-পঢ়িব জনা জনৰহে ৰচনা। ডাকৰ বচনবোৰ বিশেষভাৱে লোক সমাজত প্ৰচলিত। তেওঁলোকৰ মাজৰেই কোনোবাই সেইবোৰ লিপিবদ্ধ কৰে, লগতে আৰু কিছুমান প্ৰবচন সংযোগ কৰি দিয়ে। আকৌ এটা ডাক-বচনৰ আলমত আন কেইটিমান প্ৰবচন সৃষ্টি কৰাৰ প্ৰৱণতাও নোহোৱা নহয়। উদাহৰণস্বৰূপে কোনো কোনো 'ডাক-বচন' পুথিত উল্লেখ আছে ঃ 'লাজুকা বামুণ, কাহুৰা চোৰ'; ওজাপালি, বিশেষকৈ বিয়াহ গোৱা ওজাপালিৰ (দৰং) মাজত আকৌ এই প্ৰবচনটো এনেদৰেহে প্ৰচলিত ঃ 'লাজুকা ওঝা, কাহুৰা

চোৰ।' ওজাপালিৰ প্ৰসঙ্গত ডাকৰ নামত চলা প্ৰবচন এটি কিছু পৰিমাণে পৰিৱৰ্তিত হ'ল। তেনেদৰে আই-বাইৰ মাজত সদাসৰ্বদাই প্ৰচলিত 'যমে নিলেও নিয়া, জোৱাই নিলেও নিয়া' লোকোক্তিটোও কোনো কোনো অঞ্চলত ডাকৰ বচনৰূপে পৰিচিত। সেইদৰে 'গাছত কঠল ওঠত তেল নাপাওতে চেলবেল', 'আছেই-গৰু নাবাৱেই হাল থাকাতকে বোলে নাথাকাই ভাল' আদি প্ৰবচনো ডাকৰ নামত প্ৰচলিত।

কৃষি-জ্যোতিষ আদি বিষয়ক প্ৰবচনৰাজি মানুহৰ মুখ পৰম্পৰা দূৰ অতীতৰ পৰা চলি আহি এশ-ডেৰশ বছৰৰ পূৰ্বে এগৰাকী কাল্পনিক পুৰুষৰ লগত অৰ্থাৎ ডাকৰ লগত সংযোজিত হৈছে। খ্ৰীঃ ৬ষ্ঠ শতিকাতে ডাক নামৰ ঐতিহাসিক পণ্ডিত-কবিজনৰ উদ্ভৱ হোৱাহেঁতেন পুৰণি অসমীয়া কবিসকলৰ বিশেষকৈ মাধৱ কন্দলী, হৰিহৰ বিপ্ৰ বা হৰিবৰ বিপ্ৰ, শঙ্কৰদেৱ, মাধৱদেৱ, ৰামসৰস্বতী, অনন্ত কন্দলী আদি প্ৰথিতযশা কবিসকলৰ ৰচনাত পূৰ্ব কবি ডাকৰ নাম বা তেওঁৰ প্ৰবচনৰাজিৰ উল্লেখ থাকিব লাগিছিল; কিন্তু কাৰ্যতঃ তেনে হোৱা নাই। গতিকে ডাক, লোকমানসৰ সৃষ্টি। এদিন এনিশালৈ জন্ম লাভ কৰা এজন লোকৰ নামত লোক সমাজে শ্ৰুতিকা জোৰা অভিজ্ঞতা জাপি দিছে। খেতি-বাতি, খোৱা-লোৱা, আচাৰ-ব্যৱহাৰ, মাটি-বাৰী, বেমাৰ-আজাৰ, ঔষধ-পাতি, বতৰ-প্ৰকৃতি আদি এশ এটা সমস্যাই পৃথিৱীৰ সৰ্বদেশৰ, সৰ্বকালৰ, সৰ্বস্তৰৰ নৰ-নাৰীৰ অন্তৰ স্পৰ্শ কৰা স্বাভাৱিক। ৰহস্যভৰা এই সমস্যাৰাজিয়েই আকৌ বিচিত্ৰ অভিজ্ঞতাৰ জন্মনীড়। অভিজ্ঞতাই জন্ম দিয়ে সুৱদী কবিতাৰ, অন্তৰ্নিহিত অৰ্থবিশিষ্ট প্ৰবচনৰ, যোজোনাৰ, সাঁথৰৰ। ডাকৰ নামত প্ৰচলিত প্ৰবচনবোৰেও এনেদৰেই জন্মলাভ কৰিছে। বিভিন্ন অঞ্চলৰ লোকমানসে নিজ নিজ ধাৰণা আৰু কল্পনাৰ অনুকূলে একোজন কাল্পনিক ব্যক্তিৰ লগত সেই প্ৰবচনবোৰ সাঙুৰি দিছে আৰু তাৰ ফলত ডাক, খনা, ঘাঘ, ভাড়, ভড্ডৰ, ভড্ডৰী, ভড্ডলী, ডংক আদি অনৈতিহাসিক ব্যক্তিসকলৰ বিকাশ সম্ভৱ হৈছে। লোকমানসে ইমানতেই ক্ষান্ত নাথাকি এই কাল্পনিক ব্যক্তিসকলক কেন্দ্ৰ কৰি বিভিন্ন অলৌকিক কথাবৃত্তৰ সৃষ্টি কৰিছে।

'ডাক-বচন' অথবা 'ডাক-প্ৰবচন'ৰ পাঠ নিৰ্ণয় কৰা টান কাম। লিখিত পৰম্পৰাৰ পৰিসীমাত সীমিত কবি-সাহিত্যিকৰ কোনো এখন পুথিৰ বিভিন্ন পাঠৰ মাজত ন্যূনতম সমৰূপতা ৰক্ষিত নোহোৱাকৈ নাথাকে। গতিকে সেই পাঠবোৰৰ ওপৰত নিৰ্ভৰ কৰি বা সাহিত্যিকগৰাকীৰ কালৰ অনুমান সাপেক্ষে ভাষাতাত্ত্বিক দিশৰ প্ৰতি সচেতন হৈ সেইগৰাকী কবি বা সাহিত্যিকৰ কোনো এখন পুথিৰ সমীক্ষামূলক পাঠ নিৰ্ণয় কৰা দুৰূহ, তাতে ডাকে ৰচনা কৰা মূল পুথি নথকা হেতু আৰু 'ডাকৰ বচন' সন্নিবিষ্ট পুথিবোৰৰ বিষয়-বস্তু, বিষয়-বস্তুৰ বিভাজন প্ৰণালী, ভাষা, শব্দৰূপ আদিৰ মাজত প্ৰায়ে মিল নথকা হেতু ডাক-প্ৰবচনৰ সমীক্ষামূলক পাঠ নিৰ্ণয় কৰা টানেই নহয় অসম্ভৱো।

সাম্প্ৰতিকলৈ পোৱা ডাকৰ বচন সন্নিবিষ্ট হোৱা পুথিসমূহৰ মাজত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পুৰণি পুথি সংৰক্ষণ বিভাগত সংৰক্ষিত ক্ৰমাঙ্ক ২৩৭২ বিশিষ্ট (ক) পুথিখন তুলনামূলকভাৱে পুৰণি আৰু নিৰ্ভৰযোগ্য হোৱা হেতু এই পাঠটোকে আদৰ্শ পাঠ (exemplar)স্বৰূপে গ্ৰহণ কৰি বাকী কেইখনমান পুথিৰ পৰা প্ৰবচনবোৰৰ পাঠান্তৰ দিয়া হৈছে। এই পুথিখনত (ক)

চন-তাৰিখ আদিৰ উল্লেখ নাই। জন্ম-প্ৰকৰণেৰে আৰম্ভ হৈ যাত্ৰা-প্ৰকৰণত পুথিখনৰ সমাপ্তি ঘটিছে। পুথিখন সম্পূৰ্ণ যেন লাগে। ইয়াত মুঠতে ১৭টা ফলক (folio) আৰু প্ৰতিটো ফলকৰ দুটাকৈ পৃষ্ঠা আছে। প্ৰতিটো ফলকৰ পৰিমাণ ৪০ চেঃ মিঃ × ১০ ছেঃ মিঃ। সাঁচিপাতত লিখা এই পুথিখনৰ প্ৰতিটো পৃষ্ঠাত ৯টাকৈ শাৰী আছে। দ্বাদশ পৃষ্ঠাত এটি চিত্ৰও অংকন কৰা দেখা যায়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পুৰণি পুথি সংৰক্ষণ বিভাগত 'ডাকৰ বচন'ৰ আন এটি অসম্পূৰ্ণ প্ৰতিলিপি আছে। এই বিভাগতে 'ডাক-চৰিত্ৰ-পুস্তক' শীৰ্ষক আৰু ২৮৮৭ ক্ৰমাঙ্কবিশিষ্ট (ঙ পুথি) আন এটি প্ৰতিলিপি সংৰক্ষিত হৈছে। ১৭৮৬ শকৰ পুহ মাহৰ ১২ তাৰিখে কৃষ্ণদ্বাদশী তিথিৰ দিবা তিনি প্ৰহৰ যাওঁতে দৰঙৰ চপাই নিবাসী শ্ৰীবিষ্ণোৰাম ডেকা বড়ুৱাই পুথিখনৰ লিখা কাম শেষ কৰে। আৰম্ভণি আৰু পৰিসমাপ্তিৰ প্ৰতি দৃষ্টিপাত কৰি পুথিখন সম্পূৰ্ণ বুলি ক'ব পাৰিলেও বিষয়-বস্তুৰ ফালৰপৰা পুথিখন সম্পূৰ্ণ বুলিব নোৱাৰি; যিহেতু ইয়াত মাত্ৰ সুপুৰুষৰ লক্ষণ, কুপুৰুষৰ লক্ষণ, নাৰীৰ লক্ষণ, জ্যোতিষ প্ৰকৰণ, গৃহলক্ষণ, কৃষি লক্ষণ, টোকনৰ গুণ সম্বলিত বচন কেইটিমানহে পোৱা যায়। তুলাপাতত লিখা এই পুথিখনত মুঠতে ১৫টা ফলক আৰু ২৯টা পৃষ্ঠা আছে। প্ৰতিটো পৃষ্ঠাৰ পৰিমাণ ২০ চেঃ মিঃ × ৯ চেঃ মিঃ আৰু প্ৰতিটো পৃষ্ঠাত ৭টাকৈ শাৰী আছে। প্ৰতিলিপিটোৰ লিখন-শৈলী বামুণীয়া আৰু ইয়াৰ অৱস্থা বৰ ভাল। বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগত 'ডাকৰ বচন'ৰ কেইবাটিও প্ৰতিলিপি আছিল, যদিও তাৰে কেইবাটিও প্ৰতিলিপি ইতিমধ্যে নোহোৱা হৈছে। বৰ্তমান এই বিভাগত 'ডাকৰ বচন'ৰ তিনিটা প্ৰতিলিপিহে পোৱা যায়। 'ডাক-ভণিতা' শীৰ্ষক পুথিখনৰ (ক্ৰমাঙ্ক ১৪০৫, খ পুথি) লিখক ধনঞ্জয় কাকতি, চন-তাৰিখ আদিৰ উল্লেখ নাই। সাঁচিপাতত ৰচিত এই পুথিখনত মুঠতে ২৬টা ফলক আছিল; কিন্তু প্ৰথম ফলকটো হেৰাইছে। ২ ক পৃষ্ঠাৰপৰা ২৬ খ পৃষ্ঠালৈ থকা এই পুথিখনৰ প্ৰতিটো পৃষ্ঠাৰ পৰিমাণ ৩২ চেঃ মিঃ × ৭$\frac{১}{২}$ চেঃ মিঃ, শাৰীৰ সংখ্যা ৮; ১০ম পৃষ্ঠাত এটা চিত্ৰ আছে, যাৰ লগত 'ক' পুথিত অঙ্কিত চিত্ৰৰ সাদৃশ্য লক্ষ্যণীয়। লিখনশৈলী লহকৰী। এই বিভাগতে সংৰক্ষিত দ্বিতীয়খন অসম্পূৰ্ণ 'ডাকৰ বচন' (ক্ৰমাঙ্ক ৫২৭, 'গ' পুথি) পুথিখন ১৮২৮ শকৰ ১৫ আহিনত লিখা হৈছিল। লিখকৰ নাম-ধামৰ উল্লেখ নাই। সাঁচিপাতত ৰচিত এই পুথিখনত মুঠতে ১০টা ফলক আছে আৰু প্ৰতিটো ফলকৰ পৰিমাণ ১৬$\frac{১}{২}$ চেঃ মিঃ × ৬ চেঃ মিঃ আৰু প্ৰতিটো পৃষ্ঠাত ৬টাকৈ শাৰী আছে। পুথিখন অসম্পূৰ্ণ আৰু লিখাবোৰ অস্পষ্ট। এই বিভাগতে 'ডাকৰ বচন'ৰ তৃতীয় এটি অসম্পূৰ্ণ প্ৰতিলিপি (ক্ৰমাঙ্ক ১১২ 'ঘ' পুথি) পোৱা যায়। প্ৰতিলিপিটোত নাই লিখকৰ নাম-ধাম-চন-তাৰিখ আদিৰ উল্লেখ। সাঁচিপাতত ৰচিত পুথিখনত মুঠতে ১১টা ফলক আছে, পৃষ্ঠাৰ সংখ্যা ২০; প্ৰতিটো ফলকৰ পৰিমাণ ২৬$\frac{১}{২}$ চেঃ মিঃ × ৭$\frac{১}{২}$ চেঃ মিঃ আৰু প্ৰতিটো পৃষ্ঠাত ৮ টাকৈ শাৰী আছে। অনুসন্ধান সমিতিত সংৰক্ষিত 'ডাক-ৰচিত' পুথিখন অসম্পূৰ্ণ আৰু মুঠেই নিৰ্ভৰযোগ্য নহয়।

ওপৰোল্লিখিত হাতে লিখা পুথিকেইখনৰ উপৰি 'ডাক-প্ৰবচন'ৰ পাঠ নিৰ্ণয়ত কেইবাখনো ছপা 'ডাকৰ বচন' পুথিৰ সহায় লোৱা হৈছে। এই পুথিসমূহৰ ভিতৰত পণ্ডিত হেমচন্দ্ৰ

গোস্বামীৰ দ্বাৰা সম্পাদিত 'অসমীয়া সাহিত্যৰ চানেকি', ১ম খণ্ড; শিৱনাথ ভট্টাচাৰ্যৰ দ্বাৰা প্ৰকাশিত 'ডাক-চৰিত্ৰ' বা 'ডাক-ভণিতা', দণ্ডীৰাম দত্তৰ দ্বাৰা সংকলিত 'ডাকৰ-বচন'; শ্ৰীঅতুলচন্দ্ৰ বৰুৱাৰ 'ডাকে বোলে শুনা উপায়', শ্ৰীহেমৰথ বৰ্মণৰ দ্বাৰা সংকলিত 'সম্পূৰ্ণ ডাকৰ বচন' উল্লেখযোগ্য।

'ডাক-প্ৰবচন'ৰ সংকলন, সম্পাদন আৰু সমীক্ষা আদিৰ যন্ত্ৰী স্বৰূপাৰ্থত পৰম শ্ৰদ্ধেয় গুৰু, প্ৰফেছৰ ড° প্ৰফুল্লদত্ত গোস্বামীদেৱ, সম্পাদক মাত্ৰ যন্ত্ৰহে। তেখেতৰপৰা সততে উৎসাহ-উদ্দীপনা আৰু অনুপ্ৰেৰণা নোপোৱাহেঁতেন 'ডাক-প্ৰবচন'-এ কায়-কল্প লাভ কৰিব নোৱাৰিলেহেঁতেন। 'ডাক-প্ৰবচন'ত সংযোজিত *Foreword* শীৰ্ষক আলোচনাটিও শ্ৰদ্ধেয় ছাৰে লিখি দি পুথিখনিৰ সৌষ্ঠৱ আৰু মূল্য বৰ্ধিত কৰি সম্পাদকক কৃতজ্ঞতাৰ পাশত আবদ্ধ ৰাখিছে।

মণিপুৰ বিশ্ববিদ্যালয়ৰ হিন্দী বিভাগৰ প্ৰফেছৰ ড° কৃষ্ণ নাৰায়ণ প্ৰসাদ মাগধ ডাঙৰীয়াই পুথি-পাঁজিৰে আমাক বিস্তৰভাৱে সহায় কৰিছে। তেখেতৰ ওচৰতো আমি ঋণী।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোক-সংস্কৃতি গৱেষণা বিভাগৰ মুখ্য প্ৰফেছৰ ড° বীৰেন্দ্ৰনাথ দত্তদেৱে প্ৰাসঙ্গিক আৰু প্ৰয়োজনীয় দিহা-পৰামৰ্শৰে সম্পাদকক উপকৃত কৰিছে। তেখেতৰ ওচৰতো সম্পাদক চিৰ কৃতজ্ঞ।

প্ৰাগজ্যোতিষ কলেজৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক শ্ৰীগদাধৰ দেৱশৰ্মা, উক্ত কলেজৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক ড° ভগৱান চন্দ্ৰ মৰল, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ৰীডাৰ ড° শৈলেন ভৰালী, উক্ত বিশ্ববিদ্যালয়ৰ নব্যভাৰতীয় ভাষা বিভাগৰ ৰীডাৰ ড° সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী, ড° বাণীকান্ত শৰ্মা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ মুৰব্বী প্ৰফেছৰ ড° মুকুন্দ মাধৱ শৰ্মাদেৱৰ ওচৰতো আমি কৃতজ্ঞ।

ড° প্ৰবীণ চন্দ্ৰ দাস, ড° ভৃগুমোহন গোস্বামী, শ্ৰীবসন্ত কুমাৰ দেৱ গোস্বামী, শ্ৰীৰবীন শৰ্মা, শ্ৰীজ্যোতিষ ভাগৱতী, শ্ৰীবিজয় শৰ্মা আদিৰ সহায়-সহযোগ উল্লেখযোগ্য।

পৰিশেষত, পুথিখনি পোহৰলৈ অনা বাবে বাণী প্ৰকাশৰ সুমিষ্ট আৰু উদ্যোগী প্ৰকাশক শ্ৰীযুত অম্বিকাপদ চৌধুৰী আৰু শ্ৰীযুত গিৰিপদ চৌধুৰীলৈও এই ছেগতে শলাগৰ শৰাই আগবঢ়াইছোঁ। অতি কম সময়ৰ ভিতৰতে পুথিখন ছপাই উলিয়াই দিয়া বাবে অৰুণোদয় প্ৰেছৰ কৰ্মীসকললৈও ধন্যবাদ জনাইছোঁ।

শান্তিপুৰ হিল ছাইড, গুৱাহাটী-৯

১৫ আগষ্ট, ১৯৮৭

FOREWORD

By Dr. Praphulladatta Goswami
Retired Professor of Folklore, Gauhati University

Dakar Bachan or *Dak Charit,* maxims attributed to one Dak. supposed to be the son of Varaha-mihira, sixth-century astronomer, are popular in the rural world of Assam. The sayings (*bachan*) deal with necessary knowledge or experience on such subjects as cultivation, choice of cattle, desirable qualities in a woman, cooking, astrology.

Similar sayings are also found in various parts of India, say, Bengal, Bihar, Orissa, Rajasthan. The Bengali *Khanar Bachan,* maxims attributed to Khana, daughter-in-law of Varaha and wife of Mihira, have a good deal in common with the Assamese sayings. Dr. Nabin Chandra Sarma of the Folklore Research dept. of Gauhati University has fixed for the first time an authentic text of *Dakar Bachan* based on the earliest manuscript available and collating several others. He has shown the extra-territorial connections of the maxims and done a scholarly job by pointing out that Dak's sayings are not unique to Assam : they are part of an all-India tradition.

For want of linguistic or other corroborative evidence we are not able to conclude that the sayings are as old as Varaha-mihira's time. I had suspected that they were not old but rather fairly modern. In fact, Dr. Sarma has not found any manuscript which can claim to be even of the eighteenth century. The language suggests that the sayings originated in western Assam, in districts like Kamrup and Darrang. Medieval Assamese writings up to the eighteenth century or even later do not seem to have made any reference to either Dak or any saying attributed to him. We can, of course, concede that the sayings had remained in an oral form for some time before being put down in writing.

Dr. Sarma in his learned commentary, has shown that the sayings associated with such names as Dak, Khana, Dank, Ghag, Bhaddari or even Agasti in Tamilnadu cannot be pointed to any historical figure. The association of Dak or Ghag with Varaha-mihira and various tales concerning their birth and death constitute a sort *purana* created by the folk mind. The Assamese Dak, for instance, was the child of Varaha-mihira and a potter-woman and he lost his life untimely in water. Ghag has a similar origin as well as death, but his mother is milkmaid. Dank on the other hand, is born of a Brahmin lady ....Dak does not seem to

have any connection with *Dakarnava*, a Tantric text.

Apparently these sayings have had a long tradition, spreading through the centuries over large parts of India. One or two Maithil scholars have traced their Dak to the sixteenth century, though the saying attributed to him are rather modern The Assamese Dak cannot be taken so far back. The astrological part of the sayings and even certain maxims having a bearing on agriculture are likely to have had their inspiration in Sanskrit works.

I had long desired that someone should take up the maxims attributed to Assam's Dak and edit them by fixing an authentic text. In fact, while I was in the Folklore Research dept. of Gauhati University, some twelve years ago, having seen a manuscript of Dak's sayings in the manuscript collection of the university had it transcribed. Dr. Sarma has made use of this copy. Dr. Sarma has put the Assamese sayings in an all-India perspective. This is a learned study done in depth as well as extension. Dr Sarma also point's out that there are still some sayings attributed to Dak but not set on paper yet

Sd/ P. Goswami

বিষয়-সূচী

অৱতৰণিকা . (v)

এক : Foreword Dr Praphulladatta Goswami
Retired Professor of Folklore
Gauhati University. (xi)

দুই : ডাক-প্ৰবচনৰ কথাবস্তু : ১

জন্ম প্ৰকৰণ ১, ধৰ্ম প্ৰকৰণ ৩, ন্যায় প্ৰকৰণ ৫, নীতি প্ৰকৰণ ৮, ৰাজন্যাদি প্ৰকৰণ ১২, বন্ধন প্ৰকৰণ ২৩, গৃহিণী লক্ষণ ২৫, পৰিত্যাগ কথন ৩৩, বৰ্ষাদি লক্ষণ ৩৪, বৃষ লক্ষণ ৩৭, হলবাহন ক্ৰম ৩৯, অথান্ন লক্ষণ (কৃষি লক্ষণ) ৩৯, জ্যৌতিস প্ৰকৰণ ৪২, যমঘণ্ট কথন ৪৩, যাত্ৰা লক্ষণ ৬১, গৃহ লক্ষণ ৬৩, দ্ৰব্যগুণ কথন ৬৫, নাগ লক্ষণ ৬৮, কুপুৰুষ লক্ষণ ৬৯, সুপুৰুষ লক্ষণ ৬৯, নাৰী-লক্ষণ ৭১, টোকন-নাল আদি ৭৪, টোকনৰ গুণ ৭৫, ওপৰঞ্চি : ডাকৰ জন্ম আৰু মৰণ ৭৬

তিনি : শব্দ নিৰ্দেশিকা : ৭৯

চাৰি : কেইটিমান প্ৰবচনৰ সৰল ব্যাখ্যা : ১১১

পাঁচ : অধিসমীক্ষা : ১১৭

১ম অধ্যায় : অসম আৰু ভাৰতৰ বিভিন্ন প্ৰান্তত প্ৰচলিত ডাক-পৰম্পৰা : ১১৯

১ অসমত ডাক-পৰম্পৰা : ১২০

২. বঙ্গদেশত প্ৰচলিত ডাক-পৰম্পৰা : ১২৪

৩. উৰিষ্যাত প্ৰচলিত ডাক-পৰম্পৰা : ১৩৪

৪ মিথিলাত প্ৰচলিত ডাক-পৰম্পৰা : ১৩৭

৫ ভোজপুৰী ক্ষেত্ৰত প্ৰচলিত ডাক-পৰম্পৰা : ১৪২

৬. উত্তৰ প্ৰদেশত প্ৰচলিত ডাক-পৰম্পৰা : ১৪৩

৭ ভড্ডৰী-পৰম্পৰা : ১৪৮

৮. ৰাজস্থানত প্ৰচলিত ডাক-পৰম্পৰা : ১৫১

২য় অধ্যায় : 'ডাক' পদৰ অৰ্থ : ১৫৫

৩য় অধ্যায় : অসমীয়া ডাক-প্ৰবচন : ডাকৰ বচনৰ ভাষাতাত্বিক দিশ : ১৬৪

৪ৰ্থ অধ্যায় : উপসংহাৰ : ১৭৮

ছয় : গ্ৰন্থপঞ্জী : ১৮৩

সাত : সংবাদদাতা/দাত্ৰী : ১৮৬

আঠ : পৰিশিষ্ট : ১৮৯

ন : নিৰ্ঘণ্ট : ১৯২

চিত্ৰসূচী

১.	জন্ম-পত্ৰিকাৰ চাৰিসাগৰ	চিত্ৰ ১
২.	ধ্বজাদি অষ্ট বিভাজন	চিত্ৰ ২
৩.	দিশাধিপতি গ্ৰহ	চিত্ৰ ৩
৪.	নিষিদ্ধযাত্ৰা	চিত্ৰ ৪
৫.	দ্বাদশ ৰাশি, অধিপতি গ্ৰহ আৰু নক্ষত্ৰ্যৰ স্থান	চিত্ৰ ৫
৬.	ডাক-প্ৰবচনৰ দুটি পৃষ্ঠা	চিত্ৰ ৬

'ডাক-প্ৰবচন'ৰ পাঠ সমীক্ষাত গ্ৰহণ কৰা পুথি

ক. ডাকৰ বচন, পুৰণি পুথি সংৰক্ষণ বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, পুথিৰ ক্ৰমাঙ্ক ২৩৭২

খ. ডাক-চৰিত, বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, গুৱাহাটী, পুথিৰ ক্ৰমাঙ্ক ১৪০

গ. ডাকৰ বচন, বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, গুৱাহাটী, পুথিৰ ক্ৰমাঙ্ক ৫২৭

ঘ. ডাক-ভণিতা, বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, গুৱাহাটী, পুথিৰ ক্ৰমাঙ্ক ১১২

ঙ. ডাক-চৰিত্ৰ, পুৰণি পুথি সংৰক্ষণ বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, পুথিৰ ক্ৰমাঙ্ক ২৮৮৭

চ. ডাক-চৰিত, অনুসন্ধান সমিতি, গুৱাহাটী

ছপা পুথি ঃ

ছ. ডাকৰ-বচন, দণ্ডীৰাম দত্ত সম্পাদিত, ১৯৬৮

জ. ডাক-চৰিত্ৰ বা ডাক ভণিতা, শিৱনাথ ভট্টাচাৰ্যৰ দ্বাৰা প্ৰকাশিত, চতুৰ্থ তাঙৰণ



ডাক-প্ৰবচনৰ দুটা পৃষ্ঠা, চিত্ৰ ৬

ডাক-প্ৰবচন

শ্ৰীকৃষ্ণায় নমঃ

১. অথ জন্ম প্ৰকৰণ

উপজিয়া ডাকে বোলন্ত বাক।
পোএণতি ৰাখি চাৱ পুতাক।।[১]
ধুৱাই পখলাই কোলে লৈব জেবে।
ভালে ভালে ফুল পৰিব তেবে।।[২]
হৰিধ্বনি কৰি নাভি কাটিবা।
দৃঢ় মুষ্টি কৰি গাঠি বান্ধিবা।।[৩]
গোবৰ সুঠি সুচলি কাঠ।
সেকিলে নাভি নহৱে অনাঠ।।[৪]
একে কাঠে লাৰি চাৰি।
দুই কাঠে ফুক পাৰি।।[৫]
তিনি কাঠে কৰিয়া এক
জেনে লাগে তেনে সেক।।[৬]
লোন ঝালুক দি খুৱাব ঝাল।
তেবে স্তন ৰস হুইবেক ভাল।।[৭]
কলা তুলসি বেলৰ পাত।
মুথা সমে খুন্দি পটাত।।[৮]
তপত কৰিয়া জননি খাইব।
তেবেসে জননি দৃঢ়ক পাইব।।[৯]
জেবে সুতিকা ৰাখিব জিৱ।
জতন কৰিয়া ঔষধ পিব।।[১০]

ছ. জ. একদিনা ডাক জন্ম লভিলা। ভুমিত পৰিয়া মনে গুণিলা।।
দেখে অন্ধকাৰ প্ৰদীপ নাই। চক্ষুটেৰ কৰি মাৱক চাই।।
প্ৰসৱ দুখত মাতৃ অসুখ। চক্ষু মেলি চাই পুত্ৰৰ মুখ।।
ওচৰৰ দুই তিৰী আসিয়া। জ্বলাৱে অগ্নিক তুষে ফুঁকিয়া।।
পিৰিক পাৰাক কৰে আগুন। নালাগে দেখিয়া উঠয় খঙ্গ।।

১ ছ. জ. হেন দেখি পাছে মাতিল ডাক। পোঁৱাতী ৰাখিয়া চা পুতাক্।।

৪ ক. গোবৰ সুঠি নবুলি কাঠ ... ... নহৱে নাঠ।

৬ ছ. দুই কাঠে ফুঁক মাৰি। জ. ফু পাৰি

ক. যেনেকৈ লাগে তেনেকৈ সেক। জ. যেন লাগে তেল সেক।

১০ ছ. জ. দিব

বাৰিপুষ্প ঝিণ্টিবমুল খুদ্ৰ ৰাৰ্ত্তকি।
বাটিয়া খুৱাইব নথাকে বাঙ্কি।। [১১]
অপৰাজিতা ইহৰতি ইহাৰ মুল।
জানি সুনি দিবা দসমুল।। [১২]
অহিতে সিসুক জনে নেদেখি।
অভ্যান্তৰে থৈবা সুহৃদ ৰাখি।। [১৩]
পুবলৈ সিৰে সিস্য সুয়াইব।
সুতিকা ৰাখিব অগ্নি জলাইব।। [১৪]
দিনত সিসুক নাচাৰিব জনে।
নিসাত ৰাখিব মাৰে জতনে।। [১৫]
সপুত্ৰনি নাৰি সঙ্গে নেড়িব।
মাঝে মাঝে মাৰে জাগি দেখিব।। [১৬]
উৎপতি ক্কালে তৃসাৰ্ত্ত জানি।
সুতিকা কাখৰে নথৈবা পানি।। [১৭]
সুতিকা কাখৰে ৰাখিবা অস্ত্ৰ।
সাৱধানে মাৰে ৰাখিব বস্ত্ৰ।। [১৮]
গৃহ চাৰি চুকে দ্বাৰ মুখত।
সিজু বচ আনি ৰুইবে সতত।। [১৯]

---

১২ ছ ঙ অপৰাজিতাৰ একটি ফুল। জানি শুনি দিব দশৰ মুল।।
বাসি জয়ন্তী পুষ্পক লব। তাৰ ক্ষুদ্ৰ শিপা অল্প মিশাইব।।
অল্প বেঙ্গেনা শিপা তাহাকো দিব। ক্ষুধাৰ্ত্ত খুৱাইব তেবেসে জীৱ।
১৩-১৪ ছ অহিত জনে শিশুক নেদেখি। অভ্যান্তৰে থৈব দৃঢ়কে ৰাখি।।
ছ পূৰ্ব্ব শিৰে শিশুক শুৱাই। সুতিকাৰ কাখে ৰাখিব জুই।।
খ. পুবলৈ শিৰে শিশুক সুৱাই। পোৱাতি ৰাখিব আগ জলাই।।
১৫ ১৬ খ ইষ্টজন সবে জাগি থাকিব।
ছ নিশাত ৰাখিব মাত্ৰ যতনে।
১৭ ১৮ খ. উৎপত্তিকালত কুশল জানি। ... সুতিকাৰ নিকটে নথৈবা পানি।
ছ. অপুত্ৰী নাৰী সঙ্গে নথব। নিশাত মাত্ৰ জাগি থাকিব।।
কাখত লোকে হাই নকৰিব। সুতিকাৰ কাখে পানী নথৈব।।
জ নিসত্ত্ব তনু তৃষ্ণাতুৰ জানি। সুতিকা নিকটে নথৈব পানী।।
সুহৃদে বান্ধিব কটিৰ বস্ত্ৰ। সুতিকা নিকটে ৰাখিব অস্ত্ৰ।।
১৯-২০ খ ঘৰৰ বাঝত চাৰি চুকত। বচ সিজু বগৰি ৰুব সকত।।
অসৌচৰ বাঝে মঙ্গল কৰি। সুৰ্য্যাক দেখাব নয়ন ভৰি।।

ঔসচ বাঝে মঙ্গল্য কৰি।
সুৰ্যক দেখাইবা নয়ন ভৰি।।[২০]

২. অথ ধৰ্ম্ম প্ৰকৰণ

দধি দুগ্ধ সালি অন্ন।
প্ৰবন্ধে জিতো কৰাই ভোজন।।[১]
সিজনে পাৰে জদি ইন্দ্ৰিয় জিনিত।
তেবে বিন্ধ্যাগিৰি পাৰে সাগোৰ তৰিত।।[২]
ব্ৰাহ্মনৰ পিতৃ দেৱ অৰ্চ্চন।
ক্ষেত্ৰিয় গনৰ জুদ্ধ কৰন।।[৩]
নৃপতি সবৰ প্ৰজা পালন।
বৈশ্যৰ বাণিজ্য ধন আৰ্জন।।
সুদ্ৰৰ স্বধৰ্ম্ম নিতি সেবন।।[৪]
জেবে ধৰ্ম্ম কৰিবা জানি।
পুখুৰি খানিয়া ৰাখিবা পানি।।[৫]
বৃক্ষ ৰোপনত অধিক ধৰ্ম্ম।
মঠ মণ্ডপ সোভন কৰ্ম্ম।।[৬]

১৯-২০ ছ গৃহৰ চাৰি কোনে দ্বাৰ মুখত। সীজু বচ আনি কুইব সতত।।
পঞ্চম দিনত মঙ্গল কৰি। সূৰ্য্যক দেখাইব নয়ন ভৰি।।
পখে কিম্বা মাসে গণক আনি। কৰিব গণনা বেদক মানি।।
লোণ তেল জালা সভাত দিব। সমাজে চাহিয়া নাম কৰিব।।
পিতৃ অনুসাৰে পুত্ৰৰ নাম। মাতৃ অনুসৰি দুহিতা নাম।।

১-২ খ প্ৰবন্ধিয়া নিতে কৰে ভোজন।।
সিজনে যদি ইন্দ্ৰিয় জিনিত। বিন্ধ্যাগিৰি সাগৰ পাৰে তৰিত।।

৩-৪ জ ক্ষেত্ৰিয় সবৰ প্ৰজা পালন।।
খ বিপ্ৰে বৃষ্টি কৰে যাহাৰ শিৰে। প্ৰতি নিতে জাৰ ভোজন খিৰে।।
পিতৃ মাতৃৰ নিতে বন্দয় চৰণ। ডাকে বোলে তাৰ সাৰ্থক জীৱন।।
সৰ্ব্ব গুণিয়াক ভাতে নাটে। দুষ্ট পুত্ৰ জাৰ নিতে কাটে।।
অপুচক ভৈলে পাত্ৰ নোহে ভাল। দন্ত খসিলে কিহৰ গিতাল।।
জ্যোতিস পঢ়ে গ্ৰহৰ নাই থিত। দন্ত ভোক্তা নভৈলে কি কৰে বহু বিত্তে।।
বৈদ্যভয়া মৰে আপুনি বিষে। নৃপতি হুয়া প্ৰজাক হিংসে।।
শিৰে নবন্ধে মাধবৰ পাৱ। সবে বিৰম্বনা জানিবা মাৱ।।

৫-৬ ক ব্ৰহ্ম আৰোপন অধিক ধৰ্ম্ম।
খ. মঠ মণ্ডপ গুৰুত্তৰ কৰ্ম্ম। ধনজন বস্তুত কিবা বিশ্বাস।।

জেই দিয়ে তাকে পাই।
পৰলোকে বসি খাই।।[৭]
অনিত্য দেহাত নাহিকে আস।
ধনে জনে বস্ত্রে কিবা বিশ্বাস।।[৮]
জি জনে দিয়ে অন্নৰ সাৰি।
সি জন নাজাই যম নগৰি।।[৯]
অন্ন জল জানা অধিকে দান।
তাত কৰি শ্রেষ্ঠ নাহিকে আন।।[১০]
ভাল দ্রব্য জেখনে পাইব।
দেবতা দ্বিজক তেখনে দিব।।[১১]
কালিৰ ভাগক ৰাখে জতনে।
প্রসংসে তাহাক ৰবিৰ নন্দনে।।[১২]
সোনাৰ তুল্য কন্যা দান।
ডাকে বোলে তাৰ স্বৰ্গত থান।।[১৩]
জিজনে কৰে অন্নৰ সালা।
তাহাৰ নাহি যমেৰ খেলা।।[১৪]
দধি দুগ্ধ অন্ন বিপুল।
ইসব দানক নাহিকে তুল।।[১৫]
ডাকে বোলে সেহিসে সাৰ।
আপুনি মৰিলে কি কৰে আৰ।।[১৬]
ব্রহ্মা বিষ্ণু ৰুদ্র দেৱা।
সকলে কৰে গঙ্গাক সেৱা।।[১৭]
গয়া প্রয়াগ বাৰানাসি জাই।
গঙ্গা স্নানত সবাকে পাই।।[১৮]

---

৭ খ. পৰলোকে গৈয়া সুখে খাই।।
৯-১০ খ. তাত পৰে নাহিকে আন।। গ. তাত পৰে বড় নাহিকে আন।।
১১-১২ খ. ভাল দ্রব্য সব জেখনে পাইব। গ কালিৰ ভাগোক ৰাখে জিজন।
১৩-১৪ খ. তাৰ নহে জানা যমৰ খেলা। গ. সেই জনত নাই জমৰ খেলা।
১৫-১৬ খ. দুগ্ধ সব কৰিয়া মেলে। ঔসধ দান সত্য বোল।।
ডাকে বোলে তেবে সেহিসে সাৰ। তাহাক চাড়িয়া নাহিকে আৰ।।
গ. দধি দুগ্ধ দেই অন্ন বিপুলে। ওসধি দানত বৈদ্য বোলে।।
ডাকে বোলে সেহি সাৰ। তাহাক ছাড়িয়া নাহিকে আৰ।।
ঙ. ঔষধ দানত নাহিকে তুল।
১৭ ১৮ খ গ. গঙ্গা গয়া বাৰানসি জাই।

ৰূপা সোনা হিৰা অমোল্য।
গঙ্গা জলক কেহো নোহে তুল্য।।[১৯]
জত মহাপাপ সকলে কৰে।
পৰ ধন পৰ নাৰিক হৰে।।[২০]
যদি সিতো গঙ্গা স্নান কৰে।
সকলে পাতেক তাহাৰ হৰে।।[২১]
প্ৰথমে ঘৰে উপবাস কৰি।
তিৰ্থ জাত্ৰাক জাইবেক লৰি।।[২২]
গঙ্গা জলত চাৰিবে প্ৰাণ।
মুকুতিত বিনে নাপাইবে আন।।[২৩]

৩. অথ ন্যায় প্ৰকৰণ

বুঝিয়া সুঝিয়া বান্ধিবে আৰি।
তেবেসে সত্ৰুক জিনিবে পাৰি।।[১]
তাৰ মুখে কথা হৈবেক বাঝ।
ধৰ্ম্ম কৰি কথা সোধন্ত ৰাজ।।[২]

১৯-২০ খ. সোনা ৰূপা হিৰা তুল্য। গঙ্গাৰ জলৰ নোহে মূল্য।।
জত লোকে জত পাপ কৰে। পৰধন পৰ দাৰ হৰে।।
গ. সনা ৰূপা হিৰা মুকুতাৰ মূল্য। গঙ্গাৰ জলে নুহিকে তুল্য।।
জতলোক জতপাপ কৰে। পৰোৰ ধন পৰ নাৰি হৰে।।
২১-২২ খ. জেবে গৈয়া গঙ্গা স্নান কৰে। তেখনে পাপ সমস্তে হৰে।।
প্ৰথমে ঘৰত কৰি উপবাস। পাছে চলি জাই গঙ্গাৰ পাস।।
জ. যদি গয়া গঙ্গা স্নান কৰে।
২৩ খ. গঙ্গাৰ তিৰত চাৰিলে প্ৰান। মুকুতিত পৰে নাহিকে আন।।
গ. গঙ্গাৰ জলত চাড়িল প্ৰাণ।
জ. হোৱন্ত মুকতি স্বৰ্গ প্ৰধান।।
২ খ. কথা সুধিব সভাৰ থানে। ধৰ্ম্মাধৰ্ম্ম যিজনে জানে।।
গ. সাখিক সুধিব সভাৰ থানে। ধৰ্ম্মাধৰ্ম্মক জিজনে জানে।।
ছ. দৃঢ়কে কৰিবা সাক্ষী সকল। সাক্ষীহে জানিবা জয় মঙ্গল।।
জ. সাক্ষী মুখে কথা কয়াই বাজ। যদি ধৰ্ম্ম কৰি সোধন্ত ৰাজ।।

দৃঢ় কৰি থুইব সাখি চয়।
তেবেসে সাধিব সকলে জয়।।[৩]
জেবে ভাল ৰূপে সাখি কহিব।
তেবেসে সততে ন্যায় জিনিব।।[৪]
ডাকে বোলে আগে ন্যায়·সাজ।
ন্যায় হাৰিলে অধিকে লাজ।।[৫]
ভাল লোক চাই সাখি কৰ।
ধৰ্ম্মাধৰ্ম্ম জাৰ তাৰ গোচৰ।।[৬]
সাখি পঞ্চ সপ্ত নৱ জন।
বেদ বেত্তা তিনি হোৱে ব্ৰাহ্মন।।[৭]
এক সাখি চন্দ্ৰ সূৰ্য্যৰ সৰি।
তাক নামানিবা কৈলো সংহৰি।।[৮]
সুনা কথাতে দেই পৰিক্ষা।
কথা পোচন্তে কৰয় কক্ষা।।[৯]
হেন জন ভৈলে নৰকে জাই।
বোলন্ত ডাকে দৈবে বাধা নাই।।[১০]
এক এক কৰি সুধিব কাৰ্য্য।
বসিয়া থাকিব সভাৰ মাঝ।।[১১]

৩-৪ খ দৃঢ কৰি সাখিক আগে। সাখিৰ মুখেহে জিনিব লাগে।।
জেৱে ভাল মুখে সাখি কৰিব। তেবেযে সভাত ন্যায়ে জিনিব।।
গ দৃঢ়কৰি সাখি কৰিব আগে। সাখি মুখে মিত্ৰে জিনিতে লাগে।।
ঘ দৃঢ কৰি সাখি কৰিব আগে। সাখি মুহে জিনিব লাগে।।
ঙ দৃঢ় কৰি থৈব সাক্ষী সকল। সাধিব ন্যায়ত তেবে কুশল।।
৫ ৬ খ. তাকে বোলে আৱে ন্যায় সমাজ।
গ. সদলোক জানি সাখি কৰ। ধৰ্ম্মাধৰ্ম্ম জয় জাহাৰ গোচৰ।।
ঘ ভাললোক জানি সাখি কৰ।
ঙ. স্বধৰ্ম্ম কথাত যাৰ গোচৰ। ভাল সাক্ষী দিয়া চাপ ওচৰ।।
৭ ৮ খ গ সাখি পাঞ্চ সাত চাৰিজন। তিনি দুই জেনে হোৱে ব্ৰাহ্মণ।।
একলে একত সুধিব কাৰ্য্য। বসিয়া থাকিব সভাৰ মাঝ।।
ঘ সাখি লবা চাৰিজন।
ঙ সাক্ষী নৱসাতাধিক চাৰিজন।
৯·১০ খ গ ঘ. ঙ পাঠত নাই।
১১ খ গ. ঘ পাঠত নাই।
ঙ. ধন আশ এৰি শুধিব সাক্ষী। ৰাজাক তেবে ধৰ্ম্মে ফুৰে ৰাখি।।
যিজনে ধৰ্ম্মত নকহে সাক্ষী। ডাকে বোলে তাক থৈবাহা ৰাখি।।
সত্য কৰি যদি সাক্ষী নকৰে। যমদূতে নিয়া স্বৰ্গত থৰে।।
ধৰ্ম্মক এড়িয়া কহয় যেবে। ডাকে বোলে নৰকে পৰিবে তেবে।।

ন্যায় সুধিব চাৰিজন সঙ্গ।
সাখিৰ বোলে ন্যায়ৰ ভঙ্গ।।[১২]
জি ন্যায়ত নাহিকে সাখি।
ডাকে বোলে তাক থৈবাহা ৰাখি।।[১৩]
যদি সত্য কৰি সোধন্ত ন্যায়।
ডাকে বোলে তেবে স্বৰ্গক পাই।।[১৪]
মধ্যস্থ ঠেলি মাতয় জেবে।
ডাকে বোলে নৰ্কে পৰিব তেবে।।[১৫]
মন্দ লোক যদি হোৱয় সাখি।
সপত কৰায়া তাহাকো ৰাখি।।[১৬]
জানিয়া জিজনে অসত্য কয়।
পৰিবে নৰ্কে নাহি সংসয়।।[১৭]
সাখি মুখে যদি ভঙ্গক জানি।
মধ্যস্থ জনৰ বচন মানি।।[১৮]
সাখিক দেখাই ঋনক দিব।
পত্ৰত নাম লেখি ৰাখিব।।[১৯]
লাভ মুল জতেক ধন।
ঘৰতে হৈব উপাৰ্যন।।[২০]
ঋনৰ সাখি যদি নাই খতত।
পৰিক্ষা কৰিয়া বুজিবা তত্ত।।[২১]
স্বামিৰ দোসে ভৃত্যৰ দণ্ড।
স্ত্ৰীৰ দোষে স্বামী ৰণ্ড ভণ্ড।।[২২]

---

১২ গ. ন্যায়ৰ উচিত চাৰিজন সঙ্গ। ঘ. ন্যায় সুধিব চাৰিজন সঙ্গে।।
১৪ ছ. ডাকে বোলে তাৰ স্বৰ্গত ঠাই।
১৬ খ. সপত কৰাবা তাহাক ৰাখি। গ, সত্য কৰি তাহাকো ৰাখি।
ঘ. সত্যত কৰয় তাক ডাক ৰাখি। ছ. শপত কৰাইবা তাক ৰাখি।
১৭-১৮ খ. জানি জিজনে মিচা কই। নৰকত পৰে সিতো নিচয়।।
গ. জানিয়া জিজনে মিচাক কয়। নৰকোত পড়ে জানিবা নিশ্চয়।।
সাখি মুখে যদি কথা জানি। মধ্যসি জনৰ বচন মানি।।
ঘ. জানিয়া জিজনে ধৰ্ম্ম লয়। নৰকত সিতো পড়ে নিত।।
২০ খ. লাভমূল যতধন। গ. লাভ মূল জত ধন। ঘ. লাভ মূল যত যত ধন।
২১-২২ গ. ৰিনৰ সাখি জদি নাই খত। পৰিখা কৰিয়া বুজিবো তত্ত।।
স্বামিৰ দোসত ভৃত্যৰ দণ্ড। স্ত্ৰিৰ দোসত স্বামিৰ দণ্ড।।
ঘ. ধন দি ৰিণৰ নাহিকে খত। পৰিখা কৰিয়া বুজিব তত্ত।।
— — —। স্ত্ৰীৰ দোষত স্বামীৰ অসুভ।।
জ. ঋণৰ সাক্ষী নাহিক অন্ত। পৰীক্ষা কৰিয়া তত্ত্ব বুঝিবন্ত।।

ভেদ দণ্ড সাম দান।
চাৰি ৰূপে ন্যায়ক জান।।[২৩]
বাপে পোৱে যদি কন্দল ৰাজে।
পুত্ৰক দণ্ডিব পণ্ডিত ৰাজে।।[২৪]
সুদ্ৰ জনে যদি বধে বিপ্ৰক।
বধিবে নৃপতি সিটো সুদ্ৰক।।[২৫]
সজ্জনে যদি গোবধ কৰে।
ভিক্ষা মাগি ভুঞ্জিব বাৰে বচ্ছৰে।।[২৬]
গঙ্গা স্নান কৰি নিস্তাৰ পাই।
প্ৰায়স্বিত্ত কৰি গৃহক জাই।।[২৭]
জেবে অন্ন জল জ্ঞাতিয়ে খাই।
তেবেসে তাহান নিৰ্ম্মল কাই।।[২৮]

৪. অথ নীতি প্ৰকৰণ

বিপ্ৰে বৃষ্টি কৰে জাহাৰ শিৰে।
প্ৰত্যেক দিবসে ভোজন ক্ষিৰে।।[১]
পিতৃ মাতৃৰ নিতে নমে চৰন।
বোলন্ত ডাকে সাৰ্থক জিবন।।[২]

---

২৪ খ. পুত্ৰক দণ্ডিব পণ্ডিতৰ মাঝে। গ. পুত্ৰোক দুখিব পণ্ডিতোৰ মাঝে।।
ঘ. পুত্ৰক দোষিব পণ্ডিত ৰাজে। ‘

২৬ খ, ঘ. জ সজ্জনে যদি গুৰু বধ কৰে। গ. সজ্জনে জদি গুৰু বদ্ধ কৰে।
......ভিক্ষা মাগি খাইব বাহ্রু বচ্ছৰে।।

২৮ ৰ পৰৱৰ্তী অংশ খ. গ. সবলে নিৰ্ব্বলে কিসৰ নিয়া। পাঞ্চে পঞ্চাসে কিসৰ বিয়া।।
অনাচাৰি ভৈলে কিসৰ মাৰ। অজ্ঞানী জনত কিহৰ ভাৱ।।

ছ. ৰাগ নজানি গাৱয় গীত। পৰ স্ত্ৰীত মন কৰয় স্থিত।।
ওৰে গাৱে খজুৱাই খহু। বোলন্ত ডাকে তিনিও গৰু।।
আপন কাৰ্য্যক যি কৰে হেলা। তাহাৰ ঘৰে নাই লক্ষ্মীৰ খেলা।।
ক্ৰোধ ভৈলেও যি মাতে বাপা বুলি। শত্ৰুকো যিজনে ধৰে আঙ্কোৱালি।।
ৰঙ্গে খঙ্গে সদা হাসি নেড়য়। তাৰ গৃহে সদা লক্ষ্মী থাকয়।।

নীতি-প্ৰকৰণ খ, গ, ঙ পাঠত পোৱা নাযায়।

১ ক ভোজ ক্ষিৰে। ছ. দিনে দিনে বিপ্ৰে কৰে আশীৰ্ব্বাদ। ঈশ্বৰ নিৰ্ম্মাল্য দিয়ে প্ৰসাদ।।
বিপ্ৰ হস্ত দিবয় শিৰে। প্ৰতিদিন ভোজন ক্ষীৰে।।
জ. ভক্ত গুৰু বিষ্ণু নাম নিচিনে। কাহাত বলে চয় শত্ৰু জিনে।।

সাঠি বোচ্চৰত বোলে আই।
আসাঢ় শ্ৰাবনত দোহে গাই।।[৩]
পুহত আছ জেঠত সালি।
তেবে জানিবা গৃহস্তালি।।[৪]
যেবে জসি জস বখানে আনে।
তেবেসে গৃহস্ত আটি খাই ধানে।।[৫]
তেবেসে পুত্ৰ পিতৃত পোচে কাৰ্য্য।
তেবেসে নৃপতি যেবে কাটি মাৰি লবে ৰাজ।।[৬]
সৰ্ব্ব গুনিয়াক ভাতে নাটে।
দুষ্ট পুত্ৰ জাৰ নিতে কান্দে।।[৭]
অপোচ পাত্ৰ নোহে ভাল।
দন্ত খসিলে কিসৰ গিতাল।।[৮]
জ্যোতিষ পঢ়ে গ্ৰহৰ নাই স্থিত।
নেদিলে নাখালে কিসৰ বিত্ত।।[৯]
বৈদ্য হুয়া মৰে আপুনি বিসে।
নৃপতি হৈয়া প্ৰজাক হিংসে।।[১০]
সিৰে নবন্দে কৃষ্ণৰ পাৱ।
সবে বিড়ম্বন জানিবা মাৱ।।[১১]
ৰান্ধন সালত জাৰ নাবাজিল পটা।
স্নান সময়ত জাৰ নভৈল ফোটা।।[১২]

---

৩ ছ. ষাঠী বছ্ৰত বোলয় আই।
৪ ক. পুহত আহু জেঠৰ সালি।
৫ জ. তেবেসে যশ বখানে আনে। তেবেসে গৃহস্থৰ আঁটিব ধানে।।
৬ ছ. সেহি পুত্ৰ পিতৃত শোধে কাজ। তেবে নৃপতি কাটি মাৰি লএ ৰাজ্য।।
জ. যিটো পুত্ৰে পিতৃত পুছে কায। জানিবা নৃপতিয়ে লবে ৰাজ।।
৮ খ. অপুচক ভৈলে পাত্ৰ নোহে ভাল। দন্ত খসিলে কিহৰ গিতাল।।
ছ. দুষ্টা স্ত্ৰী যাৰ নাহিকা ভাল। দান্ত সৰিলে কিহৰ গীতাল।।
জ. দুষ্ট পুত্ৰ যাৰ নিতান্ত কান্দে। অপুত্ৰ মন্ত্ৰী নোহয় ভাল।
১০ খ. দন্ত ভোক্তা নভৈলে কি কৰে বহু বিত্তে।। বৈদ্য হুয়া মৰে আপুনি বিষে।
ছ. দন্তা ভক্তা নাই কিহোৰ বিত।। বৈদ্য হুয়া মৰে আপুনি বিষে।
জ. দণ্ডভুক্ত বিনে কি কৰে বীত।।
১১ খ. জ. শিৰে নবন্দে মাধবৰ পাৱ। সবে বিৰম্বনা জানিবা মাৱ।।
ছ. শিৰে নবন্দে গোবিন্দ পাৱ। সবে বিৰম্বনা জানিবা মাৱ।।
১২ ৰান্ধন শালত নবাজয় পাটা। স্নান অবিহনে নহল ফঁটা।।
জ. স্নান অবসৰে নভৈল ফোঁটা।
ঘ. স্নান সময়ে নবাজিল ঘটা।।

সিত কালত জাৰ নাহিকে বস্ত্ৰ।
যুদ্ধ সময়ত নাহিকে অস্ত্ৰ।।[১৩]
যজ্ঞ অবসানে নাহি দক্ষিনা।
বোলন্ত ডাকে পাচো বিড়ম্বনা।।[১৪]
অসতিৰ সত্য নাহি একোকাল।
দুগ্ধক ভাল নোবোলে মতোয়াল।।[১৫]
চোৰে ভাল নেদেখে চন্দ্ৰৰ জ্যৌতি।
দুষ্টা স্ত্ৰীৰ নাই পুত্ৰত ৰতি।।[১৬]
জুইক দৃষ্টি সুৰ্য্যক পিঠি।
কৰাই মুঠি মাহ গুটি।।[১৭]
চাইত পৰিলে ঘৃত হোৱে নষ্ট।
দণ্ডাকাৰ ভৈলে গড় হোৱে ভ্ৰষ্ট।।[১৮]
চিতল খণ্ডে গঢ়িব কুঠাৰ।
বক্ৰভাৱে গড়ৰ ব্যৱহাৰ।।[১৯]
উৰিসা ঘৰত বাৰিসা থাকে।
জুবত কন্যাক বাপেকে ৰাখে।।[২০]

---

১৩ ছ আঘণ পুহত নাহিকে বস্ত্ৰ। ...বুলন্ত ডাকে সাতো বিৰম্বনা।।
জ. শীতকালে যাৰ নভৈল বস্ত্ৰ। যুদ্ধ সময়ত ধুকাইল অস্ত্ৰ।।
...বোলন্ত ডাকে পাঞ্চো বিড়ম্বনা।।
১৫ খ. অসতিৰ সঙ্গ নাই একোকালে।
ছ. অতিথিৰ সুখ নাই একোকালে। দুগ্ধক ভাল নাপায় মাতোৱালে।।
জ. অসতীৰ সুখ নাহি একোকালে। দুগ্ধক ভাল নেদেখে মতোয়ালে।।
ইয়াৰ পিছত ছ. ধনী নিৰ্ধনী কিহৰ মিত্ৰৱতী। বলী নিৰ্বলী কিহৰ হাতাহাতি।।
বলবন্তৰ সকল পিনে বল। যেই পোনে চলে সেই পোনে চল।।
১৭ খ. কৰাইক মুঠি মাহক খুটি।। ...ডণ্ডকাৰ নহলে গড় হৱে নষ্ট।।
ছ. অগ্নিত দৃষ্টি সূৰ্য্যত পিঠি। মাহক খুঁটী কৰাইক মুষ্টি।।
...শামুকে সহিতে জল হএ ভ্ৰষ্ট।।
১৮ জ. ...মাহক খুতি কৰাইক মুঠি।। ...দণ্ডকৰ হৈলে গড় হোৱে ভ্ৰষ্ট।।
১৮ ৰ পিছত জ পাঠত : বাঘ চাব লাগিলে বোন্দাকে চাবা।
ভাল মানুহ চাব খুজিলে আলিলৈ যাবা।।
১৯ খ. বক্ৰ ভঙ্গি হলে গড় ব্যৱহাৰ।
২০ খ. ছ. জ. উৰুবা ঘৰত বাৰিবা থাকে।
জ. ....বক্ৰভাৱত কৰ ব্যৱহাৰ।।
২০ ৰ পিছত 'ছ' পাঠত : সম্পৰ্ক দেখি ৰাখে গৃহত। শত্ৰু সহিতে একা চলে পথত।।
ক. এই তিনি চাৰি নিয়াত ভঙ্গ।।

অসতি চোৰে কৰে সঙ্গ।
এই তিনি ন্যায়ত ভঙ্গ।।[২১]
নিস্ফল জিৱন ধৰুয়াই নিয়ে ধৰি।
নিস্ফল জিবন নিতে লোড়ে খৰি।।[২২]
নিস্ফল জিবন খণ্ড পৰবাস।
নিস্ফল জিৱন পৰত কৰে আস।।[২৩]
সবলে নির্ব্বলে কিহৰ নিয়া।
পাচে পঞ্চাসে কিহৰ বিয়া।।[২৪]
দুৰাচাৰি ভৈলে কিসৰ মাৰ।
অক্ষেমি জনৰ কিহৰ ভাৰ।।[২৫]
অপৰাধিৰ কথাত নাহিকে ৰঙ্গ।
অকাটন কটাৰিৰ উঠে খঙ্গ।।[২৬]
ধনিৰ জয় সকলে ৰঙ্গ।
ডাকে বোলে নিধনি হৈলে ভঙ্গ।।[২৭]
ধনি জাই গাৱ ঝোকাৰি।
নিধনিক জাই ঠেলা মাৰি।।[২৮]

---

২১ খ. চোৰেৰে জিতো কৰে সঙ্গ। এই তিনি ন্যায়ত ভঙ্গ।
ছ চোৰে সহিতে যি কৰে সঙ্গ। এই সবৰ জানিবা সদায় ভঙ্গ।।
জ অতি বড় গ্ৰাসে খাৱয় ভাত। ধৰুৱা গৃহস্থক নিদিয়ে মাত।।
চোৰে এৰে কৰে সঙ্গ। ই তিনিৰ জানিবা ভঙ্গ।।
তিৰোতাৰ গৰু ৰখা দেখিবলৈ কুচ্ছিৎ। মুনিহৰ ভাত ৰন্ধা মৰিবহে উচিত।।
২২ ছ. নিষ্ফল জীৱন নিতে চাই খৰি। নিষ্ফলা জীৱন যি পৰৰ ধাৰী।।
খ. নিষ্ফল জিৱন নিতে লোৰে খৰি। নিষ্ফলা জিৱন ধৰুৱাই নিএ ধৰি।।
২৩ ছ. নিষ্ফল জীৱন অকাৰ্য্যে প্ৰবাস।
খ. নিষ্ফল জিৱন খণ্ড প্ৰবাস। নিষ্ফলা জিৱন পৰত আস।।
২৪ জ. পঞ্চে পঞ্চা কিহৰ বিয়া।
২৪ ৰ পিছত জ পাঠত : ছাগৰে বাঘৰে কিহৰ মতামতি।
হাতৰে খুৰেৰে কিহৰ হতাহতি।।
২৫ ছ. দুষ্ট যদি কিহৰ মায়। চোৰৰ মিছা সদ্ শুভায়।।
জ. দুষ্টা স্ত্ৰী হলে কিহৰ মাৰ। অক্ষমী জনৰ কিহৰ ভাৰ।।
২৬ ক. আপৰনিৰ কথাত নাহিকে ৰঙ্গ।
খ. অকাটন কটাৰি লাগয় খঙ্গ।।
২৭ ক. ধনিৰ্জয় সকলে ৰঙ্গ। ডাকে বোলে নিধনি হলে হল ভঙ্গ।।

নিধনি জন জি ঘৰে জাই।
আচোক ভাত পানি মাতো নাপাই।।[২৯]
আহে জাই বহে উকুৰ।
কৈৰ পৰা আহে চহাল কুকুৰ।।[৩০]
অপৰাধি হুই নাখাবা নেওতা।
বেলি পৰি গেল নহল সোধোতা।।[৩১]
খোৰা পিৰা ফটা পাত।
মুখ চাই ৰান্ধনি নেদিয়ে ভাত।।[৩২]
দুৱাৰ চুকত দিয়ে ঠাই।
খালা নাখালা সোধোতা নাই।।[৩৩]
নিধনি ককা বেঙ্গেনা পকা।
দৰিদ্ৰৰ সোদৰ ভাই।।[৩৪]
ওঁকাহি দিয়ে জেঠালকে।
বোয়াৰি থাকে মুখলৈ চাই।।[৩৫]
আসনৰ বৰ্জিত তিনি জাৰ খুৰা।
মিত্ৰৰ বৰ্জিত পিৰে সুৰা।।[৩৬]
গাইৰ বৰ্জিত ওলোমা বাহি।
স্ত্ৰীৰ বৰ্জিত ঘনে তোলে হাহি।।[৩৭]

---

৩০ ক. কৈৰ পৰা আহিচে চহলে কুকুৰ।
খ. আহে জাই বহে উকুৰে। কিলেই খেদে চহাল কুকুৰে।।
জ. আহে জাই বহে উকুৰ। বৰ্ণে আহ চহাল কুকুৰ।।
৩১ ক. অপৰানি হুই নাখাবা নেওতা।
জ. অপৰাধী হলে নপাই মান্যতা। বেলি পৰি গৈল নোহে সোধোতা।।
৩২ খ. মুখ চাই ৰান্ধনি পৰসে ভাত।
ছ. খোৰা পিৰা ফাটা পাত। মুখ চাই ৰান্ধনি নেদিয়ে ভাত।।
জ. খোৰা পীড়া ফটা পাত্ৰ। মুখ চাই ৰান্ধনী হাহে মাত্ৰ।।
৩৩ খ. খালে নাখালে সোধোতা নাই।
ছ. ....সোধন্ত............।
জ. খালেনে নাখালে সোধোতা নাই।।
৩৪ খ. বেঙ্গেনাৰ পকা নিধনিৰ ককা। দৰিদ্ৰৰ সোদৰ ভাই।।
৩৫ খ. উকহি দিএলোতে গল ফাটি জাই। ভাই বোৱাৰিএকে আছে মুখে মুখে চাই।
জ. ঐকাহি দিয়োতে। গল ফাটি গৈল। ভাই বোৱাৰিয়ে মুখ চাই।।
৩৭ ছ. ....স্ত্ৰীৰ বজ্জিত সদাই হাঁহি।।
ঘৰৰ ভাল নাই যাৰ নাই বুঢ়া।।

নষ্ট হ'ল কৃষি মাঝে হ'ল বাট।
নষ্ট হ'ল স্ত্ৰী নিতে বেহাই হাট।।[৩৮]
ভাল কাপুৰ নষ্ট গেল নিতে ললে ঝাপত।
ভাল পো নষ্ট গেল নুসুধিলে বাপত।।[৩৯]
নষ্ট গেল আঠুয়া নিতে ঝাপত ওঁৰে।
নষ্ট গেল মাগুৰ মাচ ঢৰা জুইত পোৰে।।[৪০]
ডাকৰ বচন বেদৰ বানি।
পো লাগা তিৰোতা ঘৰলৈ নানি।।[৪১]
তোকো বঞ্চে মোকো বঞ্চে।
পালে বস্তু পুতেকলৈ সাঞ্চে।।[৪২]
বুঁঢ়া গৰুৰ সিঙ্গে ভাৰ।
ঘৰিনি মুখৰা পো জুঝাৰ।।[৪৩]
পানিৰ বাটত নুহিবা আগা।
অপৰানি কুটুম্বৰ নহৈবা লগা।।[৪৪]
দুষ্টা স্ত্ৰীৰ নহৈবা ভাই।
ঘন পোৱাতিৰ নহৈবা জোঁৱাই।।[৪৫]

---

৩৮ খ. নষ্ট গেল কিৰিষি মাঝে হ'ল বাট। নষ্ট গেল তিৰি.........।।
ছ. ভাল কৃষি নষ্ট হএ মাজে হয় বাট। ভাল তিৰি নষ্ট হএ নিতে কৰে হাট।।
খ. ভাল তিৰি নষ্ট গেল ঘনে বেহাই হাট। ভাল বাৰি নষ্ট গেল মাঝে হ'ল বাট।।
৩৯ খ. ভাল পো নষ্ট গেল নুসুধি বাপত। ভাল কাপোৰ নষ্ট গেল নিতে লই জাপত।।
ছ. ভাল বস্ত্ৰ নষ্ট হএ নিতে উৰে জাপত। ভাল পো নষ্ট হএ নুসুধে বাপত।।
৪০ খ. নষ্ট গেল মাগুৰ মাচ ধৰা জুইত পোৰে। নষ্ট গেল আঠুৰা ঝাপত ঝোৰে।।
জ. নষ্ট গৈল আঠুৰা ঝাপত গোৰে। নষ্ট গৈল মাগুৰ জুইত পোড়ে।।
৪১ খ. ডাকৰ বচন বেদৰ বানি। পো লগা তিৰতা ঘৰলৈ নানি।।
৪২ খ. তোকো বঞ্চে মোকো বঞ্চে। পালে বস্তু পুতেকলৈ সাঞ্চে।।
৪৩ ছ. বুঢ়া গোৰুৰ শিঙে মহাভাৰ। ঘোৰুণী যদি হএ যুজাৰ।।
যাৰ ঘোৰুণী অনাচাৰ হয়। তাৰ ভাল কখনো নয়।।
জ. বুঢ়া গৰুৰ শিঙে ভাৰ। ঘৰণী মুখা ৰূপে যুৱাৰ।।
৪৪ খ. পানিৰ বাটত নহবা আগা। ধনি কুটুম্বৰ নহবা লগা।।
ছ. পানীৰ ঘাটত নহবা আগা। দুখীয়া কুটুম্বৰ নহবা লাগা।।
জ. পানীৰ বাটত নহবা আগা। দুখী কুটুম্বৰ নুহবা লগা।।
৪৫ ছ. দুষ্টা স্ত্ৰীৰ নহৈব ভাই। ঘন পুত্ৰতিৰ নহৈবা জয়াই।।
জ. দুষ্ট তিৰীক নিদিবা ঠাই। ঘন পোৱাতীৰ নুহবা জোয়াই।।

নাহালে নপৰে কিহৰ আহুধান।
পৰিলে সালি তুহ পতান।। [৪৬]
টৈৰা বেকা ভৈলে কিহৰ ধৰনি।
মানুহ অমানুহ নাজানিলে কিহৰ ঘৰিনি।। [৪৭]
অকাৰ্য্যত তৃন কাটে।
অনালোৱে কমাৰ সাল পাতে।। [৪৮]
ৰাজাৰ গড় বিদি চাই।
এই তিনিক দণ্ডিবে জুয়াই।। [৪৯]
কাৰ্য্য নাই নিতে ফুৰে ৰাতি।
জুই সালত বান্ধে গাতি।। [৫০]
টেলেঙ্গা নাওঁৰ উপৰ ভৰা।
বোলন্ত ডাকে তিনিওঁ মৰা।। [৫১]
কি কৰে সৰৰ সিঙ্গে।
কি কৰে খোৰাৰ ৰিঙ্গে।। [৫২]
কি কৰে অন্ধলাৰ চাহি।
কি কৰে সোলাৰ হাহি।। [৫৩]

---

৪৬ খ. নাহালে নপৰে কিহৰ আহুধান। বোল মাত নললে কিহৰ কিৰিযিয়ন।।
ছ. নপৰিলে আহু নুবুলি ধান। পৰিলে শালি হঞ পতান।।
জ. নহলে নপৰে কিহৰ আহু। মাত বোল নহলে কিহৰ শাহু।।
৪৭ খ. টৈৰা বেকা নহলে কিহৰ ধৰণি। মানুহ অমানুহ নাজানিলে কিহৰ ঘৰিণী।।
ব্ৰাহ্মণৰ মন্দ বেদ নপৰা। শূদ্ৰৰ মন্দ আধা বুঢ়া।।
বেকা বেকী হৈলে কিহৰ ভুই। ফুকত নুঠিলে কিহৰ জুই।।
ভাল মন্দ নজানে কিহৰ ঘৰুণী। ফটা কাপুৰৰ মিছা অৰণী।।
৪৮ ছ. অকাৰ্য্যত তৃণ কাটে। অনা লয়াই কমাৰে শাল পাতে।।
৫০ খ. কাৰ্য্য নাইকোতে ফুৰে ৰাতি। জুইৰ কাখৰত বান্ধে গাতি।।
জ. অকাৰ্য্যত ফুৰে ৰাতি। জুইৰ কাখত বান্ধে গাটী।।
৫১ খ. টেলেঙ্গা নাৱত ওপৰ ভৰা। বোলন্ত ডাকে তিনিও মৰা।।
ছ. টৈলাঙ্গা................।
জ. টুলুঙ্গা..................।
৫২ খ. .... কি কৰে ঘোৰাৰ ৰঙ্গে।।
ছ. কি কৰে মেষৰ শিঙ্গে। কি কৰে খৰাৰ বিঙ্গে।।
জ. কি কৰে শৰৰ শিঙ্গ। কি কৰে খোৰাৰ বিঙ্গ।।
৫৩ খ. কি কৰে সোলাৰ হাঁহি। কি কৰে অন্ধলাৰ চাহি।।
ছ. কি কৰে দেওয়াৰ হাঁসি। কি কৰিব অন্ধলাই চাহি।।
জ. কি কৰে শোলাৰ হাঁহি। কি কৰে অন্ধৰ চাঁহি।।

কি কৰে ঘৃতৰ ঘোল।
কি কৰে নিধনিৰ বোল।। ৫৪
জাৰ নাই তৰ্জু তুল।
সি জানে কি লাভ মুল।। ৫৫
ৰাগৰ মিঠা ৰবাবি।
জিভাৰ মিঠা থাবি।। ৫৬
তিৰি মিঠা সুঠানি।
ডাকে বোলে বেশ্যা মাতত্তে জানি।। ৫৭
ৰাগ নাজানে গাই গিত।
পৰৰ স্ত্ৰীত কৰে চিত্ত।। ৫৮
ওৰে গাই খুজাই খহ।
ই তিনি বনৰ পসু।। ৫৯
গায়ন নাচে নাহিকে মাত।
ভাল বোয়নিৰ চিঙ্গে তাত।। ৬০
ভাল বান্ধনিৰ কেচা খৰি।
কিল কোব নাই আহকালতে মৰি।। ৬১
কেসৰি নষ্ট গেল টিপচিক পুসি।
মানুহ নষ্ট গেল অন্যোন্যে দুসি।। ৬২
ফটা কথাত উৰহ হুই।
বেশ্যা তিৰিত আপৰ ধন থই।। ৬৩
অসতিজনক বোলে পণ্ডিত।
তিনিওঁ কথাক লাগে খণ্ডিত।। ৬৪
সাৰে নাজানে আথান থান।
গৰুয় নাজানে গৃহস্তৰ ধান।। ৬৫

---

৫৫ জ. যাৰ নাই তৰ্জু তুল। সি কি জানে বাণিজ্যৰ মূল।।
খ. জাৰ নাই তৰ্জু তুল। সি কি জানে বাণিজ্যৰ মূল।।
৫৬ জ. ৰাগৰ মিঠা বড়াবি। মুৰাৰ মিঠা নাবি।।
৫৭ জ. তিৰীৰ মিঠা স্বামী। ডাকে বোলে বেশ্যাৰ মাতত জানি।।
৬৩ খ. ফটা কথাত উৰহে বাহ লই। বেশ্যা ত্ৰিত আপন ধন থই।।
৬৪ খ. অসতি জনক মানে পণ্ডিত। এই তিনিক লাগে খণ্ডিত।।
ঘ. অসতিৰ কথা লাগে খণ্ডিত। ধৰ্মক জানিলেসে মূৰ্খো পণ্ডিত।।
৬৫ খ. গাঁৱে নজানে আথান থান। সাগু নজানে গৃহস্থৰ ধান।।

যমে নাজানে একটিৰ পো।
কমাৰে নাজানে দুখিয়াৰ লো। [৬৬]
দুষ্টে নাজানে সন্তৰ বোল।
বিৰালি নাজানে মৰগিয়াৰ মোল।। [৬৭]
দৈৰ পানি পাটৰ কানি।
কায়স্থ জনৰ অপৰানি।। [৬৮]
আপদ কালত সুতৰনি বানি।
নাইকিয়াতকৈ তাকে মানি।। [৬৯]
সৰু সুতা কাটে বোয়ে তাত।
চুবুৰি চহলিয়াই নুসুনে মাত।। [৭০]
আগে বই পাচে বাই।
সেহি গৃহস্থৰ লাখেক ৰই।। [৭১]
বাট বুলিবা দেখি।
কৰি লবা লেখি।। [৭২]
দণ্ডে দণ্ডে তিয়াবা পাৱঁ।
জে দুৰ লাগে তেদুৰে জাওঁ।। [৭৩]
পৰৰ গোহালিত কিহৰ আস।
লোকৰ ঘৰত কিহৰ নিবাস।। [৭৪]
জৈত আপোনাক লোকে নসয়।
সি থানে থাকিলে অসুখ হয়। [৭৫]
নিস্ফল গোচৰ ডাঙ্গৰিয়া নকৰে কান।
কৃষিৰ নিস্ফল পথৰত নফলে ধান।। [৭৬]
লৰৰ নিস্ফল আগত আছে নই।
স্ত্ৰীৰ নিস্ফল পাটিত নাই পই।। [৭৭]

---

৬৬ খ. জমে নজানে একুতিৰ পো। কমাৰে নজানে দুখিতৰ লো।।
৬৮ ক. দৈৰ পানি পঢ়িৰ কানি।।
খ. দৈৰ পানি পাটৰ কানি। কায়স্থ জনৰ অপৰানি।।
৬৯ খ. আপদ কালৰ উচিত বানি। নাইকিয়াতকৈ আকে মানি।।
৭৩ ক. ডাণ্ডে ডাণ্ডে তিয়াবা..............।।
৭৪ খ. পৰোৰ গোহালিত কিসোৰ আস। লোকৰ ঘৰত কেনে নিবাস।।
৭৫ খ. গ. জৈত আপোনাক লোকে নসহই। সি থানে থাকিলে সুখ নহই।।
৭৬ খ. গোচৰৰ নিষ্ফল বৰুৱা নকৰে কান। খেতিৰ নিষ্ফল পতাৰত নাই ধান।
৭৭ খ. লড়ৰ নিষ্ফল আগত নৈ। তিৰিৰ নিষ্ফল পাটিত নাই পৈ।।

উৰিসা ঘৰত বঞ্চে ৰাতি।
ধনৰ গৰ্ব্বত এড়ে জাতি।। [৭৮]
আতপৰে দুখি তিনিওঁলোকে নাই।
আৰ উদ্ধাৰ বিষ্ণু লোকে নাপাই।। [৭৯]
ভোজনৰ ৰস ভুঞ্জে ভোখে।
বানিজ্যৰ ৰস বেহাই লোকে।। [৮০]
কথাৰ ৰস ভোৰনত সাৰ।
জাত্ৰাৰ ৰস আনে বই ভাৰ।। [৮১]
কথাত পৰ ৰস নাই জেবে কৱ জানে।
কৃষিত পৰ ৰস নাই জেবে নেনিয়ে বানে।। [৮২]
ভোজনত পৰ ৰস নাই জেবে পৰিসে আই।
নৌকাত পৰ সুখ নাই পৰে নিয়ে বাই।। [৮৩]
ৰাজাক চিনিবা দানত।
ঘোড়াক চিনিবা কানত।। [৮৪]
তিৰিক চিনিবা ঠানত।
খুৰক চিনিবা সানত।। [৮৫]
পঢ়াই পঢ়ে ৰোৱে পান।
এই তিনি নিচিন্তে আন।। [৮৬]
ধোবাৰ বাহি কমাৰৰ কালি।।
পসাৰিৰ মোল কুটনিৰ বোল।। [৮৭]
নটে বোলে পাক দি আহি।
পাঞ্চৰো কথা উৰাবা হাহি।। [৮৮]

---

৭৮ খ. উৰুযা ঘৰৰ চালত লাউ। সিগিৰিৰ সুখে নখাউ।।
৮০ খ. ভোজনৰ ৰস ভুঞ্জি ভোকে। বানিজৰ ৰস বেহাই লোকে।।
৮১ খ. যাত্ৰাৰ ৰস আনে বই ভাৰ। মাতৰ ৰস ভুবনতে সাৰ।।
৮২ খ. কথাৰ সুৰস কৱ জানে। কৃষিৰ সুৰস নিনিএ বানে।।
৮৩ খ. ভোজনৰ ৰস পৰিসে আই। নাৱৰ ৰস লোকে নিএ বাই।।
৮৪-৮৫ ছ. জ. তিৰিক চিনিবা স্নানত।
৮৬ খ. পঢ়ে পঢ়াৱে............।
৮৭-৮৮ খ. কমাৰৰ কালি ধোবাৰ বাহি। নটে বোলে পাক দিয়াহি।।
পহাৰিৰ স্নান কুটনিৰ ঝোল।
ঘ. ডাকে বোলে আমি ভাল নুবুলি। ধুবুনি মালিনি নটি গোআলি।।
ছ. কমাৰৰ কালি ধোবাৰ বাহি। নটে বুলে পাক দি আহি।।
পহাৰিৰ ফটা মাছ সুখুনা পান। জুন জুনা গুয়া শাক পিঠা টান।।

বোগৰ লঘু কুকুৰি কান।
বনৰ লঘু বৰসি বান্।। [৮৯]
অসতিৰ কথা লাগে খণ্ডিত।
ধৰ্ম্ম জানিলে মুৰ্খো পণ্ডিত।। [৯০]
নিচৰ সঙ্গত নুহিবা কথা।
একো কালে নাপাই বেথা।। [৯১]
নৰৰ লঘু লেব লেবোয়া।
তিৰিৰ লঘু ঘৰ বেৰোয়া।। [৯২]
তেবেসে মানিক আন্ধাৰ ৰাতিয়ো জলে।
তেবেসে তৰু জদি হালি জাই ফলে।। [৯৩]
তেবেসে সতি স্বামি সঙ্গে জাই।
তেবেসে বিদ্যা ধন ধৰ্ম্ম পাই।। [৯৪]
খাটিব্য নৃপতিৰ পাস।
বেহা কৰিবা লো কপাস।। [৯৫]
বিহা কৰিবা একে সুন্দৰী।
স্মৰন কৰিবা কেবলে হৰি।। [৯৬]
উৰুষা ঘৰত চালত লাউ।
সি গিৰি সুখে ভাত নাখাওঁ।। [৯৭]
আহাৰ ব্যৱহাৰ নকৰি লাজ।
লাজ কৰিলে হৰাই কাৰ্য্য।। [৯৮]
আপৰনি হুই চুপচুপনি খাই।
মৰকিয়া হালে দুবতলি বাই।। [৯৯]
নিয়াত খাটে তিৰিত খাটে।
এই দুইক আলাগতে কাটে। [১০০]

---

৯০ খ. ....বিদ্যাৱন্ত হলে হোৱয় পণ্ডিত।।
৯১ খ. নিচৰ সঙ্গত খঙ্গ বা কথা। একো কালে তেৱে নপাইবে বেথা।।
৯৬ খ. ....স্মৰণ কৰিবা কেশৱ হৰি।।
ঘ. বিহা কৰিবা একে নাৰি। স্মৰণ কৰিবা কেৱলে হৰি।।
৯৮ খ. পথাৰে ৱেৱহাৰে নকৰিবা লাজ।
৯৯ খ. অপৰাণি হুই ভিক্ষা মাগি খাই। মৰকিয়া হালে দুপৰলৈ বাই।।
ঘ. আনৰ হুই ভিক্ষা মাগি খাই। মৰকিয়া হালে দুৱতলি বাই।।
১০০ খ. বাটত জাএোকে তিৰিত খাটে। এই তিনিক অলাগত কাটে।।
ঘ. বাটে ঘাটে তিৰিত খাটে। এই তিনিক নিলগতে কাটে।।

কাটা নাকত কিহৰ ঢাকনি।
জাচি জাই জে কিহৰ বান্ধনি।। [১০১]
অসোধন ভৈলে কিহৰ পাত্ৰ।
তিনিকো জানিবা বৰ্ব্বৰ মাত্ৰ।। [১০২]
বাই মৰা ভিনিহি।
কঠিয়া মৰা কৃষি।। [১০৩]
খুৰাই পেলোৱা ঝাপৰ।
এই তিনিত নাহি সাদৰ।। [১০৪]
বলধ মৰ্ক্কট ভোচা কুকুৰ।
সি গৃহস্তৰ ধান্য প্ৰচুৰ।। [১০৫]
ক্ষৌৰত সুদ্ধ নটৰ হাত।
উদ্ধৰনিৰ শুদ্ধ জ্ঞাতিৰ ভাত।। [১০৬]
ঘাটত শুদ্ধি ডোমৰ নাওঁ।
সজ্যাত শুদ্ধি তিৰিৰ পাওঁ।। [১০৭]
বাৰিসা কুমাৰৰ নিকিনিবা চৰু।
তিনি সলনিয়া নিকিনিবা গৰু।। [১০৮]
মাছৰ নিকিনিবা সৰু কুটা।
স্ত্ৰী নানিবা বজাৰ লুটা। [১০৯]
আদহি তিৰোতা নানিবা ঘৰক।
ঘৰে ঘৰে ফুৰে লৰক ফৰক।। [১১০]

---

১০১ খ. কটা নাকত কিহৰ ওৰনি। জাচি গলে তাই কিহৰ বান্ধনি।।
১০২ খ. অপুচক হলে কিহৰ পাত্ৰ। তিনিকো জানিবা বৰবৰ মাত্ৰ।।
জ. অশুদ্ধ হৈলে কিহৰ পাত্ৰ। তিনিকো জানিবা বৰ্ব্বৰ মাত্ৰ।।
১০৩ খ. বাই মৰা ভিনিহি। পানিএ মৰা কিৰিসি।।
১০৪ খ. খুৰাই পেলোৱা জাপৰ। এই তিনিতো নাইকিয়া সাদৰ।।
১০৫ খ. বলধ গৰু মৰ্কট কুকুৰ ভোচা। সি গৃহস্থৰে নকৰিবা বাসা।।
১০৬ খ. কাৰ্য্যত সুদ্ধ নাপিতৰ হাত। উদ্ধাৰত সুদ্ধ চুৰা ভাত।
১০৭ খ. ঘাটত সুদ্ধ ডোমৰ নাও। সজ্জাত সুদ্ধ তিৰিৰ পাৱ।।
১০৮ খ. বাই নগলে কিহৰ লাঠি। নাচ নহলে কিহৰ কাঠি।।
১০৯ খ. নেহান নহলে ... ...।

* 'খ' পাঠত থকা অতিৰিক্ত প্ৰবচন ঃ

লওৱা বামুনক দুৰাচেৰ। জাকৰুৱা খলিহা হাবামখোৰ।।
বিয়াৰ বামুন ভৰ্জনৰ কুশ। চেচুকৰ ডোম টৌকা বৰিষণৰ তুষ।

বাই নগলে কিহৰ লাঠি।
মাচ নগলে কিহৰ ঘাটি।। ১১১
স্নেহ নহলে কিহৰ সোদৰ।
ভাৰ্য্যা নহলে কিহৰ ঘৰ।। ১১২
মহ বামুন বৰা।
পানি নাপালে তিনিও মৰা।। ১১৩
চাগ চাএ চাই।
বৰুসন হলে তিনিকো নাপাই।। ১১৪

পথাৰে নপৰে নাঙ্গল ইষ। ঘৰ বাৰি নাৰি জানিবা বিষ।।
আনৰ কাৰ্য্য কাজ আনে কৰে। নিজ কাৰ্য্য কৰে সকলে নৰে।।
উঠঙ্গা ঘৰ বকতা স্ত্ৰী। গিৰিহঁতৰ হৰয় শ্ৰী।।
দিবা ভাগে নলগাৰে বাতি। নদিৰ কোলক নজাইবা ৰাতি।।
সাক সুকেতি দিনত বাচে। সেহিতো ঘৰত লক্ষ্মি আছে।।
জি ঘৰত অতিথি সুশ্ৰূষা নকৰে। লক্ষ্মি নাথাকে তাহাৰ ঘৰে।।
নিতে নিতে জিতো বিপ্ৰ ভুঞ্জাই। তাহাৰ সাফল আয়ু সদাই।।
কিৰিসি পান পুত্ৰ ধন। তথাপি নৰে নিচিন্তে আন।।
সকলো বন এড়ি পকা ধান দাবা। পকা ধানো এড়ি সিজা ভাত খাবা।।
সিজা ভাতো এড়ি ৰাজ সেৱালৈ জাবা।।
বাম ভুমিত ঘনে দিবা আলি। যদি নহই সালি পাৰিবা ডাকক গালি।।
অপৰানি হুই নখালে ওঁতা। বেলি পৰিগেল নহল সোধোতা।।
সাঠি বৎসৰত বোলে আই। আহাৰ শাওনত দোহে গাই।।
পুহত আছু জেঠত সালি। ডাকে বোলে সেই গৃহস্তালি।।
জালৰ লৰফৰ লাঙ্গি। ভাৰৰ লৰফৰ সাঙ্গি।।
কাটোক নকাটোক লোএ। পোহোক নোপোহোক পোএ।।
এক তিৰতাৰ পৈ লুদুৰ পুদুৰ। দুই তিৰতাৰ পৈ গাতৰ এন্দুৰ।।
তিনি তিৰতাৰ পৈ নপাই ভাত। চাৰি তিৰতাৰ পৈ মুৰত হাত।।
বামুণে শগুনে বিচাৰে মৰা। আলু কচু বিচাৰে বৰা।
ডোমে বিচাৰে মাচৰে নৈ। তিৰতা বিচাৰে ধনবন্তি পৈ।।
তাতি সোনাৰি বিচাৰে নগৰ। বৰুৱা ফুকনে বিচাৰে জগৰ।।
আনৰ জৰত কোনে পিয়ে পানি। কাৰ ভগিনি মৰে কাৰ হই হানি।।
ভুমি কিনিবা মাঝত খাল। চোৱালি আনিবা মাইকি ভাল।।
অল্পজন বড় হুই। অমান্যে মান্যক পাই।
নিধনিৰ কিচু হুই ধন আপুনাত কৰি বৰ কাকো কিচু নেদেখয়।
মিতিৰৰ ঘৰলে চমাহে বৎসৰেকে জাবা।

পিড়াখন পাবা ঘনে ঘনে নেজাৱা।।
কেটেৰা জেঙ্গাৰা খাবা।।
এদিনৰ মিতিৰ দুদিনৰ মিতিৰ। তিনি দিনৰ পৰা চুবানিৰ কুকুৰ।।
পোৰা মাচ নষ্ট গেল ঢমঢমিয়া জুই।
জি নষ্ট গেল পৰৰ ঘৰত থই।।
চাল নষ্ট গেল কাতি সতাত। ঘৰ নষ্ট গেল ভুৰভুৰিয়া কথাত।।
ওড় শিলিখা কোড়ত ঘঁহি। ডাকৰ বচনে হল মহি।।
মৰে নপাই টুঙ্গা। মৰে পদুলি সুঙ্গা।।
মৰে অলপ পানিৰ মাছ। মৰে নদিৰ কোলৰ গাচ।।
ভকতি আতাইতাই সিচো কপটিয়া গুৰু আসাধাৰী।।
কাপৰে চোপৰে জেইটি। পৰম ভকত সেইটি।।
চাগত চাৰিপোন কুকুৰত মহা।
সালগ্ৰাম কাতিকৈ থৈ নটিনিক বোলে ৰহা।।
কেকাই কেকাই ভাত খাই তাকে বোলে জ্বৰ।
ঘৰৰ কথা বাজ কৰে তাকে বোলে পৰ।।
জেঠ মাহত জুই নুপুৱাই সি কিহৰ জৰ।
মিতিৰ হুই নুদুকিলে তাকে বোলে পৰ!
ক্ৰন্দনৰো ভাল যদি দীৰ্ঘ কৰি কান্দে।
অকুলিয়ো ভাল যদি জুকিয়াই বান্ধে।।
তৰুণ জ্বৰত নখাই দৈই।
এএৱা ভাঙ্গিলে নাখাবা এদা চৈই।।
ঝালুক পিস্পলি এদা খাই। ডাকে বোলে তাৰ কাহ পলাই।।
জুহালত সোএ পোৰা মাটি খাই। কোন দুখে বিয়নি জিএৰ পলাই।।
হাবি নৰলালে কিহৰ পশু। কাপোৰৰ ভিতৰত নৰলালে কিহৰ খশু।।
চোৰ ডকাইতৰ জাৰ সৰণ। আএঃ চৰাত তেলৰ ভৰন।
আখেৰ তপত। তিৰিৰ সপত। কুকুৰক বুলিবা চেই।
কচুপাতৰ পানী। কৰে টলবল। তিনিৰো সপত সেই।।
পাইকক পিয়ল ভাটৌৰ সিকল।
তিৰতাক কিল কটাৰিক শিল।।
মাটিত কোবালে নাচে তাকে বোলে বান্দৰ।
গলত ধৰি খাই চুমা তাকে বোলে সাদৰ।।
বাৰি নষ্ট কৰে জে বোবা গুড়ি। ঘৰ নষ্ট কৰে লেড়েলি বুঢ়ি।।
গোহালি নষ্ট কৰে চেৰেলি গাই। মেল নষ্ট কৰে বেলেগেতিয়াই।।
ঘৰৰ বুঢ়া। পথাৰৰ মুঢ়া। পানিত নাও। গুৰুজনত ভাঁও।।
মগনিয়াৰ কুঠাৰ তিনি তোলনিয়াৰ পো।
তিনিৰো মূৰত ধৰি তিনিও কান্দে চকুত নাই লো।।
কাপ মহি পাত। তিনি মিলি আখৰৰ জাত।।

৫. অথ ৰাজন্যাদি প্ৰকৰণ

ডাকে বোলে বুঢ়া টুটা নামাতি।
লগতে ফুৰিবা দিনে ৰাতি।। ১
তেবেসে ৰাজাৰ দয়াক পাই।
ধন জন সুখ তেবে মিলাই।। ২
জি ৰাজায় প্ৰজাক পালে।
তহিতে বসতি কৰিবা ভালে।। ৩
ৰাজাৰ সেৱাত সবাকে পায়।
এতেকে ৰাজাক সেবে সদায়।। ৪
এক মন কৰি সেবিবা ৰাজ।
বসিয়া থাকিব সকলে কাৰ্য্য।। ৫
দেশ কাল ভাৱ বুঁঝিয়া মনে।
সেবিবা ৰাজাক বহু জতনে।। ৬
লোকৰ কথাৰ নুহিবা আগা।
পৰৰ কথাত নুহবা লগা।। ৭
জি নুবুজে ৰাজকাৰ্য্য।
তাক নপঠাবা সভাৰ মাঝ।। ৮

দখিনে গাজে তাকে বুলি খৰ। জেঠ মাহত জাপ ললে। তাকে বোলে জ্বৰ।।
পূবে গাজিলে ধান, উত্তৰে গাজিলে বান। দখিনে গাজিলে হানে।
পচিমে গাজিলে আনে।।
ভাইৰ শত্ৰু ভাই। কোৰৰ শত্ৰু ঘাই।। পিড়াৰ শত্ৰু ঝাএৰ।
গিদাৰ শত্ৰু সাএৰ।।
ভুই কিনিবা মাজত খাল। চোয়ালি আনিবা মাইকি ভাল।।
তিক বলধা ওলাই মাটি। মাইকি ভালে জিঅক জাতি।।
ভোজন ভ্ৰমণ মৰণ বাণি। ডাকে বোলে নিশ্চয় নজানি।।
পথাৰত নপড়ে জাৰ লাঙ্গলৰ ইস্। ঘৰ বাড়ি নুহি জানিবা বিস।।
আহাৰ বেৱহাৰে নকৰি লাজ। লাজ কৰিলে হবাই কাজ।।
আঠে পখে খাই ভিতা। জমে থাকিবে ডৰাই ভিতা।।

৩ খ.গ. জৈতে ৰাজা..................। তৈতে বসতি............................।।
৫ খ.গ. একমন কৰি সেবিব ৰাজ। এতেকে সিজিবে সমস্তে কাজ।।
৬ খ. দেশ কাল মাত্ৰ..........................।
গ. দেশ কাল ভায় ভায় দেখিব মনে। সেবিব ৰাজাক বোহু জতনে।।
৮ খ. যি নুবুজে ৰাজাৰ কাৰ্জ। তাকে নপঠাইবা সভাৰ মাজ।।
খ. ঘ. ডাকে বোলে বঢ়া-টুটা নমাতি। লগত ফুৰিবা দিনে ৰাতি।।
তেবেসে ৰাজাৰ দায়াক পাই। ধন জন সুখ অধিক মিলাই।।

জি ঠাইত ৰাজাৰ অধিকে কৰ।
পুখুৰি পাৰত বান্ধে ঘৰ।। [৯]

৬. অথ ৰন্ধন প্ৰকৰণ

চিত জেৰোৱা চলি কাতি।
বতা হেঙ্গৰা খাগৰা মুঠি।। [১]
স্বাস দীৰ্ঘ কৰি দিবা ফু।
তেবে দেখিবা জুইৰ মু।। [২]
সোকোতাৰ পাত বেসুয়াৰৰ ঝোল।
তৈলৰ ওঁপৰে দিয়া তোল।। [৩]
পোৰোলা সাক ৰোহিত মাছ।
ডাকে বোলে সেই বেঞ্জন সাচ।। [৪]
মাগুৰ মাচক কচি কুটিয়া।
হালধি মৰিচ হিঙ্গক দিয়া।। [৫]
তৈল লোন দি কৰিবা পাক।
এই বেঞ্জন সাৰ বোলে ডাক।। [৬]
কাৱঁ মাচক কচি কুটিয়া।
হালধি মৰিচ হিঙ্গক দিয়া।। [৭]

---

১ খ. চিত জেৰোৱা চলি কাতি। তেবেসে দেখিব জুইৰ কান্তি।।
গ. চিত্ জোৰআ চলি কাতি। তেবে দেখিবা জুইৰ কান্তি।।
ঘ. জ. চিত জোৰায়া চলি কাতি। তেবে দেখিবা জুই-কান্তি।।
২ খ. উষাহ দিঘলাই দিবা ফু। তেবে দেখিবা জুইৰ মু।।
গ. উয়াহ দিঘলাই দিবা ফুক। তেবে দেখিবা জুইৰ মুখ।।
ঘ. উসাস দিঘলাই দিবা ফুই। তেহে দেখিবা জু মুই।।
জ. উশাস দীৰ্ঘে দিবা ফুই। তেহে চাবা জুইৰ মুই।।
৩ খ. ঘ. সোকোতাৰ পাত বেসুয়াৰৰ জোল। তৈল ওপৰত দিয়া তোল।।
গ. সুখুতাৰ পাত বেসুয়াৰ ঝোল। তেলোৰ উপৰে দিয়া তোল।।
৪ গ. পুইৰ পাত............।।
৫ গ. মাগুৰ মাচোক কাটি কুটিয়া।।
ছ. পালঙ্গ শাক....................।
৬ ক. এই বেঞ্জন সাৰে ....।। খ. গ. ঘ. .... সাৰ ....।।
৭ খ. কাৱৈ মাচক কচি কাট। তৃকল্টি দিয়া তৈলত ভাজ।।
গ. কায়ে মাচোক কাটি কুটিয়া। তৈল দি পেলাবা ভাজিয়া।।
ঘ. কাৱৈ মাচক কচি দহিয়া। ত্ৰিকুট দিয়া তৈলে ভাজিয়া।।
ছ. কাৱৈ মাছক কাচি কুটিয়া। শিকট দিয়া তৈলে ভাজিয়া।।

ওলোট পালট কৰিবা পিঠি।
খাই পাইবা তেবে দৃষ্টি।। [৮]
চেঙ্গা চেঙ্গেলি জামিৰৰ ৰসে।
কাহুদি দিয়া জেবে পৰিসে।। [৯]
মুখৰ অৰুচি দুৰক জাই।
আচোক নৰ দেৱো মোহ পাই।। [১০]
ইলিহ মাচক কচি কুটিয়া।
ত্রিকটু দিয়া তৈলে ভাজিয়া।। [১১]
এই বেঞ্জন জি জনে খাই।
আম্রৰ সদৃস মুখ গন্ধাই।। [১২]
কচ বচ চিতলৰ আদখান।
নেমু লোন দি বুঁঝি পৰিমান।। [১৩]
আৰ্কে খাই পাই সন্তোস প্রচুৰ।
আন বেঞ্জনক কৰিব দুৰ।। [১৪]
চাউল দিবা জতেক।
পানি দিবা তিনি ততেক।। [১৫]
পাগ আহিলে দিবা কাঠি।
তেবে কৰিবা জুই ভাঠি।। [১৬]
জেবে নিসিজে চাউল।
তেবে বুলিবা ডাকক বাউল।। [১৭]

---

৮ খ. উলত পালত কড়িয়া পিঠ। খায়া পাবা ভোজন মিষ্ঠ।।
গ. উলত পালত কৰিয়া পিঠ। খায়া পাইবা ভোজন মিঠ।।
ঘ. উলটা পালটা কৰিবা পিঠা। খাই পাইবা সেই ব্যঞ্জন মিষ্টা।।
৯ গ. .... হাতদিয়া কাহুদি জদি পৰিসে।।
ঘ. .... কাহুদি দিয়া জামিৰ ৰসে।।
১০ খ. .... আচোক ৰুৰুচি দেৱতায়ো ভোল জাই।।
১১ খ, ... তৃকল্টি দি তৈলত ভাজিয়া।।
১২ খ. ঘ. ..... এই ব্যঞ্জনক ....।
১৩ খ. .... নেমুদি বুজিবা তাৰ পড়িমান।।
১৪ খ. ঘ. ...... আন ব্যঞ্জন সবে কৰি দুৰ।।
১৫ খ. ঘ. চাউল দিবা জতেক ততেক ......।।
১৬ খ. উতল আহিলে দিবা কাটি। তেবে কৰিবা জাল ভাটি।।
গ. উতল আহিলে দিবা কাঠি। তেবে কৰিবা জালোক ভাঠি।।
১৭ খ. তেও যদি ....।
গ. তেবে জদি নিসিঝে চাউল।
ঘ. জদি দেখা নিসিজে চাউল।

পকা তেতেলি বুঢ়া বৰালি।
বিস্তৰ কৰি দিবাহা জালি।। [১৮]
বাঢ়ি দিবা টেঙ্গাৰ ঝোল।
খাবাৰ বেলা মুণ্ড নোতোল।। [১৯]

৭. অথ গৃহিনী লক্ষণ

সুদ্ধ ভাৱে সুদ্ধ বংসে ভৈল উতপতি।
স্বামিত বিনা নাহিকে গতি।। [১]
মধুৰ বচনে বোলে সদায়।
স্বামিৰ বাক্য কিচো নেপেলাই।। [২]
সম দন্ত লাৱন্য মাত।
গৃহে বাতি সন্ধ্যা বেলাত।। [৩]
ৰন্ধন কৰে বচন মিষ্ট।
সেহি গৃহিনি বুলিবা ইষ্ট।। [৪]
সাসুৰিত পুচি কৰে আয় ব্যয়।
সি নাৰিক সদা লক্ষ্মি নাচাড়য়।। [৫]

---

১৮ ঘ. বুঢ়া বৰালি পকা তেতেলি........।
১৯ গ. কাঠি দিয়া দিবা টেঙাৰ ঝোল.........।
ঘ. .... খাইবাৰ বেলা.....................।
ছ পাঠৰ পৰা ঃ
কাণ উপৰ কৰি দিবা জাল। তেবে বুজিবা আঞ্জা ভাল।।
যেবে নাহি মছলা ভাল। তেবে দিবা বহুত জাল।।
অন্ন দিবা বাৰি তিনি। আঞ্জা দিবা ক্ষুধা জানি।।
বাঁহ চিত চলিয়া কাটি। আখ্যা পানী কৰিবা জুতি।।
পানী দিবা আখা পাতি। লোৱা ৰান্ধনি খৰিৰ জুতি।।
কচ-বচ চিতলৰ আদখান। নেমু লোণ দি বুজি পৰিমাণ।।
ভুঞ্জিয়া পাছে ছাগ মাংস খাইব। দেহৰ কান্তি উজ্জ্বল পাইব।।
১ ঘ. পতি পদ বিনে নাহিকে ৰতি।। ছ, স্বামী বিনা নাই অন্যত মতি।।
জ. পতি পদ বিনে আনত নাই মতি।।
৩ ছ, লোম সৰু দন্ত সৰু লাবণ্য মাত। গৃহে বাটী দেই সন্ধ্যা বেলাত।।
জ. সম সৰু দান্ত...........।
৪ ঘ. সৰু সুত কাটে বান্ধে মিষ্ট। সেই গৃহিনি কৰে সদা তুষ্ট।।
ছ, ৰন্ধন কৰয় ব্যঞ্জন মিষ্ট। সেই গৃহিণীক বুলয় ইষ্ট।।
৫ ঘ. সাসুত সোধি কৰে আই ব্যয়। সেই নাৰিক সদা লক্ষ্মি নচাৰায়।।
ছ. সাসুৰিত সুধি কৰে বস্ত কৰ্ম্ম। সেই নাৰীক নছাৰে ধৰ্ম্ম।।

গুৰু সেৱা অতিথি পুজে।
সেহি নাৰি সুখে ভোগ ভুঞ্জে।। [৬]
ৰৌদ্ৰত কাটি থই সুখাই।
বাৰিসা চাৰি মাস বসি খাই।। [৭]
কৰা কৰা কৰি সাঞ্চে ধন।
ৰাখিব বিশ্বাসে কৰি জতন।। [৮]
স্বামি সেৱা গধূলি ৰাতি।
সেহিসে নাৰি লক্ষ্মি জাতি।। [৯]
কাখত কলচি জলক জাই।
তলমুৰ কৰি কাকো নাচাই।। [১০]
জেই পথে জাই সেই পথে আসে।
ডাকে বোলে ভাল মনত ভাসে।। [১১]
জিতো প্ৰভাতে নিদ্ৰা জাই।
বাহি সজ্যাত সুৰ্য্যে পাই।। [১১]
উদয় কালত নিলিপে ঘৰ।
ডাকে বোলে তাইক কৰ অন্তৰ।। [১২]
কুচিত নাৰিত জাহাৰ আস।
তাহাৰ কেনে জিৱনে বিস্বাস।। [১৩]
অল্প বুলিলে পাৰয় গালি।
ডাকে বোলে তাইক খেদা নিকালি।। [১৪]
গৃহিনি হুই বোলে কটুৰ।
আই নাচাই ব্যঁয় কৰে প্ৰচুৰ।। [১৫]

---

৬ ঘ. গুৰু পদ সেৱে অতিথি পুছে। চিৰকাল নাৰি সুখক ভুঞ্জে।।
ছ. স্বামীক সেৱা অতিথিক পূজে। ....
৭ ঘ. ৰৌদ্ৰত কাটি-কুটি থোৱয় সুথাই। বৰ্সাত চাৰি মাস বসিয়া খাই।
ছ. ৰৌদ্ৰত কাচি কুটি থএ শুখাই। বৃষ্টি ভৈলে ৰঙ্গে বসিয়া খাই।।
জ. ৰৌদ্ৰত কাটি-কুটি থৱে শুকাই। বৰ্ষা চাৰি মাসে বসিয়া খাই।।
৮ ছ. কৰা কৰি সাঞ্চয় ধন। সদাই মুখত মিষ্ট বচন।।
জ. কড়া কৰি সাঞ্চয় ধন ....।।
৯ ছ. স্বামীক পূজে গোধূলি ৰাতি........।।
১১ ছ. যিটো নাৰী প্ৰভাতে.........। বাহি শয্যাক সূৰ্য্যে দেখই।।
১২ ছ. পৰ বেলাত নিপিলে ঘৰ। ডাকে বুলে তাক এৰিয়ো নৰ।।
জ. .... ডাকে বোলে তাইক ছাড়িয়ো নৰ।।

ওলাই গৈয়া নাহে সকালে।
অৱস্যে তাইক দুষ্টা বোলে।। ১৬
জিতো স্ত্ৰীৰ আউলং ঝাউল কেস।
কন্দল কৰে বিপৰিত বেস।। ১৭
অল্প খাই পেলাই প্ৰচুৰ।
ডাকে বোলে তাইক নিকাল দুৰ।। ১৮
কন্দল সুনি বাহিৰে জাই।
নাচ গিত সুনি সত্বৰে ধাই।। ১৯
সেই স্ত্ৰী সমে জি কৰে বাস।
তাহাৰ কেনে জিবনে আস।। ২০
অথিতি দেখিলে খঙ্গে চাই।
সেই জনি মৰি যমপুৰে জাই।। ২১
ভাল বস্তু পালে আপুনি খাই।
তাইক পাইলে যমে মুখ নাচাই।। ২২
জি গৃহিনি নুবুঁঝি খাই।
স্বামিৰ নাজানে অভিপ্ৰাই।। ২৩
ভাল বুঁলিলে কৰে খঙ্গ।
তাইৰ সঙ্গে নিমিলে ৰঙ্গ।। ২৪
ৰৌদ্ৰত ৰান্ধে কাঠে খেৰে।
বৰ্ষাত ৰান্ধে চালে বেৰে।। ২৫
হাতত জি জনি পৰিসে লোন।
তাইৰ ঘৰে নাথাকে সোন।। ২৬
এক বোলন্তে দুগুন বোলে।
স্বামিৰ সজ্যা পাৱে ঠেলে।। ২৭

---

১৭ খ. জি গৃহিনিৰ আউল-ঝাউল কেশ। কন্দল কৰাই বিপৰিত বেশ।।
গ. জি গৃহিনিৰ আউল বাউল কেস। ক্ৰন্দনক কৰে বিপোৰিত বেস।।
২০ খ. গ. সেই নাৰি সঙ্গে জি কৰে বাস। তাৰ কেনে জীৱনত আস।।
২৬ খ. পাতত জি জনি পৰিষে লোন। তাইৰ ঘৰত হৰিবে সোন।।
গ. পাতাত জি জনি পৰিসে লুন। তাইৰ ঘৰোৰ হৰিবে সোন।।
২৭ খ. এগুন বুলিলে দুগুন বোলে। স্বামিৰ সজ্জাক পাৱেৰে তোলে।।
গ. এক বুলিতে দুই গুন কৰে। স্বামিৰ সজ্জাত পায় তুলে।।
খ. দুনাই বুলিলে কৰে খঙ্গ। জানন্ত লোকে এনে স্ত্ৰীএৰে নকৰে সঙ্গ।।

অতি দীৰ্ঘে হোবে ৰাণ্ডি।
সেই জনি হোবে ৰাণ্ডি।। ২৮
পিঙ্গল নয়নে চঞ্চলা আতি।
কৰাল নয়নে পিঙ্গটা জাতি।। ২৯
জাৰ পেট পিঠি উচলা দান্ত।
তাইক দেখিলে লক্ষ্মিৰ অন্ত।। ৩০
স্বামিক মাৰে বধে দেৱৰ।
ডাকে বোলে তাইক নালিবা ঘৰ।। ৩১
ঘুমটিত জি জনি থাকে ঘেঙ্গাই।
খঙ্গত স্বামিক বোলে বপাই।। ৩২
ধবনি কাম্পে পাৱৰ ঘাৰে।
সি জনি জানিবা স্বামিক খাৱে।। ৩৩
কপটে থাকে স্বামিৰ পাসে।
পৰ মুখ চাই মুচুকাই হাসে।। ৩৪
ঘৰে ঢেকি পৰ ঠাই জাই।
ডাকে বোলে ঘৰে নথৈবা তাই।। ৩৫
বোলন্ত ডাকে সুনিও সাৰ।
পৰ গৃহত থাকয় জাৰ।। ৩৬
পৰ গৃহ হন্তে ৰাখিবা নাৰি।
তেবেসে ধৰ্ম্ম ৰাখিতে পাৰি।। ৩৭
যত লাভ পাই সৰিসা মাহেঁ।
তত লাভ পাই কলা কপাহে।। ৩৮
যথাত কলা কপাহ বাৰি।
তথাত লুভিয়া সকলে নাৰি।। ৩৯

---

২৮ খ. আতি দিঘলে হোবয় ৰাণ্ডি। পিঙ্গট নয়নে চঞ্চলা আতি।।
গ. আতি দিঘলে হয় কাতি। সেই স্ত্রি হয় জানিবা ৰাণ্ডি।।
২৯ খ. .... কৰাল নয়নে পিঙ্গটা জাতি।।
৩০ খ. জাৰ পেট পিঠি উজলা দান্ত। তাইক দেখিলে চাৰিবে বাট।।
৩১ খ. .... নাচাউ নৰ।।
৩২ খ. ..... থাকে ঘোঙগাই।
৩৪ খ. নুকচে জি জনি স্বামিৰ পাসে ....।।
৩৫ খ. ঘৰৰ ঢেকি আচোতে পৰৰ ঢেকি জাই। ডাকে বোলে সেই দুষ্টি বেড়াই।।

কলা কপাহ্ আৰ্জ্জিব দুৰ।
ওচৰত হলে দোস প্ৰচুৰ।। ৪০
জি নাৰি অতি দুৰে জাই।
সি জনি সতিৰ ধৰ্ম্ম নাপাই।। ৪১
কথা কহন্তে তোলয় হাসি।
ডাকে বোলে তাইক ভাল নাভাসি।। ৪২
ধুবি মালি নটি গোৱালি।
সদা পৰিহাস বচন টালি।। ৪৩
জাহাৰ কথা হৰিস সাৰ।
ডাকে বোলে হৈল নাৰ।। ৪৪
ঘৰে চুলি মেলি বান্ধে বাহিৰে।
অল্প চুলি তুলি বান্ধয় সিৰে।। ৪৫
আপোন ঘৰ এৰি পৰ ঘৰে জাই।
ডাকে বোলে দুষ্টা জানিবা তাই।। ৪৬
ঘনে ঘনে বাটে উলটি চাই।
পৰ পুৰুসত অভিপ্ৰাই।। ৪৭
জলকে পেলাই জলকে জাই।
পৰ পুৰুষৰ মুখক চাই।। ৪৮
মানুহ নহলে গাৱে গিত।
পৰ পুৰুষত থাকে চিত্ত।। ৪৯
হেঠ হুই মাথে লৱে ওঁৰনি।
লাসে লাসে জাই সেই দুৰ্য্যনি।। ৫০
তাইক নোবোলা নাৰি সতি।
সততে পৰ পুৰুষে ৰতি।। ৫১

---

৪২ খ. কথা কএগ্ৰাতে মুচুকাই হাসে। ডাকে বোলে সেই স্ত্ৰী ভাল নভাসে।।
৪৩ খ. ধুবুনি ....। ঘ. ডাকে বোলে আমি ভাল নুবুলি। ধুবুনি মালিনি নটি গোআলি।।
৪৪ খ. জাৰ কান কথা হাসিয়ে সাৰ। ডাকে বোলে জানা হাসিলে নাৰ।।
৪৬ খ. ঘনে ঘনে জাই পৰৰ ঘৰ। ডাকে বোলে দুষ্টি জানিবা নৰ।।
৪৭ খ. বাটত ঘনে ঘনে উলটি চাই।
৪৯ খ. কুন্‌কুনাই গাই গীত।
৫০ খ. অল্প কৰি লই মাথে ওৰনি।
৫১ খ. তাইক নুবুলিবা নাৰি সতি। সি জনিৰ সততে পৰত ৰতি।।

সদায় হাসি মুখৰ নেৰে।
ডাকে বোলে তাইক নথৈবা ঘৰে।। ৫২
জি জনি দিনত নিদ্ৰা জাই।
স্বামি মাৰিলে ৰোস বেৰাই।। ৫৩
জত কাৰ্য্য কৰে কাতো নোপোচে।
ডাকে বোলে তাইক মনে নুৰুচে।। ৫৪
ওচৰত পুখুৰি দুৰক জাই।
পৰ পুৰুষৰ মুখক চাই।। ৫৫
বিধবা হুই ভোগক কৰে ইচ্ছা।
ৰাতৃ ফুৰে দিনত মাতে মিচা।। ৫৬
পৰত খুজি তামোল খাই।
ডাকে বোলে ভাল নোহে তাই।। ৫৭
বেৰাঁ জলঙ্গা জুমি বাহিৰে চাই।
আজৰি পালে ওলাই জাই।। ৫৮
জি নাৰি বাৰিয়ে কৰে বাট।
ঘনে ঘনে জাই বেহাৰে হাট।। ৫৯
চল চাই চাই দেখাই স্তন।
ডাকে বোলে বেস্যাৰ লক্ষণ।। ৬০
পৰ পুৰুসৰ বচন মিঠা।
বোলন্ত ডাকে সেহি জনি দুষ্টা।। ৬১
পৰ পুৰুষ গৃহক জাই।
ৰঙ্গে পিৰা দি আগে বৈসাই।। ৬২

---

৫২ খ. সততে হাসি মুখত নেৰে। ....
৫৩ খ. .... স্বামিএ দণ্ডিলে ৰোষে বেঢ়াই।।
৫৫ খ. .... পৰক আসায়ে বাটক চাই।।
৫৬ খ. বিধবা হয়া ভোগক ইচ্ছা। ৰাতি ফুৰি যাতে মিচা।।
৫৭ খ. গুৱা খাই।
৫৮ খ. বেৰ জুমি জুমি বাজলৈ চাই।
৫৯ খ. .... যুবতি হয়া বেহাৰে হাট।।
৬০ খ. বেস্যা জানিবা জন।।
ঙ. পানিৰ ঘাটক একলে জাই। ছলে ছণ্ডে পুৰুসৰ মুখ চাই।।
৬২ ছ. .... ৰঙ্গে আসন দিয়া আগে বসাই।।

ঘনে তামোল দি মাৰয় টালি।
বিশুতি ৰঙ্গেঁ কৰে ধৈমালি॥ ৬৩
হাসিয়া কতো চাপয় পাস।
আপোন স্বামিত নাহিকে আস॥ ৬৪
স্বামি সঙ্গেঁ নিমিলে ৰতি।
পৰ পুৰুসত থাকয় মতি॥ ৬৫
হেন নাৰিৰে জি কৰে সঙ্গঁ।
তাৰ ঘৰত নিমিলে ৰঙ্গঁ॥ ৬৬
দেৱ পিতৃ নলৱে জল।
কৰে মানে তাৰ সবে বিফল॥ ৬৭
আপোন পতিত সদায় মন।
স্বামিক দেখে নাৰায়ন॥ ৬৮
স্বামি খালে কৰে আহাৰ।
নাখালে স্বামি ভুঞ্জে নিকাৰ॥ ৬৯
নিত্যান্তে স্বামিৰ সেবে চৰন।
বোলন্ত ডাকে সতিৰ লক্ষন॥ ৭০
স্বামিৰ মনক সদা বুঁঝিব।
স্বামি মন বুঁঝি কাৰ্য্য কৰিব॥ ৭১
খঙ্গেঁ স্বামি কৰে ধিকাৰ।
হেন সুনি কিচো নোবোলে আৰ॥ ৭২
নম্র হুয়া থাকে জেহ্নে দাসি।
তথাপি কটুৰ বানি নাভাসি॥ ৭৩
জতনে স্বামিৰ গুচাৱে ৰোস।
ডাকে বোলে তাইত আমি সন্তোস॥ ৭৪

---

৬৩ ছ. .... হাস পৰিহাস কৰে ধেমালি॥
ছ. সেহি নটী স্ত্রী জানিবা সাৰ। সুজনে পুৰুষে সম্ভৱে চাৰ॥
সেহি স্ত্রী সঙ্গে যি কৰে বাস। আছৌক মনুষ্য দেৱতা নাশ॥
ছ. সেহি স্ত্রী সঙ্গে যি কৰে বাস। আছৌক মনুষ্য দেৱতা নাশ॥
৬৮ ছ. স্বামীক ভাবয়......।
৭২ ছ. লাজে ভএ যায় ৰন্ধন কৰি। স্বামীক খুৱাইবো পাত্র পৰি॥
যদি স্বামী খঙ্গে কৰে ধিক্কাৰ। শুনিয়া তথাপি নেদে উত্তৰ॥
৭৩ ছ. .... সজল নয়ন নাহিকে হাসি॥
৭৪ ছ. যেনে তেনে স্বামীক গুছাএ ৰোষ ....॥

জি নাৰি ৰন্ধন সালাক জাই।
মিষ্ট কৰি পাক কৰে সদাই।। [৭৫]
নাহি মাত বোল নকৰে দন্দ।
খঙ্গ উঠিলে নোবোলে মন্দ।। [৭৬]
সি গৃহস্তৰ বাঢ়ে শ্ৰী।
ডাকে বোলে সেহি লক্ষ্মি স্ত্ৰী।। [৭৭]
ৰান্ধন সালে জি জনি জাই।
কৰে চলফল দন্দ সদাই।। [৭৮]
খঙ্গে বোলে কটুৰ বানি।
কান্দিয়া চক্ষুৰ মলচে পানি।। [৭৯]
থেকেচা মাৰে জি দ্ৰৰ্ব্য পাই।
মুখ ওলোমায়া থাকে চাই।। [৮০]
সেহি কুলক্ষনি মনে নুৰুচে।
তাইক দেখিলে লক্ষ্মি গুচে।। [৮১]
জিতো স্ত্ৰীৰ টৌ টৌয়া মাত।
দাম দুম কৰি ভুঞ্জে ভাত।। [৮২]
মচ্ছ মাংস যদি হোৱে প্ৰচুৰ।
তথাপি মন নোহে পুৰ।। [৮৩]
চলে বলে আনি খাই খুজিয়া।
ডাকে বোলে তাইক পেলাউ বেচিয়া।। [৮৪]
স্তনক দেখাই চলক চাই।
পানিৰ ঘাটক খৰ কৰি জাই।। [৮৫]
সিৰা পাত লই খাই দুৰ্দ্ধ।
ডাকে বোলে তিনিও মুৰ্দ্ধ।। [৮৬]
জি নাৰিৰ আলাস কপাহ সুতাৰ কাৰ্জে।
প্ৰভাতে উঠি ঠাই নামাজে।। [৮৭]

---

৭৭ ছ. .... ডাকে বুলে তাই লক্ষ্মিণী স্ত্ৰী।
৭৮ ছ. .... কৰে চট ফট দ্বন্দ্ব সদায়।।
৮০ ছ. .... মুখ ওলোমাই থাকয় তাই।।
৮১ ছ. সেহি কুলক্ষণী জানিবাহা সাৰ। এৰিবা তাক কহ বাৰম্বাৰ।।
৮৪ ছ. ঘৰত বস্তু খাই খুজিয়া...........।
৮৫ ছ. বাৰিষা জাপি এড়িয়া জাই। পানিৰ বাটত খৰকৈ ধাই।।
৮৭ খ. প্ৰভাতে দেখি গোহালি নামাজে। জি নাৰি আলাসকপাহ সুতাৰ কাৰ্য্যে।।

কিচো বুলিলে জাই ৰোসে।
ডাকে বোলে তাইৰ সকলো দোসে।। [৮৮]
চাগ পাৰা পোহে হাস।
দুই সিমাত ৰোৱে ৰাস।। [৮৯]
বোলন্ত ডাকে মোত দোস নাই।
নিতে নিতে আহুকালে জাই।। [৯০]

৮. অথ পৰিত্যাগ কথন

তিনি ভাৰ্য্যা জাৰ একেটি স্বামি।
তাক পৰিহৰ বোলোহো আমি।। [১]
সততে পৰ অন্নক আস।
পৰিহৰ সুন্য নগৰে নিবাস।। [২]
পৰিহৰ সুকটি মাচৰ ঝোল।
পৰিহৰ অসতি নাৰিৰ কোল।। [৩]
পৰিহৰ মন্দিৰ সমিপে বাট।
পৰিহৰ জুবতি নিতে বেহাই হাট।। [৪]
পৰিহৰ জতনে দুৰাচাৰি মাৰ।
পৰিহৰ জাৰ ফটা ভৈলা পাৰ।। [৫]
পৰিহৰ তাম্বুল কৰে ৰুন ঝুন।
পৰিহৰ নৃপতি জাৰ নাই গুন।। [৬]
পৰিহৰ নিধনি বান্ধৱৰ মুখ।
পৰিহৰ বাহি ভৈলে বেঞ্জনৰ সুখ।। [৭]

---

৮৯ খ. চাগ পাৰ পোহে হাহ। দুই সীমাত ৰোৱে বাহ।।
৯০ খ. ..... নিতে নিতে তাৰ পৰা আহুকাল পাই।।
১ খ. ঘ. তিনি নাৰি জাৰ ....।।
২ খ. ঘ. পৰিহৰ সততে পৰত আস।
৩ খ. .... নাৰিৰ কোল।।
৪ ঘ. পৰিহৰ পুখুৰিৰ পিচলা ঘাট।।
৫ ঘ. পৰিহৰা জতনে তলি ফুটা নাব।।
৬ খ. ঘ. পৰিহৰ গুৱা কৰে.......।
৭ খ. পৰিহৰ অতি ধনি বান্ধৱৰ মুখ।
ঘ. পৰিহৰা ধান নবঞ্চয় সুখ।

পৰিহৰ কৃষি নদিৰ পাৰ।
পৰিহৰ নাৰিৰ ৰতি নাই জাৰ।। [৮]
পৰিহৰ দুতয় গ্ৰামত বাস।
পৰিহৰ জতনে পৰ নাৰিৰ আস।। [৯]
পৰিহৰ দন্ত বিহিন হাস।
পৰিহৰ বিদ্যাহিন পুত্ৰৰ আস।। [১০]
পৰিহৰ সৰতৰ মেঘৰ মালা।
পৰিহৰ গৃহ্মত নিৰ্জন সালা।। [১১]
পৰিহৰ কৰি নাই বেহাব খোজে হাঁট।
পৰিহৰ ঝাপি নাই জিতো চলে বাট।। [১২]
পৰিহৰ পুখুৰিৰ পিচলা বাট।
পৰিহৰ জতনে যদি ভগা হাট।। [১৩]
পৰিহৰ বিনা ঢাকনি ঝাৰি।
পৰিহৰ নিলাজি যদি কুল নাৰি।। [১৪]

৯. অথ বৰ্ষাদি লক্ষণ

যদি বৰিসে জল ধাৰে।
কি কৰিব তাক গনিতি কাৰে।। [১]
তথাপিতো তিথি বাৰক চাই।
ডাকে বোলে কিচো বোলা জাই।। [২]
আসাঢ়ৰ নৱমি শুক্ল পক্ষত।
যদি বৰিসে ভুমি তলত।। [৩]
হাল ফাল বেচি চিন্তিয়ো দেৱ।
ৰাজ গৃহত কৰিয়ো সেৱ।। [৪]
যদি বৰিসে জলৰ কণা।
ৰঙ্গ কৰি নাচে কৃষক জনা।। [৫]
বোলন্ত ডাকে ঢিল মাটি পাই।
কান্ধে নাঙ্গাল ধৰিয়া জাই।। [৬]

---

৮ খ. ..... পৰিহৰ নাৰি যদি ৰতি জাবে।।
১০ খ পৰিহৰ দন্ত বিহিনৰ আস। পৰিহৰ দন্ত বিহিনৰ হাস।।
১ খ জেবে জলধাৰা বৰিসে ধাৰে। কি কৰিতে তাক গণিতি কৰে।।
৪ খ হাল কোৰ বেচি চিন্তিয়ো দেৱ। ৰাজাৰ গৃহত কৰিয়ো সেৱ।।

মেঘক দেখি হালক বাই।
জানা সস্যৰ লাভক পাই।। ৭
ডাকে বোলে কেনে ধৰনি চহ।
কঠিয়া নাঙ্গল নষ্ট নকৰহ।। ৮
পৌষ মাসে জদি মেঘ গৰ্জন।
মাঘ মাসত মেঘ সোসন।। ৯
চৈত্ৰত কেন্দু ফল নিৰন্তৰ।
বৈসাগ মাসত পৰে পাথৰ।। ১০
ৰিনি ৰিনি জল পৰে জৈষ্ঠত।
চাৰি মাহ বৃষ্টি হোৱে লোকত।। ১১
চৈত্ৰৰ চতুৰ্দ্দশি যদি সম তুল।
ডাকে বোলে বৰ্ষা হোৱে বহুল।। ১২
তিথি বৃদ্ধিয়ে সস্যক নাসে।
ঋক্ষ বৃদ্ধিয়ে তিল বিনাসে।। ১৩
শ্ৰাৱণ মাসত ৰোহিনি ঋক্ষত
যদি নবৰিসে দেৱ।
হাল ফাল বেচি কৰ সব লোক
দেৱি মহাদেৱ সেৱ।। ১৪
বাৰিষা কালত বেঙ্গৰ ৰাৱ।
হাল গৰু লই পথাৰক জাৱ।। ১৫
মাঘত ৰদ বহাগত সিত।
চাৰি মাহে অল্প বৃষ্টি ভুমিত।। ১৬
মাঘৰ সেসত যদি বৰিষে পানি।
তেবে অল্প বৃষ্টি আগলৈ জানি।। ১৭
উদয়ে সিন্দুৰ পচিমে কালা।
তেবে জানা বহু বৰিসাৰ মালা।। ১৮
প্ৰকাসিয়া ৰবি উঠিয়া নাসে।
ডাকে বোলে বৃষ্টি হৈব আবসে।। ১৯

---

১৩ খ. ঋক্ষৰ বৃদ্ধিয়ে তেজক নাসে।।
১৫ খ. ..... পথাৰক ধাৱ।
১৮ খ. তেবে জানিবা বৰসুন ভালা।।

ধনু মিন কন্যা ভৱনিৰ বাস।
হাথি ঘোড়া গৰু মানুহ নাস।। [২০]
নহৰে নবিন পুৰাতনো নাস।
যুদ্ধত লোকৰ যমপুৰে বাস।। [২১]
আকাশত ভাসে পানিৰ গচা।
পৃথিবি বুড়িব জানিবা সঞ্চা।। [২২]
ভূমিক চহৰা ডাকে বোলয়।
বিজ পাৰ সালি বহুত হয়।। [২৩]
তুলা কৰ্কট মেষ মকৰ।
এই চাৰি ৰাশি গ্ৰহৰ সাগৰ।। [২৪]
এই চাৰি ৰাসি উত্তৰায়নে জাই।
গহিন বাৰিষা আহু হৰাই।। [২৫]

---

২০ খ. ধনু মিন কন্যাত ৰবিৰ বাস।
ছ. ধনু মীন কন্যাত শনিৰ বাস।

২৫ ৰ পৰৱৰ্তী প্ৰবচন :

খ পাঠ : কি কৈবো মাঘ ফাগুনৰ কথা। অভিনৱ সুক্ল পক্ষা।।
গাজে দেৱে বৰিসে ধাৰে। পৃথিবি বুড়িবে একে বাৰে।।
বিষ্ণু জাই কানে কুজে। প্ৰজা মৰিবে অনা ঝুঝে।।
নগৰ মাজে হুয়াহুয়ি দেখি। নৰৰ মুণ্ড গণ্ডা গণ্ডে লেখি।।

'ঙ' আৰু 'ছ' পাঠ : পুসৰ বিসু জেই বাৰে। ৰবিৰ সুত মঙ্গল বাৰে।।
সুখ দুই গুন তিনিগুণ ধান (বান?)। এহিৰাৰে গৈলে মাটিৰ প্ৰমাণ।।
মেস মকৰ তুলা কাকৰ। এই চাৰি ৰাসি গ্ৰহৰ সাগৰ।।
এহি চাৰি ৰাসি উক্ৰথানে (উত্তৰায়নে?) জাই। গহিন বাৰিসা সস্য হেৰাই।
মাঘি সপ্তমি উপৰে কালি। আহু এৰি সবে ধৰা সালি।।
মাঘি সপ্তমি বৰিসে দেৱ। বেহা এৰি কৰা নাঙ্গল সেৱ।।
আদি অম্বৰ সনকা দেখে। সত্যে সত্যে দেৱে বৰিসে।।
ৰিক্ষ অধিক উভয় নাসে। তিথি অধিক দগধ নাসে।।
ৰিক্ষ তিথি জেবে দুয়োতুল। হৈবেক বাৰিষা নাহিকে ভুল।।
ফাগুনগতে চৈত্ৰৰ সংক্ৰান্তি জে বাৰ। ৰবি সোসে সোমে বৰিসে মঙ্গলে ধুলি অন্ধকাৰ।।
মেদনি নসহে সস্যৰ ভাৰ। বুধ বৃহস্পতি সুক্ৰবাৰ।।
জদি দৈৱ বসে হএ শনিবাৰ। সস্য নাহি প্ৰজাৰ খয়ঙ্কাৰ।।
সপ্তমিত ধান অষ্টমিত বান। নৱমি কৰে সমুলে নিৰ্য্যান।।
কি কহিবো চৈত্ৰৰ বিসুৰ কথা। পুৰ্ন্নিমা আমাবাস্যাই জন্ম জথা।।
গৰ্জ্জে দেৱে বৰিসে ধাৰে। পৰ্বত বুৰাএ একে বাৰে।।
আউল বাউল বহে বাও। ডাকে বোলে বিনাসেৰ ভাও।।
দখিনে গৰ্জ্জে পুবে বৰিসে পচিমে দিএ ধেনু।
ডাকে বোলে পৰ্ব্বত বুৰাএ জানো।।

১০. বৃষ লক্ষণ

গৰু কিনিবা চিকন জালি।
দুই চাৰি চয় দতিয়া ভালি।। [১]
হৰিনৰ সম জিহ্বা কান।
হেন বলধক বিচাৰি আন।। [২]
বলধ কিনিবা বল বুঝিয়া।
চাৰিবা সুণ্টি ধোবা তেলিয়া।। [৩]
চয়ে চোটা চাৰি মোটা।
বাচিয়া কিনিবা বলধ গোটা।। [৪]
চয় নৱদন্ত ভাগ্যেসে পাই।
সাত দতিয়া ভাগি পলাই।। [৫]
গাওঁৰ বলধ নিকটৰ ভুই।
ইহাক নেড়িবা জানন্তা হুই।। [৬]
জুঝাৰু বিচাৰি কিনিবা গাই।
সৰুমুৰা পাচ ডাঙ্গৰ চাই।। [৭]
সৰখিয়া যদি পনেই খুৰ।
বাউমুৰা হৈলে চাৰিবা দুৰ।। [৮]
ৰুষ্ট পুষ্ট যদি হোৱে মুৰ।
ডাঙ্গৰ মুৰা চাৰিবা দুৰ।। [৯]
বিচা নেজিয়া কলিয়া চুটা।
কিনিবা বিচাৰি বলধ গোটা।। [১০]
জেবে কৃষিত কৰিবা আস।
তেবে নকৰিবা সাএঁনত চাস।। [১১]
বলধক ভাই নেদিবা দুখ।
তাহাত আচে ভাতৰ সুখ।। [১২]

---

১ খ. .... দন্তিয়া ভালি

খ. বলধ কিনিবা বেলি বুজিয়া। বড়িয়া সুঢ়ি ধোৱা তেলিয়া।

৫ খ. .... সাত দন্তিয়াক দেখিলে পলাই।।

৮ খ. মৰকিয়া যদি পাখন খুৰ। ৰাউমুৰা হাল চাৰিব দূৰ।।

জ. শৰখিয়া যদি পানৈ খুৰ। ৰাওমুৰা হলে তেজিব দূৰ।।

৯ খ. ঋষ্টপুষ্ট হোৱয় মুণ্ড। ডাঙ্গৰ মুণ্ডক চাৰিব দূৰ।।

আহাৰ সাওঁনত নকৰিব কন।
তাহাৰ কেনে ঠাইত মন।। [১৩]
যদি স্বামি জন দৃষ্টিয়াল হয়।
তেবেসে কৃষিৰ ফল সিঝয়।। [১৪]
ফাগুনৰ মাটি সোনাৰ সাটি।
চৈত্ৰৰ মাটি ৰূপাৰ পাটি।। [১৫]
বৈসাগৰ মাটি গুণ্ডাগুণ্ডি।
জেঠৰ মাটি ৰাঙ্গৰ গুড়ি।। [১৬]
গৰু কিনিবা চিতৰা পখৰা।
তাক দৰবা এক আখৰা।। [১৭]
টোকা লেজা খোতোৰ চুটি।
সেহি জানিবা গৰিয়া গুটি।। [১৮]
গোৰখিয়াই পিয়ে পানি।
গোম চকৰিয়া ঘৰলৈ নানি।। [১৯]
তাল যুৰিয়াই বহে হাল।
ভাতে নাটে সৰ্ব্বকাল।। [২০]
গৰু কিনিবা তিক্ষুত্তৰ বগা।
বোলন্ত ডাকে মৰ্ঞিও হলো লগা।। [২১]
গৰু কিনিবা দিঘল লেজা।
মৈত দিলে নহই কুজা।। [২২]

---

১৪ খ. যদি স্বামিজন তুস্তিয়া নহই। তেবেসে কৃষিৰ ফলক পাই।।
১৭ খ. .... তাক মোলাবা একে আখৰা।।
১৮ খ. টকা নেজা থুতৰি চুটি। সেই গৰু জানিবা গৰিয়া গুটি।।
১৯ খ. মৰগিয়ায়ে দিএ পানি.............. ।।
ছ. সৰু শিঙ্গিয়াই দিয়ে পানী।
২০ খ. তাল জুৰিয়া জি বৰে .... সৰব কাল।।
ছ. টান খুড়িয়াক বায়য় হাল।
২১ খ. .... নিঘুন বগা.......... ।
২২ খ. .... নেজা .... উঠিলে নহৰে........... ।।
২২ ৰ পৰৱৰ্তী প্ৰবচন, ছ. যাৰ নাই গৰু। সৰাতকৈ সৰু।।

১১. অথ হলবাহন ক্ৰম

বিচা মিন মিথুন কন্যা।
মধু মকৰ লগ্ন ধন্যা।। [১]
শুভ তিথি শুভ লগ্ন।
ফালৰ আগত দিবা স্বৰ্ণ।। [২]
শুক্ৰ গুৰু চান্দ বাৰক চাই।
পঞ্চ ৰেখা আগে কৰিব জাই।। [৩]
সিঙ্গ ভাঙ্গা গৰু নুজুৰিব হাল।
ৰঙ্গা বৰনিয়া জুৰিব ভাল।। [৪]
কলিয়া বলধ জতনে জুৰি।
নুজুৰিবা খোড়া দুই দামুৰি।। [৫]
যদি হাল বহন্তে হালৰ ভঙ্গ।
বচ্চৰকে তাৰ নিমিলে ৰঙ্গ।। [৬]
তাতে জোত জোঙ্গলি চিঙ্গে।
মাৰে গৃহস্তক হালৰ সঙ্গে।। [৭]

১২. অথান্ন লক্ষণ (কৃষি লক্ষণ)

ডাকে বোলে বাপ সুনা উপাই।
বানিজ্যৰ ফল কৃষিতে পাই।। [১]
জি নৰে সদা কৃষিক কৰে।
সেৱাৰ ফল পাইবা ঘৰে।। [২]
সোনা ৰূপা কিবা কৰি।
ভাত নাখালে ভোখতে মৰি।। [৩]

---

২ খ ফালৰ আগত .... কাঞ্চন।
৬ খ. যদি হাল জোৰাত নাঙ্গল ভঙ্গ। সিটো বৎসৰত নিমিলে ৰঙ্গ।।
৭ খ. তাত যদি গোত্ৰ জোত চিঙ্গে। মাৰে গৃহস্থক আত্তিসে পিড়ে।।
ছ. আৰু যদি যুৱতী চিঙ্গে। পঞ্চৰে মাৰে গৃহস্থক শিঙ্গে।।
১ খ. ...... বাপু শুন .....।
২ খ. ...... সেৱাৰ ফল পাইব সিতো নৰে।।

হিৰা মানিক থাকে অপাৰ।
খুদ গাল নহলে মৰনে সাৰ।। [৪]
ধনৰ মধ্যত ধান্য সোভন।
ধান্য নহনে মৰে তেখন।। [৫]
এতেকে কৃষি কৰিবা সাৰ।
দুৰ্ভিক্ষত কৃষি কৰে নিস্তাৰ।। [৬]
নাঙ্গল বলধত সবাৰে আস।
জাৰ নাই তাৰ সকলে নাস।। [৭]
জেঠ মাস গৈল বিনা নাঙ্গলে।
কৃষক বঞ্চিব কাহাৰ বলে।। [৮]
কৃষিক যদি কৰিবৰ মন।
হালু গৰু ৰাখ কৰি জতন।। [৯]
মাঝে দিঘল লেজা জাই বহিয়া।
খাই সুখে থাক ঘৰে বসিয়া।। [১০]
ধান্য হলে হোৱে সবে মঙ্গল।
তাহাৰ অভাৱে সবে বিফল।। [১১]
ডেৰিয়া ভুমিক লৱে সুবুদ্ধি।
ঘন আলি দিব লোকত সুধি।। [১২]
সাওঁনৰ কঠিয়া নহল জাৰ ধান।
আহিনৰ গোচ বিফল জান।। [১৩]
আহিনে কাতি ৰাখিবা পানি।
জেহেন ৰাখে ৰাজাৰ বানি।। [১৪]
আলিৰ উপৰে দিবা আলি।
খেতি হলে বুলি জানিবা ভালি।। [১৫]

---

৪ খ. ...... খুদ গুঁৰি নহলে........।
৫ খ. ধনৰ মাঝত ....।
৬ খ. তেবেসে দুৰ্ভিক্ষ হোৱে নিস্তাৰ।।
১০ ছ. মাজে যদি জল যায় বহিয়া।
১১ ছ. ধান হলে হয় সবে সুফল। ধান নহলে সকলে বিফল।।
১৩ খ. শাওঁনৰ কঠিয়া নোহই ধান। আহিনৰ গোচক জান।।
১৪ খ. জেন ৰাখে নৰে ৰাজাৰ বাণী।।
ছ. .... যেনেকৈ ৰজাই ৰাখে ৰাণীক।।

আহু ৰোবা খোজত বুৰি।
সালি ৰোবা বেগেত ঘুৰি।। [১৬]
জেবে দেখা আঠু উপৰে পানি।
হাতকত গোচ দিবা চানি।। [১৭]
কৃষি ৰাখিবা বহু জতনে।
সাফল কৃষি মানিবা মনে।। [১৮]
ডাকে বোলে মোৰ মনে লাগে।
কৃষি কৰিবা ওচৰ ভাগে।। [১৯]
সাতে পাতাল পাচে ঘন।
চয়ে তামোল নন্দন বন্দন।। [২০]
ঘন সৰিয়হ পাতাল মাহ।
আবৰন দি দিয়া কপাহ।। [২১]
সিত সৰিহা মিতত মাহ।
গগুত তামোল সৰনত বাহ।। [২২]
ইসব ঋক্ষক তেজিয়া।
সস্য সব খাবা আৰ্জিয়া।। [২৩]
সৰন লাগিলে নাসাজিবা ঘৰ।
অগ্নিযোগত ধানৰ খৰ।। [২৪]

---

১৬ খ. .... খোজত গুড়ি।

১৭ খ . গোচ দিবা হাতেৰে জানি।।

১৭ ছ. তেবে গোছা দিবা হাতক চানি।।

১৭ ৰ পৰবৰ্তী প্ৰবচন ঃ

খ. তেএগ্ৰা যদি নহয়ে সালি। তেবে পাৰিবা ডাকক গালি।।

ছ. যেবে দেখা নহৈব শালি।

১৮ খ. .... ভাল হেন মানিব মনে।।

২০ খ. .... নদন বদন।।

২১ ছ. .... মুগৰ তলত চৰয় হাহ।।

২২ ঙ. .... সলন্দত তামোল গলন্দত বাঁহ।।

২২ 'ডাকে বোলে শুনা উপায়' ঃ শীত সৰিয়হ মীত মাহ।
শৰণত নাকাটিবা বাঁহ।।'

অথবা

শীত সৰিহ মীত মাহ শৰণত নাকাটিবা বাঁহ-ৰেত।

১৩. অতিৰিক্ত প্ৰবচন

খ. ভাদ্ৰৰ চাৰি আহিনৰ চাৰি। মাহ বুবা জিমান পাৰি।।
সত ভাঙ্গি কৰ পঞ্চাস। দৰে বামে কৰিবি চাস।।
পুআ জাবি গধুলি য়াহিবি। তেৱে ভাতে আটি খাবি।।
কিৰিসি কৰিবা চাহ পুৰনা। জিবা আৰ্জ্জিবি তাতে সোনা।।
ৰদ বৰষুনে সমে জাই। তেবেসে কৰিসিৰ ফলক পাই।।
ঝালুকত' গোবৰ পানত মাটি। কলা ৰুবা তিনিস সাঠি।।
মাহ সৰিয়হ কপাহ কল। মাহিলি মাহিলি চিকনাবা তল।।
পাত পচলা লাভত খাবা। লঙ্কাৰ বনিজ হাততে পাবা।।

ঘ. ভুইলবা কোনা। গৰু লবা মেনা।।
বিচাৰি আনিবা মেচি। বোজা দিবা হেছি।।
হালোৱা লবা বিভাৰ মুয়া। দোভাগ নিসাতে বিচাৰে গুৱা।
মাহ সৰিয়হ কটাহ বাঁহ। চাৰি কোনে নাই খাল নাহিকে আস।।
পূবে ৰবি পশ্চিমে ছায়া। সেহিসে সস্যৰ অমৰ কায়া।।
তিনিস সাঠি জোপা ৰুবা কল। মাহিলি মাহিলি সিকোনাবা তল।।
পাত পচলা লাভতে খাবা। লঙ্কাৰ বনিজ হাততে পাবা।।
আঠিয়াত গোবৰ মনোহৰত জাবৰ। পুৱাত খাই মালভোগত চাই।।
ভাদত কৰিয়া কলা ৰোপন। সবংসে মৰিল লঙ্কাৰ ৰাৱন।।
এহাত এমুঠন দিবা কলৰ পোত। তেতিয়া দেখিবা কলৰ গোট।।
সাতে পাতল পাচত ঘন। চয়ত তামোল নদন বদন।।
টিক বলধা ওলাই মাটি। মাক ভালে জীয়েক জাতি।।

১৪. অথ জ্যোতিস প্ৰকৰণ

(গ্ৰহণ)

জেই জেই মাসৰ জেই জেই ৰাসি।
তাৰ সপ্তমে থাকে সসি।। ১
তাতে আসে পুৰ্ন্নিমা হোৱে।
অৱস্যে সসিক ৰাহুয়ে গ্ৰহে।। ২
কৃষ্ণ পক্ষৰ ত্ৰিতিয়া তিথিত।
মাস নক্ষত্ৰ যদি মিলিত।। ৩

তাৰ ত্ৰয়োদশত থাকে ৰবি।
সুৰ্য্য গ্ৰহন কহে কবি।। ৪
যি নক্ষত্ৰত থাকে সসি।
তাৰ মধ্যে ৰাহু থাকে বসি।। ৫
পুৰ্ন্নিমা প্ৰতিপদ সন্ধি জেবে।
ৰাহুয় চন্দ্ৰক গ্ৰসিব তেবে।। ৬

১৫. অথ যমঘণ্ট কথন

ৰবিবাৰে মঘা পুৰ্ব্ব ফাল্গুনি।
অশ্লিসা পুষ্যা সোমে জানি।। ১
কুজে অনুৰাধা শ্ৰবনা জান।
বুধে আদ্ৰা হস্তা মিলন।। ২
মুলা ৰেবতি গুৰু বাৰে পাই।
স্বাতি ৰোহিনি শুক্ৰে মিলাই।। ৩
সনিবাৰে সতভিষা জেবে।
ডাকে বোলে যম ঘণ্ট তেবে।। ৪
ইহাত যাত্ৰা এড়িব আস।
গৃহস্তৰ গৃহিনি হোৱে নাস।। ৫
বিবাহত হোৱে বিধৱা নাৰি।
বেহা কৰিলে হোৱে ভিক্ষাৰি।। ৬
তুঙ্গসুতুঙ্গ কৰ বিচাৰ।
যোগাযোগক কৰ পৰিহাৰ।। ৭
লগ্নক চান্দ সুভে নেদেখে জেবে।
তাহাৰ কৌষ্টি চাউ তেবে।। ৮
সাতে আঠে খোৰা কুজা।
তাতে থাকে ভূমি তনুজা।। ৯

---

২ খ. ..... চন্দ্ৰ সুতে আদ্ৰা হস্তা মিলাই।।
৪ খ. সনিএ সতভিষা হৱয় যেবে।
৭ খ. তুঙ্গা তুঙ্গি সবে কৰ বিচাৰ।
৮ খ. তাৰ জন্ম কোষ্ঠি চাৰিব তেবে।।
৯ ছ. তাতে থাকে ভানু তনুজা।।

চতুৰ্থে পঞ্চমে থাকে কুজা।
তাহাৰ কোষ্টি বিফল বুঝা।। ১০
দুই দিগি কুগ্ৰহ মাজত লগা।
তাহাৰ কোষ্টি চেদ যোগা।। ১১
ই তিনি ভুবনে নাহিকে ৰাখ।
সগুনে শৃগালে ভুঞ্জিবে তাক।। ১২
এক পাপ গ্ৰহ থাকে লগ্নত।
তাহাৰ সঙ্কা হুতাসনত।। ১৩
সপ্তমত মঙ্গল থাকে জেবে।
মেঘত বায়ুত ভয় তেবে।। ১৪
কুজাৰ ঘৰে ৰবিৰ বাস।
অনেক ধনক কৰে নাস।। ১৫
সপ্তমে শুক্রে দেখে জেবে।
ধন জন সুখ হোৱে তেবে।। ১৬
লগ্নে সনি থাকে চান্দ।
জলৰ মাঝে পাতে ফান্দ।। ১৭
খোৰাক কুজায় দেখে জেবে।
জলত পৰি মৰিব তেবে।। ১৮
বুধে চন্দ্রে একে সঙ্গ।
তাহাৰ কুষ্ঠি নাহিকে ভঙ্গ।। ১৯
যেবে ক্ষিতি সুত থাকয় সাতে।
জিৱে সিতোজন নিচৰ ভার্তে।। ২০
লগ্নে কুজা লগ্নে সুজা।
তাতে থাকে ভানু তনুজা।। ২১
সপ্তমে যদি খোৰাক পাই।
ষষ্ঠ দিনে সিতো মৰিয়া জাই।। ২২
চাৰি সাগৰত গ্ৰহৰ মেলা।
দোলা চত্রে তাহাৰ খেলা।। ২৩
উদ্যুগ কৰিলে হোৱে সিদ্ধি।
অল্প দিনে পাৱে নিধি।। ২৪

---

১৭ খ. তাক লাগি পাতে অনেক ফান্দ।
২৪ খ. যোগ থাকিলে ... ...।

লগ্নে শুক্ৰ চন্দ্ৰ হোৱে যুত।
নৃপতি তুল্য হোৱে সুত।। ২৫
দ্বিতিয়ত সনিয়ে হৰে ক্ষাতি।
ত্ৰিতিয়ত সনি ধৰে চাতি।। ২৬
শুভ দৃষ্টি সনিৱে চাই।
নৃপতি তুল্য পুত্ৰক পাই।। ২৭
শনি ৰবি জাহাক দেখে।
চোৰৰ লগত তাহাক লেখে।। ২৮
সপ্তমত শনি দেখে জেবে।
বাহৰ আগত সুখাই তেবে।। ২৯
লগ্নত চান্দে বেদ বখানে।
নপঢ়ি নুসুনি সবাকে জানে।। ৩০
নহৱে পাত্ৰ নহৱে ৰাজ।
বসি সাধ সকলে কাৰ্য্য।। ৩১
ৰিপু নিধনত থাকে চান্দ।
সিসু কালতে পাতয় ফান্দ।। ৩২
যদি পাপ গ্ৰহে দেখে তাক।
অল্পতে মৰে বোলন্ত ডাক।। ৩৩
সপ্তমত ৰবি সনি ক্ষনত।
অষ্টমে মঙ্গল বুধ বিক্ৰমত।। ৩৪
দ্বাদস ৰাশিত থাকে চান্দ।
প্ৰসব কৰিয়া বসিয়া কান্দ।। ৩৫
মেসত ৰবি চন্দ্ৰ নিজ ঘৰে।
কুম্ভত খোড়া বলিষ্ট নৰে।। ৩৬
মঙ্গল সনি একে ঘৰে থাকে।
দুখিয়া পুত্ৰক প্ৰসৱে মাকে।। ৩৭
কুম্ভত খোড়া থাকে আসে।
মকৰত মঙ্গঁল অপুৰ্ব্ব ভাসে।। ৩৮

---

২৭ খ নৃপতিৰ তুল্য তাহাক কৰাই।।
৩৩ ৰ পৰৱৰ্তী প্ৰবচন, খ. মড়য় জননি পিড়য় বাপ।
জিয়া থাকন্তে নুগুচে তাপ।।
৩৮ খ. মকৰত মঙ্গলে সুৰ্য্যত ভাসে।।

কন্যাত বুধ থাকে জেবে।
ডাকে বোলে ৰাজা হইব তেবে।। ৩৯
ধনু মিন কন্যা সনিৰ বাস।
তাত ৰাজ্জবৰ থাকয় আস।। ৪০
মকৰে মঙ্গল লগ্নে সহিত।
দোলা চত্ৰ মিলাই বিত্ত।। ৪১
চন্দ্ৰ বৃহস্পতি এক ৰাসিত।
লক্ষ্মি সৰস্বতি তাহাতে স্থিত।। ৪২
দসমে চান্দ ত্ৰিতিয়ে কুজা।
ষষ্ঠত ৰাহু সত বৰ্ষ বুঝা।। ৪৩
গুৰুএ যদি দেখে লগ্নক।
তাৰ লক্ষ্মি মিলে আবশ্যক।। ৪৪
ষৈসত চান্দ সাগৰে লগ্ন।
অসেস দোসক কৰয় ভগ্ন।। ৪৫
চাৰি সাগৰে গ্ৰহৰ যোগ।
আছে কোষ্ঠিত নৰপতি যোগ।। ৪৬
আচোক চাৰি পাই তিনি।
তিনি কোনা পৃথিবি থাকিব জিনি।। ৪৭
চাৰি সাগৰত গ্ৰহৰ মেলা।
তাহাৰ কোষ্ঠি নকৰা হেলা।। ৪৮
গঙ্গা সাগৰে মজ্জিব মাথ।
অবস্যে দেখিব জগন্নাথ।। ৪৯
চাৰি চাৰি গ্ৰহ থাকে জেবে।
ৰাজাৰ ঘৰত খাটে তেবে।। ৫০
ৰাজাৰ বচন নকৰি খেত।
তাহাৰ গাবত চৰিবে নেত।। ৫১
একাবলি যোগ থাকে যেবে।
ৰাজ সম্পত্তি মিলয় তেবে।। ৫২
তাত যদি সিংহাসন পাই।
হোৱে চক্ৰবৰ্ত্তি মহাৰাই।। ৫৩

---

৪০ খ. তাত বাপৰ থাকয় আস।।
৫১ খ. ৰাজাৰ বচন কৰিব খেত।

মেষত আদিত্য তুলাত খোড়।
মৃগত ভৌম নাহিকে জোড়।। ৫৪
বৃষত চন্দ্র অবস্যাকে পাই।
চতুৰ্দ্দোলে সিতো গাব ঘেলাই।। ৫৫
অষ্টমে ৰৈয়া সপ্তমে ৰোহিত।
তৰল ভুমিত হৰাই বিত্ত।। ৫৬
কাৰোৰ সুখ নুহিবে ঘৰে।
সৰ্ব্বকালে তাক বাইবেক পৰে।। ৫৭
থাকে সনি মঙ্গল সাতে।
কঙ্কাল কৰ লৈবেক বাতে।। ৫৮
এই যোগ জাৰ গনিতাত পাই।
হাত ভৰি তাৰ সুখাই জাই।। ৫৯
দুই ভিতি শুভ মধ্যত আক।
হস্তিৰ কন্ধত দেখিবা তাক।। ৬০
জিবন্তে ধন জনক পাই।
মৰিলে হোৱে স্বৰ্গত ঠাই।। ৬১
অষ্টমে ৰাহু চান্দ হুইব জেবে।
সিৰচেদ তাৰ হুইবেক তেবে।। ৬২
লগ্নত মঙ্গল সনিৰ মেলা।
সকলে কাৰ্য্যত মিলাইব হেলা।। ৬৩
সপ্তমে মঙ্গলে দেখে জেবে।
মেঘৰ নাদত মৰিব তেবে।। ৬৪
জন্ম লগ্ন যাত্ৰা জোড়া।
বৰাহ মিহিৰে নাপালে ওৰা।। ৬৫
চাৰি সাগৰত গ্ৰহৰ স্থিত।
পৰৰ স্থাপন পাইবেক বিত্ত।। ৬৬
সৰ্ব্বকালে তাৰ সোভন বিধি।
খানন্তে কোৰন্তে পাইবেক নিধি।। ৬৭

---

৫৬ খ. তৰল ভুমিত বুড়াইবে বিত্ত।।
৫৭ খ. কৰাৰো সুখ.....।
৬৬ খ. আপৰ-গোপৰ পাইবেক বিত।।
ছ. থাপ্যৰ গোপ্যৰ পাইবেক বিত্ত।।

মেষত ৰবি ভুমি নন্দন।
বিদ্যা বুদ্ধি ধন বাঢ়ে জতন।। ৬৮
চন্দ্ৰ সহিতে থাকে ৰবি।
ধৰ্ম্মক জানে পণ্ডিত কবি।। ৬৯
বুধ সমে ৰবি থাকয় জথা।
বুদ্ধিত নিপুন জানয় কথা।। ৭০
গুৰু শুক্ৰ যদি থাকয় তুলাত।
কৰ্কট ৰাহু মেষ কন্যাত।। ৭১
কিৰ্ত্তি জস বাঢ়ে বিদ্যা পণ্ডিত।
জিয়ে সত বৰ্ষ হোৱে সুখিত।। ৭২
লগ্ন সমে থাকে মন্দ।
ঘনে ঘনে লাগে দন্দ।। ৭৩
লগ্ন সমে থাকে চান্দ।
তাতে থাকে ৰবি সুত মন্দ।। ৭৪
পৰৰ ভাতে জাই দিন।
পৰম দৰিদ্ৰ নাহি সুদিন।। ৭৫
ৰাহু সনি একে ৰাসিত।
পৰৰ হাতত হৰাই বিত্ত।। ৭৬
তুঙ্গে জেবে নাথাকে গ্ৰহ।
যুদ্ধ কালত লাগে বিগ্ৰহ।। ৭৭
গুৰু চন্দ্ৰ যদি কৰ্কটে স্থিত।
পুত্ৰ ধন বাঢ়ে কীৰ্ত্তি পণ্ডিত।। ৭৮
চন্দ্ৰ সহিতে থাকে ভাৰ্গব।
শাস্ত্ৰমন্ত ধৌৰ্য্য বাঢ়ে প্ৰভাব।। ৭৯
ৰাহু আদিত্য থাকে জেবে।
তাহাক সত্ৰুয় জিনিব জেবে।। ৮০

---

৬৮ ছ. বিদ্যাবুদ্ধি বাঢ়ে বহু ধন।।
৬৯ খ. চন্দ্ৰমা সহিতে থাকয় ৰবি। পণ্ডিতৰ মধ্যত হোৱয় কবি।
ছ. ... শাস্ত্ৰাৰ্থ ভূষণ হোৱয় কবি।।
৭৭ খ. ছ. তুঙ্গ ৰাসিত জেবে থাকয় গ্ৰহ।
৭৯ খ. ছ. চন্দ্ৰমা সহিতে...।
৮০ খ. ছ. সত্ৰুএ তাহাক জিনয় তেবে।।

কেতু সনি মিলে সম্ভোগ।
দন্তত হিয়াত থাকে ৰোগ।। ৮১
শনি ৰাহু ৰবি একে ঠাই।
অনা জুদ্ধে প্ৰজা মৰি জাই।। ৮২
আদিত্য সহিতে থাকে কেতু।
অন্ধক হুইবাৰ জানা হেতু।। ৮৩
মেষত ৰবি বৃষত সসি।
গুৰুয় দেখিব সপ্তমে বসি।। ৮৪
নাহিকে ৰোগ নাহিকে সোক।
সিংহাসনে বসি ভুঞ্জিব ভোগ।। ৮৫
বুধ বৃহস্পতি থাকে একেঘৰে।
নিতে নিতে বিনাস তাৰে।। ৮৬
আদিত্য সহিতে চন্দ্ৰ একত্ৰে থাকয়।
অৰস্যে সিজন হোৱে মন্দাসয়।। ৮৭
আদিত্য শুক্ৰ একত্ৰে থাকে।
মন্দাসয় হোৱে কহিলা ডাকে।। ৮৮
লগ্ন সমে থাকে সনি।
উক্ত ফল সবে বখানি।। ৮৯
আদিত্য মঙ্গলে থাকে চন্দ্ৰ।
পৃথিবীত সিতো হোৱে নৰেন্দ্ৰ।। ৯০
চন্দ্ৰ সহিতে থাকে বৃহস্পতি।
সাৰ্থক জিবন ধৰ্ম্মত মতি।। ৯১
চন্দ্ৰ সহিতে থাকে খোড়া।
ভাৰ্য্যায় সহিতে পৰিল ওৰা।। ৯২

---

৮২ খ. বিনাযুদ্ধে জানা মৰে দুনাই।।
ছ. বিনাযুদ্ধে প্ৰজাগন মৰে যাই।।
৮৬ খ. ... নিতে নিতে বিনাস হোবয় তাৰে।।
৮৭ ৰ পৰৱৰ্তী অতিৰিক্ত পাঠ ঃ
খ. আদিত্যে সহিতে হবে সহস্ৰ কিৰণ।
অলখিতে কৰে সিতো মহাপাপ গণ।।
৯২ খ. চন্দ্ৰৰ লগত থাকে কেতুমতি। একো কালে নাই ভাৰ্য্যাত ৰতি।
ছ. চন্দ্ৰে সহিতে থাকয় কুমতি। একো কালে নাই ভাৰ্য্যাত প্ৰীতি।।

ৰাহুয়ে সহিতে থাকে নিসি।
সৰ্ব্বকালে দুষ্খ পাৱয় বসি।। [৯৩]
আদিত্য সহিতে থাকে ৰাহু।
সিতো পুৰুষৰ চেদয় বাহু।। [৯৪]
লংগ্নৰ লগত থাকয় গুৰু।
ৰাজাৰ সভাত নুহিকে সৰু।। [৯৫]
গুৰু শুক্ৰ চন্দ্ৰমা নাথাকে।
অৱস্যে প্ৰাই ৰাজ পদকে।। [৯৬]
মঙ্গলে সহিতে থাকে ৰবি।
সাস্ত্ৰাৰ্থ ভুষন হোৱয় কবি।। [৯৭]
আদিত্যৰ ঘৰে শুক্ৰৰ গতি।
বোলন্ত ডাকে হোৱে নৃপতি।। [৯৮]
চাৰিঁ সাগৰে গ্ৰহৰ যোগ।
তাহাৰ জানিবা ভুপতি ভোগ।। [৯৯]
একাবলি যোগ জাহাৰ্ব্বে পাৱে।
বহু সুখ ভোগ তাহাৰ কৰাৱে।। [১০০]
মেষত আদিত্য মিনত মঙ্গল।
তুলাত্ শনি থাকে কতুহল।। [১০১]
চন্দ্ৰ সুঁত কন্যাত পাই।
চতুৰ্দ্দোলে সিতো গাৱ যেলাই।। [১০২]
মঙ্গল যদি থাকে সপ্তমত।
আদিত্য সনি থাকে জন্মত।। [১০৩]
জানিবা তাহাৰ কহিলো সাৰ।
তাৰ গাৱে বিস হইব অপাৰ।। [১০৪]
জাৰ কুষ্ঠি মাঝত আদিত্য।
দুই ভিতি সনি মঙ্গল স্থিত।। [১০৫]
সুখ সম্পত্তি সকলে পাই।
হস্তি কন্ধে গাৱ যেলাই।। [১০৬]

---

৯৪ ৰ পৰৱৰ্তী প্ৰবচন : খ. লগ্নৰ লগত থাকয় নগা।
তাহাৰ কোঙ্ঠি চেদ যোগ্না।।
৯৬ খ. হ্, ৰাজাৰ পদকম্পাৱয় তেবে।।

চন্দ্ৰ ৰাহু অষ্টমে স্থিত।
সিৰচেদ তাৰ হুইব নিচিত।। ১০৭
যদি লগ্নে সনিৰ খেলা।
সকল কালে গাৱত হেলা।। ১০৮
যদি মঙ্গল থাকে সপ্তমে।
বজ্ৰপাতে সিতো চলয় যমে।। ১০৯
চন্দ্ৰ সূৰ্য্য একে ৰাসিত।
সৰ্ব্বকালে ভোগ হুইব বিপৰিত।। ১১০
সপ্তমে চন্দ্ৰক দেখে সনৈশ্বৰে।
অন্নৰ সুখ নহৈব ঘৰে।। ১১১
লগ্নে সনি থাকে জেবে।
জলত পৰি মৰিব তেবে।। ১১২
তাতে যদি সসিৰ বাস।
ভাত কাপুৰ নাহিকে আস।। ১১৩
উদৰ পুসিব টাকটোক কৰি।
হৈব সিতো জন দেশান্তৰি।। ১১৪
আদিত্য যদি থাকে লগ্নত।
মৰিবেক সিতো জানা ৰোগত।। ১১৫
লগ্নত চন্দ্ৰ থাকে জেবে।
বলি ধনবন্ত হোৱে তেবে।। ১১৬
যদি লগ্ন মঙ্গলে স্থিত।
তাহাৰ অঙ্গ হৈব বেথিত।। ১১৭
লগ্নে চন্দ্ৰ সুত হোৱে জাৰ।
সকলে শাস্ত্ৰ পাই পাৰ।। ১১৮
জাৰ বৃহস্পতি লগ্নত স্থিত।
সাস্ত্ৰ জানি সুদ্ধ ধৰ্ম্ম পণ্ডিত।। ১১৯
হয় হস্তি ধন হৈব অপাৰ।
ৰথ ধ্বজ জানা কবিতাত সাৰ।। ১২০
লগ্নত ভাৰ্গব হোৱে যোগ।
ধনে ধান্যে মিলাৱে ভোগ।। ১২১

---

১১০ ছ. .... সৰ্ব্বকালে ভোগ হৈবেক বিত্ত।।

দ্বিতিয়ে আদিত্য জেবে থাকয়।
সিতোজন হোৱে ৰোগৰ আলয়।। ১২২
দ্বিতিয়ে জেবে থাকে সসি।
হোৱে বলিষ্ট পৰম জসি।। ১২৩
অৰ্থ অপৰ্য্যন্ত হৈবেক তাৰ।
চৌৰ কাৰ্য্যত মতি তাহাৰ।। ১২৪
লগ্নৰ দ্বিতিয়ে থাকে মঙ্গল।
হোৱে সিতো ভাৰ্য্যাত বিকল।। ১২৫
কৃষ তনু তাৰ সততে হয়।
সিতো ধনবন্ত হোৱে নিচয়।। ১২৬
বুধে লৱে দ্বিতিয়ে থান।
হৈবে সিতো নৰত প্ৰধান।। ১২৭
বৃহস্পতি জদি দ্বিতিয়ে পাই।
ধন হৰ্ষ তাৰ বাঢ়ি জাই।। ১২৮
দ্বিতিয়ে শুক্ৰ থাকে জাৰ।
নাৰিৰ বল্লভা দৰ্প তাহাৰ।। ১২৯
জদি সনি গ্ৰহ্ দ্বিতিয়ে স্থিত।
সৰিৰ কুচিত দিন দুখিত।। ১৩০
লগ্নৰ তৃতিয়ে ৰবিৰ গতি।
জানা তাসম্বাৰ ধৰ্ম্মত মতি।। ১৩১
ত্ৰিতিয়ত চন্দ্ৰে কৰয় বাস।
তাহাৰ জানা ভাতৃ বিনাস।। ১৩২
থাকে কেৱলে ভুমি নন্দন।
ভাতৃ নষ্ট হোৱে স্বৰূপ বচন।। ১৩৩
হিংসা তেসে সিতো ৰতি সদাই।
ভুমিত তাহাৰ বৃত্তি মিলাই।। ১৩৪
ত্ৰিতিয়ে বুধ থাকে জেবে।
সেহিজনে মিচা মাতে তেবে।। ১৩৫
যদি বৃহস্পতি থাকে সিথান।
কন্দৰ্পৰ নয় দেখি সুঠান।। ১৩৬
সেহি স্থানে জদি শুক্ৰৰ গতি।
বোলন্ত ডাকে হৈব নৃপতি।। ১৩৭

তৃতিয়ে থাকে ৰবিৰ নন্দন।
ভাতৃ নষ্ট হোৱে বহু ধন।। ১৩৮
চতুর্থ ৰাসিত সুর্য্যক পাই।
বন্ধু বর্গ বাঢ়ে ক্লেসক পাই।। ১৩৯
চতুর্থ ৰাসিত চন্দ্রৰ যোগ।
নানা ব্যাধিয়ে কৰাই ভোগ।। ১৪০
জানু জংঘাত ৰোগৰ খেলা।
নেদিয়ে ঔসধি কৰয় হেলা।। ১৪১
চতুর্থে ভৌমে কৰে নিবাস।
কুচিত গ্রামত তাহাৰ বাস।। ১৪২
চতুর্থে চন্দ্র সুতক পাই।
পুত্র ভাতৃ বাঢ়ে সদাই।। ১৪৩
চতুর্থে গুৰু হৈল আশ্রয়।
নানা ৰত্ন ধন ভোগ কৰয়।। ১৪৪
শুক্র থাকিলে সুখ সদাই।
প্রধানৰ ঘৰে নিবাস পাই।। ১৪৫
সনি থাকি কৰে অকর্ম্ম জাত।
কুচিত বসন পিন্ধয় গাত।। ১৪৬
মন্দ কর্ম্ম কৰি ফুৰে আতি।
সদা পাপ ৰত হোৱে দুর্ম্মতি।। ১৪৭
পঞ্চমে আদিত্য যদি থাকয়।
প্রথম পুত্রক হানি কৰয়।। ১৪৮
জদি চন্দ্রমা তাতে থাকয়।
সর্ব্বজনৰ অধিকাৰি হয়।। ১৪৯
মঙ্গল থাকে পঞ্চমে ঘৰি।
সেহিজন পুত্র সোকতে মৰি।। ১৫০
জদি বুধ থাকে তাত।
সুদেশ লভয় মনৰ স্বস্ত।। ১৫১
দেৱগুৰু থাকে পঞ্চমে বসি।
অসংখ্যাত ধন হোৱে আসি।। ১৫২

---

১৪৩ ছ. সি থানে চন্দ্র সুতক পায়।
১৪৯ ছ. যদি নিশাপতি তাতে থাকয়। বহু জনৰ অধিকাৰী হয়।
১৫১ ছ. ..... মনৰ সুখে স্বদেশ লভয়।।

সুন্দৰ পুত্ৰ তাৰ জন্ময়।
ডাকে বোলে কৈলো নিচয়।। ১৫৩
পঞ্চমে যদি শুক্ৰক পাই।
অনেক সুন্দৰি তাহাৰ হই।। ১৫৪
যদি তাতে থাকে শনি।
পুত্ৰ পৌত্ৰ তাৰ কৰাই হানি।। ১৫৫
ষষ্ঠত আদিত্য সত্ৰুত ভয়।
ৰিপু হস্তে তাৰ মিলে সংসয়।। ১৫৬
যদ্যপি তাতে চন্দ্ৰমা হয়।
নিচয় সত্ৰু হৈবেক ক্ষয়।। ১৫৭
ষষ্ঠত যদি থাকে মঙ্গল।
তাৰ দেহ্ গুটি হোৱে অমঙ্গল।। ১৫৮
লোকঁত স্নেহ্ নাহি সদাই।
দুখ মাত্ৰ পাৱে সকল ঠাই।। ১৫৯
যদি বুধ থাকে ষষ্ঠ ৰাসিত।
সাস্ত্ৰ অৰ্থ পাৱে হোৱে পণ্ডিত।। ১৬০
যদি বৃহস্পতি থাকে ষষ্ঠত।
ৰাজ্য সুখ ভোগ মিলে সতত।। ১৬১
ষষ্ঠ ৰাসিত শুক্ৰৰ যোগ।
তাৰ গাৱে ৰোগ কৰয় ভোগ।। ১৬২
শনিয়ে হোৱে পাপত ৰতি।
অতি দুখিত হোৱে দুৰ্ম্মতি।। ১৬৩
সপ্তমত আদিত্য কৰয় গতি।
তাহাৰ জানিবা নিমিলয় ৰতি।। ১৬৪
যদি সসধৰ সপ্তমে পাই।
মন স্বস্ত সিদ্ধ পুত্ৰক পাই।। ১৬৫

---

১৫৪ ছ. যদি শুক্ৰ সেই থান লয়। ধনী গুণী দাতা ভোক্তা হয়।।
মানী আৰু অল্প পুত্ৰ পায়। কিন্তু বহু কন্যাৰ পিতা হয়।।
১৫৭ ৰ পৰৱৰ্তী প্ৰবচন. ছ. শনিৰ হোৱয় পাপত ৰতি।
দুখৱন্ত আতি হোবে দুৰ্ম্মতি।।
১৫৮ ছ. ...... তাৰ দেহা গুটিৰ মঙ্গল।।
১৬১ ছ. যদি বৃহস্পতি থাকে একলে।
১৬৫ ছ. ..... সুন্দৰ কান্তি সুন্দৰীৰ পতি।।

কুজ ভৈলা সপ্তমে স্থিত।
তাহাৰ ভাৰ্য্যাৰ নাসাধে হিত।। ১৬৬
বুধ থাকে সপ্তম ভৱন।
তাহাৰ সদাই সন্তোস মন।। ১৬৭
তাতে গুৰু কৰে গতি।
সাস্ত্ৰত পণ্ডিত ধৰ্ম্মত মতি।। ১৬৮
সপ্তমে যদি শুক্ৰক পাই।
সোভন পুত্ৰ তাৰ জন্মাই।। ১৬৯
পুত্ৰ সঙ্গে আনন্দ মতি।
সতেক বচ্ছৰ সিতো জিবন্তি।। ১৭০
শনি সপ্তমে থাকে জেবে।
ভাৰ্য্যাৰ বিয়োগ কৰাই তেবে।। ১৭১
অষ্টমত আদিত্য ভৈল জাৰ।
সন্নিতে মৃত্যু কৰাই তাৰ।। ১৭২
নিবাস অষ্টমে হৈল চন্দ্ৰৰ।
সতেক বচ্ছৰ জিৱেক নৰ।। ১৭৩
কুজে ললে অষ্টমে স্থান।
তাৰ গাৱে বহু ৰোগ জান।। ১৭৪
বুধে সুল ৰোগ হৈবেক তাৰ।
অকৰ্ম্মে ৰত হৈব অপাৰ।। ১৭৫
জাৰ বৃহস্পতি অষ্টমে স্থিতি।
সেহিজন জানা তীৰ্থে মৰন্তি।। ১৭৬
শুক্ৰ যদি থাকে অষ্টমত।
তীৰ্থক গমন ধৰ্ম্মত ৰত।। ১৭৭
অষ্টমে শনি লৈলেক থিত।
সুলৰোগে তাক পিড়িত।। ১৭৮
অল্পতে মৰিব জানন্ত বেদ।
গতায়ুস তাৰ লাগয় খেদ।। ১৭৯

---

১৭৩ ৰ পৰৱৰ্তী প্ৰবচন ঃ যদি চন্দ্ৰ লয় অষ্টম ঘৰ।
অধঃক্ষীণ তনু জানা জাতকৰ।।
কাহ শোক ৰোগ ভুঞ্জে নানামত।
অৱশ্যে মৰিবে পৰি জলত।।

নৱমত আদিত্য লৈলেক ঠাই।
নানা ধনে ভোগ আউস জাই।। ১৮০
সেহিঘৰে ভৈলা চন্দ্ৰমা থিত।
লক্ষ্মি নাচাৰয় ধৰ্ম্ম চৰিত্ৰ।। ১৮১
নৱমে থাকে ভুমি নন্দন।
আহৰন কৰে জতেক ধন।। ১৮২
সি থানে বুধৰ ভৈল নিবাস।
ধৰ্ম্মৱন্ত অন্তে স্বৰ্গত বাস।। ১৮৩
যদি বৃহস্পতি সেহি ৰাসিত।
শুভ কৰ্ম্ম কৰে ধৰ্ম্মত থিত।। ১৮৪
ধন ৰত্ন হোৱে অসংখ্য তাৰ।
নানা ভোগ কৰে সেহি নৰ।। ১৮৫
সুক্রে যদি লৈলে সেহি ভৱন।
সদাই তাহাৰ তিৰ্থত মন।। ১৮৬
সুৰ্য্য পুত্রে তাক কৰয় গতি।
পাপ যুক্ত সদা সুখ ভুঞ্জন্তি।। ১৮৭
দসমত আদিত্য ভৈল জাহাৰ।
ধন যুক্ত হোৱে ক্রোদ্ধ অপাৰ।। ১৮৮
যদি সোম লৈলে দশমে থিতি।
মন যুক্ত অনেক নাৰিৰ পতি।। ১৮৯
নানা বিধ ধন হোৱে তাহাৰ।
ডাকে বোলে এহি সাৰতো সাৰ।। ১৯০
তাতে ভুমিপুত্র ভৈলেক জাৰ।
সততে উচ্ছাহ বাঢ়য় তাৰ।। ১৯১
কিন্তু বন্ধু গন হৱে বৰ্জিত।
কিঞ্চিত কিঞ্চিত মিলাইবে বিত্ত।। ১৯২
দসমে গুৰু লৈলেক ঠাই।
হোৱে অভিমানি চিত্ত সদাই।। ১৯৩
সেহি থানে শুক্রে কৰে গতি।
ধনবন্ত সুন্দৰি নাৰিৰ পতি।। ১৯৪
দশমে শনি লৈলেক স্থান।
নানা সুখ হোৱে বাঢ়ে সন্মান।। ১৯৫

---

১৮১ ছ. যদি চন্দ্ৰ থাকে নবম ঘৰে। কামিনী বল্লভ পুণ্যশীল কৰে।।
১৮৯ ছ. সংযুক্ত বহু ... ...।

একাদশে ভৈল সূৰ্য্যৰ গতি।
পিতৃৰ ধনে সুখ মিলন্তি।। ১৯৬
তাহাত যদি চন্দ্ৰমা স্থিত।
সুন্দৰ আসয় হোৱে বিনিত।। ১৯৭
কুজে নানা ভোগক পাই।
বুধে ক্ৰোদ্ধযুক্ত হোৱে সদাই।। ১৯৮
একাদসে গুৰু লৈলেক ঠাই।
দাতা ধনৱন্ত হোৱে সদাই।। ১৯৯
সদায় হোৱে ধৰ্ম্মত মতি।
হস্তি অশ্বে তাহাৰ গতি।। ২০০
শুক্ৰে একাদসে কৰিলে বাস।
শাস্ত্ৰ বেত্তা হোৱে সবাৰে আস।। ২০১
শনি একাদশে ভৈলেক থিতি।
চত্ৰধাৰি ধনি কুকৰ্ম্মে ৰতি।। ২০২
দ্বাদশে সূৰ্য্যে কৰে নিবাস।
গ্ৰাম ধন জন কৰে বিনাস।। ২০৩
বোলন্ত ডাকে ভাল নেদেখি।
অল্পকালে সিতো হোৱয় দুখি।। ২০৪
চন্দ্ৰতাপ তলে থাকে নিতান্ত।
তথাপি তাহাৰ খেদ মিলান্ত।। ২০৫
কুজে ক্ষুত পিপাস পাৱে।
অতি দুৰ্বুদ্ধি তাৰ কৰাৱে।। ২০৬
দ্বাদসে ভৈলা বুধৰ স্থান।
কৰ্ম্মত ৰতি হোৱয় প্ৰধান।। ২০৭
দেব গুৰু হাৱে তাহাতে স্থিত।
সদায় হোৱে অভিমানিত।। ২০৮

---

১৯৮ ছ. মঙ্গল বাস কৰে একাদশত। পণ্ডিত নৃপ তুল্য পৰ হিত ৰত।।
যদি বুধে হোৱে একাদশত থিত। কৃপণ বহু ধনী কপট বুদ্ধি ৰত।।

২০৫ ছ. চন্দ্ৰ দ্বাদশত লৈলেক থিতি। ধনাঢ্য বহু যুবতীৰ পতি।।

২০৮ ছ. বৃহস্পতি লোৱে দ্বাদশে থান। সত্যবাদী সাধুসঙ্গী সুস্বভাববান।।
কামাতুৰ দাম্ভিক গুহ্যৰোগী হয়। যদি বাত্তাহৰে নানা ভোগ মিলয়।।
যদি দৈত্যগুৰু লোৱে সি থান। ৰোগী দাম্ভিক কৃষিজীবি জান।।
দ্বাদশতে যদি শনিৰ বসতি। সেইজন চপলা নাৰীৰ পতি।।
ক্ৰুৰ মতি কৃশাঙ্গ ধনহীন হয়। সিজন দুখী হুই কাল কাটিয়৷৷

শুক্রে সাস্ত্রত পণ্ডিত হয়।
ডাকে বোলে কৈলো নিচয়।। ২০৯
ৰবি সঙ্গে কু কৰ্ম্ম কৰে।
নাজানে আপোন স্বধৰ্ম্ম নৰে।। ২১০
জি কালত চন্দ্র ৰাহুয় গ্রাসে।
পৃথিবিত সস্য সকলে নাসে।। ২১১
জি জি দিসৰ জি জি ৰাসি।
ৰাহু সনিয়ে যোগ বিনাসি।। ২১২
সি দিসৰ সমস্তে টুটে।
লঘনত প্রান চুটে।। ২১৩
অৰাজ্যক ভয় হোৱে যদি।
অকালত সৱে বাঢ়ে নদি।। ২১৪
ঘনে ঘনে ভুমিকম্প জাই।
ব্রাহ্মনৰ কুল হৰাই।। ২১৫
প্রজাগনে মাগি খাই।
নিকাৰ ভুঞ্জি যম ঘৰে জাই।। ২১৬
সি কালত থাকে যদি লক্ষ্মি পাৰ্ব্বতি।
ৰাজাক সত্বৰে বিনাসে আতি।। ২১৭
আদিত্য সহিতে থাকে বৃহস্পতি।
মকৰে মঙ্গল সিংহত থিতি।। ২১৮
কন্যাত বৃষত থাকে সসি।
ৰাজাৰ ঘৰত থাকিবে বসি।। ২১৯
যদি আদিত্য শুক্র মকৰে।
সিতো ৰাজ্যে লক্ষ্মি সমস্তে বাঢ়ে।। ২২০
প্রজাৰ কান্তি বাঢ়য় আতি।
আকাসত তাৰা অধিকে কান্তি।। ২২১
ধন জন বাঢ়ে সম্পদ নিতি।
সমস্তে প্রজাৰ ধৰ্ম্মত চিতি।। ২২২

---

২১২ খ. জি জি মাসৰ জি জি ৰাসি। তাৰ সপ্তমে বৈসে সসি।।
২১৮ খ. পুবাক কৰ্কটে চোৱে বৃহস্পতি।
২১৯-২২০ খ. কন্যাত বুধ বৃষত সসি। ৰোহিণি নক্ষত্রে মিলয় আসি।।
আকাসত তাৰা পাৰয় ঝিকি। ধনবিত সম্পদ বাঢ়ে নিধি।।

পঞ্চ দেওবাৰ দ্বিপক্ষ দিনে।
সঁৱক সগুনে নাখাই ঘিনে।। ২২৩
শনি মঙ্গল বক্র জেৰে।
নৃপতিৰ পিড়া জাই তেবে।। ২২৪
কন্যা মিন মেষ মন্মথ ভৱন।
মাৰো মাৰো কৰে শনৈশ্বৰগন।। ২২৫
ৰাজ্য হস্তি বিহাৰে মন্ত্রি।
বিনা যুদ্ধে প্রজা মৰন্তি।। ২২৬
ৰাহু শনি কুজ সাগৰে খানা।
বিপত্তি পাৱে বড় বড় জনা।। ২২৭
নজাই দিন নুপুহাই ৰাতি।
উৎপাত কৰে চত্তিস জাতি।। ২২৮
দুপাতে চ্যুত নাৰিকল সাতে।
বাটে জাওতে অমাতে মাতে।। ২২৯
দোভাগ নিসা গৰু হেমেলাই।
বোলন্ত ডাকে ৰাজা হৰাই।। ২৩০
উই উলুকা মেদনি ফুলে।
দিঘল লেজাক গুয়া বোলে।। ২৩১
হুদু কপৌ ৰটয় ফুলে বাহ।
গিৰি নিজিয়ে চয় মাস।। ২৩২
বিসু জাই কানে কুজে।
প্রজা মৰে আনা জুঝে।। ২৩৩
তিনি একাদসি দ্বিপক্ষে পাই।
সক সগুনে পাৰেমানে খাই।। ২৩৪
বৈসাগি বিসু ভুমি নন্দনে।
মাঘৰ বিসু এই তিনি দিনে।। ২৩৫

---

২২৫ খ. কান্ মিন্ মন্মথ ভৱনে........।। ·
২২৬ খ. ৰজা হন্তে বিদুৰে মন্ত্রি.........।।
২৩১ খ. .... দিঘল নেজা গাএত বুলে।।
২৩২ খ. হুদু কাকে ৰটয় পাসে। সিঘৰৰ বিঘিনি মিলে অৱস্যে।।
নগৰৰ উপৰে খগক দেখি। দুই দুই ধুলাক তাহাত নেলেখি।

ইহাত উত্তৰে জেবে পাই।
অৱশ্যে জানা আছ হৰাই।। [২৩৬]
ফাগুনৰ সেসে চৈত্ৰ প্ৰবেসে
জেই জেই হোৱে বাৰ।
আকে খৰলিয়া সনিয়ে ৰুগিয়া
মঙ্গলে ধুলি আন্ধাৰ।। [২৩৭]
সোমে বহু জল। কৃষিৰ নিষ্ফল।। [২৩৮]
বুধ বৃহস্পতি শুক্ৰবাৰ।
মেদনি নসহে সস্যৰ ভাৰ।। [২৩৯]
নগৰৰ উপৰে কুৱা কুই দেখি।
নৰৰ মুণ্ড গণ্ডা গণ্ডি লেখি।। [২৪০]
মাঘি সপ্তমিৰ উপৰে কালি।
আছ এড়ি ধৰা সালি।। [২৪১]
মাঘি সপ্তমিত গৰজে দেৱ।
বেহা এড়ি নাঙ্গল কৰা সেৱ।। [২৪২]
লেখ লেখ লেখ ভাল কৰি লেখ।
বৈসাগি বিসুৰ প্ৰমাণ দেখ।। [২৪৩]
আগ্ৰান জাই পৌষ সংক্ৰান্তি।
বুজিয়া পণ্ডিত নহৈবা ভ্ৰান্তি।। [২৪৪]
বৈসাগি বিসু জে বাৰে জাই।
আৰ বচ্ছৰত পৰ বাৰ পাই।। [২৪৫]
সংক্ৰেমনৰ বেলা জেই।
পোন্ধৰ দণ্ডৰ পৰ সেই।। [২৪৬]
কিজানি দ্বিত্ৰিংস পলৰ উৰা।
নিতে নিতে পল টুটা বৰা।। [২৪৭]
নগৰ উপৰে খগক দেখি।
দুই ধৱলা তাক নেলেখি।। [২৪৮]
সৰস্বতি মুখে কহন্ত ডাক।
বিৰান্নৈবে কোটি তিৰান্নৈবে লাখ।। [২৪৯]
অক্ষৰ দুগুন মাত্ৰা চাৰি।
নাম থিৰ কৰি পুৰুষ নাৰি।। [২৫০]

---

২৫০ খ. নাম দুগুন মাত্ৰা চাৰি। সম কৰিব পুৰুষ নাৰি।।
বেদ দি হৰিব ভাগ। তেবে পাইব জিৱন মৰন লাগ।।

লোচনে হৰিবা ভাগ।
জিৱন মৰন পাইবা লাগ।। ২৫১
সুন্যে একে মৰে পতি।
দুই পাইলে মৰে যুবতি।। ২৫২
তিনি পাইলে উভয়ৰ মৰন।
ডাকৰ এই নিচয় বচন।। ২৫৩
ডাহিনে কাকেৰি বামে মাকৰি।
তিতিনি দিনে আসে বাগৰি।। ২৫৪
আজিও নাহিল কালিও নাহিল
নাহিল তিতিনি দিন।
ঘৰৰ ঘৰনি ঘৰতে মৰিল
মৰিবাৰ হল চিন্ন।। ২৫৫

১৬. অথ যাত্ৰা লক্ষণ

আগে জুগুনি পুত্ৰক খাই।
ডাইনে জুগুনি সৰ্ব্বচ্চ হৰাই।। ১
বামে পৃষ্টি জুগুনি পাই।
লঙ্কা জিনি ৰাম অজ্যোধ্যাক জাই।। ২
এক সনি গুৰু মঙ্গলবাৰ।
দক্ষিন নাসিকা পবন সঞ্চাৰ।। ৩
সোম শুক্ৰ বুধে বাম।
জিনিবে লঙ্কা গোসাই ৰাম।। ৪
আউসি প্ৰতিপদ পূৰ্নিমাৰ তিথি।
মাকৰ ঘৰক নজাই জুৱতী।। ৫

---

২৫৫ ৰ পৰৱৰ্তী প্ৰবচন ঃ খ. আচম্ভে স্ববুদ্ধি কালে বিনাসিল।
নাগ ঋাঠিএ চুলি বান্ধিল।।
হেঠ পাও পৰ কৰি। জলৰ মাঝত থাকিল মৰি।।

৩ ছ. দক্ষিণ নাহিক বায়ু সঞ্চাৰ।।

৪ ছ. জিনিলে ... ...।

হাচি জেঠি উঝণ্টি খালে।
মিচা নামাতে সৰ্ব্ব কালে।। [৬]
জাও কি নাজাও ঘৰ মনে।
জাত্ৰা কৰে সনিৰ ক্ষণে।। [৭]
জদি নমৰে পাই ভয়।
ফুৰন্তে ফুৰন্তে হাৰাসাস্তি হয়।। [৮]
দধি মধু ঘৃত সুক্ল তণ্ডুল।
সুক্ল চামৰ সুক্লবৰ্ণ ফুল।। [৯]
বেস্যা নাৰি সুন্দৰি কন্যা।
জাত্ৰা কালে ইসব ধন্যা।। [১০]
দ্বিজ গো মুত্ৰ দক্ষিনে থৈবা।
সাফল মিনক বামত লৈবা।। [১১]
আগ কৰি দিব দক্ষিন পাৱ।
জৈকে লাগে তৈকে জাৱ।। [১২]
সৰ্পৰ ভাল জদি দক্ষিনে জাই।
সৰ্ব্ব কাৰ্য্যত তাৰ ভালক পাই।। [১৩]
আক মধ্যাহ্ন গুৰু চৌঠা।
মঙ্গলে প্ৰহৰ সোমে........।। [১৪] .....
শনি ত্ৰিতিয় কালে ক্ষন এৰে।। [১৫]
পুবে শনৈচ্ছৰে পাতিলা ফান্দ।
অগ্নি দিসক বান্ধিলা চান্দ।। [১৬]
দক্ষিন দিসক বান্ধিলা বুধে।
নৈঋতে গুৰুএ মৰন সাধে।। [১৭]
পচিমে আকা বায়ব্যে মুকা।
উত্তৰে মঙ্গল কৰিবা সঙ্কা।। [১৮]

---

৬ ছ. ... উজুটি ... মিছা নহয় সৰ্ব্বকালে।।
৭ ছ. যাও কি নযাও কৰে মনত।
১০ ছ. কুলটা নাৰী ...।
১১ ছ. সজীৱ মিনক ...।
১৩ ছ. ... ... সৰ্ব্ব কাৰ্য্য তাৰ শুভক্ষণে পায়।
১৮ ছ. উত্তৰে কুজা ...।

অষ্ট দিসৰ কষ্ট বহু।
ইসান দিসক বান্ধিলা ৰাহু।। ১৯
জানি সুনি জাই নৰে।
আপুনি মৰে যমক ধৰে।। ২০

১৭. অথ গৃহ লক্ষণ*

ধ্বজৰ উত্তৰ গজৰ পুব।
সিংহৰ পচিম আতি সুভ।। ১
বৃষৰ দখিন পাই জেবে।
সৰ্ব্ব সিদ্ধি কৰাৱে তেবে।। ২

---

১৯ অষ্ট ... ... বহু?
২০ৰ পিছৰ অতিৰিক্ত প্ৰবচন ঃ
খ. পুবে গধুলি পচিমে উষা। উত্তৰে মধ্যাহ্ন দখিনে নিষা।।
আক গুৰু শনি মঙ্গলবাৰ। দখিন দিসে পয়ানক সাৰ।।
সোমা সুকা বুধা বামে। হলাএ লঙ্কা জিনিলা ৰামে।।
মঙ্গলবাৰে খাবা কৰাই। জনমবাৰে তেল যমে থাকে ডৰাই।।
নৰা গজা বিছা চই। বৎসৰ বতিস ঘোৰা বই।।
চৌবিচ বলধ সোলে চাগল। পঢ়ি শুনি বৰাহ ভৈলি পাগল।।
জন্ম যাত্ৰা লগ্ন জোৰা। বৰাহ মিহিৰে নপালে ওৰা।।
জাত্ৰা সময়ত চাৰিব কাম। আঙ্গাৰ ঔষধ লোক পাই।।
জাত্ৰা সময়ত জাপি পৰে। গাৱৰ বস্ত্ৰ খসিয়া পৰে।।
ৰাৰ-চালে লাগি কাপৰ ফাটে। তাৰ মুণ্ড খসিব হাটে বাটে।।
কাক সগুন আগে চলে। সত্ৰুৰ সৈন্যক মাৰিব বলে।।
জদি সগুন কাক পাচত জাই। আপুনাৰ সৈন্যক আপুনে খাই।।
পথত নই পুৰা দই। অশ্ব পাঞ্জাৰে জাই। যুদ্ধ যাত্ৰা সমুখে পাই।।
আপুনাৰ সৈন্য ৰাহুৰে খেদি খেদি খাই।।
বুধ গুৰু বৃহস্পতিয়ে লোন। ....।।
শুক্ৰে চাউল চোবাই। সনিএ পোৰা মাচ খাই।।
জথা জাই তথা পাই। অসিদ্ধিকৰ সিদ্ধি কৰাই।।
ঙ. সোমে বুধে মুৰ খুৰাই। মঙ্গল বাৰে খাবা কৰাই।।
জদি হয় অপৰে পৰে। তেবে কৰ্ম্ম কৰিবি শুক্ৰবাৰ।।
প্ৰতি নিতে তেল ঘুসিবা জাই। জম ৰাজা থাকে ডৰাই।।
'খ' পাঠৰ পৰা লোৱা হৈছে।
* 'ঙ' পাঠৰ অতিৰিক্ত প্ৰবচন ঃ
বহু ঘৰ বহু নৰ। ডাকে বোলে নকৰ নকৰ।।
দ ৰাম কৰিবা চাহ। ৰাকবা পনত্তা কৰিবা প্ৰাহ।।

জতেক কৰা ততেক লবা।
তাৰ তিনি জোখা মাগুলি লবা।। [৩]
পুবা পচিমাকৈ সাজিবা ঘৰ।
অকাল মৃত্যুক নাহিকে ডৰ।। [৪]
পুবে লবা গজাক্ৰান্তে।
দখিনে লবা কথা মাতে।। [৫]
পচিমে লবা জিমানে পাই।
উত্তৰে লবা ঢোল কোবাই।। [৬]
পচিমে বাঁহ পুবে বেঁত।
উত্তৰে তামোল দখিনে খেত।। [৭]

পুবে পুখুৰি পচিমে খেত। উত্তৰে বাঁহ দখিনে বেত।।
আতিয়াত কঠাল মধ্যে আম। তেবে জানিবা বাৰিৰ কাম।।
পুবে ভৰি তালি উত্তৰে কৰ্ণে কথা। পচিমে দখিনে ঢোলৰ সব্দ জথা।।
গৃহপতিৰ হাত কৰি প্ৰমাণ। দীৰ্ঘ প্ৰস্তক জুখি আন।।
একত্ৰ জেবে কৰে তিনি ভৰি। ডাকে ঘৰ এহি বুধি কৰি।।
পাঠান্তৰ : এক এৰি বসুৱে হৰ। ডাকে বোলে এহি ঘৰ কৰ।।
শুন্য সুভ নাহিকে থিত। নয় গৃহে তাৰ নাপায় চিত।।
দুয়ে বিনাসে গোপৰ মান। চাৰি চই কৰে মৰন সোমান।।
একে পোৰে মন তিনিএ ধন। পাচে কৰে পুত্ৰৰ কৈল্যান।।
সপ্তমে দসমে কৰে মনুৰথ সিদ্ধি। ডাকে বোলে এহিসে বিধি।।
ঘ. নৱে দেৱে সাজিবা ঘৰ। এখানি নাটে দুখানি কৰ।।
চাল সম কৰি মাড়লি দিবা। লম্কাৰ বনিজ হাততে পাবা।।
জতেক কৰা ততেক লবা। তাৰ তিনি জোখা মাগুলি দিবা।।
পুবা পচিমাকৈ সাজিবা ঘৰ। অকাল মৃত্যুত নাহিকে ডৰ।।
পুবে বাহ পচিমে বেত। উত্তৰে তামোল দখিনে খেত।।
পুবে ভড়াল পচিমে গোহালি। ডাকে বোলে তাৰ সকলে ৰহিল।।
জ. পুবে হাঁহ পচিমে বাঁহ। উত্তৰে গুবা দক্ষিণে ধুবা।।
আটীয়াত কঠাল মধ্যে আম। তেবে জানিবা বাৰিৰ কাম।।
বহু কৰ বহু নৰ কৰ ঘৰ। ডাকে বোলে তাক নকৰ নকৰ।।
সৰু সৰুকৈ বান্ধিবা ঘৰ। এটা নালাগে দহোটা কৰ।।
'ক' পাঠত নাই, 'খ' পাঠৰ পৰা লোৱা হৈছে।
আৰম্ভণি.ছ. পাঠ :
জেঠত দৈ আহাৰত খৈ। শাওনে মৰাপাটা খাবা গৈ।।
ভাদত ওল আহিনত কল। কাতিত কচুই বাঢ়য় বল।।
আঘোনত খাবা চৰাই। পুহত পিঠা মাঘত কৰাই।।
ফাগুনত মৌ চ'তত ঔ, বহাগত বৰ। ইয়াক খালে পুৰুষৰ গুছে কৰ্মজ্বৰ।

পুবে ভাণ্ডাৰ পচিমে গোহালি।
ডাকে বোলে তাৰ সকলে সুবলি।। ৮
মিত সৰিয়হ সিত মাহ।
গণ্ড যোগত নুৰুইবা বাহ।। ৯
শৰন লাগিলে নসাজিবা ঘৰ।
অগ্নি যোগত ধান হোৱে খৰ।। ১০

১৮. অথ দ্ৰব্যগুণ কথন

ত্ৰিফলা দিয়া নিমৰ চাল।
চাগ দুগ্ধেৰে বটিব ভাল।। ১
নিষা ভাগে তাক নিয়ৰত থৈব।
প্ৰভাত সময়ে মাথাত লৈব।। ২
হাতে ঘহি ঘহি মাথে মাথিব।
সুখাইলে পাছে স্নান কৰিব।। ৩
জিজনে কৰিব এহি প্ৰকাৰ।
ক্ৰোষেক পথলৈ দৃষ্টি তাহাৰ।। ৪
ৰাতৃ সেসে জিতো পিএ পানি।
তাৰ চিৰকাল জিৱন জানি।। ৫
হৰিতকি সুণ্ঠীলোন যনি।
তাক খায়া নৰে পিবয় পানি।। ৬
ডেৰ যাম গলে খাইবেক ভাত।
বল বুধি অতি পাইবেক গাত।। ৭
ইষ্ট দেৱতাক কৰি পূজন।
ক্ষুধা তৃষা বুঝি ভুঞ্জিব অন্ন।। ৮
মৰনক যদি আছে তৰাস।
অহিত বস্তুক কদাপি নখাস।। ৯
ভুঞ্জিয়া পাচে চাগ মাংস খাইব।
দেহৰ কান্তি উজ্জ্বল পাইব।। ১০

---

৫ ৰ পৰবৰ্তী প্ৰবচন :

ছ. চান্দো ভান্দো ইয়াৰ মূল। সাপ ৰোগী নাষায় নদীৰ কুল।।

৭ ছ. ডেৰ প্ৰহৰ ভৈলে খাব ভাত।

ভৃঙ্গৰাজ ঝিণ্টি কেহ্ঁৰাজৰ।
সকলাৰো পত্ৰ আনি গুণ্ডি কৰ।। [১১]
দিনে দিনে আঠি দিয়া খাই।
পুস্ত হৱে অঙ্গ বাঢ়ি যাই।। [১২]
হাতি পিপলি লোন বাৱৰি।
মৰিচ হৰিতকি সমভাগ কৰি।। [১৩]
মধু দিয়া তাক কৰ অঞ্জন।
তেৱে দৃষ্টি জাই অৰ্দ্ধ যোজন।। [১৪]
সুঠি গুলঞ্চি ভেকুৰি মূল।
তিনিকো বাটি কৰিব তুল।। [১৫]
পিপলি দি খাইব ঘনে।
নাথাকয় তাত ৰোগ প্ৰমানে।। [১৬]
ধনিয়া পোৰোলা লতি তেজপাত।
সমভাগ কৰি বাট পটাত।। [১৭]
ক্বাথ কৰি খাইব ইহাৰ পানি।
বাত পিত্ত জ্বৰ হৰিব টানি।। [১৮]
ভাত খাই উঠি খাই তিনি সিলিখা।
তাক কি কৰিবে ৰোগ পিলিকা।। [১৯]
ভোগজিৰা পোটকৰা তৰু মূল।
বেলপাত খাইলে নাস হৱে শুল।। [২০]
প্ৰভাত সময়ে খাইলে সদায় ইহাক।
অৰুচি ৰোগ নাসে বোলে ডাক।। [২১]
লোৱা চুৰ এক এক নিমু সুণ্ঠি।
চই গুন জামিৰৰ ৰসেৰে ঘুটি।। [২২]
ডাকে বোলে পাগি সিতল কৰি।
খাইলৈ দেই তাক বিস পাসৰি।। [২৩]
ঘৃত গুড় লবন তেতেলি সমান।
অৰুচি নাসত ভাল কৰি জান।। [২৪]

---

১৪ ছ. মধু ...... ভোজন।
১৫ ছ. ...... শুৰুচি.....।
১৬ ঘ. পিপলী দিয়া ঘি খাই বিহানে।
১৭ ঘ. ধনিয়া পোৰোন লতি.....। সমভাগ কৰি খুন্দি সিলত।
২০ ছ. ভোগজিৰা পতৰীয়া আৰু মূল।
২২ ছ. লোহা চূৰ্ণ এক এক নিমুৰ শুষ্ঠি। চাৰিগুণ জামিৰ ৰসেৰে ঘুণ্টি।।

জামিৰ ৰসত লবন মিসলাই।
নাসিব অৰুচি প্ৰভাতে খাই।। ২৫
বিৰঙ্গ সাৰক গুণ্ডি কৰিয়া।
ৰসুন সঙ্গেৰে গুণ্ডি কৰিয়া।। ২৬
দন্তৰ গুড়িত ধৰিব জান্তি।
দান্তো নসৰে পোকো মৰন্তি।। ২৭
ইন্দ্ৰ সমলিয় (?) কৰি সমভাগ।
গুণ্ডা কৰিব কৰি অনুৰাগ।। ২৮
দিনে দিনে খাইব পাণ্ডৰতি।
ৰোগিৰ ৰোগ খণ্ডিব আতি।। ২৯
গুৰ গুলাঞ্চ ভুঞ্জিব সমভাগে।
খণ্ড জল পান কৰিতে লাগে।। ৩০
এই ৰূপে অৰ্জিন্ন কৰিব নাস।
উদৰত নকৰে ৰোগ নিবাস।। ৩১
উদফাই চিন্ত সবদ জোৰে।
কটু তৈল পান কৰিব তেবে।। ৩২
চক্ষুত অঞ্জন দান্তত লোন।
উদৰ ভৰিব তিনি কোন।। ৩৩
উদৰ ভৰিব গুনি গুনি।
তেবেসে পাইবা দেহৰ উনি।। ৩৪
একেবাৰে পেটত নিদিবা ভৰা।
আচোক লাভ মুলো হৰা।। ৩৫
আতত তিতা দাতত লোন।
উদৰ ভৰিবা তিনি কোন।। ৩৬
চক্ষুত পানি নাভিত তেল।
ডাকে বোলে সিঘৰে বৈদ্যৰ কিহৰ মেল।। ৩৭
আদাএ ভোজন সিলিখাএ মুসুদ্ধি।
তেবেসে জানিবা দেহৰে সুদ্ধি।। ৩৮
মাংসত মাংস বাঢ়ে ঘৃতত বাঢ়ে বল।
আএৱা গাখিৰে চন্দ্ৰ বাঢ়ে সাকত বাঢ়ে মল।। ৩৯

---

২৬ ছ. বিৰিঙ্গৰ গুটি গুৰা কৰিয়া। বশ সমে পিষ্ট কৰিয়া।।
৩৪ ছ. ......তেবে পাবা উদৰৰ উনি।।
৩৫ ছ. একে লগে উদৰত তুলি দিবা ভৰা। আছোক ভাল পাবা দেহাৰ আশা এৰা।।
৩৬-৩৯ 'ক' পাঠৰ পৰা।

অষ্টাদশ মুল চপাই আনি।
তাৰ কৰি লৈব ক্বাথ পানি।। ৪০
আক খাইলে জেবে নুগুচে জৰ।
ডাকে বোলে তেবে আমি পামৰ।। ৪১
গুড় পিপলি লগে খাই।
সকলে অজির্ণক কৰিব চাই।। ৪২
বেলপাত ঘিলা গমাৰি পাত
লাগনিয়ৰি মুলক পাই।
ক্বাথ কৰিয়া সৰিবে ভুঞ্জিয়া
কফ বাত কৰা ঠাই।। ৪৩
বাসকাৰ ৰস মধু সহিত।
খাইলে নষ্ট কৰে ৰক্ত পিত্ত।। ৪৪

১৯. অথ নাগলক্ষণ*

ভাদ্র আদি কৰি পূবক শিখা।
সোৱে নাগ চৌদিসা।। ১
তিনি মাসক কৰিবা ভাগ।
বাম কাতি সোৱে নাগ।। ২

---

৪৩ ক পাঠৰ পৰা।
৪৪ ৰ পৰৱৰ্তী প্ৰবচন ঘ পাঠৰ পৰা :
বসন্তৰ সুখ জুবতি ভালি। সিঁত কালৰ তুলি নিহালি।।
বাৰিসা কালত কুপৰ জল। গৃস্মত চন্দন আতি সিতল।।
'ঙ' পাঠৰ পৰা : আঠত তিতা দাঁতত লোন। পেট ভৰাবা তিনি কোন।।
কৰ্ণে কচু নাভিত তেল। ডাকে বোলে বৈদ্য গেল বা নেগেল।।
'জ' পাঠৰ পৰা : সোমে শোকতা মঙ্গলে তিতা। তাৰ নুগুচে বহু চিন্তা।।
বুধে গুড় গুৰুএ দৈ। শুক্ৰবাৰে খাব আখৈ।।
শনিবাৰত আমৰা খায়। সকলে কাৰ্য্যৰ সিদ্ধিক পাই।।
'খ' পাঠৰ পৰা লোৱা হৈছে।
'ছ' পাঠ : ভাদ্ৰ আহিন কাৰ্ত্তিক মাসে। পূৰ্ব্ব শিৰে নাগ বাম পাশে।।
আঘন পোষ মাঘক লৈয়া। দক্ষিণ শিৰে থাকয় শুইয়া।।
ফাগুন চৈত্ৰে বৈশাগ মাসে। পশ্চিম শিৰে নাগ থাকয়।।
জেষ্ঠ আহাৰ শ্ৰাবণ মাসে। উত্তৰ শিৰে নাগ বসে।।
শোএ নাগ বাম পাশে। লৰে চৰে তিনি মাসে।।
নাগৰ কোণাত সাজিবা ঘৰ। পৃষ্টি ভাগে কৃষি কৰ।।

নাগ লোকত সাঝিবা ঘৰ।
পিঠি ভাগে থাকি কৃসি কৰ।। [৩]

২০. কুপুৰুষ লক্ষণ*

নিদ্রা কৰে সন্ধ্যা বেলা।
পন্তা নাখাই খোজে ভালা।। [১]
স্নান কৰি থিয়াই পাৰে পাত।
ভাত নাপালে ঘৰ্ম্মিয়াকক মাৰে তাত।। [২]
হুতাহ কৰে ভোজনৰ বেলা।
দৰিদ্রৰ চিন তাৰ ডাকে কহিলা।। [৩]
কৃষ্ণ বৰ্ন্ন দেখি খখন্দা ভৰি।
মুখ দান্ত নোধোএ চিকন কৰি।। [৪]
সুহৃদ জনৰ নুসুনে হাক।
দুখৰ চিৰ্ন্ন কহিলা ডাক।। [৫]
সুধা মুণ্ডে জিতো বিবস্ত্রে সোএ।
দন্দ কৰে নিতে বাপে পোএ।। [৬]
পিঠিত পিৰাত বজাই ঢাক।
মুৰুখ নাহি কহিলা ডাক।। [৭]
মাতে মিচা কৰে চোৰ।
গৌৰৱ জনক বোলে ঘোৰ।। [৮]
দিনে জাই জুবতিৰ সালা।
বৰসি বাই দিপৰ বেলা।। [৯]
বাই তোকেৰি বাই তাল।
ভাতে নাতে সৰ্ব্বতি কাল।। [১০]

২১. সুপুৰুষৰ লক্ষণ**

সৰ্ব্ব সাস্ত্র উদ্ধাৰি আনিলা ডাকে।
নিজ কাহিনি স্ত্রি পুৰুসৰ লক্ষন সাৰ।

* ঙ পাঠৰ পৰা লোৱা হৈছে।
** ঙ পাঠৰ পৰা লোৱা হৈছে।

কহন্ত ডাকে কৰি বিচাৰ।। [১]
নানা প্ৰকাৰে কৰি উদ্ধাৰ।
গ্ৰহ গতি গন কৰি বিচাৰ।। [২]
কাপাকাপি জাৰ মাথাৰ কেস।
পুৰুসৰ লক্ষন আতি বিসেস।। [৩]
পায়ৰ গগনে জিতো ভৰি দেখে।
তাহাৰ খ্যাতি দসোদিসে লেখে।। [৪]
গম্ভিৰ নাভি গম্ভিৰ মাত।
দিঘল বাহু জাৰ উচল দাত।। [৫]
হিয়াখাল জাৰ অন্তৰ খীন।
দুই গোটা চক্ষু ৰক্ত বৰ্ণ।। [৬]
গলত ৰেখা কুকুআ কান।
সেইহে জানিবো বেদৰ জান।। [৭]
হাত পায় জাৰ আৰকত দেখি।
তাহাৰ খ্যাতি দসোদিসে লেখি।। [৮]
তাহাৰ খ্যাতি দসোদিসে জাই।
গোত্ৰ কুটুম্বে থাকিবেক চাই।। [৯]
অল্প আহাৰ জাৰ নিদ্ৰা খিন।
সিতো পুৰুসৰ লক্ষনৰ চিন।। [১০]
বহি থাকাতে নানান মন।
সিতো পুৰুসত নেৰিবেক ধন।। [১১]
গজ কপাল চক্ষু ধেলা।
সুখে জাই তাৰ সৰ্ব্ব কালা।। [১২]
খখদখ নকৰে ভোজনৰ বেলা।
আপোনাৰ কাৰ্য্যত নকৰয় হেলা।। [১৩]
হাত পায় পখালে চিকন কৰি।
অচলা লক্ষ্মি থাকে আবৰি।। [১৪]

---

৩ গ. কাম্পাকাম্পি.......।
৪ চ. পায়ৰ সাগৰ জাৰ ভৰি দেখে।
৫ গ. দিঘল ভুজ উচলা দান্ত।
৬ গ. সিংহবদ্ধ হিয়া খাল। সিতো পুৰুষৰ লক্ষন ভাল।।
১০ গ. পাঞ্চৰেখা উদৰে জাৰ। লক্ষন বেদত সাৰত সাৰ।।

বোলন্ত ডাকে জানিবা ভাল।
সুখে জাই তাৰ সৰ্ব্বকাল।। [১৫]

২২. নাৰী-লক্ষণ*

পুৰুসৰ লক্ষন সমাপতি কৰি।
নাৰিৰ লক্ষন ডাকে কহে বিচাৰি।। [১]
স্বামিত ভকতি গন্তিৰ নাসা।
বোলন্ত ডাকে লক্ষ্মীৰ বাসা।। [২]
সমান গন্তিৰ গতি মনে মাত।
খুধা বুজিয়া স্বামিক জোগাই ভাত।। [৩]
বামহাতে পৰসে লোন।
লক্ষ্মি নাচাৰে ঘৰৰ কোন।। [৪]
জাকে তাকে কৰে পৰিহাস।
বোলন্ত ডাকে লক্ষ্মিৰ বাস।। [৫]
বস্ত্ৰ কেস পায় চিকন দেখি।
মাথাত ওৰনি লজ্জা অতি আখি।। [৬]
আপোনাৰ কথাক নকৰৈ পৰত।
ডাকে বোলে লক্ষ্মি থাকিবে ঘৰত।। [৭]
স্যাম তনু জাৰ ললিত কেস।
মুখত মধুৰ আতি বিসেস।। [৮]
কঙ্কাল চুতি জাৰ দিঘল উৰু।
হাত পায় ৰঙ্গা জুবতি মধ্যে সৰু।। [৯]
দিবা থাকন্তে লগাই বাটি।
নদিৰ পানিক নাজাই ৰাতি।। [১০]
সাক মাচ জিতো দিনতে বাচে।
সেই ঘৰত জানিবা লক্ষ্মি আচে।। [১১]
সৰস্বতি মুখে কহন্ত ডাকে।
বুঝাই বুঝাই ৰাখিবা তাকে।। [১২]
তথাপিতো জদি নধৰে বোল।
সিতো স্ত্ৰিক নচপাইবা কোল।। [১৩]

* ঙ পাঠৰ পৰা লোৱা হৈছে।

জানা নিস্ত কৰি কহিলো সাৰ।
ডাকৰ বানি ব্ৰহ্ম বিচাৰ।। [১৪]
খণ্ডা জিভা ডিম্ব গ্ৰাস।
তাইক দেখি লক্ষ্মিৰ ত্ৰাস।। [১৫]
কাখত কলচি কহন্ত কথা।
তাই পাইবে নাহিকে ৰেথা।। [১৬]
পানিৰ ঘাটক একলে জাই।
চলে চণ্ডে পুৰুসৰ মুখ চাই।। [১৭]
কাতিকুতি কৰি দৰাসায়ে পিঠি।
বোলন্ত ডাকে তাইৰ দুস্ক দৃষ্টি।। [১৮]
কৃষ্ণবৰ্ণ নাৰি জদি কুদাতা হয়।
সৰ্ব্বদাই তাৰ পাসণ্ড আৰ্ন্নয়।। [১৯]
গলত ৰেখা পসিআ থাকয়।
তাইক দেখি লক্ষ্মি পলাই ভয়।। [২০]
মাজ খাল পুষ্ট পিঠি খাল মেচা।
ডাকে বোলে তাইক সৰ্ত্তৰে বেচা।। [২১]
ডিম্ব বান্ধি মাৰে ভাতৰ গ্ৰাস।
তাই দেখিলে লক্ষ্মিৰ ত্ৰাস।। [২২]
বোলন্ত ডাকে অতি দুষ্ট তিৰি।
সিতো গৃহস্তৰ নাহিকে চিৰি।। [২৩]
উদৰ বাৰিবে অঙ্গহিন।
সসুৰ মৰিবে তাইৰ তিনিদিৰ্নি।। [২৪]
কটি কঙ্কালে হৈবেক থুল।
বোলন্ত ডাকে বিধোআ সুল।। [২৫]
সাত-পাঞ্চ পুৰুসে থাকয় বেৰি।
এতেকে জানিবা তাই নিজপতি এৰি।। [২৬]
কুৰকুতা মুৰি মেচেকা পিঠি।
উলতি-পালতি মেলক দৃষ্টি।। [২৭]
বোলন্ত ডাকে শুনিয়ো বানি।
ধান খুন্দাবা আনাবা পানি।। [২৮]
জিতো ঘৰে থাকে কুৰ্ কুতা মুৰি।
খাইবাক নাপাইলে ভাঙ্গএ হাৰি।। [২৯]

মাতে মিচা কৰে চোৰ।
মাতিলে ধৰে তিনিতা মোৰ।। ৩০
হাপামুখি চোতাল হান পিঠি।
তাই কিচো নাজানে বনৰ দৃষ্টি।। ৩১
স্বামি থাকন্তে তাই বোলন্ত তই।
লক্ষ্মি বোলে তাৰ ঘৰে নাথাকো মই।। ৩২
উচল চাল দাতিনি তিৰি।
সিতো গৃহস্তৰ নাহিকে চিৰি।। ৩৩
দুষ্ট তিৰি দমৰাৰ হাল।
সিতো গৃহস্তৰ নাহিকে ভাল।। ৩৪
কুৰ্ কুতা মুৰি হেঙ্গেৰা দাতি।
জৈতে তৈতে ফুৰে মিচা মাতি।। ৩৫
পিঙ্গলা বৰ্ন্ন পাতাল ওঠ।
কোনে সহিবো তাইৰ মাতৰ চোট।। ৩৬
পন্থত চলন্তে ভৰি থুনুকা বাজে।
হাদিৰ মেলত তাই নামাতে লাজে।। ৩৭
স্বামি মাতিলে তাইৰ পেতত খঙ্গ।
ডাকে বোলে তাই বড় কুলক্ষন।। ৩৮
স্বামিক দেখিলে তাই তেৰ কৰি চাই।
তাইক কৰিবা বাঝৰ দাই।। ৩৯
চকলা মুখি ধাৰাহান পিঠি।
উলতি পালতি মেলক দৃষ্টি।। ৪০
সিতো তিৰিক নকৰিবা ঘৰনি।
ধান খুন্দাবা আনবা পানি।। ৪১
মুৰ পিঠি থেপেকা ভিসন।
সিতো তিৰি বৰ কুলক্ষন।। ৪২
ভাঙ্গে বেৰা ধোহে চাল।
ভাতে নাতে সৰ্ব্বতি কাল।। ৪৩

---

৩৭ স্বামীৰ কথাত তাই নামাতে লাজে। [মৌখিক প্ৰবচন]

৩৯ তাইক কৰিবা বান্দীৰ বাই। [মৌখিক প্ৰবচন]

ক্ৰোধে স্বামিক বোলন্ত তাই।
লক্ষ্মি বোলে ঘৰত নাথাকো মই।। [৪৪]
ই কথাই সৰ্ব্ব আপদ মিলা।
ডাকৰ বচন নকৰিবা হেলা।। [৪৫]
নিস্বয় একে কথাকে পাই।
ডাকে কহে পন্থক চাই।। [৪৬]
বিচাৰি বুধি বাৰাও হেলা।
ভোগ ভুঞ্জ সিঠাইত মিলা।। [৪৭]
পাইকক পিয়ল ভাটৌক নিহ্ল।
অস্ত্ৰত শিল তিৰিক কিল।। [৪৮]

২৩. টোকন, নাল আদিৰ লক্ষণ*

দুইহাত দুইমুঠি কোৰৰ নাল।
বুকৰ সোমান তোকন ডাল।। [১]
বটেলিৰ মুৰিআ হৈবো একমুঠি।
চাচৰ নাল কৰা চয় মুঠি।। [২]
একহাত এক মুঠি কুঠাৰৰ নাল।
আমৰ সিআ কৰা দাৰ নাল।। [৩]
দুই মুঠি ৰাখি পেলাবা কাতি।
পাচে সালিবা পৰিপাতি।। [৪]

ঙ পাঠৰ পৰা লোৱা হৈছে।

খ. তিনিহাত তিনিমুঠি কোবৰ নাল। আঠ মুঠিয়া টোকন ডাল।।
কাচি খন্তিৰ নাল লৈবা দুই মুঠি। এই বুলি ডাক গৈলন্ত উঠি।।

ছ. কাঁচি খণ্টাৰ নাল মুঠি মুঠি। কদলৰ নাল নয় মুঠি।।
দুই হাত দুই মুঠি কোবৰ নাল। চিবুক সমান লাগে টোকন ডাল।।

* *

একহাত এক মুঠি কুঠাৰৰ নাল। লাগে চাৰি মুঠি দাওৰ নাল।।
আঢ়ে ভেঢ়ে গজে মুঠি। তেহে যায় ঢেকি উঠি।।

২৪. টোকনৰ গুণ*

বুৰা সকলৰ কথা সুন।
টোকনৰ নওটা গুন।। ১
লগে কোনো নাই কৰিবি সাৰ।
লাকুতিত বান্ধিবা ভাৰ।। ২
পুয়া হলি জাবা নিআৰ সাৰি।
পিৰা নাপাইলে বহিবা পাৰি।। ৩
ওলাল সাপ পেলাবা মাৰি।
টোকনে জানা লগৰ সৈতাৰি।। ৪
হাতৰ সখা পানিৰ জোখা।
দেখিলে কুকুৰ নাচাপে পাসা।।
সত্রু জনে নপাইবো আস।
সকলে কৰিবো মনে ত্রাষ।। ৬

* গু পাঠৰ পৰা লোৱা হৈছে।

২৫. ক. ডাকৰ জন্ম আৰু মৰণ

লেহিডঙৰা ডাকৰ গাও। সাতশ সাতোটা পুখুৰী নাও।।
লেহিৰ তিৰী পঞ্চৰাগ বুজে। ভইদাৰ দামৰাই বিনা শিঙে যুজে।।
সেই গাৱত উপজিল ডাক। উপজিয়া ডাকে বোলে বাক।।
ডাকৰ বাপেকৰ সাতোটি ভাই। ছয়টিৰ লৰালুৰি সৰুটিৰ নাই।।
এদিন আসিয়া মিহিৰ মুনি। অতিথি স্বৰূপে ৰৈলা আপুনি।।
শাহু বোলে অতিথি ৰাপা। টং ৰাখিবা গৈছি সাতোটি আপা।।
ঘৰত নাই মুনিহ লোক। কেন্‌কৈ বাপা সুধিম তোক।।
নালাগে চাউল চৰু নালাগে জুই। খেৰ্ এমুঠি দিয়া তাতে মাথো শুই।।
গধূলিৰ অতিথি সাক্ষাৎ ঈশ্বৰ। অতিথি নুসুধিলি কিহৰ ঘৰ।।
শাহু বোলে সৰুজনী আই। তোৰ লগত একো চা-চলি নাই।।
ঘৰৰ কামক পাচে কৰ। অতিথি বাপাৰ আলধৰ।।
বেটাৰ কপালে নাহিকে পো। অতিথি পূজি চলি কোলাত লো।।
শাহুৰ কথাত পাইলেক ভাল। অতিথি বপুৰাৰ ধৰিলা আল।।
পাচে দুখ কৰি বোলয় বচন। অপুত্ৰনী নাৰীৰ জীৱন নিষ্ফল।।
তুষ্ট হৈয়া মিহিৰে দিলা বৰ। পুত্ৰ এক হৈবে মোৰ সমসৰ।।
পোহাইল ৰজনী মিহিৰো গৈলা। শুনা সবে যেন কথা ভৈলা।।
আজিকালি কৰি যেবে দশমাস ভৈলা। কেনমতে পুত্ৰ হৈবে গুনিবাক লৈলা।।
কাষৰ-কুচলীয়াই সোধে আই বাই। তোৰ গাৱত দেখো একো বেদনা নাই।।
আই বাই বোলো দুই ভৰিত ধৰি। সকলো নাথাকিবা নিদ্ৰাত পৰি।।
থাক থিৰ হই চিন্তা নকৰিবি। বেদনা হলে সবাকো জান দিবি।।
প্ৰসৱ দুখত মাতৃ অসুখ। ভাবিছে দেখিব পুত্ৰৰ মুখ।।
ৰাত্ৰিশেষে গাৱ নহয় থিৰ। অল্প অল্প কৰি বহয় ৰুধিৰ।।
অৰ্দ্ধবাজ হই মাক ডাক দিলা। পোহৰ নেদেখি অসন্তোষ ভৈলা।।
এহি বুলি ডাকে বন্ধুগন সঙ্গে। ঘিলাখেল আৰম্ভিলা অতি বৰ ৰঙ্গে।।
একদিনা ৰাজা কৰিলেক মন। দূতক মাতিয়া কহে যাহ এতিক্ষণ।।
কোনদিনা ক্ষৌৰ কৰ্ম্ম পায় কৰিবাক। ডাকত সুধিয়া মোক কহিবি বাৰ্ত্তাক।।
ৰাজাৰ আদেশ দূত শিৰোগত কৰি। ডাকৰ সমীপে দূত গৈলন্ত লৰবি।।
বন্ধুগণ সমে ডাক খেলাইলা ঘিলাক। ৰাজাৰ বাৰ্ত্তাক দূতে কহিলা প্ৰত্যেক।।
দূতে বোলে সৰ্ব্বজান ডাক শুনা। ক্ষুৰ কৰ্ম্ম কৰিবাক দিনবাৰ গুণা।।
ডাকে বোলে পাতঘিলা মাৰো খেলাই। ক্ষুৰ কৰ্ম্ম মঙ্গলৰ আগে পিছে পায়।।

ডাকৰ বচন শুনি দূত চলি গৈলা। ৰাজাৰ আগত বাৰ্ত্তা কহিবাক লৈলা।।
অৰ্থ কৰিবাক ৰাজা নোৱাৰি বোলে দূতক। পণ্ডিত ব্ৰাহ্মণ আৰু আনহ গণক।।
ভাল ভাল গণক ব্ৰাহ্মণ সবে আহি। সোমে বুধে ক্ষুৰ কৰ্ম্ম কৰিবাক পায়।।
এহি বুলি ৰাজাত বুজাইলা মৰ্ম্মত। জী থাকে যদি ডাক ভাবিলা মনত।।
আমাৰ জীবিকা সবে গুচিব তাবত। ডাকক মাৰোহো সবে স্নান সময়ত।।
সকলো শিশুক মাতি আনিলা গণক। ৰাখিব নোৱাৰি ডাক আসিলা মনক।।
ব্ৰহ্মপুত্ৰ তীৰে আহি বান্ধিলন্ত আৰি। সকলো শিশুৰ লগে দিলে জাপ মাৰি।।
দেখে নিশুসব জাপ মাৰিলন্ত ডাক। হেছা মাৰি ধৰিলন্ত কেহো নেদে হাক।।
মাজক লাগিয়া সবে দিলে মাৰি ঢকা। আজি ধৰি হইয়াছে ব্ৰহ্মপুত্ৰ ডকা।।
উত্তম ব্ৰাহ্মণ ঘৰে জনম ধৰিলা। এদিন এক দুপৰতে এহি শাস্ত্ৰ কহিলা।।
ইন্দ্ৰ চন্দ্ৰ সূৰ্য্য কোন আসি আছে দেৱ। কিবা তাহাৰেসে মায়া নাজানিলো কেৱ।
সকলো প্ৰাণীয়ে সিটো অদ্ভুত মানিয়া। অহিংসক ডাক শিশু পেলাইলা মাৰিয়া।।
ডাক মৰে আপোন বুদ্ধি। অপঘাত মৃত্যুত তেৰাত্ৰি শুদ্ধি।।
চৰণে জানে মৰণৰ ঠাই। নাও ভৰা দি ডাক মৰিব যায়।।
সাত পাঁচ শিশু সমে কৰিলা মেল। পদ্মৰ মৃণাল তুলিব গেল।।
পদ্মৰ গাছে কণ্টক বিস্তৰ। মোলান তুলিব লাগয় ডৰ।।
ডাকে বোলে ভয় নকৰিবা ভাই। মই মোলান তোলো সবে থাকা চাই।।
মনৰ উল্লাসে দিলা বুৰ। মোলানৰ গৈ নাপাইলা ওৰ।।
আঢ়ে হাত কেশে লাগিয়া জোট। উঠিব নোৱাৰি কৰে ছট্‌ফট্।।
ভোজন গমন মৰণ বাণী। ডাকে বোলে মই ইহাক নাজানি।।
ডাক মৰে আপোন বুধি। অপঘাত মৃত্যু তেৰাত্ৰ শুদ্ধি।।
পদ্মৰ পাতত নখে লেখিলা। সেই পত্ৰখানি ভাসি উঠিলা।।
অদ্যপিও সেই কথাই ভৈলা বিধি। অপঘাত মৃত্যুত তেৰাত্ৰ শুদ্ধি।।

* *

ই সি বোলে পুত্ৰ ভৈলা জাত। উপজিয়ে ই মাতে সাক্ষাৎ।।
বৰ ভাই বোলে মোৰ কথা ল। চৰু ভৰাই তাক খেৰৰ মাজত থ।।
ভাতৃৰ বচনে তাক খেৰৰ মাজে থৈলা। শুনিও পাছে যেন কথা ভৈলা।।
তিনি দিন অন্তে কৰিলা মেল। যৈত শিশু থৈছে খেৰ কাটিব গেল।।
খেৰ কাটি থোৱে এক মুঠা দুই মুঠা। কতো থোৱে চাৰি পাচ মুঠা।।
গায়ন বান্ধিলে হোৱে ডাঙৰ সৰু। কেনেকৈ গায়ন সমান কৰো।।
ডাকে বোলে খেৰ কাটা তিনি মুঠি। তেহে দেখিবা গায়ন গুটি।।
গোটে তিনি মুঠা বান্ধিলা খেৰ। নাহিকে লঘু নাহিকে বৰ।।
ডাকৰ কথা সত্য পাইলা। কোনে মাতে বুলি চাহিবে গৈলা।।
পূৰ্ব্বৰ ঠাইতে শিশুক পাইলা। কোলে সাৱটি ঘৰক নিলা।।

উপজিয়ে মাৱক দিলা ডাক। সেহিসে নাম ভৈলা ডাক।।
ডাকৰ জন্ম শুনি মিহিৰ মুনি। মোৰ পুত্ৰ হৈছে বুলি আসিলা আপুনি।।
শিশু সব সঙ্গে উমলি আছে। দেখিয়া মুনি সুধিলা পাছে।।
কোন পিতা তোৰ কোন হয় আই। স্বৰূপ কৰিয়া কহ বুজাই।।
ডাকে বোলে পিতা নকৰা চিন্তা। কুমাৰণী আই তুমি হোৱা পিতা।।
তোৰ মুখে জানো মোৰ পুত্ৰ তই। মোৰ কান্ধে উঠ লৈ যাও মই।।
ডাকে বোলে পিতা স্বৰূপ বুজা। মই গোচৰীয়া তুমি হোৱা ৰজা।।
জন্মো মাটিত। বগালে তাৰ তাতিত।।
মাটিৰ গিৰিয়ে পাইনে তাতিৰ গিৰিয়ে পাই।
স্মৰণ কৰিয়া কহা মোত বুজায়।।
মুনি বোলে জড়ৰ চেতনা নাই। যাৰ মাটি হয় সেয়ে নিজে পায়।।

* * *

শুনিয়া মুনি বোলন্ত চাই। তোক জিনিব নোৱাৰো মই।।
কান্ধৰ পৰা মাটিত থৈলা। মুখে চুমা দিয়া হাসিবে লৈলা।।
মাতৃৰ লগত তুমি কৰিও বাস। আজিৰপৰা তোৰ এৰিলো আশ।।
এহি বুলি মুনি গৃহক গৈলা। ডাক জন্ম কথা সমাপ্ত ভৈলা।।*

---

* দণ্ডীৰাম দত্ত আৰু হেমৰথ বৰ্মণৰ 'ডাকৰ বচন'ৰ পৰা।

খ. শব্দ নিৰ্দেশিকা

(কাষত থকা সংখ্যাই পৃষ্ঠাৰ ক্ৰমাংক নিৰ্দেশ কৰিছে।)

অ

অকাটন ১১ কাটন নোহোৱা, যি কটাৰীৰ ধাৰ বা চোখ নাই, কাটন বিহীন।

অকাৰ্য্যত ১৪ প্ৰয়োজন নোহোৱাকৈ।

অকাল ৬৪ অসময়ত।

অগ্নিদিস ৬২ অগ্নিকোণ; পুব আৰু দক্ষিণ দিশৰ মধ্যস্থিত কোণ, অগ্নি দেৱতাৰ দ্বাৰা অধিষ্ঠিত দিশ, = অগ্নিদিশ।

অগ্নিযোগ ৪১ তিথি-নক্ষত্ৰাদিৰ সংযোগত সৃষ্টি হোৱা যোগবিশেষ।

অঙ্গ ৫১ হাত-ভৰি আদি দেহাংশ, অৱয়ব, দেহৰ বিভিন্ন অংশ।

অঙ্গহিন ৭২ অঙ্গবিহীন।

অচলা লক্ষ্মি ৭০ সৌভাগ্যৰ দেৱী লক্ষ্মী অবিচলিতভাৱে অধিষ্ঠিত অৱস্থা, = অচলা লক্ষ্মী।

অৰ্জিন্ন ৬৭ হজম নোহোৱা, অপাক ৰোগ, = অজীৰ্ণ।

অজোধ্যা ৬১ দশৰথৰ ৰাজ্য আৰু ৰাজধানী, = অযোধ্যা।

অঞ্জন ৬৬ কাজল, চকু ৰঞ্জন কৰাৰ সামগ্ৰী, প্ৰসাধন দ্ৰব্য।

অধিকাৰি ৫৩ অধিকাৰবিশিষ্ট; স্বামী; গিৰি; মালিক, = অধিকাৰী।

অনাজুদ্ধে ৫৯ যুদ্ধ বা যুঁজ নোহোৱাকৈ, = অনাযুদ্ধে।

অনাঠ ১ অ + নাঠ, হানি বা ক্ষতি নহয়।

অনালোৱে ১৪ লো বা লোহা নোহোৱাকৈ।

অনিত্য ৪ অ + নিত্য, অস্থায়ী, ধ্বংসশীল, নশ্বৰ।

অনুৰাগ ৬৭ শ্ৰদ্ধা, আস্থা; প্ৰবৃত্তি; আসক্তি, আদৰ।

অনুৰাধা ৪৩ সপ্তদশ নক্ষত্ৰ, সৰ্পাকাৰ আৰু সপ্ত তাৰকাবিশিষ্ট নক্ষত্ৰ বিশেষ; অনুৰাধাৰ অধিষ্ঠাত্ৰী দেৱতা মিত্ৰ।

অন্তৰ ৭০ মধ্যভাগ, মাজ অংশ অৰ্থাৎ কঁকাল।

অন্ত ২৮ দূৰ।

অন্তৰ ২৬ দূৰ কৰা কাৰ্য, আঁতৰ কৰা কাৰ্য।

অন্তে ৫৬ শেষত, মৰণৰ পিছত, মৃত্যুৰ পিছত।

অন্ধ ৪৯ দুয়োটা চকুৰে সম্পূৰ্ণভাৱে নেদেখা হোৱা অৱস্থা, দৃষ্টিহীন।

অন্ধলা ১৪ অন্ধ মানুহ, যি মানুহে দুয়োটা চকুৰে সম্পূৰ্ণভাৱে দেখা নাপায়।

অন্ন ৬৫ ভাত, আহাৰ্য দ্ৰব্য।

অন্যোনে ১৫ ইজনে সিজনক।

অপৰাধি ১১ অপৰাধী, দোষী।

অপাৰ ৪০ বহুত।

অপুৰ্ব ৪৫ ন + পূৰ্ব, অভূতপূৰ্ব, আশ্চৰ্য, চমৎকাৰ, = অপূৰ্ব।

অপোচ ৯ সুধি-মেলি কাম নকৰা।

অভিপ্ৰাই ২৭, ২৯ ইচ্ছা, অভিৰুচি; উদ্দেশ্য, মনোভাব, = অভিপ্ৰায়।

অভিমানি ৫৬ আত্মমৰ্যাদা সচেতন লোক; গৰ্বিত, অহংকাৰী, = অভিমানী।

অভ্যান্তৰে ১২ ভিতৰত, অন্তঃপুৰত, = অভ্যন্তৰে।

অবস্যকে ৪৭ নিশ্চিতভাৱে, নিঃসন্দেহে, নিঃসংশয়ে, = অৱশ্যকে।

অম্বৰ ৪২ যি নমৰে।

অমোল্য ১৫ যাৰ মূল্য নিৰূপণ কৰিব নোৱাৰি, মূল্য দিলেও যি অপ্ৰাপ্য, = অমূল্য।

অৰুচি ২৪, ৬৬ ন + ৰুচি, ৰুচিৰ অভাৱ, আহাৰত অপ্ৰবৃত্তি ৰূপ ৰোগবিশেষ।

অৰ্থ ৫২ ধন, টকা-পইচা, ধন-সম্পত্তি।

অৰ্দ্ধযোজন ৬৬ এযোজনৰ আধা অৰ্থাৎ প্ৰায় ৯.৬ কিঃ মিঃ।

অল্প ২৬ অলপ।

অৱশ্যে ৪২ নিশ্চিতভাৱে, দৃঢ়ভাৱে।

অৱস্যে ৪২ নিশ্চয়ে, = অৱশ্যে।

অশ্লিসা ৪৩ যাত্ৰা বিষয়ত অশুভসূচক নক্ষত্ৰবিশেষ, নৱম নক্ষত্ৰ, ইয়াৰ আকাৰ চক্ৰৰ নিচিনা, অধিপতি সৰ্প। এই নক্ষত্ৰত জন্ম লাভ কৰা জাতকে জীৱনত বৃথা-ভ্ৰমণ, দুষ্ট চিত্ততা, ক্ৰোধপৰায়ণতা আৰু অসন্তোষত বৃথা কষ্ট ভোগ কৰে, = অশ্লেষা।

অষ্টদিস ৬৩ পূব, পশ্চিম, উত্তৰ, দক্ষিণ, বায়ু অগ্নি, নৈঋত, ঈশান, = অষ্টদিশ।

অষ্টমে ৪৫ লগ্নৰ অষ্টমত।

অসেস ৪৬ অনেক, বহুবিধ, অসীম, = অশেষ।

অস্তাদশ মূল ৬৮ ওঠৰ বিধ শিপা, = অষ্টাদশমূল।

অহিত ২, ৬৫ অমঙ্গল, অশুভ; প্ৰতিকূল, শত্ৰুভাবাপন্ন।

অক্ষৰ ৬০ আখৰ।

অক্ষেমি ১১ যিজনে ক্ষমা নকৰে।

আ

আই ১৭ মাতৃ, আৰ্যিকা, মাই, মা।

আই ২৬ অৰ্জন, উপাৰ্জন, = আয়।

আউল-ঝাউল ২৭ বিশৃঙ্খল, অবিন্যস্ত।

আউস ৪৬ আয়ুস, আয়ু, জীয়াই থকা কাল, = আয়ুস।

আউসি ৬১ আউসী, অমাবস্যা, আউহী, < সং অমামাসী।

আক ৪৭ < সং অৰ্ক > অক্ক > অস. আক, সূৰ্য্য, বেলি।

আকা ৬০, ৬২ সূৰ্য, ৰবি, আদিত্য, < সং অৰ্ক।

আকাস ৫৮ আকাশ, নভোমণ্ডল, গগন, অন্তৰীক্ষ।

আকে ২৪ ইয়াকে।

আখৰা ৩৮ এক আখৰে।

আখি ৭১ চকু, লোচন, নয়ন, < সং অক্ষি।

আগা ১৩ আগ, সন্মুখ।

আগে ৬১ আগত, অগ্ৰভাগত।

আঘ্ৰান ৬০ আঘণ মাহ, আঘোণ মাহ, = অগ্ৰহায়ণ।

আচে ৪৬ আছে।

আচোক ১২, ৪৬ থাকোক ছাৰি, আছোক্ ছাৰি, = আছোক্।

আএগ্ৰা গাখিৰ ৬৭ এৰাঁগাখীৰ, দৈ নোহোৱা গাখীৰ, তপত নকৰা গাখীৰ, ফুটিয়া গাখীৰ।

আটি ৯, ৪২ যথেষ্ট হয়, যিমান লাগে সিমান হয়।

আঠি ৬৬ আম আদিৰ বীজ, < সং অস্থি।

আঠে ৪৩ লগ্নৰ অষ্টম স্থানত।

আতত ৬৭ অন্ত্ৰত বা পেটত, = আতত, অথবা আঠত, আঠদিনৰ মূৰে মূৰে।

আতপৰে ১৭ ইয়াৰ বাহিৰে।

আতি ২৮ = অতি।

আথান থান ১৫ থান অথানৰ পাৰ্থক্য, বাঁড় গৰুৱে উপযুক্ত স্থান আৰু অনুপযুক্ত স্থানৰ পাৰ্থক্য বুজিব নোৱাৰে।

আদহি ১৯ মাজ বয়সীয়া তিৰোতা, = আদহী।

আদিত্য ৪৭ সূর্য্য, ৰবি, ভানু, অদিতিৰ পুত্ৰ— বিৱস্বান, অৰ্যমা, পুষা, ত্বষ্টা, সবিতা, ভগ, ধাতা, বিধাতা, বৰুণ, মিত্ৰ, শক্ৰ আৰু উৰুক্ৰম (দ্বাদশ আদিত্য)। ঋক্‌বেদত আদিত্যৰ সংখ্যা ছয়। শতপথ ব্ৰাহ্মণত বাৰজন আদিত্যৰ উল্লেখ পোৱা যায়। পুৰাণৰ মতে বিশ্বকৰ্মাই আদিত্যক বাৰখণ্ডত বিভক্ত কৰে। বাৰখণ্ডত বিভক্ত আদিত্যই বাৰটা মাহত বাৰটা নামেৰে উদয় হয় ঃ বহাগত তপন, জেঠত ইন্দ্ৰ, আহাৰত ৰবি, শাওণত গভস্তি, ভাদত যম, আহিনত হিৰণ্যৰেতা, কাতিত দিবাকৰ, আঘোণত চিত্ৰ, পুহত বিষ্ণু, মাঘত অৰুণ, ফাগুনত সূৰ্য আৰু চ'তত বেদজ্ঞ।

আদ্রা ৪৩ অশ্বিনী আদি সপ্তবিংশতি নক্ষত্ৰৰ অন্তৰ্গত ৬ষ্ঠ নক্ষত্ৰ।

আনাজুঝে ৫৯ অনাজুদ্ধে দ্রঃ = অনাযুঁজে।

আপৰ ১৫ গোপনীয়।

আপৰনি ১৮ অপৰানি দ্রঃ।

আপুনি ২৭ নিজে।

আবৰন ৪১ ঢাকনি, আৱৰণ, = আৱৰণ।

আবসে ৩৫ গভীৰভাৱে, প্ৰচুৰ পৰিমাণে, = আৱশে।

আম্ৰ ২৪ আম।

আৰ ১৭, ৩১ আৰু।

আৰকত ৭০ ঈষৎ ৰঙা, তেজ বৰণীয়া, < সং আৰক্ত, আৰক্তিম।

আৰি ৫ হাৰিলে কোনো বস্তু দিবলৈ কৰা প্ৰতিজ্ঞা, বাজি ধৰা, পণ ৰখা।

আৰ্ন্নয় ৭২ সদৃশ, নিচিনা, = < পু. অ. আনয়।

আলাস ৩২ এলাহ, সৰপালি, সোৰোপালি = < সং আলস্য।

আৱৰন ৪১ আৱৰণ, ঢাকনী।

আৱৰি ৭০ আবৃত কৰি, বেৰি ধৰি, চাৰিওফালে বেৰি ধৰি, = < সং আবৃত।

আৱস্যক ৪৬ প্ৰয়োজন, দৰকাৰ = আৱশ্যক।

আৱেসে ৩৫ অৱশেষত।

আস ৪, ১৬, ৭৫ আশা, বাসনা. কামনা, = আশ।

আসয় ৫৭ অন্তঃকৰণ, মনৰ প্ৰবৃত্তি, বাসনা, অভিপ্ৰায়, = আশয়।

আসাঢ় ৯, ৩৪ সৌৰ বছৰৰ তৃতীয় মাহ, আহাৰ মাহ = < সং আষাঢ়।

আশ্ৰয় ৫৩ অৱলম্বন, সংশ্ৰয়ণ; ৰক্ষক গৃহত স্থানদাতা, = < সং আশ্ৰয়।

আহৰন ৫৬ সংগ্ৰহ, সঞ্চয় উপাৰ্জন, = আহৰণ।

ই

ইন্দ্ৰ সমলিয় ৬৭ ইন্দ্ৰ সুৰসঃ, ইন্দ্ৰসুৰা, গুল্মবিশেষ।

ইষ্ট ২৫ অভিলষিত, অভিপ্ৰেত; হিত।

ইসান ৬৩ পূব আৰু উত্তৰ দিশৰ মধ্যৱৰ্তী কোণ। এই কোণ বা দিশৰ অধিপতি শিৱ, < সং ঈশান।

ইহৰতি ২ গুল্মবিশেষ।

উ

উই ৫৯ উই পৰুৱা।

উকুৰ ১২ ভৰিৰ তলুৱাত ভৰ দি বহা অনাহুত লোক (?)

উচল ৭৩ ওপৰলৈ উঠা, = উচলা

উচল দাত ৭০ ওপৰলৈ উঠা দাঁত, উচলা দাঁত যাৰ।

উচলা ২৮ ওপৰলৈ উঠা।

উচ্ছাহ ৫৬ উৎসাহ, উলাহ, = উচ্ছ্বাস।

উঝণ্টি ৬২ উজুটি, [কথ্য ভাষা] উঝট, বাটেৰে গৈ থাকোঁতে শিল, মাটি আদিত ক'ব নোৱৰাকৈ ভৰিৰে খুন্দা মাৰি দিয়া

কাৰ্য।

উত্তৰায়ন ৩৬ সূৰ্যই উত্তৰ দিশলৈ গমন কৰাৰ সময়, ২২ ডিচেম্বৰৰ পৰা ১ জুন পৰ্য্যন্ত ছয়মাহ, = উত্তৰায়ণ।

উদ্‌ফাই ৬৭ শ্বাসৰোগ, ঘুমুৰ, কফৰ বাবে নিশ্বাস লোৱাত হোৱা কষ্ট, = উদ্‌ফাই।

উদয়কালত ২৬ প্ৰভাতত, ৰাতিপুৱা।

উদৰ ৫১ পেট, জঠৰ, মধ্যভাগ।

উদয়ে ৩৫ ৰাতিপুৱাৰ সময়ত, প্ৰভাতত; উত্থান।

উদ্যুগ ৪৪ যত্ন, চেষ্টা, প্ৰচেষ্টা, = উদ্যোগ।

উদ্ধৰনি ১৯ উত্তোলন, পৰিত্ৰাণ, উদ্ধাৰ, = উদ্ধৰণ।

উনি ৬৭ কম, পাতল, লঘু, < সং উণ।

উপাৰ্য্যন ৭ অৰ্জন, ধন সংগ্ৰহ, = উপাৰ্জন।

উৰিসা ১৭ উৰুখা, যি ঘৰ উৰুখে, = উৰুখা।

উৰু ৭১ আঁঠুৰ ওপৰ ভাগ, কৰঙণ, উৰত, = উৰু।

উৰুযা ১৮ উৰিসা দ্ৰঃ।

উলুকা ৫৯ আকাশত ভ্ৰাম্যমান জ্বলন্ত লৌহ প্ৰস্তৰ, meteor, = উল্কা।

ঊ

ঊপৰ ১৪ বেছি বা অতিৰিক্ত, = ওপৰ।

ঊৰহ ১৫ উৰহ।

ঊৰিসা ১০ উৰিসা দ্ৰঃ।

ঋ

ঋন ৭ ধাৰ, কৰ্জা, = ঋণ।

ঋক্ষ ৩৫ নক্ষত্ৰ, সপ্তৰ্ষিমণ্ডল, মেষাদি ৰাশি; ভালুক।

এ

একটিৰপো ১৬ একমাত্ৰ সন্তান জন্ম দিয়া মাতৃৰ পুত্ৰ।

একত্ৰে ৪৯ একেলগে, একেস্থানত।

একলে ৭২ অকলে, অকলশৰীয়াকৈ, = অকলে।

একাদসি ৫৯ একাদশ সংখ্যাবিশিষ্ট তিথি; যি সময়ত চন্দ্ৰ মণ্ডলৰ একাদশ কলা সূৰ্যমণ্ডলৰ পৰা বহিৰ্গমন-নিৱন্ধন জ্যোতিৰ্ময়ী হয় তাক শুক্লা একাদশী বোলে আৰু যেতিয়া চন্দ্ৰমণ্ডলৰ একাদশ কলা সূৰ্যমণ্ডলত প্ৰৱেশ কৰা হেতু জ্যোতি প্ৰকাশ কৰিবলৈ অক্ষম হয় তেতিয়া কৃষ্ণা একাদশী হয়, = একাদশী।

একাদসে ৫৭ ৰাশিচক্ৰৰ লগ্নৰ পৰা একাদশ স্থানত, = একাদশে।

একাৱলিযোগ ৪৬ = ৫০ একাৱলী যোগ, লগ্ন বা কোনো ৰাশিৰ পৰা ক্ৰমে এটা এটাকৈ গ্ৰহ ৰাশিত থাকিলে একাৱলী যোগ সিদ্ধ হয়। বিশেষ শুভকাৰক যোগ ঃ 'লগ্নতশ্চান্যতোৱাপিক্ৰমেণ পতিত গ্ৰহাঃ।

একাৱলীমাখ্যাতা মহাৰাজ ভৱেন্নৰঃ।।'

ও

ওঁকাহি ১২ গল খেকাৰি মৰা, ওক মৰা কাৰ্য।

ওঁৰনি ৭১ ওৰণী, মুখ ঢকা কাপোৰ।

ওঁৰে ১৩ সমগ্ৰ, সম্পূৰ্ণ, গোটেই, = ওৰে, গাত ওৰে।

ওৰা ৪৯, ৪৭ অন্ত, শেষ, সীমা।

ওৰে ১৫ 'ওঁৰে' দ্ৰঃ।

ঔ

ঔসচ ৩ অশৌচ, আছুত, অশুদ্ধি কাল।

ঔসধি ৫৩ ঔষধ, দাৰু, দৰব = ঔষধি।

ক

ককা ১২ আতা, বুঢ়াপিতা।

কঙ্কাল ৪৭, ৭১ কঁকাল, দেহৰ মধ্য অঞ্চল।

কচ, ২৪ এশ্ৰেণীৰ মাছ।

কচি ২৩ কচদি।

কটি ৭২ নিতম্ব আৰু জঘন অঞ্চল।

কটুতেল ৬৭ উদ্‌ফাই ৰোগৰ নিৰাময়ক তৈলজাতীয় ঔষধ।

কটুৰ ২৬, ৩১ তিতা; খহটা, নীৰস, টান, কৰ্কশ।

কতুহল ৫০ কৌতূহল, আনন্দ, কৌতুক, =কুতূহল।

কথাতপৰ ১৭ কথাতকৈ, কথাৰ বাহিৰে।

কদাপি ৬৫ কেতিয়াও, কদাচ।

কন্দৰ্প ৫২ কামদেৱ, প্ৰেম আৰু কামৰ দেৱতা, কন্দৰ্পৰ জন্ম সম্বন্ধে বিভিন্ন মত পোৱা যায়ঃ (ক) *ঐতৰেয় ব্ৰাহ্মণৰ* মতে এওঁ ধৰ্মৰ পুত্ৰ; (খ) *হৰিবংশৰ* মতে এওঁ লক্ষ্মীদেৱীৰ পুত্ৰ; (গ) কোনো কোনোৰ মতে কন্দৰ্প ব্ৰহ্মাৰ মানস পুত্ৰ; (ঘ) জলৰ পৰা জন্ম হোৱা বাবে এওঁৰ নাম ইৰজা; (ঙ) কন্দৰ্প আত্মভূ, সেইবাবে এওঁক অজ বোলা হয়। পুৰাণৰ মতে এওঁৰ পত্নীৰ নাম ৰতি। কন্দৰ্পই ত্ৰিলোকস্থ মন মন্থন কৰে। সেইবাবে এওঁ মন্মথ নামে পৰিচিত।

কন্যা ৩৬, ৩৯, ৪৬, ৬২ দ্বাদশ ৰাশিৰ ষষ্ঠ ৰাশি কন্যা ৰাশিৰ অধিপতি বুধ, জীয়ৰী, ছোৱালী।

কন্দল ৮, ২৭ কাজিয়া, দ্বন্দ্ব, বিৰোধ, কলহ।

কন্ধ ৪৭ স্কন্ধত, কান্ধত; পিঠিত।

কপট ২৮ ছল, প্ৰতাড়না, কৃত্ৰিম ভাব প্ৰকাশক।

কপাস ১৮ কপাহ, তুলা, < সং কাৰ্পাস।

কপাহ ২৮ তুলা।

কফ ৬৮ শ্লেষ্মা, শৰীৰস্থ ধাতুবিশেষ (বাত্, পিত্ত, কফ্)।

কবি ৫০ পণ্ডিত, তত্ত্বজ্ঞ।

কমাৰসাল ১৪ কমাৰৰ শাল, কমাৰশাল, < কুম্ভকাৰশাল।

কম্পে ২৮ কঁপে।

কৰ ২৩ খাজনা, ৰাজহ, শুল্ক, tax।

কৰ ৪৭ হাত, হস্ত।

কৰন ১৩ কৰণ, সম্পাদন, সাধন, √কৃ + অনট্।

কৰা ২৬ কড়া = কড়ি।

কৰিসি ৪২ কৃষি, কিৰিষি, কৰ্ষণ কাৰ্য, খেতি কৰা, কৃষ + ইক্।

কৰাই ১০ চাউল মাহ-তিল আদি একেলগ কৰি ভজা এবিধ জলপান।

কৰাল ২৮ ভীষণ, বৃহৎ, বিকৃত, বিকট; কৰ্কশ।

কৰি ১৬, ৩৪ কড়ি, কপৰ্দক, সাগৰত পোৱা এবিধ বগা সৰু শামুকৰ খোলা, আগৰ কালত কড়িৰ সহায়ত বস্তু কিনা-বিকা কৰা হৈছিল।

কৰ্কট ৩৬ দ্বাদশ ৰাশিৰ চতুৰ্থ ৰাশি। কৰ্কট ৰাশিৰ অধিপতি গ্ৰহ চন্দ্ৰ।

কলচি ২৬ কলহ।

কলা (তুলসি) ১ ক'লা

কলা ২৮ কলামাহ।

কলা ৪২ কল।

কক্ষা ৬ দৃঢ় প্ৰতিজ্ঞা, কথাৰ জিদ।

কাই ৮ কায়, শৰীৰ, দেহ।

কাকৰ ৩৬ (পাদটীকা), কৰ্কট ৰাশি।

কাকেৰি ৬১ কৰ্কট ৰাশি, লোক জ্যোতিষত কৰ্কট ৰাশি 'কাকেৰি' ৰূপে পৰিচিত।

কাখত ২৬, ৭২ কাষত, দাঁতি, পাৰ্শ্ব।

কাখৰে ২ কাষত, ওচৰত, সন্নিকটত।

কাতিকুতি ৭২ ইকাতি-সিকাতি, লৰচৰ।

কান ১৭ কাণ, কৰ্ণ।

কানে ৫৯ ভাৰ্গৱদ্ৰঃ।

কানি ১৬ ফটা কাপোৰ; কাপোৰ।

কান ৫৯ শুক্ৰগ্ৰহ, পুৰাণৰ মতে কুশাঘাতত শুক্ৰৰ এটা চকু কণা হৈছিল বাবে শুক্ৰক কাণ, কণা আদি ৰূপে জনা যায়।

কান্তি ৫৮ শোভা, লাৱণ্য, ঔজ্জ্বল্য, সৌন্দৰ্য।

কাপাকা পি ৭০ কুঞ্চিত, কেঁকোৰা-কেঁকুৰি।

কাপুৰ ১৩ কাপোৰ, বস্ত্ৰ।

কায়া ৪২ শৰীৰ, দেহ।

কাঁয়ে মাছ ২৩ কাৱৈ মাছ।

কালা ৩৫ ক'লা, এঙাৰ বৰণীয়া, কৃষ্ণ বৰণ বিশিষ্ট।

কালি ১৭ আজিৰ পাছৰ দিন বা অহা দিন, tomorrow ক'লা মেঘ।

কাৰ্জে ৩২ কাৰ্যত, কাজত, কামত।

কাহাৰ ৪০ কাৰ।

কাহিনি ৬৯ কাহিনী, কথা, সাধু, বিবৰণ, বৰ্ণনা।

কাছদি ২৪ চকলিওৱা শুকান আমৰ (আমহি) লগত বটা বা খুন্দা সৰিয়হ আৰু লোণ আদি মিশ্ৰিত কৰা এবিধ উপাদেয় খাদ্য সম্ভাৰ।

কিচো ৩১ একো, কিঞ্চিত পৰিমাণেও।

কিৰ্ত্তি ৪৮ কীৰ্তি, যশ, যশস্যা।

কিৰিসি ৪২ কৃষি।

কুকুআ কান ৭০ কুকুৰৰ কাণৰ দৰে [কথিত]।

কুকুৰিকান ১৮ কুকুৰি কণা, যিজনে গধূলি চকুৰে দেখা নাপায়।

কুগ্ৰহ ৪৪ অশুভ গ্ৰহ।

কুৰ্চিত ২৬ কুচ্ছিত, কুৰূপ, বেয়া, নিন্দিত, < সং. কুৎসিৎ।

কুচিত গ্ৰামত ৫৩ নিন্দিত গাঁৱত, বেয়া গাঁৱত।

কুচিত বসন ৫৩ কুৎসিৎ কাপোৰ।

কুজ ৪৩ নৱ গ্ৰহৰ অন্যতম গ্ৰহ মঙ্গল, মেষ আৰু বৃশ্চিক ৰাশিৰ অধিপতি।

কুজা ৪৩, ৪৪ কুজ দ্ৰঃ।

কুজাৰ ঘৰে ৪৪ মেষ আৰু বৃশ্চিক ৰাশি, মঙ্গলৰ স্বগৃহ।

কুটনি ১৭ কাটনি, পাট-পলু পোহা আৰু তাৰ পৰা সূতা প্ৰস্তুত কৰা এশ্ৰেণীৰ লোক।

কুটুম্বে ৭০ আপোন-স্বজন, পৰিয়াল আৰু অণ্ডহী-বণ্ডহী।

কুদাতা ৭২ যাৰ দাঁতবোৰ দেখিবলৈ অশুৱনি।

কুম্ভ ৪৫ মেষাদি দ্বাদশ ৰাশিৰ অন্তৰ্গত একাদশ ৰাশি, কুম্ভৰ অধিপতি গ্ৰহ শনি।

কুৰ কুতা মুৰি ৭২ যি তিৰোতাৰ মুৰৰ চুলি কেঁকোৰা-কেঁকুৰি, কুঞ্চিত কেশবিশিষ্টা নাৰী, = কুৰ কুতা মুৰী।

কুল ৫৮ জাতি।

কুলক্ষন ৭৩ অশুভ লক্ষণ, বেয়া চিহ্নবিশিষ্ট।

কুলক্ষনি ৩২ অশুভ লক্ষণবিশিষ্টা নাৰী = কুলক্ষণী।

কুৱাকুই ৬০ কুঁৱলী, কুঁৱা [কথিত], কুঁহেলিকা।

কুষ্ঠি ৪৪ জন্ম পত্ৰিকা, সোঁৱৰণী, কুঠি, = কোষ্ঠী।

কৃষ ৫২ খীন, ক্ষীণ, দুৰ্বল, = কৃশ।

কৃষি ১৯ খেতি।

কৃষ্ণবৰ্ন্ন ৬৯ ক'লা বৰণীয়া, কৃষ্ণবৰ্ণ।

কৃসি ১৭, ৬৯ খেতি, কিৰিষি, = কৃষি।

কেতু ৪৯ নৱ গ্ৰহৰ অন্তৰ্গত নৱম গ্ৰহ। স্বৰূপাৰ্থত কেতুক গ্ৰহ নুবুলি উপগ্ৰহ বুলিহে ধৰে। কেতু গ্ৰহে আন গ্ৰহৰ লগত থাকি সেই গ্ৰহৰ শুভা-শুভ ভাব বৃদ্ধি কৰে মাথোন।

কেস ২৭, ৭১ চুলি, চিকুৰ, কুন্তল, বাল, কচ, শিৰোৰুহ, = কেশ।

কেসৰি ১৫ সিংহ, কেসৰিন, মৃগেন্দ্ৰ, পঞ্চাস্য, হৰ্যক্ষ, কেশৰী।

কেহেৰাজ ৬৬ বনৌষধি বিশেষ, = কেহৰাজ।
কোনা ৪২ পথাৰৰ মাজৰ মাটি।
কোৰন্তে ৪৭ কোৰেৰে খান্দোতে।
কোল ৩৩, ৭১ কোলা, ক্রোড়, অঙ্ক।
কোষ্টি ৪৪ কুষ্ঠি দ্রঃ।
কোষ্ঠি ৪৬ কুষ্ঠি।
কৌষ্টি ৪৩ কুষ্ঠি দ্রঃ।
ক্বাথ ৬৬, ৬৮ ঔষধি সিজোৱা পানী; কোনো ঔষধি পানীত সিদ্ধ কৰি যি সাৰভাগ নির্গত কৰা হয়, নির্যাস, decoction।
ক্রোদ্ধ ৫৬ কোপ, ৰাগ, খং, ক্রোধ।
ক্রোদ্ধযুক্ত ৫৭ ক্রোধান্বিত, কোপান্বিত।
ক্রোযেক ৬৫ এক ক্রোশ, লীলাৱতীৰ মতে ৮০০০ হাত পৰিমাণৰ দূৰত্ব, মনুৰ মতে ৪০০০ হাত = ১ ক্রোশ; প্রজাপতিৰ মতে ৫০০০ হাত = ১ ক্রোশ; দুমাইলৰ অধিক, = ক্রোশেক।
ক্লেস ৫৩ দুঃখ, কষ্ট, যন্ত্রণা, = ক্লেশ।

খ

খখদখ ৭০ হুতাহ-পিয়াহ।
খখন্দা ৬৯ কুচ্ছিৎ, দেখিবলৈ কুশ্রী।
খগ ৬০ পক্ষী, চৰাই, বিহগ, বিহংগ।
খণ্ড ১১, ৬৭ আংশিক, অসম্পূর্ণ।
খণ্ডাজিভা ৭২ কুশ্রী জিভা; চুটি জিভা।
খণ্ডিত ১৮ খণ্ডন কৰিব লাগে।
খৰ ৩২ সঘন, শীঘ্র, দ্রুত, লৰালৰি; শুকান বতৰ।
খৰলিয়া ৬০ শুকান, নীৰস, ঠৰঙা, = খৰলীয়া।
খাই ৪২ ভাত খোৱা বাচন-বর্তনবোৰ ধুই পেলোৱা পানী আদি, (২) গৰখাই, খাৰৈ; (৩) হুমকা, ধোকা (পাতিদৰং অঞ্চল)। ৬১ ভক্ষণ কৰে, মাৰে।
খাইবাক ৭২ খাবলৈ।
খানন্তে ৪৭ খান্দোতে।
খাৱাৰবেলা ২৫ খোৱাৰ সময়ত।
খিন ৭০ খীন, দ্রঃ।
খীন ৭০ দুর্বল, কৃশ, নিশকতীয়া, < সং ক্ষীণ।
খুদ্র ৰার্ত্তকি ২ সৰু বেঙেনা, খৰুৱা বেঙেনা।
খুধা ৭১ ভোক, খোৱাৰ ইচ্ছা, বুভুক্ষা < সং ক্ষুধা।
খেত ৪৬ খেতি, কৃষি < সং ক্ষেত্র।
খেদ ৫৬ আক্ষেপ, দুঃখ, শোক।
খোৰা ৪৩ শনি গ্রহ। ৰাৱণৰ অস্ত্রাঘাতত শনিৰ এখন ভৰি কটা গৈছিল। সেইবাবে শনিক খোৰা ৰূপে জনা যায় (লোক জ্যোতিষ)।
খোড় ৪৭ খোৰা দ্রঃ।

গ

গগনে ৭০ আকাশত।
গজ ৭০ হাতী, হস্তী, দ্বিপ, নাগ, কুঞ্জৰ, কৰী।
গজ ৬৩ ধ্বজৰ ভাগবিশেষ।
গজকপাল ৭০ হাতীৰ কপালৰ দৰে বহল কপাল।
গজাক্রান্তে ৬৪ গজ + আক্রান্তে, হাতীয়ে আক্রমণ কৰাৰ নিচিনাকৈ।
গঙ্গা ৪ পৱিত্র নদীবিশেষ।
গঙ্গা সাগৰে ৪৫ সাগৰ সংগমত অৱস্থিত তীর্থবিশেষ। ভাগীৰথী আৰু বঙ্গোপসাগৰৰ সন্মিলিত স্থান। গঙ্গা সাগৰ হিন্দুবিলাকৰ প্রসিদ্ধ তীর্থস্থান। মাঘ বিহুৰ সময়ত ইয়াত ডাঙৰ মেলা হয়। গঙ্গা সাগৰত স্নান কৰি তীর্থযাত্রীসকলে মেলাত অংশগ্রহণ কৰে।
গধুলি ৪২ গধূলি।
গন (বন্ধুগন) ৫৬ সমূহ, দল, বিলাক,

সকল = গণ।
গণ্ড ৪১, ৬৫ যবনাচাৰ্য্যৰ মতে অশ্বিনী, মঘা আৰু মূলা নক্ষত্ৰৰ প্ৰথম তিনি দণ্ড আৰু ৰেৱতী, অশ্লেষা আৰু জ্যেষ্ঠা নক্ষত্ৰৰ শেষৰ পাঁচ দণ্ডক গণ্ডযোগ বোলে যেনে ঃ
"অশ্বিনীমঘামূলানাংতিস্ৰোগণ্ডাদ্য-নাড়িকাঃ।
অন্ত্যাঃ পৌষ্ণেৰগেন্দ্ৰাণাংপঞ্চৈৱ-যবনাজগুঃ।।"
গণ্ডাগণ্ডি ১ সংখ্যা।
গতায়ুস ৫৫ মৃত, মৰা।
গন্ধাই ২৪ গোন্ধাই।
গঢ় ১০ ধাতু বা মাটিৰে নিৰ্মাণ কৰা কাৰ্য।
গতায়ুস ১ মৃত, মৰা, আসন্ন মৃত্যু।
গনিতা ৪৭, ৫৮ গণনিত।
গনিতিকাৰে ৩৪ গণনা কৰোঁতা, জ্যোতিষী, গণিতা কাৰ।
গম্ভিৰ ৭০, ৭১ ধীৰ, স্থিৰ = গম্ভীৰ।,
গয়া ৪ বিহাৰ প্ৰদেশৰ বিখ্যাত তীৰ্থস্থান।
গৰিয়াগুটি ৩৮ দীৰ্ঘ নেজ আৰু চুটি থুঁতৰি বিশিষ্ট হালোৱা গৰু, গাঠিয়া গৰু? গাইঠা গৰু?
গল ৭০ ডিঙি।
গহিন ৩৬ গৰ গভীৰ, = গহীন।
গাতি ১৪ গাত মেৰাই লোৱা কাপোৰৰ বান্ধ, গাত মেৰাই বান্ধি লোৱা কাপোৰ। জুইহালৰ ওচৰত বহোঁতে গাত (কাপোৰৰ) গাতি মাৰি বহা অনুচিত।
গায়ন ১৫ গান গাওঁতা, গায়ক।
গাৱ ১১ গা, দেহ।
গিত ১৫ গীত, যাক গোৱা হৈছে।
গিতাল ১৯ গীত গাওঁতা, ওজাপালি অনুষ্ঠানৰ ওজা, কুশান গানৰ মুখ্য গায়ক আদি, = গীতাল (গীদাল)।
গিৰি ৫৯ গৃহস্থ।
গুণ্ডা ৬৭ গুড়া, চূৰ্ণ, গুড়ি।
গুণ্ডাগুণ্ডি ৩৮, ৬০ গুড়াগুড়ি, ধূলিয়ৰি।
গুণ্ডি ৬৬, ৬৭ গুৰি, চূৰ্ণীকৃতকৰণ।
গুন ৩৩, ৭৫ দয়া, দাক্ষিণ্য, বিনয়, সৌজন্য, ধৈৰ্য, গাম্ভীৰ্য্যাদি গুণ।
গুনিগুনি ৬৭ চিন্তা কৰি, ভাবি-চিন্তি, = গুণিগুণি।
গুনিয়াক ১৯ গুণযুক্ত গুণী, গুণৱন্ত লোক।
গুয়া ১ গুই, গোধিকা, নিহাকা।
গুৰ ৬৭ গুড়।
গুৰু ৩৯, ৪৬ দেৱগুৰু বৃহস্পতি, নৱগ্ৰহৰ অন্যতম। বৃহস্পতি ধনু আৰু মীন ৰাশিৰ অধিপতি।
গুৰুবাৰে ৪৩ বৃহস্পতিবাৰে।
গুৱা ৪২ তামোল, পাণ-চূণ-তামোল আদিৰ সমষ্টি।
গুলঞ্চি ৬৬ ভেষজ লতাবিশেষ, গুড়ূচী, বৎসাদনী, ছিন্নকহা, তন্ত্ৰিকা, অমৃতা।
গুলাঞ্চ ৬৭ গুলঞ্চি দ্ৰঃ।
গুড় ৬৬ পগাই ঘন কৰা কুঁহিয়াৰৰ ৰস, মিঠৈই, মিঠৈ।
গৃত্মত ৩৪ গৰমত, জহত = গ্ৰীষ্মত।
গৃহ ৬৩, ৬৪ ঘৰ।
গৃহস্ত ২৮, ৭২ ঘৰৰ গৰাকী, গৃহস্বামী, = গৃহস্থ।
গৃহস্তালি ৯ পৰিয়ালৰ সৈতে থকা, গৃহবাস, = গৃহস্থালি।
গৃহহস্তে ২৮ ঘৰৰপৰা।
গৃহিনি ২৬ ঘৈণী, ভাৰ্য্যা, ঘৰৰ গৰাকিনী = গৃহিণী।
গেল ১৩ গ'লৰ কথিত ৰূপ।
গোত্ৰ ৭০ সন্তান পৰম্পৰা, বংশ, কুল; গোত্ৰ প্ৰবৰ্তক গৌতম-ভৰদ্বাজ আদি ঋষিৰ সন্তান পৰম্পৰা।
গোমুত্ৰ ৬২ গৰুৰ মূত, = গোমূত্ৰ।
গোম চকৰিয়া ৩৮ সাপৰ গাত থকা চকাৰ

দৰে যি গৰুৰ গাটো চকৰা-চকৰি।
গোৰখিয়া ৩৮ গো + ৰখীয়া, গৰখীয়া।
গোৱালি ২৯ গোৱালী, গোৱালিনী, গুৱালী।
গৌৰবজনক ৬৯ সম্মানিত লোক, মৰ্যাদাসম্পন্ন লোক।
গ্ৰসিব ৪৩ গ্ৰাস কৰিব।
গ্ৰহ ৯, ৩৬ ৰবি, চন্দ্ৰ, মঙ্গল, বুধ, বৃহস্পতি, শুক্ৰ, শনি, ৰাহু আৰু কেতু— এইকেইটা জ্যোতিষ্কক গ্ৰহ বোলে।
গ্ৰহ-গতি ৭০ গ্ৰহ সঞ্চাৰণ বা গ্ৰহ সংক্ৰমণ।
গ্ৰহন ৪৩ গ্ৰহ বা উপগ্ৰহৰ ছায়া পতনৰ দ্বাৰা সূৰ্যাদিৰ কিয়দংশ বা সৰ্বাংশ অদৰ্শন হোৱা কাৰ্য।
গ্ৰহৰমেলা ৪৪, ৪৬ সূৰ্যাদি নৱগ্ৰহৰ সমাগম।
গ্ৰহে ৪২ গ্ৰাস কৰে।
গ্ৰাম ৩৪, ৫৭ গাঁও।

ঘ

ঘন ১৩ বিৰতি হোৱাকৈ।
ঘৰনি ৬১, ৭৩ গৃহিণী, ঘৈণী, ঘৰণী, = ঘৰিণী।
ঘৰবেৰোৱা, ১৮ ইঘৰ সিঘৰকৈ ঘূৰি ফুৰা কাৰ্য।
ঘৰি ৫৩ স্বগৃহী, স্বঘৰী, নিজৰ ঘৰত থকা। (লগ্নৰ পঞ্চম স্থান যদি মঙ্গলৰ স্ব-স্থান হয় আৰু তাতেই যদি মঙ্গল গ্ৰহ থাকে, তেনেহ'লে মঙ্গল গ্ৰহক স্বঘৰী হৈ থকা বুলি কোৱা হয়।)
ঘৰিনি ১৩, ১৪ ঘৰনি দ্ৰঃ।
ঘৰ্ন্নিয়াক ৬৯ ঘৈণীয়েক, পত্নী।
ঘাটি ২০ বহুত বস্তু একেলগে থকা ঠাই।
ঘাৱে ২৮ প্ৰহাৰত।
ঘিলা ৬৮ এবিধ লতা আৰু ইয়াৰ গুটি।
ঘুটি ৬৬ মিশ্ৰণ কৰি।
ঘুমটি ২৮ টোপনি।
ঘৃত ১০, ৬২ ঘিউ, ঘি।
ঘেঙ্গাই ২৮ টোপনিত আমনিজনকভাৱে নাকেৰে শব্দ কৰি থকা কাৰ্য।
ঘেলাই ৪৭, ৫০ কাম-বন নকৰি ফিতাহি মাৰি ফুৰা।
ঘোৰ ৬৯ প্ৰবলভাৱে, অতিৰঞ্জিতভাৱে; বেয়াকৈ।
ঘোল ১৫ মাখন তোলা দৈ।

চ

চইগুন ৬৬ ছয় গুণ।
চকলামুখি ৭৩ চকলামুখী, নেমুটেঙাৰ দৰে যি তিৰোতাৰ মুখ সৰু।
চক্ৰাধাৰি ৫৭ চক্ৰধাৰী, গাঁৱৰ প্ৰধান ব্যক্তি, সমাজৰ মুখ্য ব্যক্তি।
চক্ৰবৰ্তি ৪৬ চক্ৰৱৰ্তী, বহুবিস্তৃত ৰাজ্যৰ অধিপতি, সম্ৰাট, মহাৰাজ।
চতুৰ্থ ৰাসিত ৪৪ লগ্নৰ চতুৰ্থ স্থানত।
চতুৰ্দ্দশি ৩৫ চতুৰ্দশী।
চতুৰ্দোল ৪৭, ৫০ চাৰিজনে বহন কৰা দোলা বা শিবিকাবিশেষ।
চত্তিসজাতি ৫৯ ছয়ত্ৰিশ জাতি, অনেক জাতি, বিভিন্ন জাতি।
চত্ৰ ৪৪ ছতা, ছাতি, = ছত্ৰ।
চত্ৰধাৰি ৫৭ ছত্ৰধাৰী, ছত্ৰ ধাৰক।
চন্দ্ৰ ৬৭ 'আএগ্ৰা গাখিৰে চন্দ্ৰ বাঢ়ে', বীৰ্য, শুক্ৰ, ৰেতস্।
চন্দ্ৰ ৬, ৪৪, ৪৭ নৱ গ্ৰহৰ অন্যতম গ্ৰহ। (১) ব্ৰহ্মাৰ মানসপুত্ৰ অত্ৰি মুনিৰ পুত্ৰ; (২) সমুদ্ৰ মন্থনৰ সময়ত অমৃত, পাৰিজাত, লক্ষ্মী, ঐৰাবত আৰু উচ্চৈঃশ্ৰবাৰ লগতে চন্দ্ৰও সমুদ্ৰ গৰ্ভৰ পৰা নিৰ্গত হয়। বুধ চন্দ্ৰৰ পুত্ৰ। চন্দ্ৰৰ মিত্ৰ গ্ৰহ ৰবি, বুধ; অৰি গ্ৰহ নাই।
চন্দ্ৰতাপ ৫৭ চন্দ্ৰাতপ।
চন্দ্ৰমা ৫০ চন্দ্ৰ দ্ৰঃ।
চন্দ্ৰৰ যোগ ৫৩ জাতকৰ জন্ম দিৱসৰ চন্দ্ৰ

স্থিতি অনুসৰি বিভিন্ন যোগ সিদ্ধ হয়। জাতকৰ জন্ম মাহ, বাৰ, তিথি, নক্ষত্ৰ আৰু লগ্নৰ অঙ্কক যোগ কৰি চাৰিৰে হৰণ কৰিলে বাকী থকা সংখ্যাৰ ওপৰত বিভিন্ন যোগ নিৰ্ণীত হয়। যেনে ঃ ১ বাকী থাকিলে ধৱলচন্দ্ৰ, ২ বাকী থাকিলে লোহিত চন্দ্ৰ, ৩ বাকী থাকিলে হৰিতালি চন্দ্ৰ আৰু ০ বাকী থাকিলে খখমল চন্দ্ৰ হয়।

চন্দ্ৰসুত ৫০, ৫১ বুধ, চন্দ্ৰৰ ঔৰসত তাৰাৰ গৰ্ভত বুধৰ জন্ম।

চপাই আনি ৬৮ সংগ্ৰহ কৰি আনি।

চয় ৪২ ছয়।

চয়ে ৩৭ ছয় মুঠিত।

চৰন ৩১ পদ, ভৰি, পাৱ, পাদ, অঙ্ঘ্ৰি, = চৰণ।

চৰিবে ৪৬ শোভিত হ'ব, পৰিধান কৰিব।

চল ৩০, ৩২ সুবিধা, উপায়, সুৰুঙা।

চলফল ৩২ অস্থিৰ, উত্ৰাৱল, < পু. অ. চলবল।

চলি ২৩ চাঁছি এৰুওৱা পাতল কাঠ, কাঠৰ সৰু চেপেটা খণ্ড।

চলে ৭২ ছল কৰি, প্ৰতাৰণা কৰি, = ছলে।

চলেচণ্ডে ৭২ ছল কৰি, প্ৰতাৰণা কৰি, বুদ্ধি-সন্ধি, = ছলেছণ্ডে।

চহলিয়া ১৬ ওচৰ-চুবুৰীয়া (কথিত)।

চহাল ১২ ভতুৱা; অদৰকাৰী; অপদাৰ্থ, = চহল।

চক্ষু ৩২, ৬৭, ৭০ চকু, নয়ন, লোচন।

চক্ষুধেলা ৭০ চকু নিস্তেজ হোৱা কাৰ্য।

চাই ১৪, ৪২, ৬৮ ছাঁই।

চাউ ৪৩ চোৱা, বিবেচনা কৰা।

চাএ ২০ ছায়া, প্ৰতিবিম্ব।

চাগ ২০, ৬৫ ছাগ, ছাগলি।

চান্তি ৪৫ আগুৰি ধৰা, মেৰাই ধৰা, = ছাটি।

চানি ৪১ আৱৰি, আগুৰি, = পু. অ. চান্ + ই।

চান্দ ৩৯, ৪৩ চন্দ্ৰ দ্ৰঃ।

চান্দবাৰ ৩৯ সোমবাৰ।

চামৰ ৬২ চোৰঁৰ।

চাৰি চাৰি গ্ৰহ ৪৬, ৫০ চাৰি সাগৰত অৰ্থাৎ মেষ, কৰ্কট, তুলা আৰু মকৰ ৰাশিত একোটাকৈ গ্ৰহ থকা।

চাৰি সাগৰ জন্ম ৪৭ কুণ্ডলীৰ মেষ, কৰ্কট, তুলনা আৰু মকৰ ৰাশিৰ চাৰিস্থানক চাৰি সাগৰ বোলে। চিত্ৰ১

চাৰিবে ১৫ এৰিব, ত্যাগ কৰিব।

চাৰিয়ে ৩৭ চাৰি মুঠিয়ে।

চাল ৭৩ ঘৰৰ ওপৰৰ আচ্ছাদন।

চালবেৰে ২৭ ঘৰৰ চাল আৰু বেৰ।

চাস ৩৭, ৪২ চাহ, চহোৱা কাৰ্য।

চাহি ১৪ দৃষ্টি, চাৱনী।

চিকন ৩৭, ৬৯ ধুনীয়া, মনোৰম, = চিকণ।

চিকনবা ৪২ নিকা কৰিবা, পৰিষ্কাৰ কৰিবা, = চিকুনাবা।

চিঙ্গে ১৫, ৩৯ ছিঙে।

চিত ২৩ ওপৰলৈ মুখ কৰি থকা, কামিৰ ব্লুকুৰ ফাল।

চিতৰা ৩৮ চিত্ৰিত।

চিতল ১০ চিতল মাছৰ দৰে চেপেটা।

চিতি ৫৮ চিত, মন, আকৰ্ষণ, চিত্ত।

চিত্ত ১৫, ২৯ চিতি দ্ৰঃ।

চিন্ন ৬১ কটা, কাটি খণ্ড কৰা, ছেদন কৰা, = ছিন্ন।

চিৰি ৭২ শোভা, লাৱণ্য; ক্ষমতা, পৰাক্ৰম, < শ্ৰী।

চিহ্ন ৬৯ চিন।

চুটা ৩৭ দমৰা বা হালোৱা গৰুৰ ডিঙিৰ ওপৰ ভাগত থকা ওখ মঙহাল অংশ, = চুট (কথিত)।

চুটে ৫৮ = ছুটে, দৌৰ মাৰে।
চুতি ৩৭, ৭১ চুটি, দীঘল নোহোৱা।
চুপচুপনি ১৮ নিঃশব্দ; আনে ক'ব নোৱৰাকৈ কৰা কাৰ্য্য।
চেঙ্গা ২৪ চেঙা মাছ, গাঁতত থকা আৰু মুখত ডাঢ়ি আৰু গাত বগা চকৰ থকা মাছবিশেষ।
চেঙ্গেলি ২৪ চেঙা, মাছৰ আকৃতিৰ এবিধ সৰু মাছ।
চেদযোগা ৪৪ লগ্নৰ সৌৰে-বাৰে অশুভ গ্ৰহ থাকিলে ছেদ যোগ হয়, = ছেদযোগ।
চেদয় ৫০ কাটে, ছেদন কৰে, = ছেদয়।
চোট ৭৩ আঘাত, খুন্দা, ঠেলা।
চোটা ৩৭ সৰু।
চৌঠা ৬২ এক চতুৰ্থাংশ, ১/৪ অংশ, চতুৰ্থ প্ৰহৰ।
চৌদিশা ৬৮ চাৰিওফালে।
চৌৰকাৰ্য ৫২ চোৰৰ কামত, চুৰি কৰা কাৰ্য্যত।
চ্যুত ৫৯ আম, আম্ৰ, = চুত।

জ

জগন্নাথ ৪৬ জগৎ + নাথ, পুৰী ধামৰ প্ৰধান দেৱমূৰ্তি। বিষ্ণুৰ অৱতাৰবিশেষ।
জঙ্ঘা ৫৩ গুল্‌ফৰ পৰা জানুপৰ্যন্ত দেহাৱয়ৱ; কলাফুল, ডিমা; কৰঙন।
জত ১ যিমান, যি পৰিমাণ, = যত।
জতন ৪৮, ২২ যতন, < যত্ন।
জতেক ২৪ যিমানবিলাক, = যতেক।
যমা ৪৮ যত।
জদি ৫৩ যদি।
জননি ১ আই, মাতৃ = জননী।
জনি ২৭ জনী।
জনে ২ "দিনত সিসুক নাচাৰিব জনে", মানুহে।
জৰ ৬৬ গা-মূৰ তপত হোৱা এবিধ ৰোগ, < জ্বৰ।
জল ৫১, ২৬, ৪৪ পানী।
জস ৯, ৪৮ যশস্যা, খ্যাতি, = যশ।
জসি ৯ যশস্যাশালী, খ্যাতিমান, = যশী।
জাই ১১, ৪৪ যায়।
জাওঁ ৬২ যাওঁ।
জাচি ১৯ যাচি, উপযাচি।
জাত ৫৩ জন্মা, উৎপন্ন।
জাতি ৪২ প্ৰকৃত, আচল।
জাত্ৰা ৫, ১৭, ৬২ গমন, ভ্ৰমণ, গতি, = যাত্ৰা।
জানন্তা ৩৭ জানোতা, ভুপোৱা।
জানু ৫৩ উৰু, জানু, পৰ্ব্বন।
জান্তি ৬৭ বেগাই, খৰকৈ, সঘনে।
জাবি ৪২ যাবা।
জামিৰ ২৪, ৬৬ এবিধ টেঙা, লেবু, = জামীৰ, < জম্বীৰ।
জাৰ ১২, ১৫, ৭০ যাৰ।
জালি ২৫ জাল, জুই জ্বলোৱা।
জালি ৩৭ 'গৰু কিনিবা চিকন জালি', কোমল, পূৰঠ নোহোৱা, আগ বয়সৰ, = জালী।
জাব ৩৫ যোৱা।
জাহাক ৪৫ যাক, = যাহাক।
জাহাৰ ২৬, ২৯ যাৰ, = যাহাৰ।
জি ২২, ২৭ যি।
জিজনি ২৭, ২৮ যিজনী।
জিতো ৩, ২৬ যিটো।
জিনিত ১ জিনিব পাৰে, জয় কৰিব পাৰে।
জিব ১ জীৱ, প্ৰাণ।
জিবন ৮, ১১, ৬১ জীৱন।
জিবন্তি ৫৫ জী থাকিব, = জীৱন্তি।
জিবন্তে ৪৭ জীয়াই থাকোঁতে, = জীৱন্তে।
জিবে ৪৪ জীৱে, জীয়াই থাকিব।

জিমান ৪২ যিমান।
জিহ্বা ৩৭ জিভা, ৰসনা, ৰসজ্ঞা।
জিবে ১ জীয়াই থাকিব, = জীৱে।
জিয়ে ১ জীয়াই থাকে, = জীয়ে।
জুগুনি ৬১ যোগিনী, স্থানভেদে যোগিনীৰ সংখ্যা ৬৪ আৰু ৮। জ্যোতিষত অষ্ট যোগিনীৰ নাম পোৱা যায়ঃ সুৰসুন্দৰী, মনোহৰা, কনকাৱতী, কামেশ্বৰী, ৰতিসুন্দৰী, পদ্মিনী, নটিনী আৰু মধুমতী। তিথিবিশেষে বিভিন্ন দিশত যোগিনীয়ে বাস কৰে। যোগিনী থকা দিশৰ ফালে যাত্ৰা কৰা অনুচিত। প্ৰতিপদ আৰু নৱমীত পূবফালে, তৃতীয়া আৰু একাদশীত অগ্নিকোণত, পঞ্চমী আৰু ত্ৰয়োদশীত দক্ষিণে, চতুৰ্থী আৰু দ্বাদশীত নৈঋত কোণত, ষষ্ঠী আৰু চতুৰ্দশীত পশ্চিমে আৰু পূৰ্ণিমাত বায়ু কোণত, দ্বিতীয়া আৰু দশমীত উত্তৰে, অষ্টমী আৰু অমাৱস্যাত ঈশান কোণত যোগিনীয়ে বাস কৰে।
জুঝাৰ ১৩ কাজিয়াপ্ৰিয়।
জুঝাৰু ৩৭ যুঁজাৰু।
জুমে ৫৯ যুঁজে।
জুদ্ধ ৩ যুঁজ, যুদ্ধ।
জুবত ১০ যুবত, যৌৱন কালপ্ৰাপ্ত।
জুবতি ৩৩, ৬১, ৭১ যুৱতী।
জুবতিৰ সালা ৬৯ যুৱতীশালা, বেশ্যালয।
জুবতী ৬ যুৱতী।
জুৱাই ১৪ উচিত।
জেই ৪ যেই।
জেখনে ৪ যেতিয়া, যেখনে।
জেনে ১ যেনে।
জেঠাল ১২ বৰজনা, ভাইশহুৰ, স্বামীৰ জ্যেষ্ঠ ভ্ৰাতৃ।
জে ১৯, ৬০ যে, যি।
জেদুৰ ১, ১৬ যিমানদূৰ।
জেবে ৩, ১৭ যেৱে।
জেৰোৱা ২৩ জেওৰা, বাঁহৰ শলিৰে কৰা বেৰা।
জেহেন ৩১ যেন, যেহেন, তুল্য, নিচিনা, = যেহেন।
জৈত ১৬ য'ত।
জৈষ্ঠ ৩৫ জেঠ, < জৈষ্ঠ্য।
জোঙ্গলি ৩৯ যোঙলি, যুৱলি।
জোত ৩৯ (বি) যুৱলিৰ লগত হালোৱা গৰুক সংযুক্ত কৰা ৰছী, জোঁট, জোঁটনী।
জোড়া ৪৭ দৰা-কন্যাৰ ৰাশিৰ মিল।
জোঁয়াই ১৩ জোৱাই, জামাতা।
জ্যোতিষ ৯ জ্যোতিৰ্বিদ্যা, গ্ৰহ-নক্ষত্ৰৰ গতিবিধি আৰু ইযাৰ ফলাফল, গণনাশাস্ত্ৰ।
জৌতি ১০ জ্যোতি, পোহৰ, আভা, কিৰণ।
জ্যোতিস ৪২ জ্যোতিষ।

ঝ

ঝাপ ১৩ শোওঁতে গাত লোৱা কেবা তৰপৰ কাপোৰ, জাপ।
ঝাপৰ ১৯ জাবৰ, ঝাবৰ।
ঝাপি ৩৪ জাপী।
ঝাৰি ৩৪ পেটত নলী লগোৱা লোটা, জাৰী, ঝাৰী।
ঝাল ১ আছুজ বা অশৌচ (প্ৰসৱ হোৱা) লগাৰ তৃতীয়দিনা পুৱেতীক বা পোৱাতীক খুওৱা কচু, জলকীয়া, জালুক আদিৰ ব্যঞ্জনবিশেষ।
ঝালুক ৪২ জালুক, গোলমৰিচ।
ঝিণ্টিৰ মূল ১২, ৬৬ জিণ্টি বা ঝিণ্টি, এবিধ হালধীয়া ফুল আৰু তাৰ গছ, সেই গছৰ শিপা।

ঝোকাৰি ১১ জোকাৰি, লৰাই-চৰাই।

ঝোল ২৩ আঞ্জাৰ বস, মাছ্-মাংস, কণী আদিৰ সংযোগত প্ৰস্তুত তৰল ব্যঞ্জন, জোল, যুচ্।

ট

টাকটোক কৰি ৫১ অতিপাত পৰিশ্ৰম কৰি কোনোমতে খোৰামুঠি যোগাৰ কৰিবলৈ সক্ষম হোৱা কাৰ্য।

টালি ২৯ ফাকি, লৰক-ফৰক, 'টালি-বালি'।

টিক ৪২ চোকা।

টিপচিক ১৫ এবিধ সৰু চৰাই। টেণ্টনৰ বৈশিষ্ট্য বিশিষ্ট চৰাই এটিয়ে পালনকৰ্তা সিংহ এটাক বিপদত পেলাইছিল (লোক-কাহিনী)।

টেৰাবেকা ১৪ বেঁকা-বেঁকি; বহুত ভাজ থকা।

টেলেঙ্গা ১৪ অস্থিৰ, পাতল, = টুলুঙা।

টোকা ৩৮ মহ-দাহ আদি খেদিব পৰা দীঘলীয়া,— 'নেজা'।

টৌটৌয়া ৩২ টৌত আঘাত কৰিলে হোৱা মাতৰ দৰে ডাঙৰ আৰু অশান্তিকৰ মাত।

ঠ

ঠানত ১৭ গঢ়ত, সাদৃশ্যত, দেহৰ গঠনত।

ড

ডৰ ৬৪ ভয়, ত্ৰাস।

ডাইনে ১ দক্ষিণে, সোঁফালে, < দক্ষিণ।

ডাক ৪ সিদ্ধপুৰুষ বিশেষ; জ্ঞানীপুৰুষ, জ্ঞান (-অৰ্ণব)।

ডাঙৰিয়া ১৬ ডাঙৰীয়া, মহাশয়।

ডাহিনে ৬১ ডাইনে দ্ৰঃ।

ডিম্বগ্ৰাস ৭২ ডিমা বা কণীৰ সমানকৈ টপা মাৰি খোৱা কাৰ্য্য।

ডিম্ববান্ধি ৭২ ডিমা বা কণীৰ নিচিনাকৈ টপা মাৰি।

ডেৰ ৬৫ এক আৰু আধা, $১\frac{১}{২}$।

ডেৰিয়া ৪০ খণ্ড, বিখণ্ড।

ঢ

ঢৰা ১৩ চোকা, দপ্ দপ্‌কৈ উঠা, '—জুই'।

ঢিল ৩৪ ঢিলা, কোমল, '—মাটি'।

ত

তণ্ডুল ৬২ চাউল।

ততেক ২৪ ততক, সিমান।

তত্ত ৭ প্ৰকৃত তথ্য, আচল বিষয়, সত্যতা, < তত্ত্ব।

তনু ৫২, ৭১ শৰীৰ, কলেবৰ, গাত্ৰ, গা, দেহ, বপু, কায়, মূৰ্তি।

তৰণি ১ সূৰ্য্য, আদিত্য, = তৰণী।

তৰল ৪৭ পানী থকা (মাটি), পানীৰ তলত থকা (মাটি) '—ভূমি'।

তৰাস ৬৫ ত্ৰাস, ভয়, < ত্ৰাস।

তৰিত ৩ পাৰ হ'বলৈ, অতিক্ৰম কৰিবলৈ, তৰিবলৈ।

তৰু ১৮ বৃক্ষ, গছ।

তৰ্জু ১৫ সৰু তুলা, সৰু ডগা-পাল্লা।

তলমুৰ ১ তলমূৰ।

তহিত ২২ সেই ঠাইত, তত্ৰ।

তাত ১৫ তাঁতশাল।

তাম্বুল ৩৩ তামোল-পাণ, গুৱা।

তাৰা ৫৮ তাৰকা, তৰা, তৰাব'ল।

তাল যুৰিয়া ৩৮ সৰ্বপ্ৰকাৰে সৰ্বসম, সৰ্বপ্ৰকাৰে তুল্য।

তাসম্বাৰ ৫২ তেওঁলোকৰ।

তাহাৰ ৫, ৪৪ তেওঁলোকৰ, < তস্য।

তিতিনি দিনে ৬১ ত্ৰিত্ৰিনি অৰ্থাৎ ৩ × ৩ = ৯ দিনত।

তিনিওঁলোক ১ স্বৰ্গ-মৰ্ত্ত্য-পাতাল, তিনিলোক।

তিনিভুবন ৪৪ তিনিওলোক দ্ৰঃ।

তিনিস সাঠি ৪২ তিনিশ ষাঠি, ৩৬০।

তিৰি ৭২ তিৰোতা, নাৰী, < স্ত্ৰী।
তিৰ্থ ৫, ৫৬ পৱিত্ৰ স্থান, = তীৰ্থ।
তিক্ষুত্তৰ ৩৮ বৰ চোকা, তীক্ষ্ণ, তীক্ষুত্তৰ (কথ্য), < তীক্ষ্ণত্ব।
তুঙ্গ ৪৮ জন্মকুণ্ডলীস্থ দ্বাদশ ৰাশিত নৱগ্ৰহৰ উচ্চ স্থানক তুঙ্গ বোলে।
তুঙ্গসুতুঙ্গ ৪৩ মেষ ৰাশিৰ দশাংশত ৰবি, বৃষ ৰাশিত চন্দ্ৰ, মকৰত মঙ্গল, কন্যাত বুধ, কৰ্কটত বৃহস্পতি, মীনত শুক্ৰ আৰু তুলাৰাশিত শনি থাকিলে সুতুঙ্গ যোগ হয়। মিথুনত ৰাহু, ধনুত কেতু থাকিলেও এই যোগ হয়।
তুল ৪, ৬৬ তুলনা।
তুল ১৫ তৰ্জু, তুলাচনী, বস্তুৰ ভৰ বা গধুৰতা।
তুলসি ১ তুলসী।
তুলা ৩৬, ৪৭ মেষাদি দ্বাদশ ৰাশিৰ সপ্তম ৰাশি। তুলা ৰাশিৰ অধিপতি গ্ৰহ শুক্ৰ।
তৃতিয় ৫২ লগ্নৰ পৰা তৃতীয় স্থানত।
তৃন ১৪ ঘাঁহ, বন, = তৃণ।
তৃষা ৬৫ তৃষ্ণা, পিয়াহ; হেপাহ, বাসনা, কামনা।
তৃসাৰ্ত্ত ২ পিয়াহ বা কামনা-বাসনাৰ দ্বাৰা পীড়িত, তৃষ্ণাৰ্ত।
তেজপাত ৬৬ মাহপাত, এবিধ সুগন্ধি পাত।
তেদুৰ ১৬ তিমান দূৰলৈ, সিমান দূৰলৈ।
তেবে ২৪ তেনেহ'লে, সেই কাৰণে।
তেবেসে ১৮ তেতিয়াহে, তেনে অৱস্থাতহে।
তেৰ কৰি ৭৩ বেঁকাকৈ, কেৰা কৰি, বক্ৰভাৱে, বঙ্কিম দৃষ্টিৰে।
তেলিয়া ৩৭ তেল বিক্ৰী কৰোঁতা, তেলী।
তৈল ২৩ তেল।
তোকন ৭৪ লাখুটি, টোকন।
তোকেৰি ৬৯ টোকাৰী, একতন্ত্ৰী বাদ্যযন্ত্ৰ।
ত্ৰাষ ৭৫ ত্ৰাস, ভয়, বিপদৰ আশংকা।
ত্ৰাস ৭২ ত্ৰাষ দ্ৰঃ।
ত্ৰিকটু ১ আদাৰ শুঠি, পিপলি আৰু জালুক— এই তিনিও বিধকে একেলগে ত্ৰিকটু বোলে।
ত্ৰিতিয় ৪৫ লগ্নৰ পৰা তৃতীয় স্থানত।
ত্ৰিতিয়া ৪২ তৃতীয়া তিথি।
ত্ৰিফলা ৬৫ শিলিখা, আমলখি আৰু ভোমোৰা— এই তিনিও বিধ দ্ৰব্যক একেলগে ত্ৰিফলা বোলে।

থ

থাৰি ১৫ ঠাৰি।
থুনুকা ৭৩ ভৰিৰ ছুটুছুটু শব্দ।
থুল ৭২ শকত-আবত, থূলস্তৰ, নোদোকা, < স্থূল।
থেপেকা ৭৩ পুষ্ট, থূল, বিসদৃশভাৱে নোদোকা।
থোতোৰ ১ থুঁতৰি, থোঁতোৰা।

দ

দখিন ৬৪ দক্ষিণ।
দণ্ড ৭ দোষ, দাঁৰ, দায়; ১৬ খন্তেক সময়।
দণ্ডাকাৰ ১০ দীঘল, ডাঁৰ এডালৰ নিচিনা।
দতিয়া ৩৭ দাঁত + ঈয়া, দাঁত থকা।
দধি ১৩, ৬২ দৈ গাখীৰ।
দন্ত ৯, ৩৪ দাঁত।
দন্দ ৩২ কাজিয়া, কলহ, খৰিয়াল, হাই-কাজিয়া, দন (কথিত), < দ্বন্দ্ব।
দৰসায়ে ৭২ দেখুৱায়, দৰ্শন কৰায়, দৰশায়।
দৰ্প ৫২ অহঙ্কাৰ, গৰ্ব, গ্ৰহ।
দৰে ৪২ দ মাটি।
দসম ৪৬ লগ্নৰ পৰা দশম স্থান, < দশম।
দসমুল ২ ঔষধি গুণবিশিষ্ট দহবিধ গছৰ শিপা : কণ্টকাৰী, গমাৰী, গোক্ষুৰ, টকুনা, পাৰলি, বিয়নী-সাপেটা, বেল,

ভূত, মূলা, ভেকুৰী, মাছকাইটা।
দসোদিসে ৭০ দশোদিশে অর্থাৎ সর্বত্রতে।
দক্ষিন ৬১, ৬২ দক্ষিণ, সোঁফাল।
দক্ষিনা ১০ গুৰু বা পুৰোহিতক দান কৰা ধনাদি, = দক্ষিণা।
দাই ৭৩ অপৰাধী, জগৰীয়া, দায়ী।
দাতিনি ৭৩ উচলা বা উজলা দাঁত থকা তিৰোতা, = দাঁতিনী।
দান্ত ৬৭, ৬৯ দাঁত।
দামদুম ৩২ সোপাসোপে।
দাসি ৩১ ভৃত্যা, পৰিচালিকা, = দাসী।
দিগি ৪৪ ফালে, দিশে।
দিঘল ৩৮, ৭১ দীঘল।
দিঘললেজা ৪০, ৫৯ দীঘল নেজযুক্ত; পানীৰ সোঁত।
দিন দুখিত ৫২ অষ্টম দৰিদ্ৰ।
দিপৰবেলা ৬৯ দুপৰ, দুপৰীয়া।
দিস ৬২ দিশ।
দুইভিতি ৪৭ দুফালে, দুয়ো দিশে।
দুখি ৫৭ দুখী।
দুগুন ২৭ দুগুণ।
দুগ্ধ ১৩, ৩২ এৰা গাখীৰ।
দুতয় ৩৪ দ্বিতীয়।
দুবতলি ১৮ ডোবোল, ডোবল।
দুৰ ২৪ দুৰ, আঁতৰ।
দুৰক ২৪ নোহোৱা হোৱা অৱস্থা, নিৰাময় হোৱা অৱস্থা, দূৰক।
দুর্বুদ্ধি ৫৭ কুবুদ্ধি, বেয়া বুদ্ধি।
দুর্মতি ৫৩ কুমতি, বেয়া মন।
দুর্য্যনি ২৯ দুর্জনী, দুষ্টা তিৰোতা।
দুৰাচাৰি ১১ কু-আচাৰ আচৰণ কৰা তিৰোতা, দুৰাচাৰী।
দুসি ১৫ দোষ দি, দোষাৰোপ কৰি, দুষী।
দুস্ক ৭২ দুষ্ক দ্ৰঃ।
দুষ্ক ৫০ দুষ্ক, বেয়া; অশোভনীয়; অনৌচিত্য।
দৃঢ়মুষ্টি ১ টান মুঠি, দৃঢ়মুষ্টি।
দৃষ্টি ১০ দর্শন, দেখা কার্য, 'জুইক—', জুইৰ ফালে দৃষ্টি ৰাখিহে জুই পুৱাব লাগে।
দৃষ্টিয়াল ৩৮ দৃষ্টি ৰাখোঁতা, যিজনে চকু ৰাখে।
দেব ৩৫ ইন্দ্ৰ দেৱতা।
দেবগুৰু ৫৩ বৃহস্পতি; বৃহস্পতি দেৱতাৰ গুৰু। নৱ গ্ৰহৰ অন্যতম গ্ৰহ। ধনু আৰু মীন ৰাশিৰ অধিপতি গ্ৰহ। বৃহস্পতিৰ মিত্ৰ গ্ৰহ ৰবি, চন্দ্ৰ আৰু মঙ্গল আৰু অৰি গ্ৰহ বুধ আৰু শুক্ৰ।
দেৱৰ ২৮ দ্বিবৰ, স্বামীৰ কনিষ্ঠ ভাতৃ।
দেবা ৪ দেৱ, দেৱতা।
দেবি ৩৫ দেৱী, পাৰ্বতী, দুৰ্গা।
দেহ ৫৪ শৰীৰ, কলেবৰ, তনু।
দেহা ৪ দেহ দ্ৰঃ।
দোসক ৪৬ দোষক।
দোহে ৯ খীৰায়।
দ্বাদশে ৫৭ লগ্নৰ পৰা দ্বাদশ স্থানত, বাৰ্ষমত (লোকজ্যোতিষ)।
দ্বাদশৰাশি ৪৫ জন্ম কুণ্ডলীত লগ্নৰ দ্বাদশ স্থানৰ ৰাশি।
দ্বাৰমুখত ২ দুৱাৰ মুখত।
দ্বিজ ৪, ৬২ দোঁ জায়তে ইতি, ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য; দাঁত, অণ্ডৰ পৰা জন্ম লাভ কৰা প্ৰাণীসমূহ।
দ্বিতিয়ত ৪৫ লগ্নৰ পৰা দ্বিতীয় স্থানত, = দ্বিতীয়ত।
দ্বিত্ৰিংস ৬০ বত্ৰিশ, ৩২, দ্বিত্ৰিংশ।
দ্বিপক্ষ ৫৯ কৃষ্ণ আৰু শুক্ল পক্ষ।
দ্ৰব্য ৩২ বস্তু, উপাদান

ধ

ধনি ১১, ৫৭ ধনী।

ধনিয়া ৬৬ মেমধু।

ধনু ৩৬ দ্বাদশ ৰাশিৰ নবম ৰাশি। ধনু ৰাশিৰ অধিপতি গ্ৰহ বৃহস্পতি।

ধবলা ৬০ শুক্লবৰ্ণ; শুক্লবৰ্ণ বিশিষ্টা ধেনু; বগী তিৰোতা।

ধৰনি ১৪, ২৮ পৃথিৱী, ধৰিত্ৰী, মহী, বসুমতী, মেদিনী, ধৰা, = ধৰণী।

ধৰ্ম ১৮ কৰ্ম, নীতি-নিয়ম ইঃ।

ধাই ২৭ ধাবতি, আগবঢ়া কাৰ্য্য, চোঁচা মাৰি যোৱা কাৰ্য্য।

ধান্য ১৯, ৪০ ধান।

ধাৰাহান পিঠি ৭৩ বহা ঢাৰা বা ঢাৰীৰ দৰে যাৰ পিঠি বহল।

ধিকাৰ ৩১ নিন্দা, তিৰস্কাৰ, গালি, < ধিক্কাৰ।

ধেলা ৭০ ঢেলা, বগা।

ধৈমালি ৩১ ধেমালি।

ধোহে ৭৩ ঢোঁহে।

ধৌৰ্য্য ৪৮ ধৈৰ্য্য।

ধ্বজ ৬৩ জ্যোতিষমতে ঘৰ-বাৰী পাতিবলৈ স্থিৰ কৰা মাটি ডোখৰ সমানে আঠ ভাগ কৰি ধ্বজ, ধূম্ৰ, সিংহ, শ্বান, বৃষ, খৰ, গজ আৰু কাকপদ নাম দিয়া হয়। ধ্বজত গৃহাদি নিৰ্মাণ কৰিলে সুখ-সম্পত্তি আৰু বৈভৱ লাভ হয়। ৫১ পতাকা।

পূব

উত্তৰ — দক্ষিণ

ধ্বজ	ধূম্ৰ
কাকপদ	সিংহ
গজ	শ্বান
খৰ	বৃষ

পশ্চিম

ন

নই ১৬ নৈ, < নদী।

নকৰৈ ৭১ নকয়।

নগ ৪১ পৰ্বত; বৃক্ষ।

নগৰি ১ নগৰ।

নট ১৭, ১৯ নৰ্ত্তন বিদ্যাত পাৰ্গত লোক; নাপিত।

নটি ২৯ নৃত্য পটীয়সী, নটী; নাপিতৰ পত্নী।

নথাকে ২ নাথাকে।

নদি ৫৮, ৭১ নদী।

নন্দন বন্দন ৪১ নদন বদন।

নফলে ১৬ ধান নহয়।

নবিন ৩৬ নবীন, নতুন।

নৰেন্দ্ৰ ৪৯ নৰ + ইন্দ্ৰ, নৃপতি, মহীপতি।

নৰ্কে ৭ নৰকত।

নৱমি ৩৪ নৱমী।

নসয় ১৬ সহ্য নকৰে, ক্ষমা নকৰে।

নহই ৩৮ নহয়।

নহৰে ৩৬ নহয়, উৎপন্ন নহয়।

নাগ ৬৮ বাস্তু নাগ অৰ্থাৎ সৰ্প, ভাদ মাহৰ পৰা আৰম্ভ কৰি তিনি তিনি মাহ বাস্তুনাগ পূৰ্বাদি দিশলৈ মূৰ কৰি বাওঁফালে কাটি হৈ শোৱে। নাগৰ পেটতহে ঘৰ নিৰ্মাণ কৰা উচিত।

নাঙ্গাল ৩৪ নাঙল।

নাচাৰিব ২ নেৰিব, অকলে নেৰিব।

নাচাৰে ৭০ এৰি নাথায়।

নাজাই ৭১ নাযায়।

নাটে ৯ নুকুলায়, অভাৱ হয়।

নানি ১৩ অনা উচিত নহয়, নানিবা।

নাভাসি ২৯ প্ৰকাশ নাপায়, শোভা নাপায়।

নাভি ৬৭ উদৰৰ মাজভাগত থকা গৰ্তাকাৰ নিম্নাংশ. নাই।

নামাজে ৩২ নোমোছে, নিলিপে।

নাৰ ২৯ নষ্ট; ধ্বংস; ভ্ৰষ্ট; চুৰা।
নাৰায়ন ৩১ নাৰায়ণ, নাৰ + অয়ন; বিষ্ণু।
নাৰি ২৫ স্ত্ৰী, অবলা, সীমন্তিনী, বধূ, বামা, বনিতা, মহিলা, = নাৰী।
নাহি ১৯ নাই।
নাস ৩৫, ৩৬ নষ্ট, ধ্বংস, নাৰ, = নাশ।
নাসা ৭১ নাসিকা।
নিআৰ ৭৫ নিয়ৰ।
নিকট ৩৭ ওচৰ, সমীপস্থ।
নিকাৰ ৩১ দুখ, কষ্ট, যন্ত্ৰণা, পীড়া।
নিকালি ২৬ বাহিৰ কৰি, দূৰ কৰি, খেদি।
নিচ ১৮, ৪৪ নীচ।
নিচয় ৫২ নিশ্চয়।
নিচিত ৫১ নিশ্চিত, ছিদাং।
নিতি ৫৮ নিতে।
নিতি ৩, ৮ নীতি।
নিত্যান্তে ৩১ অতিশয়, একান্ত, = নিতান্তে।
নিদ্ৰা ২৬, ৬৯ টোপনি, ঘুমটি।
নিধি ৪৪ কুবেৰৰ সম্পত্তি; পদ্ম, মহাপদ্ম, শঙ্খ, মকৰ, কচ্ছপ, মকুন্দ, কুন্দ, নীল, খৰ্ব (নৱবিধি); অস্বামিক ধন, গচ্ছিত ধন, সঞ্চিত ধন।
নিন্দ্ৰা ৬৯ নিদ্ৰা দ্ৰঃ।
নিপুন ৪৮ পাৰ্গত, দক্ষ, = নিপুণ।
নিয়া ১১ অনা-নিয়া, দিয়া-থোৱা।
নিলাজি ৩৪ লজ্জা বিহীনা, নিধকী, = নিলাজী।
নিষা ৬৫ ৰাতি, যামিনী, শৰ্বৰী, নিশীথিনী, ৰাত্ৰি, ৰজনী, বিভাবৰী, = নিশা।
নিসা ২, ৫৯ নিষা দ্ৰঃ।
নিসাত ২ নিশাত।
নিসি ৫০ নিশাপতি, চন্দ্ৰ, নৱগ্ৰহৰ অন্যতম গ্ৰহ চন্দ্ৰমা।
নিস্ত ৭২ নিশ্চয়, স্থিৰ, = নিষ্ঠ।
নিস্ফল ১১ বিফল, নিৰৰ্থক, ফলৰহিত, =
নিস্বয় ৭৪ নিশ্চয়।
নিহল ৭৪ শিকলি।
নুপুহাই ৫৯ নুপুৱায়।
নুবুঝি ২৭ নুবুজি।
নুৰুচে ৩০, ৩২ নুশুজে, ৰুচি নোপজে, তৃপ্তি নহয়।
নুসুনি ৫, ২৭, ৪৫ নুশুনি।
নুসুনে ১৬ নুশুনে।
নুহিবা ২২ নহবা।
নুহিবে ৪৭ নহ'ব।
নুহ্বা ১৮ নহবা।
নেওতা ১২ নিমন্ত্ৰণ।
নেত ৪৬ পাটৰ কাপোৰ।
নোপোচে ৩৩ নোসোধে।

প

পই ১৬ পৈ, স্বামী।
পখালে ৭০ ধোৱা-মেলা কৰে।
পঞ্চ ৬ পাঁচ।
পঞ্চাস ১, ৪২ পঞ্চাশ, ৫০।
পচিমে ৬২ পশ্চিমে।
পটা ১৯ মচলা বটা শিল।
পত্ৰত ৭ দলিলত, লিখিত কাকতত।
পথৰ ১৬ পথাৰ, ক্ষেত্ৰ।
পনেইখুৰ ৩৭ পোন খুৰা (গৰুৰ পোন খুৰা)।
পন্তা ৬৯ পঁইতা, (—ভাত)।
পন্থ ৭৩ পথ।
পৰত ১৫ আনত, নিজৰ বাহিৰে আনত।
পৰবাস ১১ প্ৰবাস, বিদেশত থকা কাৰ্য্য।
পৰলোক ৪ পৰকাল, পৰজন্ম, মৃত্যুৰ পিছৰ লোক।
পৰসে ৭০ স্পৰ্শ কৰে।
পৰিমান ২৪ মাত্ৰা, জোখ, = পৰিমাণ।
পৰিসে ১৭ স্পৰ্শকৰে।

পৰিহৰ ৩৩ ত্যাগকৰা, এৰা।
পৰিহাস ২৯ উপহাস, ঠাট্টা, মস্কৰা।
পৰিক্ষা ১৬ পৰীক্ষা।
পল ৬০ এক দণ্ডৰ ৬০ ভাগৰ এভাগ।
পসাৰি ১৭ পহাৰী, পোহাৰী, < পণ্য + শালিকা।
পসিআ ৭২ প্ৰৱেশ কৰি; স্পষ্টকৈ।
পাইক ৭৪ ৰায়ত।
পাক ২৩ ৰন্ধন
পাক ১৭ নাচ।
পসু ১৫ পশু।
পাগি ৬৬ গৰম কৰি, উতলাই।
পাচ ১০ পাঁচ, ৫।
পাঞ্চ ১৭ পাঁচ।
পাঞ্চৰতি ৬৭ পাঁচৰতি।
পাটি ১৬, ৩৮ পাটীত।
পান ৪২ পান।
পাতাল ৪১ পাতল।
পাতেক ৫ পাপ, পাতক।
পাত্ৰ ১৯, ৪৫ মন্ত্ৰী, বিষয়া।
পাত্ৰ ১ বাচন, সাজ, খোৱা বস্তু থোৱা সঁজুলি।
পান ৬৭ সেৱন ভক্ষণ।
পান ১৭ তামোলৰ লগত চোবাই এবিধ লতাৰ পাত, পাণ।
পানি ২, ৩, ৬৫ জল, = পানী।
পাপগ্ৰহ ৪৪, ৪৫ জ্যোতিষোক্ত ৰাহু, শনি, ৰবি আদি গ্ৰহ।
পামৰ ৬৮ অধম, নীচ, পাপিষ্ঠ।
পায় ১৬, ৭০ পাৱ, পাদ, ভৰি, <
পাৰ ৫১ শেষ সীমা।
পাৰা ৩২ পাৰচৰাই।
পাৰ্বতি ৫৮ শিৱৰ পত্নী, পাৰ্বতী।
পালে ২২ পালন কৰে।
পাৱ ১৬ ভৰি।
পাস ১৮, ৩১ ওচৰ, সমীপ, = পাশ।
পাসণ্ড ৭২ পামৰ, = পাষণ্ড।
পাসৰি ৬৬ নোহোৱা অৱস্থা; নিৰাময় হোৱা; পাহৰিব পাৰি।
পাসা ৭৫ ওচৰ, পাশ।
পিএ ১২, ৬৫ পান কৰে, পীয়ে।
পিঙ্গটা ২৮ পিঙ্গল বৰণীয়া।
পিঙ্গল ২৮, ৭ পিতল বৰণীয়া।
পিঙ্গলা বৰ্ণ্ণ ৭৩ পিতলৰ দৰে বৰ্ণবিশিষ্ট।
পিত্ত ৬৬ শৰীৰস্থ ধাতু বিশেষ, দেহৰ ভিতৰৰ তাপজনক ধাতু, যকৃতৰ পৰা নিৰ্গত হোৱা তিক্ত ৰসবিশেষ।
পিপলি ৬৮ আউনী পাণৰ নিচিনা এবিধ লতাৰপৰা হোৱা ফল, ঔষধি, < পিপ্পলী।
পিপাস ৫৭ তৃষ্ণা; কামনা-বাসনা, পিপাসা।
পিয়ল ৭৪ গণনা।
পিলিকা ৫৫ লেধা, মেদা, মাঠ; দুৰ্বল, নিস্তেজ।
পিড়া ৫৯ কষ্ট, ক্লেশ, = পীড়া।
পিড়িত ৫৫ পীড়িত।
পুআ ৪২ পুৱা, প্ৰভাত।
পুচি ২৫ সোধা-মেলা কৰি।
পুজন ৬৫ পূজা কৰা কাৰ্য, পূজন।
পুজা ২৬ পূজা।
পুতাক ১ পুত্ৰক।
পুব ৪২ পূৰ্ব, পূৰ্বদিশ।
পুয়া ৭৫ পুৱা।
পুৰ ৩২ পূৰ্ণ; সন্তুষ্ট, = পূৰ।
পুৰাতন ৩৬ পুৰণি, প্ৰাচীন।
পুৰুস ২৯ মতা মানুহ, মুনিহ মানুহ।
পুৰ্ণিমা ৪২ শুক্লপক্ষৰ পঞ্চদশী তিথি।
পুৰ্ব্ব ফাল্গুনি ৪৩ পূৰ্ব্ব ফাল্গুনী, অশ্বিন্যাদি সপ্তবিংশতি নক্ষত্ৰান্তৰ্গত একাদশ নক্ষত্ৰ, অধিপতি অৰ্য্যমা।

পুষ্ট ৩৭, ৭২ মেচা, শকত, বৰ্দ্ধিত, স্থূল।

পুষ্যা ৪৩ অশ্বিনী আদি ২৭ টা নক্ষত্ৰৰ অন্তৰ্গত ৮ম নক্ষত্ৰ, ই বাণাকাৰ এক তৰাযুক্ত, অধিপতি বৃহস্পতি।

পুসি ১৫ পুহি, পোহপাল দি।

পুসিব ৫১ পুহিব।

পুস্ত ৬৬ পুষ্ট দ্ৰঃ।

পুৰ্ণিমা ৬২ পূৰ্ণিমা দ্ৰঃ।

পৃথিবি ৩৬ পৃথিৱী।

পৃষ্টি ৬১ পিঠি, পাছফালে।

পেত ৭৩ পেট।

পেলাউ ৩২ পেলোৱা।

পো ১৩ পুত্ৰ, পুতেক।

পোএৱাতি ১ পুৱতি, পুৱাতী, পোৱাঁতী, প্ৰসূতী, প্ৰসূতি।

পোচে ৯ সোধে, সোধা-মেলা কৰে।

পোটৰুৱা ৬৬ দ্ৰব্যগুণসম্পন্ন গছ, পতৰীয়া গছ? পটোল লতা?

পোৰোলা ২৩, ৬৬ পুঁইশাক < পোদকী।

পোলাগা ১৩ সন্তান থকা, সন্তানৰ মাক হোৱা।

পোৱাতি ১৩ পোএৱাতি দ্ৰঃ।

পৌত্ৰ ১ নাতি।

পৌষ ৩৫ পুহ।

পৌষ সংক্ৰান্তি ৬০ মাঘৰ দোমাহী, মাঘবিহু।

প্ৰকাশিয়া ৩৫ প্ৰকাশ কৰি।

প্ৰধানৰ ঘৰে ৫৩ ৰজাৰ ঘৰত, নৃপতিৰ ঘৰত।

প্ৰবন্ধে ৩ চেষ্টা কৰি, পুৰুষাৰ্থৰ সৈতে।

প্ৰভাত ২৬ ৰাতিপুৱা।

প্ৰয়াগ ৪ এলাহাবাদৰ ওচৰৰ এখন পৱিত্ৰ তীৰ্থস্থান।

প্ৰশংসে ৪ প্ৰশংসা কৰে, গুণানুকীৰ্তন কৰে।

প্ৰান ৫৮ হৃদয়ৰ বায়ু; দেহৰ পঞ্চ বায়ুৰ ভিতৰত যি শ্বাসৰূপে ভিতৰলৈ যায়, প্ৰাণ, অপান, সমান, উদান, ব্যান— এই পঞ্চ বায়ুৰ সমষ্টি, = প্ৰাণ।

প্ৰায়স্বিত্ত ৮ প্ৰায়শ্চিত্ত, চান্দ্ৰায়ণাদি ব্ৰত।

ফ

ফান্দ ৪৪, ৬২ লগ্নৰ পৰা ৬ষ্ঠ স্থানক ৰিপু-স্থান বোলা হয়। 'ৰিপু' গ্ৰহত চন্দ্ৰ গ্ৰহ থাকিলে জাতকে নিজৰ শত্ৰুক ধৰিবৰ বাবে সৰুৰে পৰা ফান্দ পাতিবলৈ সক্ষম হয়।

ফাল্গুন ৬০ ফাগুন।

ফুৰন্তে ৬২ ফুৰোঁতে ফুৰোঁতে।

ফুল ১ মাতৃৰ গৰ্ভত ভ্ৰূণক আৱৰি থকা আৰু সন্তান জন্মৰ ঠিক পিছতে নিৰ্গত হোৱা ছাল বা মোনাদি, জৰায়ুপুষ্প, Placenta, লগী (দৰং), পাছকথা (নগাঁও), পাছ শুল (দঃ কামৰূপ)।

ফোটা ৯ ফোট, তিলক।

ব

বই ১৬, ১৭ বহন কৰে; আনৰ ঘৰত খাটি দিয়া কাৰ্য, অৰ্থাৎ নিজে কাম কৰিবলৈ শিকিলেহে আনকো কাম শিকাব পাৰি।

বংসে ২৫ বংশত, কুলত, গোত্ৰত, = বংশত।

বক্ৰ ৫৯ গ্ৰহৰ বেঁকা গতি; শনি গ্ৰহ; মঙ্গল গ্ৰহ।

বক্ৰভাবে ১০ বেঁকাকৈ, কুঠাৰৰ গঢ় সামান্যভাৱে বেঁকা হোৱা বিধেয়।

বচ ২ দ্ৰব্যগুণবিশিষ্ট আৰু উগ্ৰগন্ধী গুল্ম। লোক-ঔষধত ভূত-প্ৰেত খেদিবৰ বাবে আৰু নানা ৰোগ নিৰাময়ৰ বাবে ইয়াৰ পাত আৰু মূল ব্যৱহাৰ কৰা হয়, < সং ৱচা।

বঞ্চে ১৩ ছল কৰে, ছলনা কৰে, প্ৰতাড়না

কৰে।
বচন ১৩ উক্তি কথা।
বচ্চৰ, বচ্ছৰ ৮, ৫৫ বছৰ।
বঞ্চিব ৪০ বাস কৰিব, খপিব।
বজ্ৰপাতে ৫১ বজ্ৰপৰি।
বটেলি ৭৪ বটালী।
বন ৩৮ খেতি-বাতিৰ কাম-কাজ, কাম-বন।
বনিজ ৪২ বাণিজ্য, বেহা-বেপাৰ, বেপাৰ-বাণিজ্য।
বপাই ২৮ বাপাই, পিতাই, < সং বপ্ৰ।
বৰনিয়া ৩৯ বৰণবিশিষ্ট, বৰণীয়া।
বৰষুনে ২০ বৰষুণে।
বৰসিবাই ৬৯ বৰশীবায়।
বৰসিবান ১৮ বৰশী বোৱা কাৰ্য, কাম-বনৰ ভিতৰত বৰশী বোৱাই সহজ কাম।
বৰাহ মিহিৰ ৪৭ কোনো কোনো পণ্ডিতৰ মতে বৰাহমিহিৰ পৰম্পৰাগত অথবা জনশ্ৰুতি প্ৰসিদ্ধ পণ্ডিত। অন্যহাতে আন কিছুমান পণ্ডিতৰমতে তেওঁ ঐতিহাসিক ব্যক্তি। উজ্জয়িনীৰ প্ৰথিতযশা ৰাজেশ্বৰ বিক্ৰমাদিত্যৰ ৰাজসভাৰ নৱৰত্নৰ অন্যতম প্ৰসিদ্ধ জ্যোতিৰ্বিদ পণ্ডিত। বৰাহমিহিৰে আৰ্যভট্টৰ দ্বাৰা নিৰ্ণীত পৃথিৱীৰ আহ্নিক গতি স্বীকাৰ কৰা নাই। অসমত প্ৰচলিত পৰম্পৰা মতে ডাকপুৰুষ বৰাহমিহিৰৰ পুত্ৰ। বঙ্গদেশীয় মতে খনা, বৰাহমিহিৰৰ পুত্ৰ-বধূ আছিল (বিস্তৃত বৰ্ণনা স্থানান্তৰত উপস্থাপিত হৈছে)।
বৰাৰি ১৫ ভাৰতীয় পৰম্পৰাগত ৰাগ-সংগীতৰ অন্তৰ্গত ৰাগ (ৰাগিনী) বিশেষ। লোচন কবিৰ মতে বৰাড়ীৰাগ গোৱাৰ সময় প্ৰভাত।
বৰিসা ৩৫ বাৰিষা।
বৰিসে ৩৪ বৰষুণ দিয়ে।
বৰুসন ২০ বৰষুণ।
বৰ্বৰ ১৯ মূৰ্খ, অসভ্য, অশালীন।
বৰ্ষ ৪৬ বছৰ; আয়ুস, লগ্নৰ দশম স্থানত চন্দ্ৰ, তৃতীয় স্থানত মঙ্গল আৰু ষষ্ঠ স্থানত ৰাহু থাকিলে জাতকৰ আয়ুস এশ বছৰ।
বৰ্ষা ২৭ বাৰিসা (বাৰিষা)
বলধা ৪২ ডাঙৰ হালোৱা গৰু।
বল্লভা ৫২ প্ৰিয়, লগ্নৰ দ্বিতীয় স্থানত শুক্ৰ থাকিলে জাতক নাৰীৰ অতিকে প্ৰিয় হয়।
বসন ১ কাপোৰ, পোছাক-পৰিচ্ছদ।
বহে ৩৮ বায়।
বহুল ৩৫ প্ৰচুৰ।
বাই ১৬, ২০, ৬৯ কামত খটাব পাৰে, বাব পাৰে।
বাউমুৰা ৩৭ বেঁকামুৰা, তলমুৰা?
বাউল ২৪ পাগল, বাতুল।
বাক ১১ কথা।
বাঙ্কি ২ বাকী, শেষ কৰি, বাকী নথকাকৈ ঔষধ পান কৰিব লাগে।
বাজে ৮ সংঘটিত, বাপেক-পুতেকৰ মাজত যদি কাজিয়া সংঘটিত হয়।
বাঝ ৫, ৭৩ বাজ, বাহিৰ হোৱা কাৰ্য, নিৰ্গত হোৱা কাৰ্য।
বাঝে ৩ বাহিৰে, শেষ হৈ যোৱাৰ পিছত।
বাট ৬৬ পটাত পিহা। ১৩ ৰাস্তা।
বাটি ৭১ চাকি, দীপ।
বাণ্ডি ২৮ বান্দী, দাসী।
বাত ৬৬ দেহৰ ধাতু বিশেষ আৰু ইয়াৰ বিকাৰত হোৱা ৰোগবিশেষ, gout, rheumatism।
বাতি ২৫ চাকি।
বাতে ৪৭ বাত-বিষে।

বানি ১৬, ১ বাণী।
বানিজ্য ১৭, ৩৯ বেহা-বেপাৰ।
বানে ১৭ বানপানী
বামে ৪২ ওখ ঠাই।
বাপ ১৩ পিতাক।
বাবৰি ৬৬ এবিধ সুগন্ধি শাক।
বাম ৬১ বিৰুদ্ধ।
বায়ব্যে ৬২ বায়ু দিশত, এই দিশৰ অধিপতি গ্ৰহ চন্দ্ৰ।
বায়ু ৪৪ ধুমুহাত।
বাৰানাসি ৪১ বাৰানসী।
বাৰাও ৭৪ বঢ়োৱা, বৰ্দ্ধিত কৰা।
বাৰি ২৮ বাৰী, বাটিকা, (কলৰ বাৰী, কপাহৰ বাৰী)।
বাৰিপুষ্প ২ পানীত হোৱা ফুল, পদুম অথবা ভেট।
বাৰিসা ১০ বাৰিষা।
বাস ৩৩ বাঁহ।
বাসকাৰ ৬৮ বাহকা, বাসক লতা, বাহক লতা।
বাহ ৪৫ বাঁহ।
বাহি ১২ বাহা, ওহাৰৰ বাহ।
বাহি ১৭ বাহী, অপৰিষ্কাৰ, ধোবাই কাপোৰ দেখিলেই বাহী অৰ্থাৎ অপৰিষ্কাৰ কাপোৰ বুলি কয়।
বিকল ৫২ ব্যাকুল।
বিগ্ৰহ ৪৮ যুদ্ধ-বিগ্ৰহ, বিবাদ, কাজিয়া-পেচাল।
বিচা ৩৯ মেষাদি দ্বাদশ ৰাশিৰ অন্তৰ্গত অষ্টম ৰাশি; বিচা ৰাশিৰ অধিপতি গ্ৰহ মঙ্গল।
বিচানেজীয়া ৩৭ বিচাৰ দৰে নেজ।
বিজ ৩৬ বীজ।
বিত্ত ৯, ৪৬ টকা-পইচা।
বিদি ১৪ বিদিত, পৰিচিত।
বিদ্যাহিন ৩৪ বিদ্যাহীন, পঢ়া-শুনা নোহোৱা।
বিধৱা ৩০ স্বামী মৰা স্ত্ৰী।
বিধি ৪৭ দৈব্য, অদৃষ্ট, বিধাতা; ব্ৰহ্মা।
বিধোআ ৭২ বিধৱা।
বিনাস ৩৫ বিনাশ, ধ্বংস; মৃত্যু।
বিনাস ১ জন্মকুণ্ডলীৰ কোনো এটি ৰাশিত বুধ আৰু বৃহস্পতি একেলগে থাকিলে মাৰক যোগ হয়; কাৰণ বুধ আৰু বৃহস্পতি শত্ৰু গ্ৰহ। গতিকে এনে জন্মকুণ্ডলীবিশিষ্ট জাতকৰ বিনাশ বা মৃত্যু হোৱা স্বাভাৱিক। = বিনাশ
বিনিত ৫৭ বিনীত।
বিন্ধ্যাগিৰি ৩ ভাৰতৰ এখন বিখ্যাত পৰ্বত।
বিপত্তি ৫৯ বিপদ, দুৰবস্থা, আপদ।
বিপৰিত ৫১ প্ৰতিকূল, বিপৰীত।
বিপ্ৰ ৮ ব্ৰাহ্মণ, দ্বিজোত্তম, ঋষি; অশ্বত্থবৃক্ষ;, প্ৰশস্তি গীত গায়ক।
বিৰঙ্গ ৬৭ দৰবৰ গছবিশেষ, ই দুবিধ ঃ (১) বৰ বিৰিং আৰু (২) বা-বিৰিং; কীট নাশক ঔষধৰূপে প্ৰয়োগ কৰা হয়। 'কৃমিঘ্ন গণ'ৰ মাৰ্চিনেসী জাতীয় বনৌষধি। < সং বিড়ঙ্গ।
বিৰালি ১৬ মেকুৰী।
বিশুতি ৩১ বিসংগতিপূৰ্ণ; অশালীন (?)
বিভাৰমুৱা ৪৪ বিভাৰ < বিভান, পোহৰমুৱা, সুৰুজমুৱা? বিহান পুৱাতে সাৰ পোৱা (হালোৱা)।
বিষ্ণু ৪, ১৭ বিশ্ব-ব্ৰহ্মাণ্ড জুৰি যি ব্যাপক (বিষ +নুক্), নাৰায়ণ, গোবিন্দ, হৰি, হৃষীকেশ; ব্ৰহ্মাদি ত্ৰিমূৰ্তিৰ অন্যতম আৰু সৃষ্টিৰ পালক।
বিস ৯, ৫০ বিষ।
বিসু ৫৯ বিহু।
বিসেস ৭০ বিশেষ।

বিস্তৰ ২৫ বেছিকৈ।
বিস্বাস ২৬ বিশ্বাস।
বিহাৰ ৫৯ আঁতৰি যোৱা, স্থানান্তৰিত, অপসাৰিত।
বিহিন ৩৪ ৰহিত, বৰ্জিত, ত্যক্ত, = বিহীন।
বিড়ম্বন ১০ বঞ্চনা, প্ৰতাৰণা; পৰিহাস; যন্ত্ৰণা।
বুঝা ৪৪ বুজিব পাৰি, বুজা যায়।
বুঝাই বুঝাই ৭১ বুজাই বুজাই, বুজনি দি, উপদেশ দি।
বুঝি ২৪, ৪৬ বুজি।
বুঝিয়া ৫, ২২ জানি উঠি, উপলব্ধি কৰি।
বুধ ৪৩ নৱগ্ৰহৰ অন্তৰ্গত গ্ৰহ। চন্দ্ৰৰ ঔৰসত তাৰাৰ গৰ্ভত বুধৰ জন্ম। মিথুন আৰু কন্যা ৰাশিৰ অধিপতি গ্ৰহ। বুধৰ মিত্ৰ গ্ৰহ ৰবি আৰু শুক্ৰ; শত্ৰু গ্ৰহ চন্দ্ৰ। লগ্নৰ ৪ৰ্থ আৰু ৮ম স্থানত বুধৰ দৃষ্টি ত্ৰিপাদ।
বুধি ৭৪ বুদ্ধি।
বুৰা ৭৫ বুঢ়া, বৃদ্ধ; প্ৰবীণ।
বুৰি ৪১ পতি, প্ৰতিটোত, 'খোজত বুৰি', প্ৰতিটো খোজত।
বুড়িব ৩৬ বুৰিব, বানপানীত তল যাব।
বৃষ ৬৩ বাস্তু মণ্ডলৰ অষ্টভাগৰ এভাগ, বৃষত গৃহনিৰ্মাণ কৰিলে তাৰ ফল সুখ ভোগ।
বৃষ ৩৭ হালোৱা গৰু, বলদ, বলধ; ষাঁড়।
বৃষ ৪৭ মেষাদি দ্বাদশ ৰাশিৰ দ্বিতীয় ৰাশি, বৃষৰ অধিপতি গ্ৰহ শুক্ৰ।
বৃষ্টি ৮ আশীৰ্বাদ ৰূপ বৃষ্টি।
বৃষ্টি ৩৫ বৃষ্টি, বৰষুণ।
বৃহস্পতি ৪৬ নৱগ্ৰহৰ অন্যতম গ্ৰহ, গ্ৰহবিলাকৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ, গুৰু, দেৱগুৰু দ্ৰঃ।
বৃক্ষ ৩ গছ-গছনি।
বেঞ্জন ২৩ আঞ্জা, ব্যঞ্জন।
বেথা ১৮ আদৰ, সন্মান; চেনেহ, অনুকম্পা।
বেথিত ৫১ দুখিত।
বেদ ৬, ১৩ হিন্দুৰ সৰ্বপ্ৰাচীন গ্ৰন্থ, ধৰ্ম আৰু ব্ৰহ্ম-প্ৰতিপাদক অপৌৰুষেয় শাস্ত্ৰ, শ্ৰুতি, বেদ চাৰিখন : ঋক্, যজুঃ, সাম, অথৰ্ব।
বেদবেত্তা ৬ বেদজ্ঞানী, বেদত যি পাৰঙ্গদ।
বেৰাই ১৮, ৩০ ইঘৰ সিঘৰ কৰি ঘূৰি ফুৰা কাৰ্য।
বেস্যা ১৫, ৩০ বেশ্যা, গণিকা, বেইছ্যা।
বেস ২৭ বেশ, বেশভূষা, সাজ-সজ্জা পোছাক-পৰিচ্ছদ।
বেসুয়াৰ ২৩ ব্যঞ্জনৰ উপকৰণবিশেষ। এতোলা হিং, দুতোলা আদা, চাৰি তোলা জালুক, আঠ তোলা জিৰা, যোল তোলা হালধী আৰু বত্ৰিছ তোলা ধনিয়া একেলগে বটিলেই (বাটিলেই) এইবিধ উপকৰণ প্ৰস্তুত হয়, = বেশৱাৰ।
বেহা ১৮ বেহা-বেপাৰ।
বেহাই ১৩ বেহানি কৰে, বেপাৰ কৰে।
বৈদ্য ৯, ৬৭ বেজ, বৈদ।
বৈসাই ৩০ বহুৱায়, বহিবলৈ দিয়ে।
বৈসাগ ৩৫ বৈশাখ, ব'হাগ।
বৈসাগি বিহু ৫৯ ব'হাগ বিহু, ব'হাগৰ দোমাহী।
বোচ্ছৰ ৯ বছৰ।
বোয়নি ১৫ বোৱনী, শিপিনী।
বোৱাৰি ১২ বোৱাৰী, বধূ।
বোল ১৫, ১৭ কথা, বচন।
ব্ৰহ্মবিচাৰ ৭২ শেষ বিচাৰ, চূড়ান্ত বিচাৰ।
ব্ৰহ্মা ৪ প্ৰজাপতি, সৃষ্টিকৰ্তা, ত্ৰিমূৰ্তিৰ অন্যতম, ৰজগুণৰ অভিব্যক্তি।
ব্ৰাহ্মন ৫৮ ব্ৰাহ্মণ।

ব্রাহ্মণ ৩ বামুণ; বিপ্র; দ্বিজোত্তম, 'ব্রহ্মবেদং শুদ্ধং চৈতন্যং বা বেত্ত্যধীতে বা অন্।' 'মনু-সংহিতা' মতে ব্রাহ্মণঃ জন্মনা ব্রাহ্মণো জ্ঞেয়ঃ সংস্কারৈর্দ্বিজ উচ্যয়ে। বিদ্যয়া যাতি বিপ্রত্বং ত্রিভিঃ শ্রোতিয় উচ্যতে।।' অথবা 'জাত্যা কুলেন বৃত্তেন স্বাধ্যায়েন শ্রুতেন চ। এভির্যুক্তো হি যস্তিষ্টেন্নিত্যং স দ্বি উচ্যতে।।'

ভ

ভগ্ন ৪৬ নোহোৱা, বিদূৰিত, বিনষ্টযাৰ জন্মকুণ্ডলীৰ মেষ ৰাশিত চন্দ্র থাকে আৰু কৰ্কট বা তুলা বা মকৰত লগ্ন থাকে সেই জাতকৰ অন্যান্য অশুভাদি যোগ বিদূৰিত হয় বা নাথাকে।

ভৱন ৫৫ স্থান।

ভৰণি ৩৬ ভৰণী নক্ষত্র।

ভৰা ১৪ বোজা; অতিপাত ভোজন।

ভাণ্ডাৰ ৬৫ ভঁড়াল, ভাখেৰী।

ভাতৰ গ্রাস ৭২ ভাতৰ গৰাহ।

ভাতৃ ৫২ ভ্রাতৃ, লগ্নৰ পৰা তৃতীয় স্থানত চন্দ্র থাকিলে তাৰ ফল জাতকৰ ভ্রাতৃ বিনাস।

ভাদ্র ৪২ ভাদ মাহ।

ভানুতনুজা ৪৪ শনি, সূৰ্য্যৰ ঔৰসত ছায়াৰ গৰ্ভত শনি আৰু সাবৰ্ণি মনুৰ জন্ম। চিত্ৰৰথৰ কন্যা শনিৰ পত্নী। ধ্যানমগ্ন শনিৰ ওচৰত ঋতুমতী পত্নীয়ে ৰতি ভিক্ষা কৰে। পত্নীৰ একান্ত অনুৰোধৰ প্রতি শনিয়ে ভ্রূক্ষেপ নকৰিলে। পৰিণতিস্বৰূপে তেওঁ, শনিক অভিশাপ দিয়ে ঃ যাৰ প্রতি শনিয়ে দৃষ্টিপাত কৰিব তেৱেঁই বিনষ্ট হ'ব। শনিৰ দৃষ্টিপাতত গণেশ ছিন্নমস্তক হোৱা হেতু মাতৃ পাৰ্বতীয়ে শনিক অভিশাপ দিয়ে। তাৰেই ফলশ্রুতিত শনি খোৰা হয়। সেইবাবে শনিক 'খোৰা', 'খোৰ' ৰূপেও জনা যায়। (ব্রহ্মবৈবৰ্ত্তপুৰাণ)

ভাৰ্গৱ ৪৮ নৱগ্রহৰ অন্যতম গ্রহ শুক্রৰ পিতৃৰ নাম ভৃগু। সেইবাবে শুক্রৰ আন এটি নাম ভাৰ্গৱ। তেওঁ দৈত্য গুৰু আৰু সৰ্বশাস্ত্র প্রবক্তা। বামনক ত্রিপাদ ভূমি দান কৰাৰ পৰা বলিক বিৰত কৰাৰ প্রয়াসেৰে মাখি ৰূপ পৰিগ্রহ কৰি শুক্রচাৰ্য্যই ভৃঙ্গাৰত প্রৱেশ কৰি জল ৰোধ কৰে। বামনে ভৃঙ্গাৰৰ ভিতৰভাগ কুশৰে খুঁচৰি দিয়ে। তাৰ পৰিণতি স্বৰূপে মক্ষিকাৰূপী শুক্রাচাৰ্য্যৰ চকু এটা কণা হয়। গতিকে শুক্রাচাৰ্য্য 'কণা' বা 'কাণ'ৰূপেও পৰিচিত। এবাৰ মহাদেৱে শুক্রক গ্রাস্ কৰি মহাহ্রদৰ জলৰ মাজত দশ কোটি বছৰ তপস্যা কৰিছিল। ইয়াৰ দ্বাৰা জঠৰস্থ শুক্রাচাৰ্য্যয়ো উৎকৰ্ষ লাভ কৰি মুক্তিৰ বাবে মহাদেৱক স্তুতি কৰিবলৈ ধৰিলে। অৱশেষত তেওঁ মহাদেৱৰ শিশ্ন পথেৰে নিৰ্গত হয় আৰু সেইবাবে তেওঁৰ নাম হয় শুক্র।

ভাৰ্য্যা ২০ পত্নী, পতিব্রতাপত্নী।

ভালা ৬৯ ভাল, উত্তম।

ভালি ৩৭, ৪০ ভাল, শ্রেষ্ঠ, উত্তম।

ভাৱ ১১ উদ্দেশ্য, অভিপ্রায়, সামাজিক বা মানসিক অৱস্থা।

ভাসে ২৬ দীপ্তি কৰে, প্রকাশ কৰে, শোভিত হয়।

ভিতি ৪৭ ফালে।

ভিসন ৭৩ ভয়ংকৰ, ভয়াবহ, ভীতিপ্রদ, = ভীষণ।

ভুই ৩৭ ভূমি, মাটি।

ভুপতি ৫০ নৃপতি, ৰজা, ন্বপ, = ভূপতি।

ভুমি ৩৫, ৩৬ মাটি, = ভূমি।

ভূমি নন্দন ৪৮, ৫২, ৫৯ মঙ্গল গ্ৰহ।
ভূষন ৫০ অলংকাৰ, আভৰণ; শোভা, = ভূষণ।
ভূমি তনুজা ৪৩ মঙ্গল গ্ৰহ।
ভূমিপুত্ৰ ৪৮ মঙ্গল গ্ৰহ।
ভৃঙ্গৰাজ ৬৬ ভেষজ গুণসম্পন্ন গুল্মবিশেষ।
ভৃত্য ৭ চাকৰ, দাস।
ভেকুৰি ৬৬ ভেষজ গুণসম্পন্ন এবিধ গুল্মজাতীয় উদ্ভিদ, < বৃহতী।
ভেদ ৮ বিৰোধ সম্পাদন।
ভোখ ১৭ ভোক।
ভোগজিৰা ৬৬ জীৰা কেবাপ্ৰকাৰৰ যেনে ঃ ভোগজীৰা, কালজীৰা ইত্যাদি।
ভোচা ১৯ ভূচি অৰ্থাৎ তুঁহ, পতান আদিৰ ওপৰত শুই থকা (কুকুৰ), কামত নলগা, অপ্ৰয়োজনীয়।
ভোৱন ১৭ ভুৱন; পৃথিৱী।
ভৌম ৪৭, ৫৩ মঙ্গল গ্ৰহ।
ভ্ৰষ্ট ১০ দোষযুক্ত।
ভ্ৰান্তি ৬০ ভুল, ভ্ৰম।
ভুঞ্জন্তি ৪৭ ভোগ কৰে।

ম

মকৰ ৩৬, ৩৯ মেষাদি দ্বাদশ ৰাশিৰ অন্তৰ্গত দশম ৰাশি। উত্তৰাষাঢ়াৰ শেষ পাদত্ৰয়, সমগ্ৰ শ্ৰৱণা আৰু ঘনিষ্ঠাৰ আদি পাদদ্বয়— (৯ পাদ) এই ৰাশিৰ ভোগ-কাল। মকৰ ৰাশিৰ অধিপতি গ্ৰহ শনি। মকৰ ৰাশি মৃগ নামেৰেও পৰিচিত।
মঘা ৪৩ অশ্বিনী আদি নক্ষত্ৰৰ অন্তৰ্গত দশম নক্ষত্ৰ। মঘা নক্ষত্ৰ গৃহাকৃতি, পঞ্চতাৰকাযুক্ত, কোনো কোনোৰ মতে নাঙলৰ আকৃতিৰ। অধিপতি পিতৃগণ।
মঙ্গল ৪৪ নৱগ্ৰহৰ অন্যতম। কুঁজ, কুঁজা, ভৌম, ভূমিপুত্ৰ, ভূমি তনুজা আদি ৰূপেও মঙ্গল গ্ৰহ পৰিচিত। মেষ আৰু বৃশ্চিক ৰাশিৰ অধিপতি গ্ৰহ মঙ্গল। মঙ্গলৰ মিত্ৰ গ্ৰহ ৰবি, চন্দ্ৰ, বৃহস্পতি, শুক্ৰ আৰু শত্ৰু গ্ৰহ বুধ।
মঙ্গল্য ৩ মঙ্গলকৰ, শুভজনক, = মাঙ্গল্য।
মচ্ছ ৩২ মাছ, = মৎস্য।
মঞি ৩৮ মই।
মতোয়াল ১০ প্ৰমত্ত, উন্মত্ত, মতলীয়া, মতোৱাল।
মধু ৩৯ মৌ।
মধ্যাত ৪০ মাজত।
মধ্যস্থ ৭ মাজৰ (মানুহ), উমৈহতীয়া, গোচৰীয়া আৰু পদকীয়া উভয়ৰে প্ৰতি সমদৃষ্টিসম্পন্ন, এফলীয়া ভাব বা দৃষ্টি নথকা।
মনযুক্ত ৫৬ সমভাববিশিষ্ট, একে মনৰ।
মন্ত্ৰি ৫৯ মন্ত্ৰী, ৰাজ বিষয়া।
মন্দ ৭, ৩২ অধম, বেয়া, অহিতকাৰী, অনিষ্টকাৰী।
মন্দাসয় ৪৯ মন্দ অৰ্থাৎ বেয়া মনৰ অধিকাৰী, কু-অভিপ্ৰায়যুক্ত; অজীৰ্ণ ৰোগত আক্ৰান্ত; আদিত্যৰ লগত চন্দ্ৰ একে ৰাশিত থাকিলে জাতক অজীৰ্ণ ৰোগাক্ৰান্ত হয়।
মন্মথ ভৱন ৫৯ কন্যা ৰাশি।
মৰকিয়া ১৮ গৰুহাল এঘৰৰ, হালোৱা (হালবাহক) আন এঘৰৰ। হাল বোৱাৰ অনুপাত ২ ঃ ১ অৰ্থাৎ গৰুহালৰ গৰাকীৰ ঘৰত দুদিন আৰু হালোৱাৰ ঘৰত এদিন। এই ব্যৱস্থাক মৰকীয়া বোলে।
মৰগিয়া ১৬ মৰকিয়া দ্ৰঃ।
মৰন ৪০ মৃত্যু, মৰণ।
মৰন্তি ৫৫, ৬৭ মৰিব। জাতকৰ জন্মকুণ্ডলীৰ লগ্নস্থানৰ পৰা অষ্টমত

বৃহস্পতি থাকিলে তীৰ্থস্থানত তেওঁৰ মৃত্যু হ'ব।
মৰিচ ২৩, ৬৬ আলুক।
মৰ্কট ১৯ বান্দৰ, বানৰ।
মল ৬৭ শৌচ; শাক খালে শৌচৰ পৰিমাণ বেছি হয়।
মলচে ৩২ ঘহে, মচে।
মহাদেৱ ৩৫ শিৱ, ত্ৰিমূৰ্তিৰ অন্যতম মূৰ্তি, তম গুণৰ অভিব্যক্তি, শ্ৰেষ্ঠদেৱ।
মহাৰাই ৪৬ মহাৰাজ, চক্ৰৱৰ্তী।
মাংস ৩২ মঙহ।
মাকৰি ৬১ মকৰ দ্ৰঃ।
মাঘৰ বিসু ৫৯ মাঘৰ বিহু, মাঘৰ দোমাহী।
মাঘি সপ্তমি ৬০ মাঘ মাহৰ সপ্তমী তিথি।
মাচ ১৩, ২০ মাছ, মৎস্য।
মাঝ ৬, ১৩ মাজ, মধ্য।
মাঝে ২ মাজত, মধ্যত।
মাগুলি ৬৪ মাৰলী, মাল্লি।
মাত্ৰা ৬০ বৰ্ণৰ উচ্চাৰণৰ কাল, স্বৰৰ স্থিতিকাল।
মাথে ২৯ মূৰত।
মানিক ৩২ মাণিক, মহামূল্যবান ধাতু।
মাহ ২৮ শস্য, য'ৰ পৰা দাইল হয়।
মিচা ৩০ মিছা, অসত্য।
মিত ৪১ 'মি' বা 'মী' ভাগান্ত তিথি— পঞ্চমী, সপ্তমী, অষ্টমী, নৱমী, দশমী।
মিথুন ৩৯ মেষাদি দ্বাদশ ৰাশিৰ অন্তৰ্গত তৃতীয়া ৰাশি। মিথুন ৰাশিৰ অধিপতি গ্ৰহ বুধ।
মিন ৩৬, ৩৯ মেষাদি দ্বাদশ ৰাশিৰ অন্তৰ্গত দ্বাদশ ৰাশি মীন, অধিপতি গ্ৰহ বৃহস্পতি। ৬২ মাছ।
মিলন্তি ৫৭ মিলে; লগ্নৰ একাদশত আদিত্য থাকিলে পিতৃৰ গচ্ছিত বা সঞ্চিত ধনৰ দ্বাৰা জাতকৰ সুখ-শান্তি লাভ হয়।
মিলয় ৪৬ লাভ কৰ।
মিলিত ৪২ লগ হয়।
মিষ্ট ২৫ মিঠা, ৰুচিকাৰক, সুস্বাদু।
মু ২৩ মুখ, দীঘলকৈ ফুৰুকালেহে জুইৰ মুখ দেখা যায় অৰ্থাৎ জুই উঠে।
মুকা ৬২ শনি গ্ৰহ? কেতু? পাঠত 'মুকা'ৰ ঠাইত 'সুকা'হে হোৱা উচিত। শুক্ৰবাৰে বায়ুদিশাভিমুখে যাত্ৰা কৰা অনুচিত।
মুখৰা ১৩ মুখ চোকা, কাজিয়াপ্ৰিয়, লাউপাত কচুপাতৰ দৰে মুখবিশিষ্ট।
মুগ্ধ ৩২ মূৰ্খ; ছুল কৰি আন পুৰুষক ভন দেখুওৱা, সঘনে পানীৰ ঘাটলৈ যোৱা আৰু সীঁয়া পাতত গাখীৰ লোৱা এই তিনি শ্ৰেণীৰ নাৰী মূৰ্খ বা অজ্ঞানী।
মুচুকাই ২৮ মিচিকিয়াই হঁহা কাৰ্য্য।
মুথা ১ ভেষজ গুণবিশিষ্ট গুল্ম, ইয়াৰ শিপা সুগন্ধি।
মুণ্ড ২৫ মূৰ, = মুণ্ড।
মুৰ ৩৭ মূৰ, মুণ্ড।
মূৰা ৩৭ মূৰ, যি বলধৰ মূৰটো বৰ ডাঙৰ।
মুৰিয়া ৭৪ মূৰ।
মুৰ্খ ১৮ মূঢ়, নিৰ্বোধ, = মূৰ্খ।
মূল ২, ৬৮ শিপা, = মূল ৮২।
মুল ৬৭ আচল, মূলধন।
মুসুদ্ধি ৬৭ মুখ + শুদ্ধি, মুহদি।
মূলা ৪৩ মূলা, নক্ষত্ৰ মণ্ডলৰ ঊনবিংশ নক্ষত্ৰ। ই ১১ টা নক্ষত্ৰৰ সমষ্টি। সিংহৰ নেজৰ দৰে মূলাৰ আকৃতি। অধিপতি ৰাক্ষস।
মৃগ ৪৭ মকৰ ৰাশি দ্ৰঃ।
মেঘত ৮৮ বৰষুণত বা বজ্ৰত।
মেঘৰ নাদ ৩৫, ৪৭ মেঘৰ গৰ্জন।
মেচা ৭২ কুঁজা আৰু শকত।
মেচি ৪২ কুঁজী আৰু শকত, = মেচী।
মেচেকা ৭২ ক'লা আৰু শকত, অতিকে

স্থূল।
মেদনি ৫৯ মেদিনী, পৃথিৱী।
মেনা ৪২ তলসৈ ওলমা শিং থকা, যি গৰুৰ শিং চুটি।
মেলা ৬৭ সমাগম।
মেস ৪৫ মেষ দ্ৰঃ।
মেষ ৩৬ দ্বাদশ ৰাশিৰ অন্তৰ্গত প্ৰথম ৰাশি, অধিপতি গ্ৰহ মঙ্গল।
মোটা ৩৭ শকত।
মোল ১৬, ১৭ মূল্য, দাম।

য

যজ্ঞ ১০ যাগ, হোমাদি; পূজা-অৰ্চনাদি।
যথাত ২৮ য'ত।
যনি ৬৫ য'নী, এবিধ সুগন্ধি মচলাৰ গছ আৰু তাৰ গুটি, য'নীবাখৰ।
যম ৪, ১৬ মৃত্যুৰ দেৱতা।
যমঘণ্ট ৪৩ মঘা আৰু পূৰ্বফাল্গুনীযুক্ত দেওবাৰ; অশ্লেষা আৰু পুষ্যাযুক্ত সোমবাৰ, অনুৰাধা আৰু শ্ৰৱণাযুক্ত মঙ্গলবাৰ; আৰ্দ্ৰা আৰু হস্তাযুক্ত বুধবাৰ; মূলা-ৰেৱতী যুক্ত বৃহস্পতিবাৰ; স্বাতী-ৰোহিণীযুক্ত শনিবাৰত যমঘণ্টযোগ সংঘটিত হয়। এই যোগত যাত্ৰা নিষেধ।
যমে ৫১ যমপুৰত।
যত্ৰো ৪৭ গমন।
যাম ৬৫ দিন বা ৰাতিৰ চাৰিভাগৰ এভাগক যাম বোলে; প্ৰহৰ পৰিমিত কাল।
যুত ৪৫ যুক্ত, একেলগে থকা, লগ্নত বৃহস্পতি আৰু চন্দ্ৰ একে লগে থাকিলে জাতক নৃপতি তুল্য হয়।
যুৱতী ৬১ যুৱতী।
যোগা ৪৪ বিশেষ দিন বা ক্ষণ = যোগ।
য়াহিবি ৪২ আহিবি।

ৰ

ৰক্ত ৭০ ৰঙা।
ৰক্তপিত্ত ৬৮ নাক, মুখ নাইবা গুহ্যদ্বাৰেদি নাইবা কেৱল মুখেৰে তেজ নিৰ্গত হোৱা এবিধ পিত্তজনিত ৰোগ।
ৰঙ্গা ৭১ ৰঙা।
ৰঙ্গে ৩০ আনন্দ মনেৰে, উৎসাহেৰে।
ৰগুভগু ৭ লগুভগু, লৰ্বাং-তৰ্বাং, হাৰাশাস্তি।
ৰয়ে ৫৯ চিএৰে, প্ৰকাশ কৰে।
ৰত ৫৩ অনুৰক্ত, আসক্ত, নিযুক্ত।
ৰতি ১০, ২৯ আসক্তি, অনুৰাগ।
ৰন্ধনসালা ৯, ৩২ ৰান্ধনী ঘৰ, ৰন্ধনশালা।
ৰবি ৩৫, ৪৪ নৱগ্ৰহৰ অন্যতম গ্ৰহ, সূৰ্য, আদিত্য, ভানু, সিংহ ৰাশিৰ অধিপতি গ্ৰহ; ৰবিৰ মিত্ৰ গ্ৰহ চন্দ্ৰ, মঙ্গল, বৃহস্পতি আৰু শত্ৰু গ্ৰহ শুক্ৰ আৰু শনি। ৰবিৰ পুত্ৰ শনি।
ৰবিৰ নন্দন ৪, ৫৩ শনি দ্ৰঃ।
ৰবিসুত ৪৮ শনি দ্ৰঃ।
ৰস ১৭ আনন্দ, সুখ।
ৰস ১৭ নিৰ্যাস, জলীয় ভাগ, জোল।
ৰসুন ৬৭ নেহৰু, নহৰু।
ৰাখ ৪৪ ৰাখোঁতা, ৰক্ষা কৰোঁতা।
ৰাগ ১৫ যি স্বৰৰ ধ্বনিয়ে শ্ৰোতাৰ চিত্ত ৰঞ্জন কৰে, স্বৰৰ প্ৰকাৰবিশেষ, melody note।
ৰাঙ্গ ৩৮ ৰঙা বৰণীয়া।
ৰাজ ৫ ৰজা, নৃপতি।
ৰাজ ৪৫ ৰাজ্য।
ৰাণ্ডি ২৮ বিধৱা, বাঁৰী।
ৰাতৃ ৩০, ৬৫ ৰাতি।
ৰান্ধন সালা ৯ ৰন্ধনসালা দ্ৰঃ।
ৰান্ধনি ১৫ ৰান্ধনী।
ৰাৱ ৩৫ মাত, চিঞৰ।
ৰাৱন ৪২ ৰাৱণ; ভাদত কলপুলি ৰুলে লঙ্কাৰ ৰাৱণ ৰামৰ হাতত সবংশে নিধন হোৱাৰ নিচিনাকৈ সেই কলৰ

পুলি-পোখা ধ্বংস হয়। গতিকে ভাদত কল ৰোপণ কৰা নিষেধ।
ৰাশি ৩৬ দ্বাদস ৰাশি চক্র; যেনে ঃ মেষ, বৃষ, মিথুন, কৰ্কট, সিংহ, কন্যা, তুলা, বৃশ্চিক, ধনু, মকৰ, কুম্ভ, মীন।
ৰাসি ৩৬, ৪২ ৰাশি দ্রঃ।
ৰাহু ৪২, ৬৩ নৱগ্ৰহৰ অন্তৰ্গত গ্ৰহ বিশেষ। বিপ্রচিত্তি দানৱৰ ঔৰসত সিংহিকাৰ গৰ্ভত উৎপন্ন চতুৰ্দশ সন্তানৰ অন্যতম। দেৱতাসকলে অমৃত পান কৰাৰ সময়ত ৰাহুৱে দেৱতাৰ ৰূপ পৰিগ্ৰহ কৰি অমৃত পান কৰিবলৈ উদ্যত হয়। ৰাহুৰ কণ্ঠ পৰ্যন্ত সেই অমৃত গৈছিল। তেনে সময়তে চন্দ্ৰ আৰু সূৰ্য্যই ৰাহুৰ প্ৰতাড়নাৰ বিষয়ে বিষ্ণুক অৱগত কৰায়। বিষ্ণুৱে সুদৰ্শন চক্ৰৰ সহায়ত ৰাহুৰ মস্তক ছেদক কৰে। অমৃত পান কৰা হেতু ৰাহুৰ মৃত্যু নহ'ল। মস্তক অংশই ৰাহু আৰু দেহভাগ কেতু ৰূপে খ্যাত হয়। ৰাহু নৈঋত দিশৰ অধিপতি। ৰাহুৰ মিত্ৰ গ্ৰহ শুক্ৰ আৰু শনি, শত্ৰুগ্ৰহ ৰবি, চন্দ্ৰ, মঙ্গল।
ৰিপু ৪৫ শত্ৰু, বৃষৰ ঘৰ ৰিপুস্থান ৰূপে পৰিচিত।
ৰুদ্ৰ ৪ শিৱ, ব্ৰহ্মাৰ কপালৰ পৰা জন্ম লাভ কৰি ৰোদন কৰিছিল বাবে ৰুদ্ৰ।
ৰুপা ৫, ৩৮ ৰজত, ধাতুবিশেষ, = ৰূপা, ৰূপ।
ৰুপে ৬ প্ৰকাৰে, ৰকমে, = ৰূপে।
ৰুষ্ট ৩৭ < হৃষ্ট, হৃষ্ট-পুষ্ট, নোদোকা, তেজাল।
ৰেবতি ৪৩ সপ্তবিংশতি নক্ষত্ৰ, অধিপতি পূষা।
ৰৈয়া ৪৭ শনি গ্ৰহ, < ৰৈৱত।
ৰোগি ৬৭ ৰোগী।
ৰোপন ৩, ৪২ ৰোপণ, ৰোৱা কাৰ্য।
ৰোস ৩০ খং, অভিমান, ৰোহ, < ৰোষ।
ৰোহিত ৪৭ আদিত্য, ৰবি, < ৰোহিৎ।
ৰোহিতমাছ ২৩, ৩১ ৰৌমাছ।
ৰোহিনি ৩৫, ৪৩ চতুৰ্থ নক্ষত্ৰ, ৰোহিণী, অধিপতি ব্ৰহ্মা।
ৰৌদ্ৰ ২৬ ৰ'দ, সূৰ্যৰ তাপ।

ল

লংকাৰ বনিজ ৪২ দূৰৰ লাভদায়ক বণিজ।
লগা ২২, ৩৮ আপোন, লগা-ভগা।
লগা ৪৪ লগ্ন দ্রঃ।
লগ্ন ৩৯ সূৰ্যৰ এটা ৰাশিৰ পৰা আন এটা ৰাশিলৈ সংক্ৰমণ; মেষাদি ৰাশিৰ উদয় কাল।
লঘু ১৮ সৰু।
লজ্জা ৭১ লাজ।
লতি ৬৬ পটল, পটোল, = লতী [ৰঘুনাথ চৌধাৰী ঃ হেমকোষৰ পৰিশিষ্ট]।
লবন ৬৬ নিমখ, নুন, লৱণ।
লৰ ১৬ দৌৰ, দাউৰ।
লৰক-ফৰক ১৯ সোলোক-ঢোলোক, অনিশ্চয়, টগৰ-বগৰ।
ললিত ৭২ মনোৰম, সুন্দৰ, সুকোমল।
লক্ষন ৩১ চিন, চিহ্ন, বৈশিষ্ট্য, = লক্ষণ।
লক্ষ্মি ২৫, ৪৬ ধন-দৌলতৰ দেৱী, বিষ্ণুৰ পত্নী।
লাকুতি ৭৫ লাখুটি।
লাগনিয়ৰি ৬৮ ভেষজ গুণবিশিষ্ট গছ।
লাগা ১৩ লগত লাগি অহা।
লাৱন্য ২৫ লাৱণী, কোমল, = লাৱণ্য।
লুটা ১৯ লুটি ফুৰা; ঘূৰি ফুৰা; বলেৰে নিয়া কাৰ্য।
লেজা ৩৮ লেজ বা নেজযুক্ত।
লেব্‌লেবোয়া ১৮ অনৰ্থকভাবে কথা কৈ থকা কাৰ্য, কেপ্‌কেপা, লপ্‌লপা।

লোচনে হৰিবা ভাগ ৬১, দৰা-কইনাৰ চকুৰ সমষ্টিৰে অৰ্থাৎ ২ + ২ = ৪-ৰে হৰণ কৰিবা।
লোন ১, ৬৬ নিমখ।
লোৱাচুৰ ৬৬ কমাৰ শালত লো তপতাওঁতে বাহিৰ হোৱা অদৰকাৰী ভাগ; লোৰ গুড়ি, লৌহ-চূৰ্ণ।

ৱ

ৱাৰ্ত্তকি ২ বেঙেনা।

শ

শনি ৫৯ ভানুতনুজা দ্রঃ।
শনৈচ্চৰ ৫৯ শনৈ শনৈ চৰতি, শনিগ্ৰহ।
শৰন ৬৫ শৰণ, শ্ৰৱনা, ধনিষ্ঠা, শতভিষা, পূৰ্বভাদ্ৰপদ, উৰ্ত্তৰ ভাদ্ৰপদ আৰু ৰেৱতী— এই ছয়টা নক্ষত্ৰযুক্ত দিনক শৰণ বোলে। এই কেইদিনত ঘৰৰ বাবে বাঁহ, কাঠ আদি কটা অনুচিত।
শাস্ত্ৰবেত্তা ৫৭ শাস্ত্ৰ পাৰঙ্গদ, শাস্ত্ৰজ্ঞ।
শুক্ৰ ৩৯, ৪৩ ভাৰ্গৱ দ্রঃ।
শুল ৬৬ পেটৰ বিষাদি ব্যাধি, = শূল (colic)।
শৃগাল ৪৪ শিয়াল।
শ্ৰৱনা ৪৩ শ্ৰৱণা, অশ্বিনী প্ৰভৃতি নক্ষত্ৰৰ অন্তৰ্গত দ্বাবিংশ নক্ষত্ৰ, অধিপতি হৰি।
শ্ৰাৱন ৪৩ শাওণ মাহ।
শ্ৰী ৩২ সম্পত্তি, ধন-দৌলত।
শ্ৰেষ্ট ৬৯ শ্ৰেষ্ঠ।

স

সংক্ৰমণ ৬০ গতি, সূৰ্যাদি নৱগ্ৰহৰ অন্য ৰাশিত প্ৰৱেশ কৰা কাৰ্য।
সংসয় ৫৪ সংশয়, সন্দেহ।
সংহৰি ৬ সংবৰণ কৰি; নিশ্চয়কৈ, ভাঙি-পাতি।
সক ৫৯ মৰাশক, শৰক।
সকালে ২৭ সোনকালে।
সগুনে ৪৪ শগুনে।
সঙ্কা ৪৪ ভয়, সন্দেহ, = শঙ্কা।
সঙ্গ ৭ সংগী, লগৰীয়া।
সঞ্চা ৩৬ সঁচা।
সঞ্চাৰ ৬১ গতি।
সজ্যা ১৯, ২৬ শয্যা, শেতেলী।
সত ৪২ এশ।
সততে ৩৩ সদায়।
সতভিষা ৪৩ অশ্বিনী প্ৰভৃতি নক্ষত্ৰৰ চতুৰ্বিংশ নক্ষত্ৰ, শতভিষা, শত তাৰকাযুক্ত আৰু মণ্ডলাকাৰ শতভিষাৰ অধিষ্ঠাত্ৰী দেৱতা বৰুণ।
সতেক ৫৫ এশ।
সত্ৰু ৫, ৪৮, ৭৫ শত্ৰু।
সদা ২৫, ২৯ সদায়, সততে।
সনি ৪৪ ভানুতনুজা দ্রঃ, শনি।
সনিবাৰ ৪৩ শনিবাৰ।
সনৈস্বৰে ৫১ শনৈশ্চৰে।
সন্ত ১৬ সৎ, সাধু।
সন্তোস ২৪ সন্তোষ।
সন্নিতে ৫৫ নিকটতে, ওচৰতে, < সন্নিহিত।
সপত ৭ দেৱতা বা ধৰ্মৰ নাম লৈ কৰা অঙ্গীকাৰ, প্ৰতিজ্ঞা, = শপত, কিবা কঢ়া কাৰ্য।
সপুত্ৰনি ২ পুত্ৰৱান বা পুত্ৰৱন্ত নাৰী, পো থকা নাৰী।
সপ্তমে ৪৪ লগ্নৰ পৰা সপ্তম ৰাশিত।
সৱক ৫৯ শৰক, মৰাশক।
সৱদ ৬৭ উদ্‌ফাই ৰোগৰ বাবে বুকুত হোৱা শব্দ।
সবাকে ৪৫ সকলোকে।
সম ২৫ সমান।
সমাপতি ৭১ সমাপ্ত, শেষ, অন্ত।
সমিপে ৩৩ ওচৰত, সমীপে।
সমে ১, ৪২ সৈতে, সহিতে, সমেত।

সম্ভোগ ৪৯ জন্মকুণ্ডলীৰ একে ৰাশিতে যদি কেতু আৰু শনি সম্মিলিত হৈ থাকে।
সৰ ১৪ শৰ পষু, < শম্বৰ।
সৰখিয়া ৩৭ জোণ্ডা?
সৰত ৩৪ শৰত কাল।
সৰন ৪১ শৰন দ্রঃ।
সৰি ৬ তুল্য, একে প্রকাৰৰ।
সৰিৰ ৫২, ৬৮ শৰীৰ।
সৰিসা ২৮ সৰিয়হ, ৰেহাৰ।
সৰস্বতি ৪৬, ৭১ সৰস্বতী, বিদ্যাৰ অধিষ্ঠাত্রী দেৱী।
সৰ্ত্তৱে ৭২ সোনকালে, = সত্বৰে।
সৰ্প ৬২ সাপ, নাগ।
সৰ্ব্বচ্চ ৬১ সৰ্ব্বস্ব।
সৰ্ব্বকালা ৩৮, ৪৭ চিৰকাল।
সৰ্ব্বতিকাল ৬৯ চিৰকাল।
সসধৰ ৫৪ শশধৰ, চন্দ্র।
সসি ৪২, শশী, চন্দ্র দ্রঃ।
সসুৰ ৭২ শহুৰ, < শ্বশুৰ।
সস্য ৩৫ শস্য, শহ।
সহিত ৬৮ সৈতে।
সাওঁন ৩৮ শাওণ মাহ।
সাক ২৩, ৬৭ শাক।
সাখি ৬ সাক্ষী।
সাগৰ ৩৬ জন্মকুণ্ডলীৰ মেষ, কৰ্কট, তুলা আৰু মকৰ ৰাশিৰ প্রত্যেকটো ঘৰকে সাগৰ বোলে।
সাগোৰ ৩ সাগৰ, সমুদ্র।
সাঞন ৩৭ শাওণ।
সাঞ্চে ১৩, ২৬ সাঁচে।
সাঝিবা ৬৯ সাজিবা, নিৰ্মাণ কৰিবা।
সাটি ৩৮ সদৃশ, নিচিনা, শাহটি?
সাঠি ৯ ষাঠি, তিনিকুৰি।
সাত-পাঞ্চ ৭২ বহুতো, অনেক।
সাতে ৪৩ লগ্নৰ পৰা সপ্তম স্থানত ৪১ সাতহাত দূৰ।
সাধে ৪৫ সাধন কৰে, সিদ্ধ কৰে।
সান ১৭ কটাৰী, খুৰ আদি ধৰোৱা শিল, = শান।
সাম ৮ সন্ধি।
সাৰ ১৫ ষাঁড়।
সাৰি ৪ শ্রেণী, পংক্তি।
সাল ১৪ শাল।
সালা ৪ ঘৰ, গৃহ, 'অন্নৰ—', শালা।
সালি ৩, ৯, ৬০ শালিধান।
সাসুৰি ২৫ শাশুৰী, শাহু।
সাস্ত্র ৫১, ৬৯ বিশেষ বিশেষ নির্দেশ বা তত্ত্বপূর্ণ গ্রন্থাদি, বেদ-তন্ত্র-পুৰাণ-দর্শনাদি প্রাচীন সংস্কৃত গ্রন্থ, = শাস্ত্র।
সাস্ত্রাৰ্থ ৫০ শাস্ত্ৰৰ অৰ্থ।
সিআ ৭৪ শিপা, শিয়াৰ।
সিকোনাবা ৪২ চিকোনাবা, চিকনবা দ্রঃ।
সিঙ্গ ১৩, ১৪, ৩৯ শিঙ্গ।
সিংহ ৫৮ দ্বাদশ ৰাশিৰ অন্তর্গত পঞ্চম ৰাশি, সিংহ ৰাশি, অধিপতি গ্রহ ৰবি ৬৩ ধ্ৰবজৰ ভাগ।
সিংহাসন ৪৬, ৪৯ মেষ, কৰ্কট, তুলা আৰু মকৰ ৰাশিৰ গৃহক সিংহাসন বোলে।
সিঝয় ৩৮ সিজে, সিদ্ধ হয়।
সিত ৪১ (১) শুক্ল পক্ষ, (২) একাদশী, দ্বাদশী, ত্রয়োদশী, চতুর্দশী আৰু আউসী তিথি।
সিত ১০ শীত।
সিতল ৬৬ শীতল, সেঙেৰা।
সিতো ৫১ সিজন।
সিথান ৫২ সেই ঠাইত।
সিদ্ধ ৫৪ নিপুণ, পাৰদর্শী, কৃতবিদ্য; সাধনাত উত্তীর্ণ।
সিন্দুৰ ৩৫ উদয় কালত যদি সূর্যটো সিন্দুৰৰ

দৰে বগা হয়।
সিমা ৩৩ সীমা।
সিৰচেদ ৪৭ শিৰশ্চেদ।
সিৰে ২, ৯, ২৯ শিৰ অৰ্থাৎ মূৰ দি।
সিলিখা ৬৬, ৬৭ শিলিখা।
সিসু ৪৫ শিশু।
সুকটি ৩৩ শুকান মাছ, = শুকতি।
সুক্ৰ ৫৬ ভাৰ্গব দ্ৰঃ।
সুক্ৰ ৬২ বগা, শুক্ৰ।
সুখাই ৪৫ শুকায়।
সুখিত ৪৮ সুখী।
সুচলি ১ জুই ধৰিবলৈ সুচল, পাতল আৰু মিহি কাঠ।
সুজা ৪৪ সূৰ্য, আদিত্য দ্ৰঃ, < সূৰ্য > সুজ্‌জ্ > সুজ + আ।
সুঝিয়া ৫ জানি-বুজি।
সুঠান ৫২ ঠাণুৱা।
সুঠানি ১৫ কমনীয়তা, সুগঠিত ভংগিমা, সুঠাম।
সুঠি ১, ৬৬ ৰ'দত শুকাই লোৱা 'গোবৰ—', শুঁঠি।
সুণ্ঠী/সুণ্ঠি ৬৫ শুকান আদা শুঠ, = শুণ্ঠী, শুঁঠি।
সুণ্ডি ৩৭ শুঁড়ী, শুৰী < শুণ্ডী।
সুত ৪৫ পুত্ৰ, পো।
সুতৰনি ১৬ প্ৰবোধ, সান্ত্বনা, = সুতনি।
সুতিকা ২, ১ সদ্যপ্ৰসূতা নাৰী, নৱপ্ৰসূতা নাৰী, = সূতিকা, সূতা।
সুদেস ৫৩ সুস্বাস্থ্য, জন্মকুণ্ডলীৰ লগ্ন স্থানৰ পৰা পঞ্চম ঘৰত বুধ থাকিলে সুস্বাস্থ্য লাভ হয়।
সুদ্ৰ ৩ শূদ্ৰ।
সুদ্ধ ১৯, ৫১ শুদ্ধ, পবিত্ৰ।
সুদ্ধি ৬৭ শুচি।
সুন ৭৫ শুন।
সুনা ৬ কাণ বাগৰা, '-কথা'।
সুনি ২৭ শুনি।
সুন্য ৩৩ শূন্য।
সুন্দৰি ৫৪ সুন্দৰী।
সুধা মুণ্ডে ৬৯ শুদা মূৰেৰে, মূৰত কাপোৰ নোলোৱাকৈ।
সুন্য ৬১ শূন্য।
সুভ ৪৩ শুভ।
সুয়াইব ২ শুৱাব।
সুৰা ১২ ফটিকা, লাওপানী, জুমাইয়া, জু, চু, হাৰলং, মধু, সাজপানী।
সূৰ্য্য ৬ সূৰ্য্য, আদিত্য, দ্ৰঃ।
সূৰ্য্যপুত্ৰ ৫৬ শনি, সৌৰি, পঙ্গু, কাল, মন্দ, অসিত, পাতাঙ্গি, ভানুতনুজা দ্ৰঃ।
সুল ৫৫ শুল দ্ৰঃ।
সুল ৭২ দুখ, ব্যথা, = শূল, 'বিধোআ'-।
সুৱলি ৬৫ সুৱলা; শুভ, মঙ্গলকৰ।
সেস ৩৫ শেষ, শেহ।
সেসে ৬০, ৬৫ শেষত, শেহত।
সৈতাৰি ৭৫ লগৰীয়া, সঙ্গী।
সোএ ৬৬, ৬৯ শয়ন কৰে, = শোৱে।
সোক ৪৯ দুখ, বেজাৰ, = শোক।
সোকোতা ২৩ মৰাপাটৰ শুকান পাত, শুক্তা, সুক্তা, = শোকোতা।
সোদৰ ১২ একে উদৰৰ পৰা জন্ম যাৰ।
সোন ৩৮ সোণ।
সোনা ৪, ৫, ৪২ সোণ।
সোভন ৩, ৪০ সুন্দৰ, চকুত লগা, উত্তম, = শোভন।
সোম ৪০, ৫৬ সোমবাৰ, ইন্দুবাসৰ, বিধুবাসৰ।
সোমান ৭৪ সমান।
সোলা ১৪ দাঁত সৰা মানুহ।
সোৱে ৬৮ শোৱে।
সোসন ৩৫ শোহা কাৰ্য, শোষণ।

স্তন ৩০ তন, কুচ।
স্তনৰস ১ স্তনদুগ্ধ, মাতৃদুগ্ধ, পিয়াহ।
স্ত্রি ৬৯ স্ত্রী।
স্থিত ৫১ ঠিক নোহোৱা, নির্ণয় কৰিব নোৱাৰা।
স্বধৰ্ম্ম ৫৮ নিজ ধর্ম।
স্বৰ্গ ৫৬ সুৰলোক দেৱ-পুৰী, দেৱতাৰ পুৰী, ভূবঃলোক।
স্বৰ্ণ ৩৯ স্বর্ণ, সোণ, সোণা।
স্বস্ত ৫৩ শান্তি, সন্তুষ্টি, = স্বস্থ।
স্বাতি ৪০ অশ্বিনী আদি নক্ষত্রৰ অন্তর্গত পঞ্চদশ নক্ষত্র, = স্বাতী। অধিপতি পবন।
স্বামি ৭, ৩১ প্রভু, গৰাকী, পতি, = স্বামী।
স্বাস ২৩ উশাহ, = শ্বাস।
স্মৰন ১৮ স্মৰণ।
স্যাম ৭১ দূবৰীৰ দল বা পাহিৰ দৰে ৰং বিশিষ্ট, = শ্যাম।

হ

হন্তি ৫৯ ধ্বংস হয়, √হন্ + লট্ তি।
হন্তে ৫৪ পৰা।
হয় ৫১ ঘোঁৰা, অশ্ব, ঘোটক।
হৰা ৬৭ হেৰায়।
হৰাই ৩৬, ৪৭, ৬১ হেৰায়, নষ্ট হয়।
হৰি ১৮ মায়া-মমতা হৰণকাৰী; বিষ্ণু, শিৱ; ব্রহ্মা; ইন্দ্র, অগ্নি; সূর্য; চন্দ্র; বায়ু; কৃষ্ণ।
হৰিতকি ৬৫, ৬৬ শিলিখা।
হৰিন ৩৭ হৰিণ।
হৰিস ২৯ হৰ্ষ।
হৰ্ষ ৫২ আনন্দ, সুখ, আমোদ।
হস্তা ৪৩ সপ্তবিংশতি নক্ষত্রান্তর্গত ত্রয়োদশ নক্ষত্র; হস্তাকাৰ আৰু পঞ্চতাৰকাযুক্ত নক্ষত্র। অধিপতি গ্রহ দিবাকৰ।
হস্তি ৪৭ হাতী, = হস্তী।
হাক ৬৯ বাধা-নিষেধ।
হাট ১৩ বজাৰ-সমাৰ।
হাতকত ৪১ একহাত আঁতৰে আঁতৰে।
হাততে পাবা ৪২ নিচেই ওচৰতে পাবা।
হাতি পিপলি ৬৬ এবিধ ডাঙৰ পিপলী, = হাতী পিপলী।
হাথি ৩৬ হাতী, হস্তী।
হাদিৰমেল ৭৩ ঘৰুৱা কথা-বতৰা, নিজৰ পৰিয়ালৰ মাজত হোৱা কথা-বতৰা? হাটীৰ মেল?
হান ৭৩ হেন, যেন, নিচিনা।
হাপামুখি ৭৩ হেপাৰ মুখৰ দৰে বহল মুখৰ তিৰোতা, খদামুখী, ফেঁচামুখী।
হাৰাসান্তি ৬২ বৰ দুখ-কষ্ট পোৱা, হায়ৰাণ, = হাৰাশান্তি।
হাৰি ৭২ মাটিৰ পাত্র, চৰু, মলা ইত্যাদি, < ভাণ্ড + ইকা > হণ্ডিকা > হাড়ী।
হালোৱা ৪২ হাল বোৱা মানুহ, < হাল + বাহক।
হাঁসে ২৮ হাঁহে।
হাস ৩৩ হাঁহ।
হিয়াখাল ৭০ দ বুকু।
হিৰা ৫ হীৰা; মহামূল্যবান ধাতু।
হুই ১৮ হৈ।
হুতাসন ৪৪ অগ্নি, জুই, = হুতাশন।
হুতাহ ৬৯ লোভ।
হেঙ্গেৰাদাতি ৭৩ উচলা দাঁতী, উজলা দাঁতী, দঁতুৰনী।
হেঠ ২৯ বেঁকা।
হেন ৩৭ তেনেকুৱা।
হেলা ৪৬ অৱহেলা, আওহেলা, উতীয়া ভাব।

ক্ষ

ক্ষন ৪৫ শুভ মুহূর্ত, = ক্ষণ।
ক্ষয় ৫৪ হ্রাস; ধ্বংস।

ক্ষাতি ৪৩, ৪৫ খ্যাতি।
ক্ষিতিসূত ৪৪ মঙ্গল, কুঁজ, ভৌম, ভূমিজ, বক্ৰ, আৰ, = ক্ষিতিসূত, মঙ্গল দ্ৰঃ।
ক্ষিৰ ৮ এঁৰা গাখীৰ, ফুটীয়া গাখীৰ, তপতাই ঘন কৰা গাখীৰ, = ক্ষীৰ।
ক্ষুত ৫৭ ক্ষুধা, ভোক।
ক্ষুধা ৬৫ ক্ষুত দ্ৰঃ।
ক্ষেত্ৰিয় ৩ চাৰিবৰ্ণৰ অন্যতম; যুঁজাৰু, = ক্ষত্ৰিয়।
ক্ষৌৰ ১৯ খুৰোৱা কাৰ্য।

গ. কেইটিমান প্ৰবচনৰ সৰল ব্যাখ্যা

(১) ঔসচ বাঝে মঙ্গল্য কৰি। সূৰ্য্যক দেখাইবা নয়ন ভৰি। (পৃঃ ৪)

অশৌচ যোৱাৰ পিছত মাঙ্গলিক কাৰ্য্যাদি সম্পন্ন কৰি নৱ জাতকক বাহিৰলৈ আনি সূৰ্য্যক দেখুৱাব লাগে (সূৰ্য্যশুদ্ধি)।

(২) যিজনে পাৰে জদি ইন্দ্ৰিয় জিনিত। তেবে বিন্ধ্যাগিৰি পাৰে সাগোৰ তৰিত। (পৃঃ ৪)

যিজনে দধি-দুগ্ধ আৰু শালি ধানৰ অন্ন ভোজন কৰে আৰু তেওঁ যদি নিজৰ ইন্দ্ৰিয়াদিক দমন কৰিব পাৰে তেন্তে তেওঁ অনায়াসে বিন্ধ্য পৰ্বত আৰু সাগৰ অতিক্ৰম কৰিব পাৰে অৰ্থাৎ দুষ্কৰ কাৰ্য্যত সিদ্ধি কৰিব পাৰে।

(৩) ভেদ দণ্ড সাম দান। চাৰি ৰূপে ন্যায়ক জান। (পৃঃ ১০)

ন্যায়ৰ মূল ভিত্তি ভেদ অৰ্থাৎ শত্ৰু বশীকৰণৰ উপায়; দণ্ড অৰ্থাৎ শাস্তি, শিক্ষা, দমন আৰু শাসন, সাম অৰ্থাৎ সন্ধি আৰু দান অৰ্থাৎ ত্যাগ-বিসৰ্জন।

(৪) যেবে জসি জস বখানে আনে। তেবেসে গৃহস্ত আটি খাই ধানে। (পৃঃ ১২)

সেইজনেই যশস্বী ব্যক্তি যাৰ যশ আনে প্ৰশংসা কৰে আৰু সেইজনেই প্ৰকৃত গৃহস্থ যিজনে ঘৰৰ ধানেৰে বছৰটো খাব পাৰে।

(৫) সৰ্ব্ব গুনিয়াক ভাতে নাটে। দুষ্ট পুত্ৰ জাৰ নিতে কান্দে।। (পৃঃ ১২)

সৰ্ব গুণযুক্ত লোকক অৰ্থাৎ সৰ্ব গুণীয়াক কোনো দিনে ভাতে নাটে আৰু যি মাক-বাপেকৰ পুত্ৰ দুষ্ট তেওঁলোকে সদায় চকুলো টুকিব লগা হয়।

(৬) অপোচ পাত্ৰ নোহে ভাল। দন্ত খসিলে কিলৰ গিতাল।। (পৃঃ ১২)

যি বিষয়া বা মন্ত্ৰীয়ে সুধি মেলি প্ৰশাসনীয় কাম নকৰে তেওঁক ভাল বুলিব নোৱাৰি। তেনেদৰে দাঁত সৰাজন কেতিয়াও গীতাল অৰ্থাৎ গায়ক হ'ব নোৱাৰে।

(৭) বোলন্ত ডাকে পাচো বিড়ম্বনা। (পৃঃ ১৩)

যি ৰান্ধনী ঘৰত ভাত ৰন্ধাৰ সময়ত পটাত মচলা বটাৰ শব্দ নহয়, স্নানৰ পিছত যিজনে ফোটা নলয়, শীত কালত গাত ল'বলৈ যাৰ কাপোৰ নাই, অস্ত্ৰ-শস্ত্ৰ নোহোৱাকৈ যুঁজ কৰিবলৈ যোৱা কাৰ্য্য আৰু যজ্ঞৰ সমাপ্তিত দক্ষিণা নোহোৱা— এই পাঁচোবিধ কাৰ্যই বিড়ম্বনা মাথোন।

(৮) জুইক দৃষ্টি সূৰ্য্যক পিঠি। কৰাই মুঠি মাহ গুটি।। (পৃঃ ১৩)

জুই পুৱাব লাগে জুইকুৱা সমুখত ৰাখি, সূৰ্য্যৰ ফালে পিঠি দি ৰ'দ লব লাগে। মুঠি মাৰি কৰাই খাব লাগে আৰু মাহৰ চেই এটি এটিকৈ খাব লাগে। সংস্কৃতত এনে ধৰণৰ এটি শ্লোক পোৱা যায়;

পৃষ্ঠেন সেবয়েৎ অৰ্কং জঠৰেণ হুতাশনম্।

স্বামীনং সৰ্বভাৱেন সেবয়েৎ পৰলোকমাশায়াম্।।

(৯) সবলে নিৰ্ব্বলে কিহৰ নিয়া। পাচে পঞ্চাসে কিহৰ বিয়া।। (পৃঃ ১৫)

বলী আৰু নিৰ্বলীৰ মাজত সম্পৰ্ক নিষ্ফল। পঞ্চাশ বছৰীয়া দৰাৰ লগত পাঁচ বছৰীয়া কন্যাৰ বিয়াও সেইদৰে নিষ্ফল।

(১০) নিধনি ককা বেঙ্গেনা পকা। দৰিদ্ৰৰ সোদৰ ভাই। (পৃঃ ১৬)

দুখীয়া ককাই (বা ককা/আতা), পকা বেঙেনা আৰু দৰিদ্ৰজনৰ সহোদৰ ভাইৰো কোনো মূল্য নাই।

(১১) কেসৰি নষ্ট গেল টিপচিক পুসি। মানুহ নষ্ট গেল অন্যোন্যে দুসি।। (পৃঃ ২০)

পোহনীয়া টিপচি চৰাই এটিয়ে সিংহক বিপদত পেলাইছিল, মানুহেও পৰস্পৰে পৰস্পৰক দোষাৰোপ কৰি বিপদত পৰে।

(১২) মহ বামুন বৰা। পানি নাপালে তিনিও মৰা।।

চাগ চাএ চাই।

বৰুসন হলে তিনিকো নাপাই।। (পৃঃ ২৫)

ম'হ, বামুণ আৰু গাহৰি— এই তিনিৰো বাবে পানী অপৰিহাৰ্য। বৰষুণ দি থকা অৱস্থাত ছাগলি, ছাঁ আৰু ছাই বাহিৰত পোৱা নাযায়।

(১৩) আসাঢ়ৰ নৱমী শুক্লপক্ষত। যদি বৰিসে ভুমি তলত।।

হাল তুল বেচি চিন্তিয়ো দেৱ। ৰাজ গৃহত কৰিয়ো সেৱ।। (পৃঃ ৪৩)

আহাৰ মাহৰ শুক্ল পক্ষৰ নৱমী তিথিত বৰষুণ হ'লে সেই বছৰত খেতি-বাতি নহয়। গতিকে খেতিৰ আশা এৰি ৰাজসেৱা কৰা উচিত।

(১৪) চৈত্ৰৰ চতুৰ্দ্দসি যদি সমতুল। ডাকে বোলে বৰ্ষা হোৱে বহুল।। (পৃঃ ৪৪)

যি বছৰত চ'ত মাহত দুটা চতুৰ্দ্দশী তিথি পৰে সেই বছৰত বৰৈলে বৰষুণ হয়।

(১৫) তিথি বৃদ্ধিয়ে শস্যক নাসে। ঋক্ষ বৃদ্ধিয়ে তিল নাসে। (পৃঃ ৪৪)

যি বছৰৰ কোনো এটি মাহত তিথিৰ সংখ্যা বেছি হয় সেই বছৰতে খেতি-বাতি নষ্ট হয়। আকৌ তেনেদৰে নক্ষত্ৰৰ বৃদ্ধিয়ে তিলৰ খেতি নষ্ট কৰে।

(১৬) উদয়ে সিন্দুৰ পচিমে কালা। তেবে জানা বহু বাৰিষাৰ মালা।। (পৃঃ ৪৫)

যি বছৰত সেন্দুৰৰ দৰে ৰঙা হৈ সূৰ্য্য উদয় হয় আৰু পাটত বহাৰ সময়ত ক'লা হয়— সেই বছৰত দুৰ্যোৰ বাৰিষা হয়।

(১৭) ধনু মিন কন্যা তৰনিৰ বাস। হাথি ঘোড়া গৰু মানুহ নাস।। (পৃঃ ৪৫)

যি বছৰত ধনু, মীন আৰু কন্যা ৰাশিত আদিত্য থাকে সেই বছৰত হাতী, ঘোঁৰা, গৰু, মানুহ আদি মৰি দেশত হাহাকাৰৰ সৃষ্টি কৰে।

(১৮) তুলা কৰ্কট মেষ মকৰ। এই চাৰি ৰাশি গ্ৰহৰ সাগৰ।। (পৃঃ ৪৮)

জন্ম কুণ্ডলীৰ তুলা, কৰ্কট, মেষ আৰু মকৰ ৰাশিৰ ঘৰক গ্ৰহৰ সাগৰ বোলে। চাৰি সাগৰ দ্ৰঃ।

(১৯) শুক্ৰ গুৰু চান্দ বাৰক চাই। পঞ্চ ৰেখা আগে কৰিব জাই।। (পৃঃ ৪৮)

শুক্ৰবাৰ, বৃহস্পতিবাৰ আৰু সোমবাৰ প্ৰথম হ'ল কৰ্ষণৰ বাবে প্ৰশস্ত দিন।

(২০) সাতে পাতাল পাচে ঘন। চয়ে তামোল নন্দন বন্দন।। (পৃঃ ৫১)

সাত হাতৰ আঁতৰে আঁতৰে তামোল ৰোপণ কৰিলে পাতল হয় আৰু পাঁচ হাতৰ আঁতৰে আঁতৰে তামোল ৰুলে ঘন হয়। ছয় হাতৰ আঁতৰে আঁতৰে তামোল ৰোৱা উচিত।

(২১) ঘন সৰিয়হ পাতাল মাহ। আৱৰণ দি দিয়া কপাহ।। (পৃঃ ৫১)

সৰিয়হ ঘনকৈ আৰু মাহ পাতলকৈ সিঁচিব লাগে। কপাহ খেতিত লাগে ছাঁ।

(২২) সিত সৰিহা মিতত মাহ। গণ্ডত তামোল সৰনত বাহ।। (পৃঃ ৫১)

একাদশী, দ্বাদশী, ত্ৰয়োদশী, চতুৰ্দশী আৰু আউসীত সৰিয়হ ৰোৱা উচিত। পঞ্চমী, সপ্তমী, অষ্টমী, নৱমী আৰু দশমী তিথিত মাহ ৰোৱা শ্ৰেয়। গণ্ড যোগত (গণ্ড দ্ৰঃ) তামোল ৰুব নালাগে আৰু শৰণত (শৰন দ্ৰঃ) বাঁহ কাটিব নালাগে।

(২৩) ভাদ্ৰৰ চাৰি আহিনৰ চাৰি। মাহ ৰুবা জিমান পাৰি। (পৃঃ ৫১)

ভাদ মাহৰ শেষৰ চাৰিদিন আৰু আহিন মাহৰ প্ৰথম চাৰিদিন এই আঠদিন মাহ ৰোৱাৰ বাবে প্ৰশস্ত।

(২৪) পূবে ৰবি পশ্চিমে ছায়া। সেহিসে সস্যৰ অমৰ কায়া।। (পৃঃ ৫২)

খেতিপথাৰৰ পূবফাল মুকলি আৰু পশ্চিম ফালে গছ-গছনি থকা উচিত।

(২৫) তুঙ্গ সুতুঙ্গ কৰ বিচাৰ। যোগাযোগক কৰ পৰিহাৰ।। (পৃঃ ৫৪)

জাতকৰ ভাগ্য, শুভ যোগ বা অশুভ যোগৰ ওপৰত নিৰ্ভৰ নকৰে, নিৰ্ভৰ কৰে তুঙ্গ আৰু সুতুঙ্গৰ ওপৰতহে।

(২৬) সাতে আঠে খোৰা কুজা। তাতে থাকে ভূমি তনুজা।।
চতুৰ্থে পঞ্চমে থাকে কুজা। তাহাৰ কুষ্ঠি বিফল বুঝা।।

যদি জাতকৰ জন্মকুণ্ডলীৰ লগ্ন স্থানৰ পৰা সপ্তম স্থানত শনি, অষ্টম স্থানত মঙ্গল আৰু এই দুই স্থানৰ যিকোনো এটাত আৰু চতুৰ্থ বা পঞ্চম স্থানত মঙ্গল থাকে তেনেহ'লে সেই কোষ্ঠী হয় নিৰৰ্থক।

(২৭) দুই দিগি কুগ্ৰহ মাজত লগা। তাহাৰ কোষ্ঠি চেদ যোগা।। (পৃঃ ৫৪)

লগ্নৰ সোঁবে-বাৱে কুগ্ৰহ থাকিলে সেইখন নিশ্চিতভাৱে অশুভ কোষ্ঠী।

(২৮) কুজাৰ ঘৰে ৰবিৰ বাস। অনেক ধনক কৰে নাস।। (পৃঃ ৫৪)

মঙ্গলৰ ঘৰ মেষ আৰু বৃশ্চিক। এই দুটা ঘৰত ৰবি অৰ্থাৎ আদিত্য থাকিলে জাতকৰ অনেক ধন-সম্পত্তি নাশ হয়।

(২৯) লগ্নে কুজা লগ্নে সুজা। তাতে থাকে ভানু তনুজা।।

সপ্তমে যদি খোৰাক পাই। ষষ্ঠ দিনে সিতো মৰিয়া জাই।। (পৃঃ ৫৫)

জাতকৰ জন্ম কুণ্ডলীৰ লগ্নত যদি মঙ্গল অথবা আদিত্য থাকে আৰু তাতে যদি শনি গ্ৰহ থাকে তেনেহলে জাতকৰ অমঙ্গল হয়। লগ্নৰ সপ্তমত ৰাশিত যদি শনি গ্ৰহ থাকে তেন্তে জন্মৰ ষষ্ঠ দিনত জাতকৰ মৃত্যু নিশ্চিত।

(৩০) ৰিপু নিধনত থাকে চান্দ। সিসু কালতে পাতয় ফান্দ।। (পৃঃ ৫৬)

ৰিপু স্থান অৰ্থাৎ বৃষ ৰাশিত চন্দ্ৰ থাকিলে জাতকে শিশু কালৰে পৰা শত্ৰুক ধৰিবলৈ ফান্দ পাতিবলৈ সক্ষম হয়।

(৩১) মেসত ৰবি চন্দ্ৰ নিজ ঘৰে। কুম্ভত খোড়া বলিষ্ঠ নৰে।। (পৃঃ ৫৬)

মেষ ৰাশিত ৰবি থাকিলে, চন্দ্ৰ নিজ ঘৰত অৰ্থাৎ কৰ্কটত থাকিলে আৰু কুম্ভ ৰাশিত শনি থাকিলে জাতক ক্ষমতাশালী হয়।

(৩২) মকৰে মঙ্গল লগ্নে সহিত। দোলা চত্ৰ মিলাই বিত্ত।। (পৃঃ ৫৭)

লগ্নৰ সৈতে মঙ্গল গ্ৰহ যদি মকৰ ৰাশিত থাকে তেনেহ'লে জাতক ৰাজতুল্য আৰু বিত্তশালী হয়।

(৩৩) মেসত চান্দ সাগৰে লগ্ন। অসেস দোষক কৰয় ভগ্ন।। (পৃঃ ৫৭)

মেষত চন্দ্ৰ গ্ৰহ থাকিলে আৰু তুলা বা মকৰ বা কৰ্কট ৰাশিৰ যিকোনো এটা ৰাশিত লগ্ন থাকিলে জাতকৰ অনেক অশুভযোগ নষ্ট কৰে।

(৩৪) চাৰি সাগৰে গ্ৰহৰ যোগ। আচে কোষ্ঠিত নৰপতি যোগ।। (পৃঃ ৫৭)

চাৰি সাগৰত অৰ্থাৎ মেষ, কৰ্কট, তুলা আৰু মকৰ ৰাশিৰ প্ৰত্যেকতে গ্ৰহ থাকিলে জাতকৰ ৰাজযোগ সিদ্ধ হয়। (চাৰি সাগৰ দ্ৰঃ)

(৩৫) দুই ভিতি শুভ মধ্যত আক। হস্তিৰ কন্ধত দেখিবা তাক।। (পৃঃ ৫৮)

যাৰ জন্মকুণ্ডলীত আদিত্যৰ সোঁৱে-বাৱে শুভ গ্ৰহ থাকে তেওঁ সন্মান লাভ কৰে।

(৩৬) জন্ম লগ্ন যাত্ৰা জোড়া। বৰাহ মিহিৰে নাপালে ওৰা।। (পৃঃ ৫৯)

জন্ম, লগ্ন, যাত্ৰা আৰু বিবাহাদিৰ যোৰাৰ ক্ষেত্ৰত খাটাং সিদ্ধান্ত দিব নোৱাৰি। কাৰণ স্বয়ং বৰাহমিহিৰেও এই বিষয়ে নিশ্চিত সিদ্ধান্তত উপনীত হ'ব পৰা নাই।

(৩৭) পঞ্চ দেওবাৰ দ্বিপক্ষ দিনে। সবক সগুনে নাখাই ঘিনে।। (পৃঃ ৭৩)

এটা মাহৰ দুটা পক্ষত (কৃষ্ণ + শুক্ল) যদি পাঁচোটা দেওবাৰ হয়— তেনেহ'লে সেই বছৰত মাৰি-মৰক হোৱা স্বাভাৱিক।

(৩৮) শনি মঙ্গল বক্ৰ যেবে। নৃপতিৰ পিড়া জাই তেবে।। (পৃঃ ৭৩)

যি বছৰত শনি আৰু মঙ্গল বক্ৰী হয়— সেই বছৰত ৰজা পীড়িত হয়।

(৩৯) বিসু জাই কানে কুজে। প্ৰজা মৰে অন্ন জুঝে।। (পৃঃ ৭৩)

যি বছৰত মাঘ-বিহু অথবা বহাগ-বিহু শুক্ৰবাৰ বা মঙ্গলবাৰে পৰে সেই বছৰত প্ৰজাসকল অনাযুঁজত মৰে।

(৪০) তিনি একাদসি দ্বিপক্ষে পাই। সক সগুনে পাৰেমানে খাই।। (পৃঃ ৭৪)

যি বছৰৰ যি মাহত দুটা পক্ষত (অৰ্থাৎ শুক্ল আৰু কৃষ্ণ) তিনিটা একাদশী তিথি পৰে, সেই বছৰত দেশত মাৰি-মৰকে দেখা দিয়ে।

(৪১) অক্ষৰ দুগুন মাত্ৰা চাৰি। নাম থিৰ কৰি পুৰুষ নাৰি।।
লোচনে হৰিবা ভাগ। জিৱন মৰন পাইবা লাগ।।
সুন্যে একে মৰে পতি। দুই পাইলে মৰে যুবতি।।
তিনি পাইলে উভয়ৰ মৰন। ডাকৰ এই নিশ্চয় বচন।। (পৃঃ ৭৫)

স্বামী-স্ত্ৰীৰ মাজত কাৰ আগে মৃত্যু হ'ব তাক জানিবলৈ স্বামী-স্ত্ৰী উভয়ৰে নামৰ অক্ষৰ যোগ কৰি তাক দ্বিগুণ কৰি উভয়ৰে নামৰ মাত্ৰা সংখ্যাক চাৰিগুণ কৰি দুয়োটা অঙ্ক যোগ কৰি যোগফলক লোচনেৰে (২ + ২) অৰ্থাৎ চাৰিৰে হৰণ কৰিব লাগে। ০, ১ বাকী থাকিলে স্বামীৰ মৃত্যু, ২ বাকী থাকিলে পত্নী আৰু ৩ বাকী থাকিলে উভয়ৰে মৃত্যু হয়।

এটা উদাহৰণ ঃ

ধৰা হওক স্বামীৰ নাম ঃ ৰমাকান্ত, স্ত্ৰীৰ নাম উৰ্মিলা।

অক্ষৰ সংখ্যা = ৪ + ৩ = ৭ × ২ = ১৪

মাত্ৰা সংখ্যা = আ + আ + উ + ই + আ = ৫ × ৪ = ২০

এতিয়া,

৩৪ ÷ ৪ = ৮, বাকী ২, গতিকে স্বামীৰ পূৰ্বে স্ত্ৰীৰ মৃত্যু হ'ব।

(৪২) ফাল্গুনৰ সেসে চৈত্ৰ প্ৰবেসে। জেই জেই হোৱে বাৰ।।
আকে খৰলিয়া সনিয়ে ৰুগিয়া। মঙ্গলে ধুলি আন্ধাৰ।।
সোমে বহু জল। কৃষিৰ নিষ্ফল।।
বুধ বৃহস্পতি শুক্ৰবাৰ। মেদনি নসহে শস্যৰ ভাৰ।। (পৃঃ ৭৪)

ফাগুন আৰু চ'ত মাহৰ সংক্ৰান্তি অনুষ্ঠিত হোৱা বিভিন্ন বাৰৰ ফল ঃ দেওবাৰ— খৰ, শনি— বেমাৰ-ব্যাধি, মঙ্গল— ধূলিৰ বতাহ, সোম— বৰ্ষা আৰু বৃষ্টিৰ প্ৰাবল্যৰ ফলত খেতি-বাতিৰ ক্ষতি, বুধ-বৃহস্পতি আৰু শুক্ৰবাৰ— শস্য বৃদ্ধি।

(৪৩) পুবে শনৈচ্চুৰে পাতিলা ফান্দ। অগ্নি দিসক বান্ধিলা চান্দ।।
দক্ষিণ দিসক বান্ধিলা বুধে। নৈঋতে গুৰু এ মৰন সাধে।
পচিমে আকা বায়ব্যে সুকা। উত্তৰে মঙ্গল কৰিবা সঙ্কা।
অষ্ট দিসৰ কষ্ট বহু। ইসান দিসক বান্ধিলা ৰাহু।। (পৃঃ ৭৭)

শনিবাৰে পূব দিশে যাত্ৰা কৰা নিষেধ। সোমবাৰে অগ্নি দিশ অভিমুখে যাত্ৰা কৰা অনুচিত। বুধবাৰে দক্ষিণ ফালে, বৃহস্পতিবাৰে নৈঋত দিশে, দেওবাৰে পশ্চিম ফালে আৰু শুক্ৰবাৰে বায়ু দিশৰ অভিমুখে যাত্ৰা কৰা নিষেধ। মঙ্গলবাৰে উত্তৰ দিশে যাত্ৰা কৰা অনুচিত। ঈশান দিশত ৰাহুৱে নানা বিপদ-বিঘিনি পাতে।

দিশাধিপতি গ্ৰহ ঃ

দিশ		অধিপতি গ্ৰহ
পূব	—	ৰবি
অগ্নি	—	শুক্ৰ
দক্ষিণ	—	মঙ্গল
নৈঋত	—	ৰাহু
পশ্চিম	—	শনি
বায়ু	—	চন্দ্ৰ
উত্তৰ	—	বুধ
ঈশান	—	বৃহস্পতি

(চিত্ৰ ৩)

নিষিদ্ধ যাত্ৰা ঃ

বাৰ		নিষিদ্ধ দিশ
ৰবিবাৰ	—	পশ্চিম
সোম	—	অগ্নি
মঙ্গল	—	উত্তৰ
বুধ	—	দক্ষিণ
বৃহস্পতি	—	নৈঋত
শুক্ৰ	—	বায়ু
শনি	—	পূব

ঈশান দিশত ৰাহুৱে নানা বিপদ-বিঘিনি পাতে।

(চিত্ৰ ৪)

ডাক-প্রবচন

গ. অধিসমীক্ষা

প্ৰথম অধ্যায়

অসম আৰু ভাৰতৰ বিভিন্ন প্ৰান্তত প্ৰচলিত ডাকপৰম্পৰা

ডাকৰ বচন অথবা ডাক-প্ৰবচন আৰু তাদৃশ প্ৰবচন অসমৰ বাহিৰেও ভাৰতৰ বিভিন্ন প্ৰান্তৰ লোকসমাজত প্ৰচলিত। ডাকবচন অথবা ডাকৰ প্ৰবচনবোৰ বা সেই জাতীয় প্ৰবচনবোৰ ডাক, খনা, ডঙ্ক, ঘাঘ, ভড্ডৰ, ভড্ডৰী আদি ব্যক্তিৰ নামত জৰিত। কোনো কোনোৱে আকৌ 'ডাকাৰ্ণৱ' গ্ৰন্থৰ লগত ডাক-প্ৰবচনবোৰৰ সম্পৰ্ক স্থাপন কৰিবলৈ বিচাৰে। কোনোৱে আকৌ ডাক-প্ৰবচনবোৰৰ মূল গ্ৰন্থৰূপে উক্ত গ্ৰন্থখনলৈ আঙুলিয়ায়।[1] কিন্তু *ডাকাৰ্ণৱ* গ্ৰন্থৰ বিষয়বস্তু (theme), প্ৰসঙ্গ (context) আৰু আদৰ্শৰ লগত ডাক-প্ৰবচনৰ কোনো সাদৃশ্য বা মিল নাই। বৌদ্ধ সহজীয়াৰ সাধন তত্ত্ব সম্বন্ধীয় আলোচনাই *ডাকাৰ্ণৱৰ* বিষয়বস্তু। পটল বিভাজন, যন্ত্ৰচক্ৰ, মুদ্ৰা, ষড়চক্ৰ, ঈড়া-পিঙ্গলা-সুষুম্না আদিৰ বৰ্ণনাই গ্ৰন্থখনিক তান্ত্ৰিক গ্ৰন্থৰূপে প্ৰতিপন্ন নকৰাকৈ থকা নাই।

বুদ্ধকোন, বুদ্ধিসত্ত্ব কোন আদিৰ জ্ঞান দিবৰ বাবেই ৰচিত হৈছে *ডাকাৰ্ণৱ* গ্ৰন্থ। যেনে ঃ

নানাগমতন্ত্ৰেষু চৰ্য্যাস্তত্ৰ বিচাৰয়েৎ।
বিচাৰ্য্যমানয়া যুক্তি সা যুক্তি গৰীয়সী মম॥
চিত্তং তৎপদগন্তুশ্চ কথিতং কৰ্মমূলকে।
শিষ্যায় গুৰবে হ্যত্ৰ ধাৰিতা গৌৰবায় তু॥
অন্যযুক্তিৰ্ণ মে হ্যন্তি স্বল্পযুগেষু জন্তবে।
অল্পবুদ্ধিস্বল্পপুণ্যো কোটকাকলিযোগকে॥
তস্মাৎ পুণ্যবননাত্তু জ্ঞানং বুদ্ধেস্বগোচৰং।
দীৰ্ঘকালতো কৰুণাং সেৱয়ন্তি হ্যকল্পিতাং॥
পুণ্যেষু সংখ্যা কৰ্ত্তুং কঃ পুনৰ্জ্জ্ঞানবাচকং॥
কঃ বুদ্ধং ক বোধিসত্বং বিশেষং নাত্ৰ বিদ্যতে॥
বস্তুবোধনাদ্ বুদ্ধোঽহস্তদ্বস্তু বোধিসত্ত্বকং॥[2]

সংস্কৃত পাঠৰ মাজে মাজে অপভ্ৰংশত ৰচিত দোহাৱলীৰ সংযোজন *ডাকাৰ্ণৱ* গ্ৰন্থৰ আন এটি বিশেষত্ব। এই দোহাৱলীৰ বিষয়বস্তুৰ লগত চৰ্য্যাৰ বিষয়বস্তুৰ সাদৃশ্য নথকা নহয়। উদাহৰণস্বৰূপে কেইটিমান দোহা উল্লেখ কৰা হ'ল ঃ

---

১. *দেবেন্দ্ৰনাথ বেজবৰুৱা ঃ অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী*, পৃঃ ৬৫

২. মহামহোপধ্যায় হৰ প্ৰসাদ শাস্ত্ৰী (সম্পা) ঃ হাজাৰ বছৰেৰ পুৰাণ বাঙ্গালা ভাষায় বৌদ্ধগান ও দোহা, পৃঃ ১৫৪-১৫৫

পৰমান্দি জণ্ড মহসুহ ভাই বিহৰহু জুইণি চক্কু সহাই।
অবিৰিবি মোহপশুলোঅ ন জাই সহজ সুন্দৰি লই মহসুহ ঠাই।।
তিহুবন সয়লহ জন বুদ্ধ সহাই করুণা জুবই ৰসহু সহাই।
আবাজ তুমি পৰমাথু ন ভাবহু তে তুমি সহি বুদ্ধতু ন বাচহ অৰি।।
অন্ত বহুজিঅ ভিন্নহু জানহু লোঅহু সবৃভট্ট উত্তৰণু পুৰহু অৰি।।[৩]

ওপৰোল্লিখিত আলোচনাৰ পৰা সহজে অনুমান কৰিব পাৰি যে *ডাকাৰ্ণৱ*ৰ লগত ডাক-প্ৰবচনৰ কোনো ধৰণৰ সম্পৰ্ক নাই।

কোনো কোনোৱে আকৌ অনুমান কৰে যে খ্ৰীঃ সপ্তম শতিকাত কামৰূপেশ্বৰ ভাস্কৰ বৰ্মাই উত্তৰ ভাৰতৰ বিখ্যাত হিন্দু সম্ৰাট হৰ্ষবৰ্ধনলৈ হংসবেগৰ জৰিয়তে সাঁচি পাতত লিখা প্ৰবাদ-বচনৰ পুথি এখন উপহাৰস্বৰূপে পঠিয়াইছিল[৪] আৰু এই পুথিখনেই ডাক-প্ৰবচনৰ প্ৰটো ৰূপ। সন্দেহ নাই যে এই পুথিখন সংস্কৃতত ৰচিত হৈছিল। গতিকে ভাস্কৰ বৰ্মাই উপহাৰস্বৰূপে পঠোৱা সংস্কৃত-প্ৰবচন গ্ৰন্থৰপৰা অসমীয়া, বঙলা, উড়িয়া, মৈথেলী, ভোজপুৰী আদি ভাষাত ডাক-প্ৰবচন ৰূপে প্ৰবহমান হোৱা কথাটো অনুমানহে কৰিব পাৰি, যুক্তিৰ ওপৰত প্ৰতিষ্ঠা কৰিব নোৱাৰি। দ্বিতীয়তে সাঁচিপতীয়া পুথিখনৰ বিষয়বস্তু কি আছিল তাৰ নিৰাকৰণ যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত নোহোৱাকৈ অৰ্থাৎ পুথিখনৰ বিষয়বস্তু বিশ্লেষণ নকৰাকৈ ক'ব নোৱাৰি; কিন্তু পুথিখনৰ বিষয়বস্তু কি আছিল জানিবৰ উপায় নাই। গতিকে নৃপতি ভাস্কৰ বৰ্মাই উপঢৌকনস্বৰূপে প্ৰেৰণ কৰা সাঁচিপতীয়া পুথিৰ লগত ডাক-প্ৰবচনৰ সংযোগ স্থাপন নকৰাই ভাল।

(১) অসমত ডাক-পৰম্পৰা ঃ

অসমীয়া পণ্ডিতসকলৰ মতে ডাক-প্ৰবচনৰ স্ৰষ্টা ডাকৰ জন্ম হৈছিল বৰপেটাৰ ওচৰৰ লেহিডঙৰা গাঁৱত।[৫] ছপা *ডাকৰ বচন* মতে ডাক কুমাৰৰ ল'ৰা।[৬]

অন্যহাতে ডাকক ব্ৰাহ্মণৰ সন্তানো বোলা হৈছে।[৭]

উপজিয়েই ডাক দিয়াৰ বাবে এওঁৰ নাম হয় ডাক।[৮]

বৰাহমিহিৰৰ লগত ডাকৰ জন্মকাহিনী জৰিত। বৰাহমিহিৰৰ আশীৰ্বাদত ডাকৰ জন্ম হৈছিল। ডাকৰ মাতৃ আছিল নিঃসন্তান। বৰাহমিহিৰ অতিথিস্বৰূপে ডাকৰ পিতৃগৃহলৈ আহিল। ডাকৰ পিতাকৰ ছয়জন ককায়েক। তেওঁলোকৰ ল'ৰা-লুৰি আছে, কেৱল নাই ডাকৰ পিতৃৰ। ডাকৰ পিতৃৰ সৈতে ককায়েকহঁত গৈছিল ধান ৰখিবলৈ। ঘৰত সাতজনী বোৱাৰীৰ সৈতে আছে

৩. উক্ত গ্ৰন্থ, পৃঃ ১৫৭
৪ সৰ্বেশ্বৰ ৰাজগুৰু (সম্পা) ঃ অসমীয়া প্ৰবাদ, ভূমিকা, পৃঃ ১
৫. 'লেহি ডঙৰা ডাকৰ গাঁও।' ডাক-প্ৰবচন, পৃঃ ৯৪
৬. 'কুমাৰণী আই তুমি হোৱা পিতা।' হেমৰথ বৰ্মণ (সম্পা), পৃঃ ৩
৭. 'উত্তম ব্ৰাহ্মণ ঘৰে জনম ধৰিলা।' ডাক-প্ৰবচন, পৃঃ ৯৬
৮ 'উপজিয়ে মাৱক দিলা ডাক। সেহিসে কাৰণে তাৰ নাম থৈলা ডাক।।', হেমৰথ বৰ্মণ (সম্পা) ঃ প্ৰা গ্ৰা পৃঃ ৪

শাহুৱেক। তেনে অৱস্থাত অপৰিচিত অতিথি বৰাহমিহিৰক দেখি বুঢ়ীয়ে মাত লগালে ঃ

শাহ বোলে অতিথি বাপা। টং ৰাখিবা গৈছি সাতোটি আপা।।
ঘৰত নাই মুনিহ লোক। কেন্‌কৈ বাপা সুধিম তোক।।[৯]

বুঢ়ীয়ে ক'লে যে ঘৰত মুনিহ মানুহ এজনো নাই, গতিকে তেওঁ অতিথি সুধিব নোৱাৰে। বৰাহমিহিৰে উপায়ন্তৰ হৈ ক'লে যে, তেওঁৰ বাবে চাউল-চৰুৰ প্ৰয়োজন নাই, কেৱল শুবলৈ এমুঠি খেৰ পালেই হ'ল। বুঢ়ীয়েও মনে মনে চিন্তা কৰিলে বোলে ঃ "গধূলিৰ অতিথি সাক্ষাৎ ঈশ্বৰ, অতিথি নুসুধিলি কিহৰ ঘৰ।"[১০] ভাবি-চিন্তি বুঢ়ীয়ে ল'ৰা-লুৰি নোহোৱা সৰু বোৱাৰীয়েকক নিৰ্দেশ দিলে— অতিথি-শুশ্ৰূষাৰ বাবে যাবতীয় ব্যৱস্থা কৰিবলৈ, ঘৰৰ কাম-বন পিছে-পৰে কৰিলেও হ'ব; কিজানি অতিথিৰ কৃপাত নিঃসন্তানা বোৱাৰীয়ে চা-চলিৰ মুখ দেখেই ঃ

শাহ বোলে সৰুজনী আই। তোৰ লগত একো চা-চলি নাই।।
ঘৰৰ কামক পাছে কৰ। অতিথি বাপাৰ আলধৰ।।
বেটাৰ কপালে নাহিকে পো। অতিথি পূজি চলি কোলাত লো।।[১১]

সৰু বোৱাৰীয়েকে অতিথি-শুশ্ৰূষাৰ বাবে ছেগ চাই আছিল, শাহুয়েকৰ কথাত তেওঁৰ আপত্তি কৰিবলগীয়া আৰু কিটো থাকিব? তেওঁ 'অতিথি বপুৰা'ৰ আলপৈচান ধৰি সন্তানহীন ব্যৰ্থ জীৱনৰ কাৰুণ্য অতিথি বৰাহমিহিৰৰ ওচৰত বিবৰি ক'লে। সৰু বোৱাৰীয়েকৰ সেৱা-শুশ্ৰূষাত সন্তুষ্ট হৈ বৰাহমিহিৰে ক'লে ঃ "পুত্ৰ এক হৈবে মোৰ সমসৰ।" বিহান পুৱাতে বৰাহমিহিৰে বিদায় ল'লে। জ্যোতিৰ্বিদ বৰাহমিহিৰৰ বৰত; 'সৰু বোৱাৰীয়েক'ৰ গৰ্ভ চন্দ্ৰ-কলাৰ দৰে দিনে দিনে বাঢ়ি দহ মাহত ভৰি দিলে। তেওঁৰ প্ৰসৱ বেদনা আৰম্ভ হ'ল। অৰ্ধ বাজ হৈ গৰ্ভস্থ সন্তানে বাহিৰত পোহৰ নেদেখি মাত লগালে ঃ

অৰ্দ্ধবাজ হুই মাক ডাক দিলা। পোহৰ নেদেখি অসন্তোষ ভৈলা।।
নাহিকে পোহৰ নাহিকে বাতি। পাত নাই পৰিলা মাটিত।।
মাৱক মাতিয়া বোলয় বচন। জুই ধৰিব কৰা যতন।।[১২]

ওচৰতে থকা দুই-এজনী তিৰোতাই তুঁহ-জুই ফুকাবলৈ ধৰিলে। জুই পিৰিক-পাৰাকহে কৰে, পোহৰ নহয়। কথা-কাণ্ড দেখি সদ্যজাত শিশু ডাকৰ বৰ খং উঠিল। তেওঁ মাত লগালে ঃ

পিৰিক পাৰাক কৰে আগুন। নালাগে দেখিয়া উঠয় খং।।
হেন দেখি মাতিলা ডাক। পোৱঁতী ৰাখিয়া চা পুতাক।।[১৩]

সদ্যজাত শিশুৰ মুখত কথা শুনি সকলোৱে আচৰিত মানিলে। ডাকে জন্মলাভ কৰাৰ দিনা বুঢ়ীৰ পুতেকহঁত গোটেই নিশা টঙিত আছিল। পুত্ৰ জন্ম হোৱাৰ খবৰ শুনি তেওঁলোক আটায়ে ৰংমনে ঘৰলৈ আহি, সদ্যজাত শিশুৰ বিষয়ে নাভূত-নাশ্ৰুত কথা শুনি ডাঙৰজনাই

---

৯. হেমৰথ বৰ্মণ, প্ৰা. গ্ৰাঃ, পৃঃ ১
১০. হেমৰথ বৰ্মণ, প্ৰা. গ্ৰ.
১১. হেমৰথ বৰ্মণ (সম্পা), প্ৰা. গ্ৰ. পৃঃ ২
১২. দেবেন্দ্ৰ নাথ বেজবৰুৱা, প্ৰা. গ্ৰ. পৃঃ ৫৯
১৩. হেমৰথ বৰ্মণ, প্ৰা. গ্ৰ. পৃঃ ৩

নিৰ্দেশ দিলে : 'চৰুভৰাই তাক খেৰৰ মাজত থ'। কথামতে কাম হ'ল। তিনিদিনৰ পিছত ভায়েকহঁত খেৰ কাটিবলৈ গ'ল— কেঁচুৱা ডাকক চৰুৰ ভিতৰত পেলাই থৈ দিয়া খেৰণীলৈ। কটা খেৰ বন্ধাৰ সময়ত সাতোটি ভায়েকৰ মাজত সমস্যাই দেখা দিলে। সেই সমস্যা সমাধানৰ পথ নিৰ্দেশ কৰি তিনিদিনীয়া শিশুটিয়ে মাটিৰ চৰুৰ বুকুৰ পৰা মাত লগালে :

ডাকে বোলে খেৰ কাটা তিনি মুঠি। তেহে দেখিবা গায়ন গুটি॥

তদনুক্ৰমে তেওঁলোকে কটা খেৰ বান্ধি সুফল পাই কোনেনো মাতিছে বুলি চাবলৈ গ'ল। তিনিদিন আগতে থোৱা ঠাইতে শিশুটিক দেখিবলৈ পাই তেওঁলোকে আতৌ-পুতৌকৈ সাবটি ধৰি শিশুটিক ঘৰলৈ লৈ গ'ল :

ডাকৰ কথা সত্য পাইলা। কোনে মাতে বুলি চাহিবে গৈলা॥
পূৰ্বৰ ঠাইত শিশুক পাইলা। কোলে সাৱটি ঘৰক নিলা॥ [১৪]

ডাকৰ জন্ম শুনি পিতৃ বৰাহমিহিৰ আকৌ লেহিডঙৰালৈ ঘূৰি আহি লগত লগৰীয়াৰ লগত খেলি থকা ডাকক লগ ধৰি পিতৃ-পৰিচয় সুধিলে। প্ৰত্যুত্তৰস্বৰূপে ডাকে ক'লে :

ডাকে বোলে পিতা নকৰা চিন্তা। কুমাৰণী আই তুমি হোৱা পিতা॥[১৫]

বৰাহমিহিৰে পুত্ৰ ডাকক নিজৰ দেশলৈ নিবলৈ অভিলাষ ব্যক্ত কৰি ক'লে :

তোৰ মুখে জানো মোৰ পুত্ৰ তই। মোৰ কান্ধে উঠ লৈ যাওঁ মই॥

বৰাহমিহিৰৰ কথা শুনি শিশু ডাকে আন এটি জটিল প্ৰশ্ন উপস্থাপন কৰিলে :

ডাকে বোলে পিতা স্বৰূপ বুজা। মই গুচৰীয়া তুমি হোৱা ৰজা॥
ৰুলো মোৰ মাটিত। বগালে তাৰ তাতিত॥
মাটিৰ গিৰিয়ে পায়নে তাতিৰ গিৰিয়ে পায়।
স্বৰূপ কৰিয়া কহা মোত বুজায়॥

অৱশেষত পুত্ৰ ডাকৰ কথা কাটিব নোৱাৰি মনৰ অভিলাষ মনতে ৰাখি বৰাহমিহিৰে ক'বলৈ বাধ্য হ'ল :

মাতৃৰ লগত তুমি কৰিও বাস। আজিৰ পৰা তোৰ এৰিলো আশ॥

এদিনাখন লগৰীয়াসকলৰ লগত আলোচনা কৰি ডাক গ'ল ব্ৰহ্মপুত্ৰ নদত পদুমৰ মৃণাল তুলিবলৈ। ডাকে অগাধ জলত বুৰ দিলে— মৃণাল তুলিবলৈ। ডাকৰ চুলি আছিল আঢ়ৈহাত দীঘল। পদুমৰ নালত চুলিৰ লাগিল জোট। ডাকে পানীৰ ওপৰলৈ উঠিবলৈ কক্‌বকাবলৈ ধৰিলে যদিও কৃতকাৰ্য্য নহ'ল। অৱশেষত ডাকৰ প্ৰাণবায়ু উৰি গ'ল। ডাকৰ এই অপঘাত মৃত্যুৰ পথ প্ৰশস্ত কৰি দিছিল শ্ৰীৰাম চন্দ্ৰই; কাৰণ মানুহে ৰামৰ নাম ল'বলৈ আশা এৰি ডাকৰ নাম ল'বলৈ আৰম্ভ কৰিছিল। অৱশেষত শ্ৰীৰামচন্দ্ৰই ছল কৰি ডাকক পানীত পেলাই মৰালে :

শ্ৰীৰামৰ নাম এৰি ডাকৰ নাম কয়। শুনি নসহিলা শ্ৰীৰামৰ গায়॥
মনে গুণি বোলে কি কাম কৰোঁ। ডাক নাম কেনমতে লুপ্ত কৰোঁ॥
এহি ভাবি ৰামে মনে কৰি খেদ। ডাকৰ মতি কৰিলা ভেদ॥ [১৬]

---

১৪. হেমৰথ বৰ্মণ, প্ৰা গ্ৰ, পৃঃ ৪
১৫. দেবেন্দ্ৰ নাথ বেজবৰুৱা, প্ৰা. গ্ৰ. পৃঃ ৬২
১৬. হেমৰথ বৰ্মণ, প্ৰা গ্ৰ. পৃঃ ৭

আন এটি জনশ্রুতি মতে এদিনাখন সৰবজান ডাকে বন্ধুসকলৰ লগত আছিল ঘিলা খেল খেলি। সেইদিনাখনেই সেই দেশৰ ৰজাই দূতক মাতি আনি ক'লে কোন দিনা ক্ষৌৰ কৰ্ম কৰা বিধেয় ডাকত সুধি আহি তেওঁক জনাব লাগে। ৰজাৰ আদেশ শিৰে ধৰি খেল খেলি থকা ডাকৰ ওচৰলৈ দূতে ঢাপলি মেলিলে আৰু ৰজাৰ নিৰ্দেশ ডাকৰ ওচৰত পেছ কৰি ক'লে ঃ

দূতে বোলে সৰ্বজান ডাক শুনা। ক্ষুৰ কৰ্ম কৰিবাক দিনবাৰ গুণা॥

দূতৰ কথা শুনি ডাকে ক'লে ঃ

ডাকে বোলে পাতঘিলা মাৰো খেলাই। ক্ষুৰ কৰ্ম মঙ্গলৰ আগে পাছে পায়॥

দূতেও ডাকে কোৱা মতে ৰজাক জনালেগৈ। ৰজাই অৰ্থ কৰিবলৈ অসমৰ্থ হৈ পুনৰ দূতক আদেশ দিলে ঃ পণ্ডিত ব্ৰাহ্মণ আৰু গণকক মাতি আনিবলৈ। ব্ৰাহ্মণ-গণকসকল আহি ডাকৰ বচনষাৰৰ অৰ্থ বুজাই ৰজাক ক'লে যে, সোম আৰু বুধবাৰ ক্ষৌৰ কৰ্মৰ বাবে প্ৰশস্ত। গণকসবৰ মনত ভয় উপজিল ঃ যদি ডাক জীয়াই থাকে তেন্তে তেওঁলোকৰ জীৱিকাৰ অন্ত পৰিব। গণকে বুধি কৰি স্নানিবৰ বাবে সকলো শিশুকে মাতি আনিলে। মন সামৰিব নোৱাৰি ডাকো আহিল। ব্ৰহ্মপুত্ৰৰ তীৰত আঁৰি বান্ধি ডাকে বন্ধুসবৰ লগত গভীৰ জলত জাপ দিলে। শিশুসৱে ডাকক জলৰ মাজত হেঁচা মাৰি ধৰি পানীৰ মাজলৈ ঢকা মাৰি দিয়াৰ পৰিণতিস্বৰূপে সৰবজান ডাকৰ মৃত্যু হ'ল। ডাকক মৰা ঢকাৰ পৰাই ব্ৰহ্মপুত্ৰৰ বুকুত সৃষ্টি হ'ল ডকাৰ।[১৭]

ওপৰত অসমত প্ৰচলিত ডাকৰ জন্ম আৰু মৃত্যু সম্পৰ্কীয় জনশ্ৰুতিৰ এটি সাধাৰণ আভাস দিবলৈ প্ৰয়াস কৰা হৈছে। ইয়াৰ পৰা দেখা যায় যে, ডাকৰ জন্ম আৰু মৃত্যু সম্পৰ্কীয় জনশ্ৰুতিৰ মাজত সাদৃশ্য নাই। দ্বিতীয়তে, ডাক-প্ৰবচন বা ডাক-ভণিতা অথবা ডাকৰ বচন সন্নিবিষ্ট হাতে লিখা পুথিত[১৮] ডাকৰ জন্ম আৰু মৃত্যু সম্পৰ্কীয় কোনো ধৰণৰ বৰ্ণনা পোৱা নাযায়। অৱশ্যে ছপা *ডাকৰ বচন* আৰু দেবেন্দ্ৰ নাথ বেজবৰুৱাৰ *অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জীত* ডাকৰ জন্ম-মৃত্যু সম্পৰ্কীয় বৰ্ণনা পোৱা যায়। সম্ভৱ ডাকৰ জন্ম-মৃত্যু সম্পৰ্কীয় বৰ্ণনা হাতে লিখা *ডাকৰ বচন* পুথি আশ্ৰিত নহয়। সোণাৰাম চৌধুৰীয়ে 'আৱাহন'ত 'ডাকপুৰুষৰ জীৱনী আৰু ৰচনাৱলী' শীৰ্ষক প্ৰবন্ধ এটি ৰচনা কৰিছিল।[১৯] ইতিপূৰ্বে তেওঁ 'জোনাকী' কাকতত 'জ্ঞানী ডাক' নামৰ এটি প্ৰবন্ধ লিখিছিল আৰু সেই প্ৰবন্ধটিৰ বিষয়বস্তু

---

১৭. এহি বুলি ৰাজাত বুজাইলা মৰ্ম্মত। জী থাকে যদি ডাক ভাবিলা মনত॥
আমাৰ জীৱিকা সৱে গুছিব তাবত। ডাকক মাৰোহো সবে স্নান সময়ত॥
সকলো শিশুক মাতি আনিলা গণক। ৰাখিব নোৱাৰি ডাক আসিলা মনক॥
ব্ৰহ্মপুত্ৰ তীৰে আহি বান্ধিলন্ত আঁৰি। সকলো শিশুৰ লগে দিলে জাপ মাৰি॥
দেখে শিশু সব জাপ মাৰিলন্ত ডাক। হেছা মাৰি ধৰিলন্ত কেহো নেদে হাক॥
মাজক লাগিয়া সবে দিলা মাৰি ঢকা। আজি ধৰি হইয়াছে ব্ৰহ্মপুত্ৰ ডকা॥
মণ্ডীৰাম দত্ত (সম্পা) ঃ *ডাকৰ বচন*, পৃঃ ১৪৬

১৮. পৃঃ ১ দ্ৰষ্টব্য।

১৯. *আৱাহন*, ১ম বছৰ, ১ম সংখ্যা আৰু ৩য় সংখ্যা।

দেৱেন্দ্ৰ নাথ বেজবৰুৱাই তেওঁৰ দ্বাৰা ৰচিত *অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জীত* হুবহু তুলি দিছিল।[২০] ইয়াৰপৰা অনুমান কৰিব পাৰি যে, দেৱেন্দ্ৰ নাথ বেজবৰুৱাই সন্নিবিষ্ট কৰা ডাকৰ জন্ম-মৃত্যু সম্পৰ্কীয় বৰ্ণনা, হাতে লিখা পুথিৰ ওপৰত নিৰ্ভৰশীল নহয়। সোণাৰাম চৌধুৰীৰ বৰ্ণনাৰ ওপৰতহে প্ৰতিষ্ঠিত। চৌধুৰীয়ে ক'ৰ পৰা ডাকৰ জন্ম-মৃত্যু সম্পৰ্কীয় বৰ্ণনাংশ গ্ৰহণ কৰিছিল তাৰ সংকেত দিয়া নাই। দণ্ডীৰাম দত্তৰ দ্বাৰা সম্পাদিত *ডাকৰ বচনত* ৰাহমিহিৰৰ আতিথ্য লাভ আৰু তেওঁৰ কৃপাত ডাকৰ জন্ম হোৱা বৰ্ণনাংশ পোৱা নাযায়; কেৱল ডাকৰ মৰণ সম্পৰ্কীয় উপ-কাহিনী ভাগহে পোৱা যায়।[২১] দ্বিতীয়তে, এই কাহিনীভাগ তেওঁ কোনখন হাতে লিখা পুথিৰপৰা গ্ৰহণ কৰিছিল তাৰ কৈফিয়তো দিয়া নাই। শিৱনাথ ভট্টাচাৰ্যৰদ্বাৰা সম্পাদিত *ডাক-চৰিত্ৰ* বা *ডাক-ভণিতাতো* ডাকৰ মৃত্যু সম্পৰ্কীয় কথাংশহে পৰিদৃষ্ট হয়, জন্ম সম্বন্ধীয় বৰ্ণনা পোৱা নাযায়।[২২] হেমৰথ বৰ্মণে সম্পাদনা কৰা *সম্পূৰ্ণ ডাকৰ বচনত* ডাকৰ জন্ম আৰু মৃত্যু বিষয়ক বৰ্ণনা পোৱা যায়।[২৩] কিন্তু মূল পুথিৰ বিষয়ে তেৰোঁ একো উল্লেখ কৰা নাই। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে, ডাকৰ জন্ম আৰু মৃত্যু সম্পৰ্কীয় কাহিনীভাগ সম্পূৰ্ণভাৱে মৌখিক পৰম্পৰাৰ পৰিসীমাত সীমিত। ডাকৰ নামত প্ৰচলিত এই কাহিনীভাগ শেষত ডাকৰ বচন বা প্ৰবচনত সংযোগ কৰি দিয়া হৈছে। গতিকে অসমত প্ৰচলিত ডাকৰ পৰম্পৰাৰ লগত জৰিত ডাকৰ জন্ম-মৃত্যু সম্পৰ্কীয় কাহিনীভাগৰ লগত স্বৰূপাৰ্থত ডাক-প্ৰবচনৰ অঙ্গাঙ্গী সম্পৰ্ক অথবা নিবিড় সম্বন্ধ নাই। মৌখিক পৰম্পৰাত প্ৰচলিত ডাক সম্পৰ্কীয় কাহিনীভাগ ডাকৰ নামত প্ৰবহমান প্ৰবচনবোৰৰ লগত সংযোগ কৰি দিয়া হৈছে।

•(২) বঙ্গদেশত প্ৰচলিত ডাক-পৰম্পৰা ঃ

অসমত প্ৰচলিত ডাক-পৰম্পৰাৰ সমান্তৰালকৈ বঙ্গদেশতো ডাকৰ পৰম্পৰা প্ৰবহমান। বঙ্গদেশত ডাক আৰু খনা প্ৰায় একাকাৰ হৈ পৰিছে। সাধাৰণতে কৃষি বিষয়ক প্ৰবচনবোৰ খনাৰ বচন আৰু জ্যোতিষ বিষয়ক প্ৰবচনবোৰক ডাকৰ বচন ৰূপে আখ্যা দিয়া দেখা যায়।[২৪] অৱশ্যে খনাৰ বচনতো জ্যোতিষ বিষয়ক বচন নোহোৱা নহয়। 'তথাপি সাধাৰণতঃ যাহা দেখা যায়, তাহাতে বুঝিতে পাৰা যায় যে কৃষি বিষয়ক বচনগুলি খনাৰ নাম এবং জ্যোতিষ বিষয়ক বচনগুলি ডাকেৰ নামে চলে।[২৫] কোনো কোনো পণ্ডিতৰ মতে বঙ্গদেশত প্ৰচলিত খনাৰ বচনবোৰকেই অসম, মিথিলা আদিত ডাকৰ বচন আখ্যা দিয়া দেখা যায়। বঙ্গদেশৰ

---

২০. সোণাৰাম চৌধুৰী ঃ 'ডাক পুৰুষৰ জীৱনী আৰু ৰচনাৱলী'
আৱাহন, ১ম বছৰ, ৩য় সংখ্যা, ১৮৫১ শক, পৃঃ ৩০৫

২১. দণ্ডীৰাম দত্ত (সম্পা) ঃ *ডাক বচন*, পৃঃ ১৪৫-১৪৬

২২. শিৱনাথ ভট্টাচাৰ্য (সম্পা) ঃ *ডাক চৰিত্ৰ* বা *ডাক ভণিতা*, পৃঃ ৩৫-৩৬

২৩. হেমৰথ বৰ্মণ (সম্পা) ঃ *সম্পূৰ্ণ ডাকৰ বচন*, ১-৭

২৪. আশুতোষ ভট্টাচাৰ্য্য ঃ *বাংলাৰ লোক সাহিত্য*, পৃঃ ৭৩

২৫. উক্ত গ্ৰন্থ

বাহিৰেও আন আন অঞ্চলতো কৃষি আৰু জ্যোতিষ বিষয়ক প্ৰবচনবোৰ ডাক আৰু খনাৰ নামত বিভাজন কৰা যে নহয় তেনেও নহয়। বঙ্গদেশতো দুৰ্গাগতি মুখোপাধ্যায়ে তেওঁৰ *ডাক পুৰুষেৰ কথাত*[২৬] খনাৰ নামত প্ৰচলিত অনেক প্ৰবচন ডাকৰ নামত সাঙুৰি দিছে। আনকি সুশীল কুমাৰ দেৰদ্বাৰা সম্পাদিত *বাংলা-প্ৰবাদ* গ্ৰন্থত মাজে মাজে ডাকৰ বচন খনাৰ বচনৰ মাজত বিভাজনৰ সীমাৰেখা নিৰ্ণয় কৰাত অসুবিধাই দেখা দিছে। উদাহৰণস্বৰূপে তলত দিয়া প্ৰবচন দুটিলৈ আঙুলিয়াব পাৰি ঃ

(ক) *ভৰা হতে শূন্য ভাল যদি ভৰতে যায়।*
আগে হতে পিছে ভাল যদি ডাকে যায়।
মৰা হতে তাজা ভাল যদি মৰতে যায়।
বাঁয়ে হতে ডাইনে ভাল যদি ফিৰে চায়।
বাধা হতে খোলা ভাল যদি মাথা তুলে চায়।
হাসা হতে কাঁদা ভাল যদি কাঁদে বাঁয়॥[২৭]

(খ) *শূন্য কলসী শুকনা না শুকনা ডালে ডাকে কা।*
যদি দেখ মাকুন্দ ধোপা এক পা না বাড়াও বাপা।
এ সকলে পায়ে ঠেলি যদি না সমুখে দেখি তেলী।[২৮]

ওপৰোল্লিখিত শুভ যাত্ৰা সম্বন্ধীয় বচনকেইটি ডাক আৰু খনা উভয়ৰে নামত প্ৰচলিত। ইয়াৰপৰা অনুমান কৰিব পাৰি যে, বঙ্গদেশত বৰ্তমান ডাক আৰু খনাৰ নামত প্ৰচলিত প্ৰবচনসমূহ আদিতে এগৰাকী জ্যোতিষীৰ নামত অৰ্থাৎ ডাকৰ নামত আৰোপিত হৈছিল। শেষলৈ খনা সম্বন্ধীয় জনশ্ৰুতিৰ বিকাশ আৰু প্ৰসাৰণ হোৱাৰ লগে লগে এই প্ৰবচনবোৰ ডাক আৰু খনা উভয়ৰে নামত প্ৰচলিত হ'বলৈ ধৰিলে।[২৯] পশ্চিম অসমত খনাৰ বচনবোৰৰো সমাদৰ অস্বীকাৰ কৰিব নোৱাৰি।

বঙ্গদেশত প্ৰচলিত পৰম্পৰা মতে ডাক গোৱালৰ পুত্ৰ ঃ ফুট ভাষে ডাক গোয়ালে— এ গৃহিণীতে ঘৰ না টালে।[৩০] উত্তৰ বিহাৰত প্ৰবহমান পৰম্পৰা মতেও ডাক গোৱালৰ ল'ৰা।[৩১] আশুতোষ ভট্টাচাৰ্য্যৰ মতে ডাক তান্ত্ৰিক বৌদ্ধ পণ্ডিসকলৰ উপাধিবিশেষ। গতিকে

---

২৬. ১৯০৪ চনত প্ৰকাশিত (২য় + ৩য় খণ্ড)

২৭. সুশীল কুমাৰ দে (সম্পা) ঃ প্ৰা. প্ৰ. পৃঃ ৫৯২

২৮. উক্ত গ্ৰন্থ, পৃঃ ৭৩৩

২৯. "..in Bengal also, the sayings were originally assigned to a single astrologer but that were divided between two of them only after the development of distinct legends regarding the latter."
D. C. Sircar : 'The Sayings of Dak' *Souvenir, XXII Session, All India Oriental in Conference*, Gauhati; Assam, 1965; Published in the *Dakar-Vacan*, ed. D. Datta, Gauhati, 1968, P 161

৩০. সুশীল কুমাৰ দে (সম্পা), প্ৰা. প্ৰ. পৃঃ ৩২৯

৩১. D. C. Sircar, *Loc-cit* P. 163

তান্ত্ৰিক বৌদ্ধ ধৰ্মৰ লগত ডাক-প্ৰবচনৰ সম্পৰ্ক থাকিব পাৰে। কিন্তু ভট্টাচাৰ্য্যৰ অভিভাষন মানি লোৱা টান এই কাৰণেই যে, তান্ত্ৰিক বৌদ্ধ ধৰ্মৰ প্ৰভাৱ নপৰা অঞ্চলতো ডাকৰ বচনৰ লোকপ্ৰিয়তা অনস্বীকাৰ্য্য।[৩২] দীনেশ চন্দ্ৰ সেনে ডাকক 'বঙ্গৰ চক্ৰেটিছ' ৰূপে অভিহিত কৰিছে। দ্বিতীয়তে, নেপালত প্ৰাপ্ত *ডাকাৰ্ণৱতন্ত্ৰ* আৰু *বজ্ৰডাকতন্ত্ৰ* নামৰ তান্ত্ৰিক পুথি দুখনৰ বিষয়ে উল্লেখ কৰি তেওঁ ক'ব খোজে যে, ডাক শব্দ, ডাকিনী শব্দৰ পুংলিঙ্গ আৰু ডাক-ডাকিনী বৌদ্ধ তান্ত্ৰিকৰ শ্ৰেণীবিশেষ হ'ব পাৰে।[৩৩] স্বল্পপাৰ্থত আমাৰ আলোচ্য ডাকৰ লগত তান্ত্ৰিক বৌদ্ধ ধৰ্মৰ কোনো সম্পৰ্ক নাই। অসমত প্ৰচলিত ডাক-পৰম্পৰাৰ লগত যিদৰে বৰাহমিহিৰ জৰিত তদ্ৰূপ বঙ্গদেশত প্ৰচলিত খনা পৰম্পৰাৰ লগতো বৰাহমিহিৰ সংযোজিত। খনা পুৰুষ নে স্ত্ৰী এই বিষয়েও মতানৈক্য আছে। প্ৰবহমান জনশ্ৰুতি মতে খনা স্ত্ৰী। তেওঁৰ পিতৃৰ নামৰ ক্ষেত্ৰতো বিভিন্নতা পৰিলক্ষ্যণীয়। কোনোজনৰ মতে তেওঁ ময়দানবৰ কন্যা, আন এজনৰ মতে তেওঁ মানৱ কন্যা। অৱশ্যে এইটো ঠিক যে, খনাৰ পিতৃ কোনো এখন ৰাজ্যৰ ৰজা আছিল। লঙ্কাদ্বীপবাসী ৰাক্ষসসকলে খনাৰ পিতৃ-ভ্ৰাতৃ আদিক সবংশে নিধন কৰে। কিন্তু কন্যা খনাক বধ নকৰি আক্ৰমণকাৰীসকলে তেওঁক লৈ গ'ল লঙ্কাদীপলৈ। কন্যাটি আছিল বুদ্ধিমতী। প্ৰচলিত পৰম্পৰা মতে লঙ্কাদ্বীপতেই খনাই জ্যোতিষ বিদ্যাত পাৰদৰ্শিনী হৈ উঠে।

ইফালে ৰাজচক্ৰৱৰ্তী বিক্ৰমাদিত্যৰ ৰাজসভাৰ নৱৰত্নৰ অন্যতম বৰাহপণ্ডিতৰ ঔৰসত তেওঁৰ পত্নীৰ গৰ্ভত মিহিৰ নামৰ এটি পুত্ৰ সন্তান জন্মে। বৰাহ আছিল জ্যোতিষশাস্ত্ৰবেত্তা; কিন্তু নিজৰ পুত্ৰৰ জন্ম কুণ্ডলী নিৰ্ণয় কৰাৰ ক্ষেত্ৰত তেওঁৰ প্ৰমাদ ঘটিল; আৰু তাৰ পৰিণতিস্বৰূপে পুত্ৰ মিহিৰৰ শতবৰ্ষ পৰমায়ুৰ স্থলত দশবৰ্ষ স্থিৰ কৰি শোক-দুখত জৰ্জৰিত বৰাহে নৱজাতকক তাম্ৰপাত্ৰ এটিত ভৰাই সীমাহীন সমুদ্ৰ বক্ষত উটুৱাই দিলে। তাম্ৰপাত্ৰটি উটি উটি গৈ লঙ্কাদ্বীপৰ ওচৰ পালে। জনৈক ৰাক্ষসে পাত্ৰটি পানীৰ পৰা তুলি আনি পাত্ৰৰ ভিতৰত নৱজাত পুত্ৰ সন্তানটি পাই মিহিৰ নাম দি খনাৰ নিচিনাকৈ লালন-পালন কৰিবলৈ ধৰিলে। মিহিৰেও জ্যোতিষশাস্ত্ৰত পাণ্ডিত্য লাভ কৰিছিল। অৱশেষত খনা আৰু মিহিৰৰ মাজত শুভপৰিণয় সম্পাদিত হয়।

নৱ দম্পতীয়ে লঙ্কাদীপৰপৰা পলাই যাবলৈ সুযোগ আৰু সুবিধালৈ অপেক্ষা কৰি থাকিল। এদিনাখন মাহেন্দ্ৰক্ষণত স্বামী-স্ত্ৰী দুয়ো সাগৰাভিমুখে যাত্ৰা কৰিলে। অৱশ্যে জনৈক ৰাক্ষসে মিহিৰ আৰু খনাৰ অভিসন্ধি বুজিব পাৰি ৰাক্ষস ৰজাক জনালে। মাহেন্দ্ৰক্ষণত যাত্ৰা কৰা নৱদম্পতীক বাধা প্ৰদান কৰা যে নিৰৰ্থক হ'ব ৰাক্ষস নৃপতিয়ে ভালদৰে বুজিব পাৰিছিল। গতিকে ৰাক্ষস ৰজাই এজন ভৃত্যক নিৰ্দেশ দিলে— খনা আৰু মিহিৰক সমুদ্ৰ পাৰ কৰি দিবলৈ। ৰাক্ষস নৃপতিয়ে ভৃত্যক আৰু ক'লে যে সমুদ্ৰ পাৰ কৰি দিয়াৰ অন্তত মিহিৰক যিকোনো এটি প্ৰশ্ন সুধিব, যদি মিহিৰে সেই প্ৰশ্নৰ শুদ্ধ উত্তৰ দিব পাৰে তেন্তে

৩২. D.C. Sircar, *Loc-cit* P. 162
৩৩. সোণাৰাম চৌধুৰী, প্ৰা. গ্ৰ., পৃঃ ৩০৭

তেওঁক 'ভূতত্ত্ব', 'খতত্ত্ব' আৰু 'পাতালতত্ত্ব'— এই তিনিখন শাস্ত্র প্রদান কৰিব, অন্যথাই 'পাতালতত্ত্ব'ৰ বাহিৰে বাকী দুখন শাস্ত্র প্রদান কৰিব।

খনা আৰু মিহিৰৰ সৈতে ৰাক্ষস ভৃত্য গৈ সমুদ্রৰ উত্তৰ কূলত উঠিল। ঠিক সেই সময়তে এজনী গাই গৰু প্রসব বেদনাত অতীষ্ঠ হৈ থকা দেখি ভৃত্যই মিহিৰক প্রশ্ন কৰিলে : "পোৱালিটিৰ বৰণ বগা হ'ব নে ক'লা হ'ব?" গণনা কৰি মিহিৰে ক'লে : 'বগা'। সেই মুহূর্ততে গাইজনীয়ে এটি পোৱালি প্রসৱ কৰিলে। পোৱালিটিৰ বৰণ ক'লা যেন অনুমান হ'ল। ৰাক্ষস নৃপতিৰ নির্দেশ পালন কৰি ভৃত্যই মিহিৰক 'পাতালতত্ত্ব'ৰ ব্যতিৰেক 'ভূতত্ত্ব' আৰু 'খতত্ত্ব' নামৰ শাস্ত্র দুখন দিলে। লজ্জিত মিহিৰে শাস্ত্র দুখন সমুদ্রৰ জলত পেলাই দিলে। সেই সময়ত খনা মিহিৰৰ ওচৰত নাছিল। খনাই মিহিৰৰ পৰা সকলো জানি ক'লে যে, পোৱালিটিৰ বৰণ বগাই; কিন্তু পোৱালিটিৰ গোটেই গাটো ৰঙা বিজলুৱা প্রলেপেৰে আচ্ছাদিত হৈ থকা কাৰণেহে ক'লা যেন দেখা গৈছিল। খনাৰ নির্দেশ মতে মিহিৰে সাগৰৰ বক্ষৰ পৰা শাস্ত্র দুখন উদ্ধাৰ কৰিবলৈ যত্ন কৰিও সম্পূর্ণভাৱে সফলকাম হ'ব নোৱাৰিলে, কাৰণ শাস্ত্র দুখনিৰ কেইটিমান ফলকহে উদ্ধাৰ কৰিবলৈ সক্ষম হ'ল।

অৱশেষত মিহিৰ আৰু খনাই নানা বিপদ-বিঘিনি অতিক্রম কৰি উজ্জয়িনীত উপস্থিত হ'লহি। মৃত্যুৰ গ্রাসলৈ ঠেলি দিয়া পুত্রই নিজৰ আয়ুস আৰু ভাগ্যৰ বলত বধূসহ প্রত্যাবর্তন কৰাৰ আনন্দই বৰাহক অধীৰ কৰি তুলিলে। জ্যোতির্বিদ্যাত যে বৰাহৰো প্রমাদ ঘটিছিল তাক তেওঁ নিজেই উপলব্ধি কৰিবলৈ সক্ষম হ'ল। শ্বশুৰ বৰাহ আৰু স্বামী মিহিৰে জ্যোতিষতত্ত্বৰ যিবিলাক প্রশ্নৰ উত্তৰ দিব পৰা নাছিল সেই জটিল প্রশ্নবোৰৰ উত্তৰ খনাই অতি সহজে দিব পাৰিছিল। গতিকে অতি কম সময়ৰ ভিতৰতেই খনাৰ যশ আৰু খ্যাতি চতুর্দ্দিশে বিস্ফাৰিত হ'ল। অতুলনীয় প্রতিভা আৰু দিগন্ত বিসাৰীবিদ্যাই খনাৰ কাল হ'ল। বিক্রমাদিত্যই খনাক ৰাজসভাৰ পণ্ডিত মনোনীত কৰিলে। কুলবধূক গৃহৰ চাৰিবেৰৰ আবেষ্টনী ভঙ্গ কৰি ৰাজসভালৈ প্রেৰণ কৰা কুলদূষণৰ নামান্তৰ মাথোন। গতিকে বৰাহে, পুত্র মিহিৰৰ লগত আলোচনা কৰি খনাৰ বাগ্মিতা লোপ কৰাৰ উদ্দেশ্যেৰে তেওঁৰ জিভা ছেদন কৰিবলৈ সিদ্ধান্ত গ্রহণ কৰিলে। খনায়ো গণনাৰ জৰিয়তে ভালদৰে বুজিব পাৰিছিল যে জিভা ছেদনৰ সংযোগত তেওঁৰ মৃত্যু সুনিশ্চিত। পিছদিনা স্বামী মিহিৰে খনাৰ জিভা ছেদন কৰিলে। এইদৰে খনাই নশ্বৰ দেহ ত্যাগ কৰে।[৩৪]

ওপৰোল্লিখিত খনা বিষয়ক কাহিনীটোৰ পৰা সহজে অনুমান কৰিব পাৰি যে, খনাৰ জীৱন-বৃত্তত ঐতিহাসিক সমল নাই, কিয়নো ময়দানৱ, ৰজা বিক্রমাদিত্য, মিহিৰ, লঙ্কাৰ ৰাক্ষস ৰজা আদিত ঐতিহাসিকতা মুঠেই নাই। খনা কথা-বৃত্ত সম্পূর্ণভাৱে জনশ্রুতিৰ ওপৰত প্রতিষ্ঠিত। উজ্জয়িনীৰ নৃপতি বিক্রমাদিত্যৰ ৰাজসভাৰ 'নৱৰত্ন'ৰ অন্যতম ৰত্ন আছিল বৰাহমিহিৰ, তেওঁ আছিল জ্যোতির্বিদ। বৰাহৰ পুত্র মিহিৰ অথবা মিহিৰৰ পিতৃ বৰাহ— কথাটো বৰাহমিহিৰ সম্পৰ্কীয় ঐতিহ্যই স্বীকাৰ নকৰে, ই সম্পূর্ণভাৱে কাল্পনিক। আনকি ভাৰতীয় পৰম্পৰাত

৩৪. প্রভাত কুমাৰ দাস (সম্পা) : *খনাৰ বচন, ভূমিকা,* পৃঃ ৩-৬

বিস্ময়কৰভাৱে স্থান লাভ কৰিবলৈ সক্ষম হোৱা ৰজা বিক্ৰমাদিত্যও প্ৰকৃত ইতিহাসত অপৰিচিত।[৩৫] অৱশ্যে প্ৰথিতযশা জ্যোতির্বিদ পণ্ডিত বৰাহমিহিৰৰ অভ্যুদয় ঘটিছিল উজ্জয়িনী অঞ্চলৰ পশ্চিম মালবাত, খ্ৰীঃ ৬ষ্ঠ শতিকাত। ঐতিহাসিক বৰাহমিহিৰক কেন্দ্ৰ কৰি 'বৰাহৰ পুত্ৰ মিহিৰ' জনশ্ৰুতিৰ বিকাশ হোৱা স্বাভাৱিক। খ্ৰীঃ ৬ষ্ঠ শতিকাত মালবাত জন্ম লাভ কৰা জ্যোতির্বিদ বৰাহমিহিৰৰ পুত্ৰবধূৱে, বাংলা ভাষাত প্ৰবচন ৰচনা কৰা কথাটো বাস্তৱিকতে আশ্চৰ্যজনক। এই প্ৰসংগত D. C. Sircar-এ সমীচীন মন্তব্য উপস্থাপন কৰিছে ঃ

It has to be noted that nothing can be more absurd than the conception of the daugher-in-law of a sixth century astronomer of Malwa composing aphorisms in the Bengali Language. [৩৬]

অসমৰ ডাকৰ প্ৰসংগতো ঠিক একেই মন্তব্য কৰিব পাৰি। উজ্জয়িনীৰ প্ৰথিতযশা জ্যোতির্বিদ পণ্ডিত বৰাহমিহিৰৰ আতিথ্য লাভ আৰু তাৰ জৰিয়তে 'এদিন এনিশাৰ' বাবে জন্মা ডাকে অসমীয়া ভাষাত প্ৰবচন ৰচনা কৰাটো সম্পূৰ্ণভাৱে অবিশ্বাস্য। ডাক পৰম্পৰা অথবা খনা পৰম্পৰাৰ লগত্ত বৰাহমিহিৰক লোক-মানসে সংযোগ কৰি দিয়াৰ বাহিৰে আন একো বিশ্বাস্য কথা থাকিব নোৱাৰে।

অসমত প্ৰচলিত ডাকৰ বচনৰ লগত বঙ্গদেশত প্ৰচলিত ডাকৰ বচন আৰু খনাৰ বচনৰ বিষয়-বস্তুগতৰ আৰু সাংস্কৃতিক সাদৃশ্য মন কৰিবলগীয়া। দৃষ্টান্তস্বৰূপে অসমীয়া ডাকৰ বচন আৰু বঙলা ডাকৰ বচন কেইটিমানৰ তুলনা তলত দিয়া হ'ল ঃ

ডাক-প্ৰবচন ঃ

অসমীয়া ঃ জিতো প্ৰভাতে নিদ্ৰা জাই। বাহি সজ্যাত সুৰ্য্যে পাই।

(*ডাক-প্ৰবচন*, পৃঃ ২৬)

বঙলা ঃ প্ৰভাত কালে নিদ্ৰা যায়, বাসি শয্যা সূৰ্য্যে না পায়।

(*বাংলা প্ৰবাদ*, পৃঃ ১৫৬)

অসমীয়া ঃ কন্দল শুনি বাহিৰে জাই। নাচ গিত সুনি সত্বৰে ধাই।।
সেই স্ত্ৰী সমে জি কৰে কৰে বাস। তাহাৰ কেনে জিবনে আস।।

(*ডা.*, *প্ৰ.*, পৃঃ ২৭)

বঙলা ঃ কান্দনা শুনিয়া বাহিৰ হয়, নাটে-গীতে ধাইয়া যায়।
এ নাৰীতে যাহাৰ বাস, তাহাৰ কোন জীবনেৰ আশ।। (*বাং. প্ৰ.*, পৃঃ ১৫৬)

অসমীয়া ঃ আই নাচাই ব্যয় কৰে প্ৰচুৰ।। ...ভাল বস্তু পালে আপুনি খাই।
...ভাল বুলিলে কৰে খঙ্গ। তাইৰ সঙ্গে মিলিলে ৰঙ্গ।।
ৰৌদ্ৰত ৰান্ধে কাঠে খেৰে। বৰ্ষাত ৰান্ধে চালে বেৰে।।

---

৩৫ "...King Vikrama of Indian tradition being unknown to genuine history". D. C. Sircar, *Op-cit, P. 162*

৩৬. *The Sayings of Dak*, P. 163

হাতত জি জনি পৰিসে লোন। তাইৰ ঘৰে নাথাকে সোন॥
এক বোলন্তে দুগুন বোলে। স্বামিৰ সজ্যা পাৱে ঠেলে॥
(ডা. প্র., পৃঃ ২৭)

বঙলা : ভাল খায়, আয় না বুঝে, বোল বলিতে উত্তৰে যুঝে।
ভাল বলিতে ৰোষ কৰে, তাহাৰ স্বামী কেন থাকে ঘৰে।
ৰৌদ্রে ৰান্ধে কাঠে খেড়ে, বর্ষাকালে চাল আঁচড়ে।
ওদা হাতে কাড়ে লবণ, গুৰু গেৰাসে কৰে ভোজন।
এক বলিতে দু'বোল বলে, স্বামীৰ শয্যা পায়ে টালে।
কিছু বলিতে পাড়ে গালি, তাৰ স্বামী কেন নহে ভিখাৰী॥
(বাং. প্র., পৃঃ ১৫৬)

অসমীয়া : পিঙ্গল নয়নে চঞ্চলা আতি। কৰাল নয়নে পিঙ্গটা জাতি॥
জাৰ পেট পিঠি উচলা দান্ত। তাইক দেখিলে লক্ষ্মিৰ অন্ত॥
স্বামিক মাৰে বধে দেৱৰ। ডাকে বোলে তাইক নানিবা ঘৰ॥
(ডা. প্র., পৃঃ ২৭)

বঙলা : পিঙ্গল আঁখি, চপলমতি, ওষ্ঠ ডাগৰ, অলক্ষণ অতি।
পেট পিঠ উচ্চ ললাট, দেখ যদি ছাড়িহ বাট।
দেওৰ বধে স্বামী মাৰে, ডাকে বলে— কাজ কিবা তাৰে॥
(বাং. প্র., পৃঃ ১৫৭)

অসমীয়া : অলপ খাই পেলাই প্রচুৰ। ডাকে বোলে তাইক নিকাল দূৰ॥
(ডা. প্র., পৃঃ ২৭)

বঙলা : ফেলায় খায়, চায় প্রচুৰ, বলে ডাক— নিকালহ দূৰ॥
(বাং. প্র., পৃঃ ১৫৭)

অসমীয়া : ঘূমটিত জি জনি থাকে ঘেঙ্গাই। খঙ্গত স্বামিক বোলে বপাই॥
ধৰনি কাম্পে পাৱৰ ঘাৱে। সি জনি জানিবা স্বামীক খাৱে॥
(ডা. প্র., পৃঃ ২৭)

বঙলা : নাক বাজে যাৰ নিদ্‌মহলে, ৰুষ্য ভাষে দুষ্য বলে।
ভূমিকাঁপে পায়েৰ ঘায়, তাৰ এয়োতী ক'দিন ৰয়॥ (বাং. প্র., পৃঃ ৪৬৭)

অসমীয়া : ওচৰত পুখুৰি দূৰক জাই। পৰ পুৰুষৰ মুখক চাই॥ (ডা. প্র., পৃঃ ২৯)

বঙলা : নিয়ড় পোখৰী দূৰে যায়, যাতি বুলে গীতি গায়। (বাং. প্র., পৃঃ ৪৭৯)

অসমীয়া : জলকে পেলাই জলকে জাই। পৰ পুৰুষৰ মুখক চাই।

× × ×

তাইক নোবোলা নাৰি সতি। সততে পৰ পুৰুষে ৰতি॥ (ডা. প্র., পৃঃ ২৮)

বঙলা : পানি ফেলিয়া পানিকে যায়, আন পুৰুষে আড়ে চায়।
তাৰে না বলিহ সতী, স্বৰূপে সে দুষ্টমতি॥ (বাং. প্র., পৃঃ ৫০৭)

অসমীয়া : জিতো ঘৰে থাকে কুৰ্কুতা মুৰি। খাইবাক নাপাইলে ভাঙএ হাৰি॥
(ডা. প্ৰ., পৃঃ ৭২)

বঙলা : যে গৃহিনী আউদড়মুণ্ডী, খায়-দায় নাপালে হাণ্ডী॥ (বাং. প্ৰ., পৃঃ ১৫৭)

অসমীয়া : সাখিক দেখাই ঋনক দিব। পত্ৰত নাম লিখি ৰাখিব।
লাভমূল জতেক ধন। ঘৰতে হৈবে উপাৰ্য্যন॥ (ডা. প্ৰ., পৃঃ ৭)

বঙলা : ঋণ দিব বান্ধা লইয়া, সকল পাব ঘৰে বসিয়া।
লাভেমূলে যতধন, ঘৰে বসিয়া তাৰ মিলন॥ (বাং. প্ৰ., পৃঃ, ১৬৬)

অসমীয়া : বৃক্ষ ৰোপনত অধিক ধৰ্ম্ম। মঠ মণ্ডপ সোভ ন কৰ্ম॥ (ডা. প্ৰ., পৃঃ ৩)

বঙলা : গাছ কইলে বড় কৰ্ম্ম, মণ্ডপ দিলে বড় ধৰ্ম্ম। (বাং. প্ৰ., পৃঃ ২৯২)

অসমীয়া : কাখত কলচি জলক জাই। তলমূৰ কৰি কাকো নাচাই॥
জেই পথে জাই সেই পথে আনে। ডাকে বোলে ভাল মনত ভাসে॥
(ডা. প্ৰ., পৃঃ ২৬)

বঙলা : কাঁখে কলঁসী পানিকে যায়, হেঁটমুণ্ড কাকেও না চায়।
যেন যায় তেন আইসে, ডাকে বলে— গৃহিনী সে॥ (বাং. প্ৰ., পৃঃ ৩২৯)

অসমীয়া : চক্ষুত অঞ্জন দান্তত লোন। উদৰ ভৰিব তিনি কোন॥
উদৰ ভৰিব গুনি গুনি। তেবেসে পাইবা দেহৰ উনি॥
একেবাৰে পেটত নিদিবা ভৰা। আচোক লাভ মূলো হৰা। (ডা. প্ৰ., পৃঃ ৬৭)

বঙলা : চোখে অঞ্জন, দাঁতে লবণ, পেট ভৰিব তিন কোন।
ভাত খাইব গুলি গুলি, তেবে হয় দেহেৰ উলী।
একেবাৰে না দিহ ভৰা, আছুক লাভ মূলে হাৰা। (বাং. প্ৰ., পৃঃ ৩৪৭)

অসমীয়া : চাগ পাৰা পোহে হাস। দুই সিমাত ৰোৱে বাস॥
বোলন্ত ডাকে মোত দোস নাই। নিতে নিতে আহুকালে জাই॥
(ডা. প্ৰ., পৃঃ ৩৩)

বঙলা : ছাগল পায়ৰা পোষে হাঁস, সীমাৰ মাঝে ৰোয় বাঁশ।
নিতি নিতি অপৰাধ কৰে,
ডাক বলে— মো কি সবিবু তাৰে॥ (বাং. প্ৰ., পৃঃ ৩৫৮)

অসমীয়া : উপজিয়া ডাকে বোলন্ত বাক। পোএগাতি ৰাখি চাব পুতাক॥ (ডা. প্ৰ., পৃঃ ২১)

বঙলা : জন্ম মাত্ৰে বলে ডাক, পো এড়িয়ে পোয়াতীৰাখ। (বাং. প্ৰ., পৃঃ ৩৭১)

অসমীয়া : জেবে ধৰ্ম কৰিবা জানি। পুখুৰি খানিয়া ৰাখিবা পানি॥ (ডা. প্ৰ., পৃঃ ৩)

বঙলা : ধৰ্ম্ম কৰিতে যেবে জানি, পোখৰী দিয়া ৰাখিব পানি॥ (বাং. প্ৰ., পৃঃ ৪৫০)

অসমীয়া : পৰিহৰ বিনা ঢাকনি ঝাৰি। পৰিহৰ নিলাজি যদি কুল নাৰি॥ (ডা. প্ৰ., পৃঃ ৩৪)

বঙলা : পৰিহৰ বিনা ঢাকনে ঝাৰি, পৰিহৰ লাজ বিহনে বহুড়ী। (বাং. প্ৰ., পৃঃ ৪৯৫)

অসমীয়া : পৰিহৰ কৰি নাই বেহাব খোজে হাট॥ (ডা. প্ৰ., পৃঃ ৩৪)

বঙলা : পৰিহৰ বিনা কড়িতে হাট...। (বাং. প্ৰ., পৃঃ ৪৯৩)
অসমীয়া : পৰিহৰ পুখুৰিৰ পিচলা বাট। পৰিহৰ জতনে যদি ভগা হাট॥
(ডা. প্ৰ., পৃঃ ৩৪)
বঙলা : পৰিহৰ পোখৰী পিছল ঘাট, পৰিহৰ যত্নে ভাঙ্গা হাট।। (বাং. প্ৰ., পৃঃ ৪৯৪)
অসমীয়া : পৰিহৰ দুতয় গ্ৰামত বাস। পৰিহৰ যতনে পৰ নাৰিৰ আস॥
(ডা. প্ৰ., পৃঃ ৩৪)
বঙলা : পৰিহৰ দুই গ্ৰামে বাস, পৰিহৰ পৰ যুবতীৰ আশ।। (বাং. প্ৰ., পৃঃ ৪৯৪)
অসমীয়া : পোৰোলা সাক ৰোহিত মাছ। ডাকে বোলে সেই ব্যঞ্জন সাচ॥
(ডা. প্ৰ., পৃঃ ২৩)
বঙলা : পল্‌তা শাক, ৰুহি মাছ, ডাক বলে ব্যঞ্জন সাঁচ॥ (বাং. প্ৰ., পৃঃ ৪৯৯)
অসমীয়া : সিৱা পাত লই খাই দুগ্ধ। ডাকে বোলে তিনিও মুগ্ধ॥
(ডা. প্ৰ., পৃঃ ৩৩)
বঙলা : (ক) দিয়া পাতে খায় দুধ, ডাকবলে— সে বড় অবুধ ॥ (বাং. প্ৰ., পৃঃ ৪৯৯)
(খ) সিয়া পাতে খায় দুধ, ডাক বলে— সে অবুধ। (বাং. প্ৰ., পৃঃ ৭৬৪)
অসমীয়া : সোনাৰ তুল্য কন্যাদান। ডাকে বোলে তাৰ স্বৰ্গত থান॥ (ডা. প্ৰ., পৃঃ ৪)
বঙলা : স্বৰ্ণ ভূমি কন্যা দান, বলে ডাক স্বৰ্গে স্থান॥ (বাং. প্ৰ., পৃঃ ৭৭৫)
অসমীয়া : হৰিতকি সুন্ঠী লোন যনি। তাক খায়া নৰে পিৱয় পানি॥
'ডেৰ যাম গলে খাইবেক ভাত। বল বুধি অতি পাইবেক গাত॥
(ডা. প্ৰ., পৃঃ ৬৫)
বঙলা : হৰিদ্ৰা শুণ্ঠী লবন জোয়ানি, ইহা সংযোগে পিয় পানি।
ৰবি শেষে পানি পিয়ে, বলে ডাক সে নৰ শতেক জীয়ে॥
(বাং. প্ৰ., পৃঃ ৭৭৯)
অসমীয়া : জি ৰাজায় প্ৰজাক পালে। তহিতে বসতি কৰিবা ভালে॥ (ডা. প্ৰ., পৃঃ ২২)
বঙলা : যথা ৰাজা পালে, তথা বসতি ভালে। (বাং. প্ৰ., পৃঃ ১৪)
অসমীয়া : জি নাৰি বাৰিয়ে কৰে বাট। ঘনে ঘনে জাই বেহাৰে হাট॥
চল চাই দেখায় স্তন। ডাকে বোলে বেস্যাৰ লক্ষণ।। (ডা. প্ৰ., পৃঃ ২৯)
বঙলা : যথা বাড়ী তথা বাট, যুবতী লইয়া যায় হাট॥
দুৰ হইতে স্তন দৰিশে, ডাকে বলে ছিনাল আইসে॥ (বাং. প্ৰ., পৃঃ ৬৬১)
অসমীয়া : অন্ন জল জানা অধিক দান। তাত কৰি শ্ৰেষ্ট নাহিকে আন॥ (ডা. প্ৰ., পৃঃ ৪)
বঙলা : অন্ন বিনু নাহি দান, ইহাৰ পৰ ধৰ্ম্ম নাহি আন ॥ (সো. চৌ., পৃঃ ৩১০)
অসমীয়া : বাপে পোৱে যদি কন্দল বাজে। পুত্ৰক দণ্ডিব পণ্ডিত ৰাজে॥
সুদ্ৰ জনে যদি বধে বিপ্ৰক। বধিবে নৃপতি সিটো সুদ্ৰক॥
সজ্জনে যদি গোবধ কৰে। ভিক্ষা মাগি ভুঞ্জিব বাৰে বচ্ছৰে॥

গঙ্গা স্নান কৰি নিস্তাৰ পাই। প্ৰায়শ্চিত্ত কৰি গৃহক জাই॥
জেবে অন্ন জল জ্ঞাতিয়ে খাই। তেবেসে তাহান নিৰ্ম্মল কাই॥
(ডা. প্ৰ., পৃঃ ৮)

বঙলা ঃ বাপে পোয়ে কন্দল বাজে, তা বিচাৰে অবুজ ৰাজ।
শূদ্ৰ যদি ব্ৰাহ্মণ মাৰে, কোন মূঢ়ে তা বিচাৰে।
সজ্জন যবে গৰু মাৰে, পৰেৰ নাৰী স্বাপ্য হৰে।
বাৰ বৎসৰ ভিক্ষা মাগে, শেষে ভ্ৰমিয়া নাহে গাঙ্গে।
প্ৰায়শ্চিত্ত কৰিয়া যায়, যাহাৰ পাপ তাহাক সি পায়॥ (*সো. চৌ.*, পৃঃ ৩১১)

এইদৰে অসমত প্ৰচলিত ডাক-প্ৰবচনৰ লগত বঙ্গদেশত প্ৰচলিত ডাক-বচনৰ সাদৃশ্য দেখুৱাব পাৰি। অসম আৰু বঙ্গদেশত প্ৰচলিত ডাক-প্ৰবচনবোৰৰ বিষয়-বস্তুগত, সাংস্কৃতিক আৰু ভাষাগত সাদৃশ্যই স্পষ্টভাবে দেখুৱাই দিয়ে যে এইবোৰৰ উৎপত্তি স্থল (Source) একেটাই— অৰ্থাৎ কৃষিজীৱী সমাজৰ পৰাই এই প্ৰবচনবোৰৰ উদ্ভৱ আৰু বিকাশ সম্ভৱ হৈছে।

খনাৰ বচনৰ লগতো ডাকৰ বচনৰ অনেক সাদৃশ্য পৰিলক্ষিত। বঙ্গদেশ আৰু পশ্চিম অসমতেই যিহেতু ডাক আৰু খনাৰ নামত প্ৰচলিত প্ৰবচনৰ মাজত জলৰোধক (Watertight)-ভাৱে কট্‌কটীয়া সীমাৰেখা নিৰ্দ্ধাৰণ কৰিব নোৱাৰি, তেনেক্ষেত্ৰত উভয় শ্ৰেণীৰ প্ৰবচনৰ মাজত মিল থকা স্বাভাৱিক। কেইটিমান প্ৰবচনৰ সংযোগত ডাক আৰু খনাৰ বচনৰ মাজত থকা সাদৃশ্যৰ আভাস তলত দিয়া হ'ল ঃ

ডাক প্ৰবচন ঃ জন্ম লগ্ন যাত্ৰা জোড়া। বৰাহমিহিৰে নাপালে ওৰা॥ (*ডা. প্ৰ.*, পৃঃ ৪৭)
খনা ঃ মৰণ ধৰণ পাণি বৰাহ বলে তিন নাহি জানি॥ (*বাং. প্ৰ.*, পৃঃ ৮২৪)
ডাক ঃ নগৰৰ উপৰে কুৱাকুই দেখি। নৰৰ মুণ্ড গণ্ডাগণ্ডি লেখি॥ (*ডা. প্ৰ.*, পৃঃ ৬০)
খনা ঃ চৈতে কুয়া, ভাদৰে বান। নৰেৰ মুণ্ড গড়াগড়ি যান্॥ (*বাং. প্ৰ.*, পৃঃ ৮২৪)
ডাক ঃ আসাঢ়ৰ নৱমি শুক্লপক্ষত। যদি বৰিসে ভূমি তলত॥
হাল তুল বেচি চিন্তিয়ো দেৱ। ৰাজগৃহত কৰিয়ো সেৱ॥ (*ডা. প্ৰ.*, পৃঃ ৩৪)
খনা ঃ কি কৰ শ্বশুৰ লেখা জোকা। আষাঢ়ে নবমী শুকল পাখা॥
যদি বৰ্ষে মুষল ধাৰে। মাঝ সমুদ্ৰে বগা চৰে॥ (*বাং. প্ৰ.*, পৃঃ ৮২৫)
ডাক ঃ চৈত্ৰত কেন্দুফল নিৰন্তৰ। বৈসাগ মাসত পৰে পাথৰ॥
ৰিনি ৰিনি জল পৰে জৈষ্ঠত। চাৰি মাহ বৃষ্টি হোৱে লোকত॥ (*ডা. প্ৰ.*, পৃঃ ৩৪)
খনা ঃ চৈতে থৰ থৰ। বৈশাখে ঝড় পাথৰ॥
জ্যৈষ্ঠে তাৰা ফুটে। তবে জানবে বৰ্ষা বটে॥ (*বাং. প্ৰ.*, পৃঃ ৮২৬)
ডাক ঃ মাঘি সপ্তমিৰ উপৰে কালি। আহু এড়ি ধৰা সালি॥
মাঘি সপ্তমিত গৰজে দেৱ। বেহা এড়ি নাঙ্গল কৰা সেৱ॥ (*ডা. প্ৰ.*, পৃঃ ৬০)
খনা ঃ মাঘ মাসে বৰ্ষে দেৱা। ৰাজা ছেড়ে প্ৰজাৰ সেৱা॥

যদি বর্ষে মকৰে। ধান হয় টেকৰে॥ (বাং. প্র., পৃঃ ৮২৭)
ডাক ঃ পঞ্চ দেওবাৰ দ্বিপক্ষ দিনে। সৰক সগুনে নাখাই ঘিনে॥ (ডা. প্র., পৃঃ ৫৯)
খনা ঃ পাঁচ ৰবি মাসে পায়। ঝৰায় কিংবা খৰায় যায়॥ (বাং. প্র., পৃঃ ৮২৮)
ডাক ঃ ফাগুনৰ মাটি সোনাৰ মাটি। চৈত্ৰৰ মাটি ৰুপাৰ পাটি॥
বৈসাগৰ মাটি গুগুাগুণ্ডি। জেঠৰ মাটি ৰাঙ্গৰ গুড়ি॥ (ডা. প্র., পৃঃ ৩৮)
খনা ঃ মাঘেৰ মাটি হীৰেৰ কাঁঠী। ফাগুনেৰ মাটি সোণা॥
চৈতেৰ মাটি যেমন তেমন। বৈশাখেৰ মাটি নোনা॥ (বাং. প্র., পৃঃ ৮২৯)
ডাক ঃ ভাদ্রৰ চাৰি আহিনৰ চাৰি। মাহ বুবা জিমন পাৰি॥ (ডা. প্র., পৃঃ ৪২)
খনা ঃ ভাদ্রেৰ চাৰি আশ্বিনেৰ চাৰি। কলাই ৰো'বি যত পাৰি॥ (বাং. প্র., পৃঃ ৮৩১)
ডাক ঃ ঘন সৰিয়হ পাতাল মাহ। আৰৰণ দি দিয়া কপাহ॥ (ডা. প্র., পৃঃ ৪২)
খনা ঃ ঘন সৰিষা পাতলা ৰাই। লেঙ্গে লেঙ্গে কাপাস বাই॥ (বাং. প্র., পৃঃ ৮৩২)
ডাক ঃ যত লাভ পাই সৰিসা মাহে। তত লাভ পাই কলা কপাহে॥ (ডা. প্র., পৃঃ ২৮)
খনা ঃ যত হয় কলা কাপাসে। তত হয় সৰিষা মাষে॥ (বাং. প্র., পৃঃ ৮৩২)
ডাক ঃ (i) এক শাওনে ধান, তিনি শাওনে পান। (পৰিশিষ্ট ২ ক)
(ii) এক আঘনে ধান, তিনি শাওনে পান। (পৰিশিষ্ট ২ খ)
খনা ঃ এক আঘনে ধান। তিনি শাওনে পান॥ (বাং. প্র., পৃঃ ৮৩২)
ডাক ঃ ষোল্ল চাসে মূলা। তাৰ আধা তুলা॥
তাৰ আঁধা ধান। বিনা চাসে পান॥ (পৰিশিষ্ট ১)
খনা ঃ ষোল চাষে মূলা, তাৰ অর্দ্ধেক তুলা।
তাৰ অর্দ্ধেক ধান, বিনা চাষে পান॥ (বাং. প্র., পৃঃ ৮৩০)
ডাক ঃ পূবে হাঁহ পচিমে বাঁহ উত্তৰে গুৱা দক্ষিণে ধুৰা॥ (ডা. প্র., পৃঃ ৬৩)
খনা ঃ পূবে হাঁস, পশ্চিমে বাঁশ, উত্তৰে কলা, দক্ষিণে মেলা॥ (বাং. প্র., পৃঃ ৮৩৭)
ডাক ঃ তিনিস সাঠি জোপা ৰুবা ক'ল। মাহিলি মাহিলি সিকোনাবা তল।
পাত-পচলা লাভতে খাবা। লঙ্কাৰ বণিজ হাততে পাবা॥ (ডা. প্র., পৃঃ ৪২)
খনা ঃ ডাক ছেড়ে বলে ৰাৱণ। কলা লাগাবে আষাঢ় শ্রাৱণ॥
তিনশত ষাট ঝাড় কলা ৰুয়ে। থাক গৃহস্থ ঘৰে শুয়ে॥
ৰুয়ে কলা না কাট পাত। তাতেই হবে কাপড় ভাত॥ (খনাৰ বচন, পৃঃ ২৩)
ডাক ঃ ভাদত কৰিয়া কলা ৰোপন। সবংসে মৰিল লঙ্কাৰ ৰাবন॥ (ডা. প্র., পৃঃ ৪২)
খনা ঃ ভাদ্র মাসে ৰুয়ে কলা। সবংশে ম'লো ৰাবণ শালা॥ (খ. ব., পৃঃ ২৪)
ডাক ঃ পচিমৰ ধেনু নিত্য খৰা। পূবৰ ধেনু বৰিষে ধাৰা॥ (পৰিবিষ্ট ৪)
খনা ঃ পশ্চিমে ধনু নিত্য খৰা। পূবেৰ ধনু বর্ষে ধাৰা॥ (খ ব., পৃঃ ২৯)
ডাক ঃ যদি বৰসে আঘনে। ৰাজা যায় মাগনে॥
যদি বৰসে পুহে। ধান হয় তুহে।

যদি বৰষে মাঘৰ শেষ। ধন্য ৰাজা পুণ্য দেশ॥
যদি বৰষে ফাগুনে। চিটা ধান পাবা দুগুণে॥ (পৰিবিষ্ট ৫)

খনা : যদি বর্ষে আঘ্রাণে। ৰাজা যান মাগনে।।
যদি বর্ষে পৌষে। কড়ি হয় তুঁষে॥
যদি বর্ষে মাঘেৰ শেষ। ধন্য ৰাজাৰ পুণ্য দেশ॥
যদি বর্ষে ফাল্গুনে। চিনা কাউন দ্বিগুণে॥ (খ. ব., পৃঃ ৩০)

ডাক : অক্ষৰ দুগুণ মাত্ৰা চাৰি। নাম থিৰ কৰি পুৰুষ নাৰি॥
লোচন হৰিবা ভাগ। জিবন মৰণ পাইবা লাগ॥
সুন্য একে মৰে পতি। দুই পাইলে মৰে যুবতি॥
তিনি পাইলে উভয়ৰ মৰন। ডাকৰ এই নিচয় বচন॥ (ডা. প্ৰ., পৃঃ ৬০-৬১)

খনা : অক্ষৰ দ্বিগুণ চৌগুণ মাত্রা। নামে নামে কৰি সমতা॥
তিন দিয়ে হৰে আন। তাহে মৰা বাঁচা জান॥
একে শূন্য মৰে পতি। দুই ৰহিলে মৰে যুবতী॥ (খ. ব., পৃঃ ৪৩)

ডাক : জেই জেই মাসৰ জেই জেই ৰাসি। তাৰ সপ্তমে থাকে সসি॥
তাতে আসে পুৰ্ন্নিমা হোৰে। অৱশ্যে সসিক ৰাহুয়ে গ্ৰহে॥ (ডা. প্ৰ., পৃঃ ৪২)

খনা : যে যে মাসে যে ৰাশি। তাৰ সপ্তমে থাকে শশী॥
সেই দিন হয় পৌর্ণমাসী। অৱশ্যে ৰাহু গ্রাসে শশী॥ (খ. ব., পৃঃ ৪৪)

ডাক : লগ্নে কুজা লগ্নে সুজা। তাতে থাকে ভানু তনুজা॥
সপ্তমে যদি খোৰাক পাই। ষষ্ঠ দিনে সিতো মৰিয়া জাই॥ (ডা. প্ৰ., পৃঃ ৪৪)

খনা : লগ্নে আকা লগ্নে বাঁকা। লগ্নে দি ভানুতনুজা॥
লগ্নেৰ সপ্তম অষ্টমে থাকে পাপ। মৰে জননী পীড়ে বাপ॥ (খ. ব., পৃঃ ৪৪)

এইদৰে ডাকৰ বচন আৰু খনাৰ বচনৰ মাজত মিল দেখুৱাব পাৰি। ইয়াৰ পৰা সহজে অনুমান কৰিব পাৰি যে ডাক-পৰম্পৰা আৰু খনা পৰম্পৰাৰ উৎপত্তি স্থল এটাই। দুজন সুকীয়া ব্যক্তিৰ ৰচনা হোৱাহেঁতেন এই বচনবোৰৰ মাজত পাঠ (text), জমিন (texture), প্ৰসঙ্গ (context), আৰু সংযুতিৰ (structure) মাজত সাদৃশ্য পৰিলক্ষিত নহ'লহেঁতেন। গতিকে ডাক-পৰম্পৰা আৰু বঙ্গদেশৰ ডাক-পৰম্পৰাৰ প্ৰসংগত মন্তব্য ডাঙি ধৰাৰ নিচিনাকৈ খনাৰ বচনৰ ক্ষেত্ৰতো ক'ব পাৰি যে এইবোৰ ব্যক্তিনিৰপেক্ষ ৰচনা আৰু তাৰ ভিত্তি কৃষি আৰু কৃষিজীৱী সমাজ।

(৩) উৰিষ্যাত প্ৰচলিত ডাক-পৰম্পৰা :

অসম-বঙ্গদেশ আদিৰ নিচিনাকৈ পশ্চিম উৰিষ্যাৰ লোক সমাজতো কিছুমান কৃষি আৰু জ্যোতিষ বিষয়ক প্ৰবচন মুখ পৰম্পৰা প্ৰচলিত। এই বচনবোৰো ডাক নামৰ ব্যক্তি এগৰাকীৰ লগত সংযোজিত। উৰিষ্যাত প্ৰচলিত জনশ্ৰুতি মতে ডাকৰ জন্ম হৈছিল অচ্যুত কন্যাৰ গৰ্ভত। উৰিয়া ভাষাত ডাকৰ অৰ্থ ভৱিষ্যদ্বক্তা। কুঞ্জবিহাৰী দাসৰ মতে উৰিষ্যাৰ লোক জীৱনত

সদাসৰ্বদাই প্ৰচলিত প্ৰবচন বা Proverb-বোৰ 'ডাক বছন' ৰূপে পৰিচিত।[৩৭] অৱশ্যে 'ডাক-বছন'বোৰ 'ঢগ' ৰূপেও জনা যায়। উৰিয়া লোকসমাজত প্ৰচলিত প্ৰবচনবোৰক কেইটিমান শ্ৰেণীত ভাগ কৰিব পাৰি : (ক) ডাক বচন : ডাক বচনে খেতি-বাতি, বতৰ, বৰষুণ, জ্যোতিষ, লোক-ঔষধ আদি বিষয় সামৰে। (খ) ছটা (Chata) : ছটাৰ বিষয়বস্তু প্ৰায়ে সতিনী, অসাঠন বোৱাৰী, দাম্পত্য জীৱন, স্বামী, পুত্ৰ আদি। পশ্চিম অসমত খনা-পৰম্পৰাৰ প্ৰচলন থকাৰ নিচিনাকৈ উৰিষ্যাৰ অঞ্চলবিশেষে লোক জীৱনত খনা পৰম্পৰাৰ প্ৰচলনো অস্বীকাৰ কৰিব নোৱাৰি। বঙ্গদেশত প্ৰচলিত পৰম্পৰাৰ নিচিনাকৈ উৰিষ্যাতো ডাক আৰু খনা, বৰাহমিহিৰৰ লগত জৰিত। কোনো কোনো পণ্ডিতৰ মতে উৰিষ্যাতো জ্যোতিষ বিষয়ক প্ৰবচনবোৰ প্ৰায়ে ডাকৰ লগত সম্পৃক্ত আৰু কৃষি বিষয়ক প্ৰবচনবোৰ খনাৰ লগত সম্পৰ্কান্বিত।

অৱশ্যে ডাক আৰু খনা একেজন ব্যক্তিৰে দুটা নাম নহয়; ডাক পুৰুষ, খনা স্ত্ৰী; কিন্তু খনা ডাকৰ পত্নী নহয় বা ডাক খনাৰ স্বামী নহয়। উৰিষ্যাৰ অঞ্চলবিশেষে খনাক ঢাৰিক নামেৰেও জনা যায়। ডাক আৰু খনাৰ উল্লেখ কেৱল বচন, প্ৰবচন, লোকোক্তি আদিতহে পোৱা যায়। বৃন্দাবন চন্দ্ৰ আচাৰ্যৰ মতে ডাক বা খনা ঐতিহাসিক ব্যক্তি নহয়, পৰম্পৰাহে। গতিকে বৰাহমিহিৰৰ লগত ডাকৰ সম্পৰ্ক যৌক্তিকতাৰ ওপৰত প্ৰতিষ্ঠিত নহয়; যিহেতু বৰাহমিহিৰ ঐতিহাসিক ব্যক্তি, ডাক জনশ্ৰুতি আশ্ৰিত। লোক মানসে কৰা সংযোগ প্ৰক্ৰিয়াৰ ফলশ্ৰুতিতহে বৰাহমিহিৰৰ পুত্ৰৰূপে ডাকে ধৰা দিছে।

অসম, বঙ্গদেশ, বিহাৰ, উত্তৰ প্ৰদেশ, পঞ্জাব, ৰাজস্থান আদি বিভিন্ন প্ৰান্তৰ নিচিনাকৈ উৰিষ্যাত প্ৰচলিত ডাক-প্ৰবচন বা খনাৰ বচনবোৰ লোকোক্তিহে, ব্যক্তিবিশেষৰ ৰচনা নহয়,— আৰু এই জাতীয় প্ৰবচনৰ পটভূমি— লোকসমাজ। পৰৱৰ্তী কালত ডাক, খনা বা ঢাৰিক নামৰ কাল্পনিক ব্যক্তিৰ লগত প্ৰবচনবোৰ সংযোগ কৰি দিয়া হৈছে।[৩৮]

উৰিষ্যাত প্ৰচলিত ডাক বচনৰ লগত অসমত প্ৰচলিত ডাকৰ বচনৰ সাদৃশ্য সুস্পষ্ট। উদাহৰণস্বৰূপে, অসম আৰু উৰিষ্যাৰ সংস্কৃতিত সদা-সৰ্বদাই প্ৰচলিত দুটিমান ডাক- প্ৰবচনৰ তুলনা তলত দিয়া হ'ল :

উৰিয়া ডাক-প্ৰবচন : যদি বৰষই মাঘৰ শেষ।
ধন্য সে ৰাজ ধন্য সে দেশ।[৩৮(ক)]

অসমীয়া ডাক-প্ৰবচন : যদি বৰষে মাঘৰ শেষ।
ধন্য ৰাজা পুণ্য দেশ।। (*পৰিশিষ্ট ৫*)

---

৩৭. "Every village has, to its credit, a number of intelligent men and women. Proverb or Dakbachan is their creation.'
A Study of Orissan Folklore (1953), P. 28

৩৮. সংবাদ দাতা : ড° বৃন্দাবন চন্দ্ৰ আচাৰ্য্য, প্ৰফেছাৰ, উৰিয়া বিভাগ, সম্বলপুৰ বিশ্ববিদ্যালয়, ৫।৪।৮৭, ৭।৭।৮৭

৩৮. (ক) সংবাদ দাতা : বৃন্দাবন চন্দ্ৰ আচাৰ্য্য

উৰিয়া ডা. প্ৰ. : উই ন দিশো হসি পশে।
উত্তৰ মেঘ দক্ষিণে আসে॥
সজ্জ গোবৰৰে অংশোই বসে।
ডাক বোলে পুতা নিশ্চে বৰষে॥[৩৯]

অসমীয়া ডা. প্ৰ. : প্ৰকাশিয়া ৰবি উঠিয়া নাসে।
উত্তৰৰ মেঘ দক্ষিণে ভাসে॥
পূৰ্ব্ব দিশে প্ৰকাশে ধেনু।
ডাকে বোলে বৃষ্টি হৈব জানু॥ (পৰিশিষ্ট ১২)

উৰিয়া ডা. প্ৰ. : চন্দ্ৰ মণ্ডল মধ্যৰে তাৰা।
মেঘ বৰষে মুষল ধাৰা।[৪০]

অসমীয়া ডা. প্ৰ. : চন্দ্ৰ মণ্ডলৰ মাঝাত তৰা।
মেঘে বৰষে মুষল ধাৰা॥ (পৰিশিষ্ট ১৩)

উৰিয়া ডা. প্ৰ. : চোৰকু অডুআ চাঁদনী ৰাতি দাৰীকি অডুআ পুঅ।।[৪১]

অসমীয়া ডা. প্ৰ. : চোৰে ভাল নেদেখে চন্দ্ৰৰ জ্যোতি।
দুষ্টা স্ত্ৰীৰ নাই পুত্ৰত ৰতি॥ (*ডা. প্ৰ.*, পৃঃ ১০)

উৰিয়া ডা. প্ৰ. : অলপ তেণ্টা মাইপ খেণ্টা মঠুআ বলদ জাৰ।[৪২]

অসমীয়া ডা. প্ৰ. : বুঢ়া গৰুৰ সিঙ্গে ভাৰ।
ঘৰিনি মুখৰা পো জুঝাৰ॥ (*ডা. প্ৰ.*, পৃঃ ১৩)

উৰিয়া ডা. প্ৰ. : ভাঙ্গিলে জুআলি ছিণ্ডিলে জোত।
ঝিঅ মলে জোঙ্গি কাঁহিৰে পুত?[৪৩]

অসমীয়া ডা. প্ৰ. : বাই মৰা ভিনিহি, কঠিয়া মৰা কৃষি। (*ডা. প্ৰ.*, পৃঃ ১৯)

উৰিয়া ডা. প্ৰ. : স্তিৰী হোই জদি ন থিব গুণ।
ঘোইকি পিইব সুন্দৰ পণ।

অসমীয়া ডা. প্ৰ. : সুতিৰী গেন্ধেলী॥ (পৰিশিষ্ট ১৫)

ওপৰোল্লিখিত তুলনাৰ সংযোগত সহজে অনুমান কৰিব পাৰি যে, অসমীয়া ডাকৰ বচন আৰু উৰিয়া 'ডাক বছন'ৰ মাজত পাঠ, জমিন আৰু প্ৰসংগৰ ক্ষেত্ৰত অনেক মিল আছে। অসমৰ দৰে উৰিষ্যাতো 'ডাক বচন'বোৰ মুখ পৰম্পৰা প্ৰচলিত আৰু এইবোৰ বাচিক কলাৰ (verbal art) অন্তৰ্গত শ্ৰেণীবিশেষ (genres) ৰূপে পৰিগণিত। অৱশ্যে বৰ্তমান এই প্ৰবচনবোৰে লিখিত ৰূপ পাইছে; যদিও অনেক ডাক-প্ৰবচন মুখ-পৰম্পৰা অধুনাও প্ৰচলিত।

---

৩৯. K. Das : *Op-cit,* P. 29
৪০. *Op-cit,* P. 29
৪১ K. Das : *Loc-cit,* P. 38
৪২ K. Das : *Loc-cit*
৪৩. K. Das : *Op-cit,* P. 39

বিষয়বস্তু আৰু প্ৰসংগৰ ফালৰ পৰা আন নহ'লেও এটা কথা নিশ্চিতভাৱে অনুমান কৰিব পাৰি যে, অসমীয়া ডাক-প্ৰবচন আৰু উৰিয়া 'ডাক বচন'ৰ উৎস ভূমি একেটাই।

(৪) মিথিলাত প্ৰচলিত ডাক-পৰম্পৰা ঃ

মিথিলাত প্ৰচলিত পৰম্পৰা মতে ডাক, মিথিলা অঞ্চলৰ জ্ঞানী পুৰুষ। পিৰ মহম্মদ য়ুচুফ, উমেশ মিশ্ৰ আৰু জীৱানন্দ ঠাকুৰে স্পষ্টভাৱে ক'ব খোজে যে ডাক মিথিলাৰ লোক।[৪৪] জীৱানন্দ ঠাকুৰৰ মতে 'ডাকৰ বচন' মৈথিল ভাষাত ৰচিত আৰু মিথিলাৰ পৰাহে আন আন অঞ্চললৈ (উত্তৰ প্ৰদেশ, ৰাজস্থান, বঙ্গ, অসম ইত্যাদি) সাংস্কৃতিক সংযোগবশতঃ প্ৰব্ৰজন কৰিছে। তেওঁৰ মতে মিথিলাতহে কেৱল লিখিত ৰূপত ডাকৰ বচন পোৱা হৈছে, আন আন অঞ্চলত মৌখিক পৰম্পৰাতহে ডাকৰ বচন পোৱা যায়।[৪৫] অৱশ্যে তেওঁ ক'বলৈ বাধ্য হৈছে যে, সম্ভৱতঃ একেজন ব্যক্তিয়েই মিথিলাত ডাক আৰু মিথিলা ভিন্ন অন্য প্ৰান্তত ঘাঘ, ডঙ্ক আদি নামেৰে প্ৰসিদ্ধি লাভ কৰিব পাৰে। দ্বিতীয়তে, মিথিলাৰ লোকজীৱনৰ ওপৰত ডাক-প্ৰবচনবোৰৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী হোৱাৰ উপৰি, মিথিলাত সংস্কৃতত ৰচিত ধৰ্মশাস্ত্ৰ আৰু জ্যোতিষশাস্ত্ৰাদিতো এই প্ৰবচনবোৰে স্থান লাভ কৰিছে। মিথিলাৰ বাহিৰে আন প্ৰদেশত ডাক-প্ৰবচনসমূহে এতাদৃশ বিশিষ্ট স্থান লাভ কৰিবলৈ সক্ষম হোৱা নাই। বিদ্যাপতি ঠাকুৰৰ পুত্ৰ মুদ্ৰাহস্তৰ 'দৈৱজ্ঞ বান্ধৱ' কৰ্তা হৰপতি ঠাকুৰে নিজৰ 'ব্যৱহাৰ প্ৰদীপক' নামৰ জ্যোতিষ নিবন্ধত বীজবন্ধন সিদ্ধযোগ বিচাৰে ডাক ঃ তথাচ ডাক ঃ অথ যমঘণ্ট বিচাৰে দগ্ধতিথি বিচাৰে যোগিনী বিচাৰে পশুযাত্ৰা নৱান্ন ভক্ষণ, বীজবপন, গ্ৰামবাস, অঠদিশা ফলশ্ৰুতি, বৃক্ষৰোপণ, অথ সেৱাচক্ৰ অৰিষ্টক লক্ষণ' ইত্যাদি বিচাৰৰ ক্ষেত্ৰত ডাকৰ প্ৰমাণত্বৰ উল্লেখ কৰা দেখা যায়।[৪৬] মিথিলাধীশ শুভঙ্কৰ ঠাকুৰকৃত *তিথিদ্বৈধনিৰ্ণয়* নামৰ ধৰ্মগ্ৰন্থত 'সুখৰাত্ৰি বিচাৰে ডাকঃ' বুলি ডাকৰ প্ৰমাণত্বৰ উল্লেখ কৰা হৈছে। 'গ্ৰামবাস বিচাৰ' নামৰ গ্ৰন্থত 'গ্ৰামবাস'[৪৭] বিচাৰে ডাক' ৰূপে উল্লেখ কৰি ডাকৰ প্ৰমাণত্ব স্বীকাৰ কৰা দেখা যায়।[৪৮]

মৈথিল ভাষাৰ প্ৰাচীন লিপিত তালপত্ৰত লিখা জ্যোতিষ বিষয়ক কিছুমান নিবন্ধ পোৱা গৈছে। এই নিবন্ধত আলোচনা কৰা 'তৰুৰোপণ', 'অথযুদ্ধ যোগিনী', কাক-শকুন, বৰ্ষা, বীজবপন, যাত্ৰা আদিত ডাকৰ নাম লক্ষ্য কৰিব পাৰি।[৪৯] ইয়াৰ বাহিৰেও মিথিলাৰ আবাল-বৃদ্ধ-বনিতাই দৈনন্দিন আৰু ঘৰুৱা জীৱনত ডাক কেৱল মিথিলাৰ লোক-সমাজতেই নহয় বৰং নিজৰ যোগ্যতাৰ কাৰণে আন প্ৰদেশৰ বিদ্বৎ সমাজতো সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল আৰু গোপকুলালঙ্কাৰ হোৱা সত্ত্বেও দ্বিজকুলৰ দ্বাৰা সমাদৃত নোহোৱাকৈ থকা নাছিল।[৫০]

জীৱানন্দ ঠাকুৰৰ মতে, তালপত্ৰত ৰচিত হোৱা প্ৰায়বিলাক *ডাক-প্ৰবচন*ৰ ভাষা 'অবহট্ট'

---

৪৪ *J. Mishra : Introduction to the Folk Literature of Mithila* (Part-I), P. 44

৪৫ অসমতো লিখিত ৰূপত ডাকৰ বচন পোৱা হৈছে।

৪৬. জীৱানন্দ ঠাকুৰ (সম্পা) ঃ *মৈথিল ডাক*, পৃঃ ৪-৫

৪৭ উ. গ্ৰ পৃঃ ৫

৪৮ উ গ্ৰ

৪৯ উ গ্ৰ

(অপভ্ৰংশ)। কবিকোকিল বিদ্যাপতি ঠাকুৰে ৰচনা কৰা *কীৰ্ত্তিলতাত* 'অৱহট্ট' ভাষা ব্যৱহাৰ কৰা হৈছে। পৰৱৰ্তী কালত ডাক-প্ৰবচনবোৰে মৈথিল ভাষাত আত্মপ্ৰকাশ কৰা হেতু এশ-ডেৰশ বছৰৰ পূৰ্বে ৰচিত ডাক-প্ৰবচনৰ ভাষাৰ লগত বৰ্তমান মিথিলাত প্ৰচলিত ডাক-প্ৰবচনৰ ভাষাৰ পাৰ্থক্য দেখা যায়। তেওঁৰ মতে মিথিলা ভিন্ন অন্য অঞ্চলত প্ৰচলিত ডাক-প্ৰবচনতো মৈথিলী ভাষাৰ শুদ্ধ ৰূপ পোৱা যায়।[৫১] জয়কান্ত মিশ্ৰই ডাকৰ সময় নিৰ্ণয় কৰিবলৈ গৈ কৈছে ঃ 'কোন সময়ত ডাকৰ উদ্ভৱ হৈছিল তাক নিৰ্ণয় কৰা অসম্ভৱ, মাত্ৰ এইটোৱেই ক'ব পাৰি যে, তেওঁৰ প্ৰবচনবোৰৰ উল্লেখ খ্ৰীঃ ১৪শ শতিকাৰ পৰা খ্ৰীঃ ১৭শ শতিকাৰ ভিতৰত মিথিলাত ৰচিত জ্যোতিষশাস্ত্ৰৰ হাতে লিখা পুঁথিত পোৱা যায়।'[৫২] জীৱানন্দ ঠাকুৰে অনুমান কৰে যে, খ্ৰীঃ ষোড়শ শতিকাৰ পূৰ্বেই ডাকৰ জন্ম হৈছিল।[৫৩] উমেশ মিশ্ৰই ভাবে যে, খ্ৰীঃ ষোড়শ শতিকাত ডাকৰ জন্ম হ'ব পাৰে।[৫৪]

বঙ্গদেশত প্ৰচলিত পৰম্পৰাৰ নিচিনাকৈ মিথিলাত প্ৰবহমান দন্তকথা মতেও ডাক, গোৱালৰ ল'ৰা অৰ্থাৎ গোৱালৰ ঘৰত ডাকৰ জন্ম হৈছিল ঃ 'কহিগেল ডাক, গোআৰ।' মিথিলাত প্ৰচলিত লোক বিশ্বাসৰ ওপৰত নিৰ্ভৰ কৰি ক'ব পাৰি যে, আভীৰ ক্ষেত্ৰত দৈৱজ্ঞাচাৰ্য্য ৱৰাহমিহিৰৰ ঔৰসত ডাকৰ জন্ম। আকৌ অসমৰ ডাকৰ নিচিনাকৈ মৈথিল ডাকেও পানীত পৰি মৃত্যুবৰণ কৰিছিল। জনশ্ৰুতি মতে বাৰ বছৰ বয়সত মৈথিল ডাকে পুখুৰীৰ পানীত জাঁপ দিওঁতে কেশত জোট লগা হেতু সাঁতুৰিবলৈ অক্ষম হয় আৰু তেনেদৰে তেওঁ মৃত্যুৰ মুখত পৰে। অসমৰ ডাকৰ দৰে মৈথিল ডাকেও মৃত্যুৰ সময়ত কৈছিল ঃ

ঈ জনু বুঝী ডাক নিৰ্বুদ্ধী।
নাশহি কাল বিনাশাহি বুদ্ধী।[৫৪(ক)]

ওপৰৰ আলোচনাৰপৰা দেখা যায় যে, অসম, বঙ্গ আৰু উৰিষ্যাৰ পণ্ডিতসকলৰ নিচিনাকৈ মিথিলাৰ পণ্ডিতসকলেও ডাকক মিথিলাৰ পণ্ডিত-কবিৰূপে প্ৰতিপন্ন কৰিবলৈ প্ৰয়াস কৰিছে। মিথিলাত ৰচিত জ্যোতিষ-প্ৰবন্ধাদিত ডাকৰ নামোল্লেখ পোৱা যায়। পিছে সেইবোৰ গ্ৰন্থত ডাক পদৰ প্ৰয়োগ জ্ঞানী অৰ্থতহে।[৫৫] অসমত প্ৰচলিত ডাক-পৰম্পৰাৰ লগত জ্যোতিষ-পণ্ডিত ৱৰাহমিহিৰক সংযোগ কৰাৰ নিচিনাকৈ মৈথিল ডাকৰ সৈতে ৱৰাহমিহিৰৰ পিতা-পুত্ৰৰ সম্পৰ্ক স্থাপন কৰা হৈছে। দ্বিতীয়তে, মিথিলাত প্ৰচলিত ডাক-প্ৰবচনৰ লগত অসম, বঙ্গ, বিহাৰ, উত্তৰ প্ৰদেশ, ৰাজস্থান আদিত প্ৰবহমান তেনে জাতীয়

৫০. উ. গ্ৰ. পৃঃ ৬
৫১. জীৱানন্দ ঠাকুৰ (সম্পা); প্ৰা. গ্ৰ. পৃঃ ১০
৫২. 'It is impossible to fix upon any date when he flourished; all that can be said is that his aphorisms are quoted in some Maithila Mss. of *Jyotiṣa* śāstra in the 14th and 17th centuries.'
Jayakanta Mishra, *Op-cit*, P. 45
৫৩. জীৱানন্দ ঠাকুৰ (সম্পা) ঃ প্ৰা. গ্ৰ., পৃঃ ১১
৫৪. উ. গ্ৰ., পৃঃ ১১
৫৪. (ক) জীৱানন্দ ঠাকুৰ (সম্পা). প্ৰা. গ্ৰ., পৃঃ ১৩
৫৫. পৰৱৰ্তী অধ্যায়ত বিস্তৃতভাৱে আলোচনা কৰা হৈছে।

প্ৰবচনৰ সাংস্কৃতিক, বিষয়গত আৰু ভাবগত সাদৃশ্য পৰিলক্ষিত। এইফালৰ পৰা সহজে অনুমান কৰিব পাৰি যে, মিথিলাত প্ৰচলিত ডাক-প্ৰবচনসমূহ কোনো ব্যক্তিবিশেষৰ ৰচনা নহয়। অসমীয়া ডাক-প্ৰবচনৰ নিচিনাকৈ মৈথিল ডাক বচনবোৰো কৃষি, বৰ্ষফল, বৰ্ষা, যাত্ৰা, গাৰ্হস্থ্য, গ্ৰহণ আদি প্ৰকৰণত ভাগ কৰিব পাৰি।

অসমীয়া ডাক-প্ৰবচন আৰু মৈথিল ডাক-প্ৰবচনৰ মাজত থকা সাদৃশ্যৰ আভাস তলত দিয়া তুলনাই স্পষ্ট কৰি তুলিব ঃ

অসমীয়া ডাক-প্ৰবচন ঃ

ৰবিবাৰে মঘা পূৰ্ব ফাল্গুনি।
অশ্লিসা পুষ্যা সোমে জানি॥
কুজে অনুৰাধা শ্ৰবনা জান।
বুধে আদ্ৰা হস্তা মিলন॥
মূলা ৰেবতি গুৰুবাৰে পাই।
স্বাতি ৰোহিনি শুক্ৰে মিলাই॥
সনিবাৰে সতভিষা জেবে।
ডাকে বোলে যমঘণ্ট তেবে॥ (*ডা. প্ৰ.*, পৃঃ ৪৩)

মৈথিল ডাক-প্ৰবচন ঃ

জই ৰবিবাৰে মঘা ধনিষ্ঠা সোমে পুষ্য বিশাখা (খা) লট্টা।
মঙ্গল কৃত্তিক ভৰণি বিৰুদ্ধা কৰ পূৰফল্গুনী বুধ বিৰুদ্ধা॥
বাৰে বেহফই মূল ৰেৱতী শুষ্ক (ক্ৰ) হি বাৰহি ৰোহিনি স্বাতী।
শ্ৰৱণা শতভিশা জই শনিবাৰে, এহ যমঘণ্ট কহিঅ গোআৰে॥[৫৬]

অ. ডা. প্ৰ. ঃ *অক্ষৰ দুগুন মাত্ৰা চাৰি। নাম থিৰ কৰি পুৰুষ নাৰি॥*
লোচনে হৰিবা ভাগ। জীৱন মৰণ পাইবা লাগ॥
সুন্যে একে মৰে পতি। দুই পাইলে মৰে যুৱতি॥
তিনি পাইলে উভয়ৰ মৰণ। ডাকৰ এই নিচয় বচন॥
(*ডা. প্ৰ.*, পৃঃ ৬০ - ৬১)

মৈ. ডা. প্ৰ. ঃ *অখৃখৰ দোগুণ চৌগুণ মত্তা ভাগ হৰহ না হৰসি নেত্তা।*
এক সুন জও পুৰুষ হলট্ঠা বেৰি হোএ জও তিৰি অবিলট্ঠা॥[৫৭]

অ. ডা. প্ৰ. ঃ *আগে জুগুনি পুত্ৰক খাই। ডাইনে জুগুনি সৰ্বচ্চ হৰাই॥*
বামে পৃষ্টি জুগুনি পাই। লঙ্কা জিনি ৰাম অজোধ্যাক জাই॥
(*ডা. প্ৰ.*, পৃঃ ৬১)

মৈ. ডা. প্ৰ. ঃ অওধে যোগিনি মাৰ মাৰ কৰ পাছে অতি সুখদেএ।

---

৫৬. জীৱানন্দ ঠাকুৰ (সম্পা); প্ৰা. প্ৰ., পৃঃ ২
৫৭. জীৱানন্দ ঠাকুৰ (সম্পা); প্ৰ. প্ৰ., পৃঃ ৬

বামে যোগিনি লাভ কৰাবএ দহিনে জীৱ হৰিলেএ।[৫৮]

অ ডা প্ৰ ঃ লগ্নে কুজা লগ্নে সুজা। তাতে থাকে ভানু তনুজা॥
(ডা প্ৰ., পৃঃ ৪৪)

মৈ ডা প্ৰ ঃ লগ্নহি কুজা লগ্নহি সুজা, লগ্নহি হোৱএ ভানু তনুজা॥[৫৯]

অ. ডা. প্ৰ ঃ সৰু সৰুকৈ বান্ধিবা ঘৰ। এটা নালাগে দহোটা কৰ॥
(ডা প্ৰ, পৃঃ ৬৪)

মৈ ডা প্ৰ ঃ ছোট ছোট ঘৰ বান্হী চৌধৰা।
নামে ফাৰ জোতাবী হৰা।[৬০]

অ ডা প্ৰ ঃ শ্ৰাৱণ মাসত ৰোহিনী ঋক্ষত যদি বৰিসে দেৱ।
হাল তুল বেচি কৰ সব লোক দেৱি মহাদেৱ সেৱ॥
(ডা প্ৰ, পৃঃ ৩৫)

মৈ ডা প্ৰ ঃ সাঅোন কৃষ্ণ একাদশী ৰোহিনি জেতো হোয।
তেতো সময়া জানিএ খড়ী ঘসএ নহি কোএ॥[৬১]

অ ডা প্ৰ ঃ তিথি বৃদ্ধিযে সস্যক নাসে।
ঋক্ষ বৃদ্ধিয়ে তিল বিনাসে॥ (ডা প্ৰ, পৃঃ ৩৫)

মৈ ডা প্ৰা ঃ তিথি বঢ়এ তো ধান নশাবএ।
নক্ষত্ৰ বঢ়এ তো ধান উপজাবএ॥[৬২]

অ ডা প্ৰ ঃ পৌষ মাসে জদি মেঘ গৰ্জন। মাঘ মাসত মেঘ সোসন॥
চৈত্ৰত কেন্দুফল নিৰন্তৰ। বৈসাগ মাসত পৰে পাথৰ॥
ৰিনি ৰিনি জল পৰে জৈষ্ঠত। চাৰি মাহ বৃষ্টি হোৱে লোকত॥
(ডা প্ৰ, পৃঃ ৩৫)

মৈ ডা প্ৰ ঃ অগহন যদি তিথি অষ্টমী জোঁ মেঘ দৰ্শত।
অো মেঘ সাঅোনি ভৰি কহএ "ডাক' বৰ্ষত॥
অগহন সুদি একাদশী তিথি দ্বাদশ কাতিক ৰাতি॥
পৌষ পঞ্চমী আৰ সুনু মাঘ মাসমে সাতি।
ই সৱ দিন যদি মেঘ দেখো চাৰি মাস বৰ্ষা অতি পেখী॥[৬৩]

অ ডা প্ৰ ঃ মাঘৰ সেসত যদি বৰিষে পানি। তেবে অলপ বৃষ্টি আগলৈ জানি॥
(ডা প্ৰ, পৃঃ ৩৫)

মৈ ডা প্ৰ ঃ মাঘ বদী সপ্তমী কে তাহি জোঁ বিজ্জু চমকয নভ মাহি।

---

৫৮ প্ৰা গ্ৰ, পৃঃ ৮
৫৯ প্ৰা গ্ৰ, পৃঃ ১৮
৬০ প্ৰা গ্ৰ, ডাক, পৃঃ ৩৫
৬১ মৈথিল ডাক, পৃঃ ৩৬
৬২ উ গ্ৰ, পৃঃ ৩৬
৬৩ উ গ্ৰ, পৃঃ ৪৪

মাস বাৰহু বৰষে মেহ মত সোচহু চিন্তা তজি দেহ।।[৬৪]

অ. ডা. প্ৰ. ঃ ধনৰ মধ্যত ধান্য সোভন। ধান্য নহ'লে মৰে তেখন।।
(*ডা. প্ৰ.*, পৃঃ ৪০)

মৈ. ডা. প্ৰ. ঃ ধনমে ধান আওোৰ ধন গায়, কিছু কিছু সোনা আওোৰ সব ছায়।।[৬৫]

অ. ডা. প্ৰ. ঃ ৰিক্ষ তিথি জেবে দুয়ো তুল। হৈবেক বাৰিষা নাহিকে ভুল।।
(*ডা. প্ৰ.*, পৃঃ ৩৬)

মৈ. ডা. প্ৰ. ঃ তিথি নক্ষত্ৰ হোৱএ সমতুল পুহমী উপজয় তুলম তুল।।[৬৬]

অ. ডা. প্ৰ. ঃ ফাগুন গতে চৈত্ৰৰ সংক্ৰান্তি জে বাৰ।
ৰবি সোসে সোমে বৰিসে মঙ্গলে ধুলি অন্ধকাৰ।।
মেদনি নসহে সস্যৰ ভাৰ, বুধ বৃহস্পতি শুক্ৰবাৰ।।
জদি দৈৱ বসে হুএ শনিবাৰ। সস্য নাহি প্ৰজাৰ খয়ঙ্কাৰ।।
(*ডা. প্ৰ.*, পৃঃ ৩৬)

মৈ. ডা. প্ৰ. ঃ ৰবি কুজ শনিহো সংক্ৰান্তি ৰাজা অগ্নি ঘোৰ ভয় ভাঁতি।
বুধ চন্দ্ৰহি জোঁ হো সক্ৰমন সন্তী কল্যান শোভীত জন।।
গুৰু শুক্ৰ বাসৰ জোঁ হো পৰৱেশ ধন্যবৃদ্ধি সোঁ 'ডাক' ন কলেশ।
ঘোড়া ৰোড়া টিড্ডী জোঁ উড়এ ৰাজা মৰএ কী পৰতী পড়এ।।[৬৭]

অ. ডা. প্ৰ. ঃ তিনিস সাঠি জোপা ৰুবা কল।
মাহিলি মাহিলি সিকোনাবা তল।।
পাত পচলা লাভতে খাবা।
লঙ্কাৰ বনিজ হাততে পাবা।। (*ডা. প্ৰ.*, পৃঃ ৪২)

মৈ. ডা. প্ৰ. ঃ কয় 'ডাক' তো সুনহ ৰাৱন, কেৰা ৰোপী আষাঢ় সাবন।
তীন সএ সাঠি জে কেৰা ৰোপএ আবি নিচিন্ত ঘৰহি ভএ সুতএ।।[৬৮]

অ. ডা. প্ৰ. ঃ জেই জেই মাসৰ জেই জেই ৰাসি। তাৰ সপ্তমে থাকে সসি।।
তাতে আসে পুৰ্ন্নিমা হোৱে। অৱশ্যে সসিক ৰাহুৱে গ্ৰহে।।
(*ডা. প্ৰ.*, পৃঃ ৪২)

মৈ. ডা. প্ৰ. ঃ ৰবি সঁ চন্দা সাত মে ৰাহু সঁ হো একন্ত।
তখন গহনা লাগিএ কথী লএ খড়ী বসন্ত।।[৬৯]

অ. ডা. প্ৰ. ঃ এক সনি গুৰু মঙ্গলবাৰ। দক্ষিণ নাসিকা পবন সঞ্চাৰ।।

---

৬৪. উ. গ্ৰ., পৃঃ ৪৫
৬৫. *মৈথিল ডাক*, পৃঃ ৬৯
৬৬. উ. গ্ৰ., পৃঃ ৩৭
৬৭. উ. গ্ৰ., পৃঃ ৪০
৬৮. উ. গ্ৰ., পৃঃ ৬৭
৬৯. *মৈথিল ডাক*, পৃঃ ৬৬

সোম শুক্ৰ বুধে বাম। জিনিবে লঙ্কা গোসাই ৰাম॥ (*ডা. প্ৰ.*, পৃঃ ৬১)

মৈ. ডা. প্ৰ. ঃ শনি ৰবি মঙ্গল আে শুক্ৰবাৰ দক্ষিণ পৱন কৰব সঁচাৰ॥
সোমে শুক্ৰে বুধে বাম এহি বিধি লঙ্কা জীতল ৰাম॥[৭০]

অসমীয়া ডাক-প্ৰবচন আৰু মৈথিল ডাক প্ৰবচনৰ মাজত থকা সাদৃশ্যৰ পৰা সিদ্ধান্তত উপনীত হ'ব পাৰি যে, উভয় অঞ্চলত প্ৰচলিত ডাক-প্ৰবচনবাজিৰ উৎসৰ প্ৰসংগত বিভিন্নতা নাই। মৈথিল পণ্ডিতসকলৰ অনুমানৰ ওপৰত নিৰ্ভৰ কৰি ডাকক ঐতিহাসিক ব্যক্তি বুলিব নোৱাৰি।

মিথিলা অঞ্চলৰ বাহিৰে বিহাৰ প্ৰদেশৰ বিভিন্ন অঞ্চলতো ডাক-পৰম্পৰা প্ৰবহমান। অৱশ্যে ডাক পৰম্পৰাৰ লগত ঘাঘ, খোনা (খনা), ভাড আদি নামো জৰিত। সম্ভৱ উত্তৰ প্ৰদেশ আৰু ৰাজস্থানৰ অঞ্চলবিশেষ প্ৰচলিত ভড্ডৰী পদটো বিহাৰত 'ভাড' ৰূপ (form) পৰিগ্ৰহ কৰিছে।[৭০(ক)] বঙ্গদেশ, অসম, উৰিষ্যা আদিত ডাক-প্ৰবচন আৰু খনাৰ বচন যিদৰে একেটা উৎসৰ পৰাই বিকাশ লাভ কৰিছে তদ্ৰূপ বিহাৰতো ডাক, খোনা আৰু ভাডৰ উৎস একেটাই। ডাক পৰম্পৰাই বিহাৰত ঘাঘ, খোনা আৰু ভাড ৰূপে আত্মপ্ৰকাশ কৰা স্বাভাৱিক।

(৫) ভোজপুৰী ক্ষেত্ৰত প্ৰচলিত ডাক-পৰম্পৰা ঃ

আধুনিক ভোজপুৰী ক্ষেত্ৰৰ প্ৰাচীন সীমা প্ৰামাণিকভাৱে নিশ্চিত কৰিব নোৱাৰি। কোনো কোনো পণ্ডিতৰ মতে প্ৰাচীন কালৰ মল্ল, বজ্জি, কাশী, কাৰুষ আদি জনপদৰ সমষ্টিয়েই বৰ্তমানৰ ভোজপুৰী ক্ষেত্ৰ। সম্পূৰ্ণ ভোজপুৰী ক্ষেত্ৰত ইতিহাসৰ কোনো এক সময়ত কোনো এজন ৰজাই ৰাজত্ব কৰাৰ প্ৰমাণ পোৱা নাযায়। বৌদ্ধ-গ্ৰন্থৰ ওপৰত নিৰ্ভৰ কৰি ক'ব পাৰি যে, ভোজপুৰী ক্ষেত্ৰ শাক্য, কৌলিয়, মৌৰ্য্য, বুলি, কাশী আৰু মগ্‌গ জনপদৰ সমষ্টি। বৰ্তমান এই ক্ষেত্ৰৰ উত্তৰে নেপাল, দক্ষিণে উৰিষ্যা, পূবে মিথিলা আৰু পশ্চিমে ছট্টিচগড়। মাগধী অপভ্ৰংশৰ পৰা ভোজপুৰী ভাষা উদ্ভৱ হৈছে। বিহাৰ প্ৰদেশৰ চম্পাৰণ, চাৰণ, চাহাবাদ, ৰাঁচি, পলামু জিলা; উত্তৰ প্ৰদেশৰ গাজীপুৰ, বলিয়া, বাৰানসী, মিৰ্জাপুৰ, জৌনপুৰ, আজমগড়, গোৰখপুৰ, বস্তী আৰু মধ্যপ্ৰদেশৰ চৰগুজা, ৰিয়াচত, জচপুৰৰ অধিকাংশ অঞ্চলত ভোজপুৰী ভাষাৰ প্ৰচলন দেখা যায়।[৭১]

লোকোক্তি, প্ৰবচন আদিৰ ক্ষেত্ৰত ভোজপুৰী ভাষা সমৃদ্ধ। এই লোকোক্তি আৰু প্ৰবচনবাজি ঘাঘ, ভড্‌ডৰ, ভড্‌ডৰী, ডাক আদিৰ নামৰ লগত জৰিত। যেনে ঃ

ডাক প্ৰবচন ঃ (১) আদি ন বৰসে আদৰা, হস্ত ন বৰসে নিদান।
কহে ডাক সুনি ভিল্লৰী, ভয়ে কিসান পিসান।[৭২]
(২) মাঘ বৰসে সবাই, ফাগুন বৰসে গঁৱাই।

---

৭০. উ. গ্ৰ., পৃঃ ৫৬
৭০. (ক) ৰাম নৰেশ ত্ৰিপাঠী (সম্পা) ঃ *ঘাঘ ঔৰ ভড্ডৰী*, পৃঃ ২৬
৭১. শশিশেখৰ তিৱাৰী ঃ *ভোজপুৰী লোকোক্তিয়াঁ*, পৃঃ ২৫-২৮, ২৩১
৭২. উ. গ্ৰ., পৃঃ ২৩২

(৩) কাম কৰে মউসী, ভোজ পৰে লবাৰ।
(৪) জড়না তপী আেতনে বৰসী।
(৫) আগে মে পীছে ভান বৰখা হোখে আেস সমান।
(৬) সাৱন শুক্লা সপ্তমী ছিপকে উগে ভান।
তবতক মেঘা বৰসে, জবতক দেৱ উঠান॥
(৭) ধন উ ৰাজা ধন উ দেশ, জহৱাঁ বৰসে অগহন সেস।
(৮) আসাঢ়ী শুদি নৌমী না বাদৰ না বীজ।
হৰ ফাড়ি ইন্হনা কৰঅ বইঠল চমঅ বীজ॥
(৯) অচ্ছী গায় বৈসাহিএ জিস্কী কজ্জল বান।
সোলহ সিংঘ বত্তীস খুৰী নব খন তেহৰ কান॥
(১০) খেতী বেটী নিত্তে গায় না দেখে আেকাৰ জায়।[৭৩]

ভোজপুৰী অঞ্চলত ডাকৰ নামত প্ৰচলিত ওপৰোল্লিখিত প্ৰবচনসমূহৰ লগত অসম, বঙ্গ উৰিষ্যা আদিত প্ৰবহমান ডাক প্ৰবচনৰ লগত সাংযুতিক, বিষয়গত আৰু ভাবগত মিল অস্বীকাৰ কৰিব নোৱাৰি। দ্বিতীয়তে, ভোজপুৰী পৰম্পৰা অনুসৰি ডাকৰ জন্ম অহীৰ কুলত অৰ্থাৎ গোৱালৰ ঘৰত।

(৬) উত্তৰ প্ৰদেশত প্ৰচলিত ডাক-পৰম্পৰা ঃ

অসম, বঙ্গ, মিথিলা আদিত প্ৰচলিত ডাক প্ৰবচনৰ সদৃশ কিছুমান প্ৰবচন উত্তৰ প্ৰদেশৰ লোক সমাজত সদা-সৰ্বদাই ব্যৱহাৰ হোৱা দেখা যায়। এই প্ৰবচনবোৰ ডাকৰ লগত সংযোজিত নহয়, ঘাঘৰ লগতহে জড়িত। ডাক আৰু ঘাঘ মূলতঃ একেই; ডাকৰ অৰ্থ জ্ঞানী আৰু ঘাঘৰ অৰ্থও জ্ঞানী। গতিকে পূৰ্ব ভাৰতত প্ৰচলিত ডাক-পৰম্পৰাৰ লগত উত্তৰ প্ৰদেশত প্ৰচলিত ঘাঘ-পৰম্পৰা অভিন্ন। উত্তৰ প্ৰদেশত 'ঘাঘ' আৰু 'ডাক' দুয়োটা নামৰেই প্ৰচলন আৰু ব্যৱহাৰ অস্বীকাৰ কৰিব নোৱাৰি। ভোজপুৰী অঞ্চলত 'ডাক' আৰু 'ঘাঘ' উভয় পৰম্পৰাৰ মাজত সহ-অৱস্থান স্বীকাৰ কৰিবলৈ বাধ্য হোৱাৰ নিচিনাকৈ ভোজপুৰী অঞ্চলৰ পৰিসীমাৰ বহিঃস্থ উত্তৰ প্ৰদেশীয় অঞ্চলতো ডাক আৰু ঘাঘৰ মাজত ঐক্য আৰু সাদৃশ্য পৰিলক্ষ্যণীয়।

ঘাঘৰ বিষয়ে শিৱসিংহই তেওঁৰ 'সৰোজ'ত লিখিছে ঃ "ঘাঘ কান্যকুব্জ অন্তৰ্বেদ ৱালে সং ১৭৫৩ মে উ।"[৭৪] তেওঁ আৰু কৈছে যে ঘাঘৰ দোহা, ছপ্পয়, লোকোক্তি তথা নীতি সম্বন্ধীয় বচনবোৰ গ্ৰামীণজনৰ কথাৰূপে বিখ্যাত। মিশ্ৰবন্ধুই তেওঁৰ 'বিনোদ'ত উল্লেখ কৰিছে ঃ 'সেইগৰাকী মহাশয়ে ১৭৫৩ সনত জন্ম লাভ কৰিছিল আৰু ১৭৮০ ত তেওঁ কবিতা ৰচনা কৰিছিল। নীতি সম্পৰ্কীয় প্ৰবচনবোৰ তেওঁ শক্তিশালী লোক ভাষাত ব্যক্ত কৰিছিল।"[৭৫]

হিন্দী-শব্দ সাগৰৰ সম্পাদক মহোদয়ে উল্লেখ কৰিছে ঃ 'ঘাঘ গোণ্ডত বাস কৰা এগৰাকী

৭৩. প্ৰা. উ. গ্ৰ., পৃঃ ৭০-৮৬
৭৪. ৰামনৰেশ ত্ৰিপাঠী (সম্পা) ঃ *ঘাঘ ঔৰ ভড্ডৰী, ভূমিকা,* পৃঃ ১৩
৭৫. উ. গ্ৰ.

অতিশয় চতুৰ আৰু অনুভৱ বিশিষ্ট ব্যক্তিৰ নাম। তেওঁ কোৱা অনেক প্ৰবচন উত্তৰীয় ভাৰতত প্ৰসিদ্ধ। খেতি-বাৰী, ঋতু-কাল তথা লগ্নমুহূৰ্ত আদিৰ বিষয়ে তেওঁৰ অভিজ্ঞতালব্ধ যুক্তি খেতিয়ক তথা জনসাধাৰণে ব্যাপকভাৱে ব্যৱহাৰ কৰে।'[৭৬]

কোনো কোনো পণ্ডিতৰ মতে ঘাঘৰ জন্ম হৈছিল কনৌজত, খ্ৰীঃ ১৬৩৬ চনত। পিৰ মহম্মদ যুচুফে ঘাঘৰ প্ৰবচনৰ ভাষাতাত্ত্বিক দিশৰ ওপৰত দৃষ্টি ৰাখি ক'ব খোজে যে, চম্পাৰণ আৰু মুজফ্‌ফৰপুৰ জিলাৰ উত্তৰফালে অৱস্থিত ঔৰৈয়ামঠ বা বৈৰগনিয়া আৰু কুড়ৱা চৈনপুৰৰ ওচৰৰ কোনো গাঁৱত ঘাঘৰ জন্ম হোৱা অসম্ভৱ নহয়; অথবা চম্পাৰণৰ নিকটৱৰ্তী কোনো গাঁৱত তেওঁৰ জন্ম হ'ব পাৰে, নাইবা আন ঠাইৰ পৰা আহি তেওঁ এই অঞ্চলত কিছুদিন থাকিব পাৰে।[৭৭]

ঘাঘ সম্বন্ধে প্ৰচলিত জনশ্ৰুতি মতে প্ৰাচীন কালত জ্যোতিষাচাৰ্য বৰাহমিহিৰে তেওঁৰ গাঁৱৰ পৰা বিক্ৰম ৰজাৰ ৰাজধানীলৈ যাত্ৰা কৰি সন্ধিয়া হোৱা বাবে এঘৰ গোৱালৰ ঘৰত আলহি ৰূপে থাকে। গোৱালে বৰাহমিহিৰক আদৰ-সাদৰকৈ ভোজনাদিৰ ব্যৱস্থা কৰি দিলে আৰু অতিথিৰ যাৱতীয় সেৱা-শুশ্ৰূষাৰ বাবে নিজৰ যুৱতী কন্যাজনীক নিয়োজিত কৰিলে। প্ৰাৰব্ধবশতঃ মধ্যৰাত্ৰি গোপকন্যাৰ লগত বৰাহমিহিৰৰ যৌন মিলন সংঘটিত হ'ল। ৰাতিপুৱা বৰাহমিহিৰ যাবলৈ ওলাল। তেনে সময়তে বিষাদ-বিমনা গোপকন্যাক লক্ষ্য কৰি বৰাহমিহিৰে ক'লে যে, মিলনৰ ফলস্বৰূপে গোপকন্যা গৰ্ভৱতী হ'ব আৰু তেওঁ এটি বিদ্বান বালকক জন্ম দিব। পুত্ৰ-জন্ম হোৱাৰ কেইদিনমানৰ পিছতেই বৰাহমিহিৰ পুনঃ গোপকন্যাৰ ওচৰলৈ ঘূৰি আহিব।[৭৮]

ঘাঘ জাতিত আছিল অহীৰ বা গোপ বা গোৱাল।[৭৯] নিজৰ পাণ্ডিত্য আৰু প্ৰতিভাৰ বলত তেওঁ সৰ্বজনৰ দ্বাৰা সমাদৃত হৈছিল।

ওপৰৰ আলোচনা পৰা দেখা যায় যে, ঘাঘৰ জন্মস্থান আৰু সময় লৈ নানা মুনিৰ নানা মত। কনৌজ, গোণ্ডা, চম্পাৰণ, গোৰখপুৰ, কানপুৰ, ফতেহপুৰ, ৰায়বৰেলী, ছপ্‌ৰা আদি বিভিন্ন স্থানৰ লগত ঘাঘক সংযোগ কৰিবলৈ প্ৰয়াস কৰা হৈছে। কোনো কোনোৰ মতে ঘাঘৰ বংশধৰসকল বৰ্তমানো জীৱিত; তেওঁলোক কনৌজ নিবাসী। অৱশ্যে বৰ্তমান তেওঁলোকৰ উপাধি দুবে। হুমায়ুনৰ ৰাজত্বকালত ঘাঘে গঙ্গাপাৰত বাস কৰিছিল আৰু হুমায়ুনৰ ৰাজ দৰবাৰত তেওঁ সন্মানিত স্থান লাভ কৰিছিল। আকবৰৰ ৰাজ সভাতো ঘাঘে নিজৰ বিদ্যা-বুদ্ধিৰ সহায়ত স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। ঘাঘৰ পাণ্ডিত্যত মুগ্ধ হৈ মোগল সম্ৰাট আকবৰে তেওঁৰ (ঘাঘৰ) নামত এখন গাঁও পাতিবলৈ নিৰ্দেশ দিছিল। তদনুক্ৰমে ঘাঘে এখন গাঁও পাতি নাম দিছিল 'অকবৰাবাদ সৰায় ঘাঘ।' আকবৰেই ঘাঘক চৌধৰী উপাধি প্ৰদান

৭৬. উ. গ্ৰ.

৭৭. ৰামনৰেশ ত্ৰিপাঠী (সম্পা) ঃ প্ৰা. গ্ৰ., পৃঃ ১৩

৭৮. কপিলেশ্বৰ ঝা ঃ বিশাল ভাৰত, ৰামনৰেশ ত্ৰিপাঠীৰ প্ৰা উ গ্ৰন্থৰ পৰা উদ্ধৃত, পৃঃ ১৮

৭৯. 'घाघ नामक एक अहीर की उपहासात्मक कहावते भी स्रियों पर आक्षेप के रूप में हैं।' बी. एन. मेहता : *युक्तप्रान्त की कृषि सम्बंधी कहावते।*

কৰে। সেয়েহে ঘাঘৰ বংশধৰসকলক বৰ্তমানো চৌধৰী উপাধিৰে জনা যায়।[৮০]

ঘাঘৰ প্ৰবচনবোৰ মুখ পৰম্পৰা প্ৰচলিত। অৱধ আৰু কনৌজ অঞ্চলত ঘাঘৰ প্ৰবচনবোৰৰ যি সমাদৰ আৰু প্ৰচাৰ দেখা যায় তেনে সমাদৰ আৰু প্ৰয়োগ যুক্ত প্ৰদেশ (উত্তৰ প্ৰদেশ) আৰু বিহাৰত দেখা নাযায়।[৮১] অৱশ্যে সেইবোৰ অঞ্চলত ঘাঘৰ প্ৰবচনবোৰ ডাক-প্ৰবচন হিচাপেও জনা যায়।

লালবুঝক্কড় শীৰ্ষক এটি উপ-কাহিনী ঘাঘৰ জীৱন-বৃত্তৰ লগত সম্পৃক্ত। পৰম্পৰা মতে ঘাঘৰ নিবাসস্থানৰ কিছু দূৰৈত লালবুঝক্কড়ে বাস কৰিছিল। লালবুঝক্কড়ৰ প্ৰকৃত নাম 'লাল' আৰু 'বুঝক্কড়' উপাধি। ঘাঘে লাভ কৰা ৰাজকীয় সন্মান আৰু প্ৰতিষ্ঠা আদায় কৰিবলৈ লালবুঝক্কড়ে নিজৰ বিদ্যা-বুদ্ধিৰ ঢোল বজাবলৈ ব্যৰ্থ চেষ্টা কৰিছিল।[৮২]

ডাকৰ নিচিনাকৈ ঘাঘৰ মৃত্যুৰ লগতো একাধিক দন্তকথা সংযোজিত। ঘাঘে জ্যোতিষ চৰ্চা কৰিছিল। গণনা কৰি ঘাঘে পাইছিল যে, তেওঁৰ মৃত্যু হ'ব পুখুৰীত গা ধোৱাৰ সময়ত। সেইবাবে তেওঁ পুখুৰীত কোনো দিনে স্নান কৰা নাছিল। সংযোগৰ কথা— এদিনাখন ঘাঘৰ লগৰীয়াসকলে পুখুৰীত গা ধুই আছিল। লগৰীয়াসকলে ঘাঘকো পুখুৰীৰ মাজলৈকে টানি লৈ গ'ল। বন্ধুসকলৰ লগত পুখুৰীৰ মাজত গা ধুই থাকোঁতে হঠাত ঘাঘ পানীত তল গ'ল। মৃত্যুৰ সময়ত ঘাঘে কৈছিল ঃ

ঈ নহি জান ঘাঘ নিবুৰ্দ্ধি।
আৱৈ কাল বিনাসৈ বুদ্ধি॥[৮৩]

ঘাঘ-পৰম্পৰা আৰু ডাক-পৰম্পৰা যে অভিন্ন তাৰ সপক্ষে— এইদৰে যুক্তি দাঙি ধৰিব পাৰি ঃ

(ক) ডাক বৰাহমিহিৰৰ পুত্ৰ; অনুৰূপে ঘাঘো বৰাহমিহিৰৰ পুত্ৰ।

(খ) ডাকৰ জন্ম কুমাৰৰ ঘৰত, ঘাঘৰ জন্ম অহীৰ অৰ্থাৎ গোৱালৰ ঘৰত।

(গ) ডাক আৰু ঘাঘ দুয়ো গণনাকাৰী অৰ্থাৎ জ্যোতিষী।

(ঘ) ডাকৰ বিৰুদ্ধে ঠিয় হৈছিল জ্যোতিষীসকল আৰু ঘাঘৰ বিৰুদ্ধে ঠিয় দিছিল লালবুঝক্কৰ নামৰ জ্যোতিষীজন।

(ঙ) ডাকৰ জন্মৰ পিছত খবৰ ল'বলৈ পুনঃ বৰাহমিহিৰ আহিছিল; তদ্ৰূপ ঘাঘৰ জন্মৰ পিছত খবৰ ল'বলৈ আকৌ বৰাহমিহিৰ আহিছিল।

(চ) বন্ধুসবৰ লগত ডাকে পানীত জাঁপ দি অৱশেষত মৃত্যুবৰণ কৰিছিল; তদনুৰূপে ঘাঘেও বন্ধুসকলৰ লগত পুখুৰীৰ পানীত গা ধুই থাকোঁতে মৃত্যুৰ মুখত পতিত হৈছিল।

(ছ) মৃত্যুৰ সময়ত ডাকে এইদৰে কৈছিল ঃ

ডাক মৰো আপোন বুধি।

---

৮০. ৰামনৰেশ ত্ৰিপাঠী (সম্পা) ঃ *প্ৰা. গ্ৰ.*, পৃঃ ১৯-২০
৮১. উঃ গ্ৰ., পৃঃ ২০
৮২. প্ৰাঃ গ্ৰ., পৃঃ ২২-২৩
৮৩. উঃ গ্ৰ., পৃঃ ২৪

অপঘাত মৃত্যু তেৰাৱে শুদ্ধি॥

তেনেদৰে মৃত্যুৰ আগ মুহূৰ্তত ঘাঘেও কৈছিল ঃ

ঈ নহি জান ঘাঘ নিবুৰ্দ্ধি।
আবৈ কাল বিনাসৈ বুদ্ধি॥

ঘাঘৰ এই কথাষাৰৰ লগত মৈথিল ডাকে মৃত্যুৰ আগমুহূৰ্তত কোৱা কথাষাৰৰ সাদৃশ্য চকুত লগা। (দ্ৰঃ পৃঃ ১৩০)

(জ) ডাক আৰু ঘাঘ উভয়ে স্ত্ৰীৰ ক্ষেত্ৰত কঠোৰতা অৱলম্বন কৰা দেখা যায়।

(ঝ) ডাকৰ বচন লোকসমাজত বিশেষভাৱে সমাদৃত; অনুৰূপে ঘাঘৰ বচনো গ্ৰামীণ লোকৰ মাজতহে সীমিত।

(ঞ) ডাকৰ বচন মৌখিক পৰম্পৰাত প্ৰবহমান হৈ থকা হেতু ইয়াৰ লগত বিভিন্ন কথাবৃত্ত সম্পৃক্ত, তদ্ৰূপ ঘাঘৰ প্ৰবচনৰাজিও মুখ পৰম্পৰা প্ৰচলিত হৈ থকা বাবে ইয়াৰ লগত বিভিন্ন জনশ্ৰুতি আৰু দন্তকথা সংযোজিত নোহোৱাকৈ থকা নাই।

ওপৰৰ আলোচনাৰ পৰা স্পষ্টভাৱে অনুমান কৰিব পাৰি যে, ডাক-পৰম্পৰা আৰু ঘাঘ-পৰম্পৰা উভয়ে মূলতঃ একেটা উৎসৰ পৰাই উদ্ভৱ আৰু বিকাশ লাভ কৰিছে। বিষয়বস্তু, প্ৰসঙ্গ, পাঠ আৰু সংযুতিৰ ফালৰ পৰা উভয়ৰে প্ৰবচনবোৰৰ মাজত বিশেষ বৈসাদৃশ্য নাই। অৱশ্যে আঞ্চলিকতাৰ প্ৰভাৱ নোহোৱা নহয়; কিন্তু মূল পৃষ্ঠভূমিৰ মাজত বৈপৰিত্য নাই। একে জাতীয় প্ৰবচনবোৰকেই অসম, বঙ্গ, মিথিলা, ভোজপুৰক্ষেত্ৰাদিত ডাক-প্ৰচলন আৰু উত্তৰ প্ৰদেশাদিত ঘাঘ-প্ৰবচন বোলা হৈছে। ডাকৰ বচন আৰু ঘাঘৰ বচনৰ মাজত থকা সাদৃশ্যই আমাৰ অনুমানৰ সপক্ষে যুক্তি দাঙি ধৰে। উদাহৰণস্বৰূপে, ডাক আৰু ঘাঘৰ কেইটিমান বচনৰ তুলনা তলত উদ্ধৃত কৰা হ'ল ঃ

ডাক-প্ৰবচন ঃ পানিৰ ঘাটক একলে জাই। চলে চণ্ডে পুৰুসৰ মুখ চাই॥
কাতিকুতি কৰি দৰসায়ে পিঠি। বোলন্ত ডাকে তাইৰ দুষ্ক দৃষ্টি।
কৃষ্ণবৰ্ণ নাৰি জদি কুদাতা হয়। সৰ্ব্বদাই তাৰ পাসগু আৰ্ম্ময়॥
(পৃঃ ৭২)

ঘাঘ ঃ পৰমুখ দেখি অপন মুখ গৌৱৈ। চূৰী কংকন বেসৰি টৌৱৈ॥
আঁচৰ টাৰি কে পেট দিখাৱৈ। অব কা ছিনাৰি ডংকা বজাৱৈ॥[৮৪]

ডা. প্ৰ. ঃ দখিনে গৰ্জ্জে পুবে বৰিসে পচিমে দিএ ধেনু।
ডাকে বোলে পৰ্বত বুৰাএ জানো॥ (পৃঃ ৩৬ পা. টী.)

ঘাঘ ঃ পূৰব ধনুহী পচ্ছিম ভান। ঘাঘ কহৈ বৰখা নিয়ৰান॥[৮৫]

ডা. প্ৰ. ঃ শ্ৰাৱণ মাসত ৰোহিণী ঋক্ষত যদি নবৰিসে দেৱ।
হাল তুল বেচি কৰ সব লোক দেখি মহাদেৱ সেৱ॥ (পৃঃ ৩৫)

---

৮৪. ত্ৰিপাঠী প্ৰা. গ্ৰ., পৃঃ ৪০
৮৫. ত্ৰিপাঠী, পৃঃ ৭০

ঘাঘ : সাৱন মাস বহৈ পুৰবাঈ। বৰদা বেঞ্চি লিহা ধেনু গাই॥[৮৬]

ডা. প্ৰ. : কষ্ট পুষ্ট যদি হোৱে মূৰ। ডাঙৰ মূৰা চাৰিবা দুৰ॥ (পৃঃ ৩৭)

ঘাঘ : বৰসিংগা জানিলীজৌ মোল। কুএঁ মে ডাৰো ৰুপিয়া খোল॥[৮৭]

ডা. প্ৰ. : গৰু কিনিবা দিঘল নেজা। মৈত দিলে নহই কুজা॥ (পৃঃ ৩৮)

ঘাঘ : পতলী পেণ্ডুলী মোটী বান। পূঁছ হোয় ভুইঁ মে তৰিয়ান॥
জাকে হোৱৈ ঐসী গোঈ। বাকী তকে ঔৰ সব কোঈ॥[৮৮]

ডা. প্ৰ. : গৰু কিনিবা তিঙ্কুত্তৰ বগা। বোলন্ত ডাকে মঞি হ'লো লগা॥(পৃঃ ৩৮)

ঘাঘ : (১) শ্বেত ৰঙ্গ ঔ পীঠ বৰাৰী। তাহি দেখি জনি মূল্যে লাৰী॥
(২) জহাঁ দেখিহো ৰূপা ঘবৰ। সুকা চাৰ বৰু দীহঅ অৱৰ॥[৮৯]

ডা. প্ৰ. : কান লট্‌পট্‌ সিং সৰু। লেঙুৰ চাই কিন্‌বা গৰু॥
ঘাৰ কজ্‌লা কুকা ৰঙা। কানৰ সোনা বেচি আনা॥ (পৰিশিষ্ট - ১৬)

ঘাঘ : সীঙ্গ মুড়ে মাথা উঠা, মুঁহ কা হোৱে গোল।
ৰোম নৰম চঞ্চল কৰন তেজ বৈল অনমোল॥[৯০]

ডা. প্ৰ. : হৰিনৰ সম জিহ্বা কান। হেন বলধক বিচাৰি আন॥

ঘাঘ : হিৰন মুতান ঔৰ পতলী পূঁছ। বৈল বেসাহো কন্ত বে পূঁছ॥[৯১]

ডা. প্ৰ. : যদি বৰসে আঘনে। ৰাজা যায় মাগনে॥
যদি বৰসে পুহে। ধান হয় তুহে॥
যদি বৰসে মাঘৰ শেষ। ধন্য ৰাজা পুণ্য দেশ॥
যদি বৰসে ফাগুনে। চিটা ধান হয় দুগুণে॥ (পৰিশিষ্ট - ৫)

ঘাঘ : ধনি ৱহ ৰাজা ধনি ৱহ দেস। জহৰাঁ বৰসৈ অগহন সেস॥
পূস মে দূনা মাঘ সৱাঈ। ফাগুন বৰসৈ ঘৰৌ সে জাঈ॥[৯২]

ডা. প্ৰ. : মাঘত ৰদ বহ্যগত সিত। চাৰি মাহে অল্প বৃষ্টি ভূমিত॥ (পৃঃ ৩৫)

ঘাঘ : মাঘ মাহ জো পৰৈ ন শীত। মহঁগা নাজ জানিয়ো মীত॥[৯৩]

ডা. প্ৰ. : ফাগুনৰ সেসে চৈত্ৰ প্ৰৱেসে। জেই জেই হোৱে বাৰ॥
আকে খৰলিয়া সনিয়ে ৰুগিয়া। মঙ্গলে বুলি আন্ধাৰ॥
সোমে বহু জল। কৃষিৰ নিষ্ফল। (পৃঃ ৬০)

---

৮৬. ত্ৰিপাঠী, পৃঃ ৭০
৮৭. ত্ৰিপাঠী, পৃঃ ৭২
৮৮. ত্ৰিপাঠী, পৃঃ ৭২
৮৯. ত্ৰিপাঠী, পৃঃ ৭৪, ৭৭
৯০. ত্ৰিপাঠী, পৃঃ ৭৩
৯১. ত্ৰিপাঠী, পৃঃ ৭৪
৯২. ত্ৰিপাঠী, পৃঃ ৮০
৯৩. ত্ৰিপাঠী, পৃঃ ৬৬

ঘাঘ : মঙ্গল পড়ে তো ভূ চলৈ বুধ পড়ে অকাল।
জো তিথি হোয় সনীচৰী নিহচৈ পড়ে অকাল।। [১৪]

ডা. প্ৰ. : গৃহিনি হুই বোলে কটুৰ। (পৃঃ ২৬)

ঘাঘ : নাৰি কৰকসা কটুৰ ঘোৰ। [১৫]

ডা. প্ৰ. : ডাকে বোলে বাপ সুনা উপাই।
বানিজ্যৰ ফল কৃষিতে পাই।। (পৃঃ ৩৯)

ঘাঘ : উত্তম খেতি মধ্যম বান। [১৬]

ডা. প্ৰ : এক্তে লগে উদৰত তুলি নিদিবা ভৰা।
আছোক ভাল পাবা দেহাৰ আশা এৰা।। (পৃঃ ৬৭, পা, টী)

ঘাঘ : ৰহৈ নিৰোগী জো কম খায়।। [১৭]

ওপৰোল্লিখিত তুলনাৰ পৰা স্পষ্টকৈ বুজিব পাৰি যে, ডাক আৰু ঘাঘৰ প্ৰবচনবোৰৰ মাজত বিষয়বস্তুৰ ফালৰ পৰা সাদৃশ্য আছে। ডাকৰ বচনবোৰৰ নিচিনাকৈ ঘাঘৰ প্ৰবচনবোৰো কৃষি, জ্যোতিষ, নীতি, গৃহিণী, বৰ্ষা আদি বিভিন্ন শ্ৰেণীত বিভাজন কৰিব পাৰি। গতিকে ডাকৰ বচনবোৰ যি উৎসৰ পৰা উদ্ভুত সেই একেই উৎসৰ পৰা ঘাঘৰ বচনবোৰো উদ্ভব হোৱা স্বাভাৱিক। গতিকে ডাক আৰু ঘাঘ আপাততঃ একে পৰম্পৰাৰেই মাত্ৰ দুটি সুকীয়া নাম— যাৰ মাজত আন্তৰিক সংগতি (internal consistency) অব্যাহতভাৱে ৰক্ষিত।

(৭) ভড্ডৰী-পৰম্পৰা ঃ

ভড্ডৰ আৰু ভড্ডৰী-পৰম্পৰা বিহাৰ, মধ্যপ্ৰদেশ, উত্তৰ প্ৰদেশ, পঞ্জাব আৰু ৰাজস্থানত প্ৰচলিত। প্ৰচলিত জনশ্ৰুতি অনুসৰি কাশীত এগৰাকী জ্যোতিষীয়ে (বৰাহমিহিৰ?) বাস কৰিছিল। তেওঁ গণনা কৰি পালে যে, এনে এক শুভমুহূৰ্ত সমাগত হোৱাৰ যোগ পৰিলক্ষিত যে, যদি সেই শুভ মুহূৰ্তত কোনো তিৰোতাই গৰ্ভাধান কৰে তেন্তে তেওঁ, জ্যোতিষীগৰাকীতকৈও অৰ্থাৎ বৰাহমিহিৰতকৈও বিদ্বান আৰু যশস্বী পুত্ৰ সন্তান এটি জন্ম দিব। জ্যোতিষীয়ে বিদ্বান আৰু যশস্বী পুত্ৰ লাভৰ আশাত স্বগৃহাভিমুখে যাত্ৰা কৰিলে। তেওঁৰ ঘৰ কাশীৰ পৰা অনেক দূৰত অৱস্থিত। তেওঁ বুজিব পাৰিলে যে, সেই শুভ মুহূৰ্ত সমাগত হোৱাৰ পূৰ্বে গৈ তেওঁ নিজৰ গৃহত উপস্থিত হ'বলৈ সক্ষম নহ'ব। ইতিমধ্যে ৰাতিৰ আন্ধাৰ নামি আহিছিল। উপায়ন্তৰ হৈ জ্যোতিষীয়ে ৰাতিটোৰ বাবে এঘৰ অহীৰৰ ঘৰত আশ্ৰয় ললে। অহীৰৰ পত্নী আৰু তেওঁৰ যুৱতী কন্যাই জ্যোতিষীৰ বাবে খাদ্য-সামগ্ৰী প্ৰস্তুত কৰিছিল। জ্যোতিষী হৈ উঠিছিল অত্যন্ত বিষণ্ন। অহীৰ পত্নীয়ে জ্যোতিষীক তেওঁৰ বিষণ্নতাৰ কাৰণ সোধাত বহুত সময় ইতস্ততঃ কৰি শেষত প্ৰকৃত কথাটো ব্যক্ত কৰিবলৈ বাধ্য হ'ল। অহীৰ

১৪. ত্ৰিপাঠী, পৃঃ ৮৪
১৫. ত্ৰিপাঠী, পৃঃ ৩৭
১৬. ত্ৰিপাঠী, পৃঃ ৪২
১৭ ত্ৰিপাঠী, পৃঃ ৪৩

পত্নীয়েও সেই অপূর্ব মুহূর্ত অথলে যাবলৈ নিদি নিজেই সেই বিদ্বান আৰু যশস্বী পুত্ৰৰ মাতৃ হ'বলৈ আকাঙ্ক্ষা কৰি তেওঁৰ মনোৰথ পূৰ্ণ কৰিবলৈ জ্যোতিষীক প্ৰাৰ্থনা জনালে। অৱশেষত জ্যোতিষীয়ে অহীৰ বধূৰ মনোবাঞ্ছা পূৰ কৰিলে। জ্যোতিষীৰ ঔৰসত অহীৰ বধূৰ গৰ্ভত এটি পুত্ৰ সন্তানৰ জন্ম হ'ল আৰু তেওঁৰ নামেই ভড্ডৰী। বয়স বঢ়াৰ লগে লগে ভড্ডৰী প্ৰসিদ্ধ জ্যোতিষী ৰূপে আত্মপ্ৰকাশ কৰিবলৈ সক্ষম হৈছিল।[৯৮]

বি. এন. মেহতা, আই. চি. এছ. মহোদয়ে ভড্ডৰীৰ লগত সম্পৃক্ত এই জনশ্ৰুতিটোৰ বিষয়ে এনেদৰে লিখিছে ঃ ভড্ডৰ-পৰম্পৰাৰ লগত জ্যোতিষাচাৰ্য্য বৰাহমিহিৰ সম্পৰ্কীয় এটি মনোৰম কাহিনী বিজৰিত। এসময়ত তেওঁ তীৰ্থ ভ্ৰমণ কৰিবলৈ গৈছিল। তেনে অৱস্থাত তেওঁ গণনা কৰি পাইছিল যে, অমুক দিনা গৰ্ভাস্থিত হোৱা সন্তানটি ভৱিষ্যতে গণিত আৰু ফলিত জ্যোতিষত অপ্ৰতিদ্বন্দ্বী পণ্ডিত হৈ উঠিব। এনে যশস্বী পুত্ৰ সন্তানৰ পিতৃ হ'বলৈ আকাঙ্ক্ষা কৰি বৰাহমিহিৰে যাত্ৰা কৰিলে স্বগৃহাভিমুখে অৰ্থাৎ উজ্জয়িনীলৈ। কিন্তু উজ্জয়িনীলৈ ইমান দূৰ যে, সেই শুভদিনৰ ভিতৰতে তেওঁ স্বগৃহত উপস্থিত হোৱা অসম্ভৱ। গতিকে ৰাস্তাৰ ওচৰৰে এখন গাঁৱৰ মেষ পালকৰ কন্যা এজনীক তেওঁ বিয়া কৰালে। বৰাহমিহিৰৰ ঔৰসত সেই কন্যাৰ গৰ্ভত এটি পুত্ৰ সন্তানৰ জন্ম হ'ল। তেৱেঁই ভড্ডৰ বা ভড্ডৰী। ব্ৰাহ্মণ গুৰুৰ জৰিয়তে শিক্ষা লাভ নকৰাকৈয়ে সেই পুত্ৰ সন্তানটি কালত প্ৰসিদ্ধ জ্যোতিষী হৈ উঠিল। অধুনাও নক্ষত্ৰ সম্বন্ধীয় প্ৰবচনৰাজিৰ বক্তাৰূপে ভড্ডৰ বা ভড্ডৰী লোক-সমাজত চিৰ পৰিচিত।[৯৯]

অসম, বঙ্গ, মিথিলা, বিহাৰ আদি অঞ্চলত প্ৰচলিত ডাক-পৰম্পৰাৰ সৈতে সম্পৃক্ত জনশ্ৰুতি বিশেষকৈ বৰাহমিহিৰ সম্পৰ্কীয় কাহিনীৰ লগত ভড্ডৰীৰ লগত জৰিত জনশ্ৰুতিৰ সাদৃশ্য অতিকে স্পষ্ট। ভড্ডৰী আৰু ডাক উভয়ে বৰাহমিহিৰৰ বীৰ্য্যসম্ভূত। উভয়ৰে জন্ম অনগ্ৰসৰ সমাজত। জনশ্ৰুতি মতে ব্ৰাহ্মণ-পণ্ডিতৰপৰা ভড্ডৰীয়ে শিক্ষা-বিদ্যা লাভ কৰিবলৈ সক্ষম হোৱা নাছিল। অসম আৰু মিথিলাত প্ৰচলিত জনশ্ৰুতি অনুসৰিও ডাকে, ব্ৰাহ্মণ-পণ্ডিতৰ তলত পঢ়া-শুনা কৰা নাছিল। ভড্ডৰীৰ দৰে ডাকো জ্যোতিষী। ইয়াৰ পৰা দেখা যায় যে, ডাক আৰু ভড্ডৰীৰ মাজত নিশ্চিতভাৱে সম্বন্ধ আৰু সম্পৰ্ক বৰ্তমান। এই ফালৰপৰা ডাক আৰু ভড্ডৰী একেটা পৰম্পৰাৰেই আঞ্চলিক নাম ৰূপে অভিহিত কৰিলে বোধকৰো অপ্ৰাসঙ্গিক নহ'ব।

ঘাঘৰ বচনৰ লগত অসমত প্ৰচলিত ডাক-প্ৰবচনৰ সাদৃশ্য থকাৰ নিচিনাকৈ ভড্ডৰী-প্ৰবচনৰ লগত ডাকৰ বচনৰো মিল দেখা যায়। যেনে ঃ

ডা. প্ৰ. ঃ মাঘৰ সেসত যদি বৰিষে পানি।
তেবে অল্প বৃষ্টি আগলৈ জানি।। (পৃঃ ৩৫)

---

৯৮. ত্ৰিপাঠী, পৃঃ ২৫
৯৯. ত্ৰিপাঠী, পৃঃ ২৬

ভড্ডৰী: মাঘ অঘেৰী সপ্তমী মেহ বিজ্জু দমকন্ত।
মাস চাৰি বৰসৈ সহী মত সোচৈ তু কন্ত।।[১০০]
ডা. প্ৰ. : আকাশত ভাসে পানিৰ গচা।
পৃথিবি বুড়িব জানিবা সঞ্চা।। (পৃঃ ৩৬)
ভড্ডৰী: বাদৰ উপৰ বাদৰ ধাবৈ।
কহ ভড্ডৰ জল আতুৰ আবৈ।।[১০১]
ডা. প্ৰ. : শ্ৰাৱণ মাসত ৰোহিণী ঋক্ষত যদি নবৰিসে দেৱ।
হাল তুল বেচি কৰ সব লোক দেবি মহাদেব সেব।। (প্ৰঃ ৩৫)
ভড্ডৰী: সাৱন পহিলে পাখ মে দসমী ৰোহিণি হোই।
মহঁগ নাজ অৰু অল্প জল বিৰলা বিলসৈ কোই।।[১০২]
ডা. প্ৰ. : পঞ্চ দেওবাৰ দ্বিপক্ষ দিনে।
সবক সগুনে নাথাই ঘিনে।। (পৃঃ ৫৯)
ভড্ডৰী: পাঁচ সনীচৰ পাঁচ ৰবি পাঁচ মঁগৰ জো হোয়।
ছত্ৰ টুটি ধৰণী পৰৈ অন্ন মহঁগো হোয়।।[১০৩]
ডা. প্ৰ. : পূবে শনৈচ্ছৰে পাতিলা ফান্দ।
অগ্নি দিসক বান্ধিলা চান্দ।।
দক্ষিন দিসক বান্ধিলা বুধে।
নৈঋতে গুৰুএ মৰণ সাধে।।
পচিমে আকা বায়ব্যে সুকা।
উত্তৰে মঙ্গল কৰিবা সঙ্কা।। (পৃঃ ৬২)
ভড্ডৰী: সোম সনীচৰ পূৰৱ ন চাল।
মংগৰ বুদ্ধ উত্তৰ দিসি কাল।।
জো বিহফৈ কো দক্ষিন জায়।
বিনা গুনাহে পনহী খায়।।[১০৪]
ডা. প্ৰ. : দধি মধু ঘৃত সুক্ল তণ্ডুল।
সুক্ল চামৰ সুক্লবৰ্ণ ফুল।।
বেশ্যা নাৰি সুন্দৰি কন্যা।
জাত্ৰা কালে ইসব ধন্যা।। (পৃঃ ৬২)

---

১০০. ত্ৰিপাঠী, পৃঃ ৯
১০১. ত্ৰিপাঠী, পৃঃ ৯৫
১০২. ত্ৰিপাঠী, পৃঃ ১০৩
১০৩. ত্ৰিপাঠী, পৃঃ ১১৩
১০৪. ত্ৰিপাঠী, পৃঃ ১১৬

ভড্‌ডৰীঃ নাৰি সুহাগিন জল ঘট লাৱৈ দধি মছলী জো সনমুখ আৱৈ।
সনমুখ ধেনু পি আৱৈ বাছা। য়হী সগুন হৈ সব সে আচ্ছা।[১০৫]
ডা. প্র. ঃ সোমা সুকা বুধা বামে।
হলাএ লঙ্কা জিনিলা ৰামে।। (পৃঃ ৬৩, পা. টী.)
ভড্‌ডৰীঃ সুকে সোমে বুদ্ধে বাম।
য়হি স্বৰ লঙ্কা জীতে ৰাম।।[১০৬]
ডা. প্র. ঃ পুবে গধূলি পচিমে উষা।
উত্তৰে মধ্যান্ন দখিনে নিষা।।
আক গুৰু শনি মঙ্গলবাৰ।
দখিন দিসে পয়ানক সাৰ।। (পৃঃ ৬৩, পা. টী)
ভড্‌ডৰীঃ পুৰুব গধূলী পশ্চিম প্রাত।
উত্তৰ দুপহৰ দকিখন ৰাত।।
কা কৰৈ ভদ্রা কা দৃগসূল।
কহৈ ভড্‌ডৰ সব চকনাচুৰ।।[১০৭]

এনেদৰে ডাকৰ বচনৰ লগত ভড্‌ডৰী-প্রবচনৰ সাদৃশ্য দেখুৱাব পাৰি। উভয় প্রবচনৰ মাজত থকা সেই সাদৃশ্যৰ পৰা আমি সিদ্ধান্তত উপনীত হ'ব পাৰোঁ যে, ডাক-পৰম্পৰা আৰু ভড্‌ডৰী-পৰম্পৰা মূলতঃ এটা পৰম্পৰাৰেই বিকীৰণ মাথোন।

(৮) ৰাজস্থানত প্রচলিত ডাক-পৰম্পৰা ঃ

ৰাজস্থানত ভড্‌ডৰ আৰু ভড্‌ডৰী-পৰম্পৰা প্রবহমান হৈ থকাৰ উপৰি 'ডংক'-পৰম্পৰাও প্রচলিত। ৰাজস্থানৰ কোনো কোনো অঞ্চলত বিশেষকৈ মাৰোৱাৰ অঞ্চলত প্রচলিত পৰম্পৰা মতে ভড্‌ডলী পুৰুষ নহয়, স্ত্রীহে। তেওঁ বিকলাঙ্গ আৰু শকুন অর্থাৎ শুভাশুভ নির্ণয় বিদ্যাত পাৰদর্শিনী। ডংক ব্রাহ্মণ জ্যোতিষী। উভয়ে বিচাৰ-বিনিময় কৰিছিল। যেনে ঃ

তীতৰ বৰনী বাদৰী ৰহৈ গগন পৰ ছায়।
কহে ডংক সুনু ভড্‌ডৰী বিন বৰসে ন জায়।।[১০৮]

জনশ্রুতি প্রচলিত আছে যে, ডংক আৰু ভড্‌ডৰী উভয়ে স্বামী-স্ত্রী ৰূপে বাস কৰিছিল। ডংক আৰু ভড্‌ডৰীৰ সতি-সন্ততিসকল 'ডাকোত' নামেৰে আজিও প্রসিদ্ধ। ডাকোতসকলৰ মতে ভড্‌ডলী বৈদ্য ধন্বন্তৰিৰ কন্যা।[১০৯]

মাৰোৱাৰ অঞ্চলত প্রচলিত পৰম্পৰা মতে *মহাভাৰত*-বিখ্যাত নৃপতি পৰীক্ষিতৰ সময়ত

---

১০৫. ত্রিপাঠী, পৃঃ ১১৮
১০৬. ত্রিপাঠী, পৃঃ ১২০
১০৭ ত্রিপাঠী, পৃঃ ১২০
১০৮ ত্রিপাঠী, পৃঃ ১০৬
১০৯. ত্রিপাঠী, পৃঃ ২৬

ডংক নামৰ এগৰাকী প্ৰসিদ্ধ ঋষিৰ জন্ম হৈছিল। তেওঁ প্ৰখ্যাত জ্যোতিষী আছিল। তেওঁ বৈদ্য ধন্বন্তৰিৰ কন্যা সাবিত্ৰী ওৰফে ভড্ডলীক বিয়া কৰাইছিল। সাবিত্ৰীও আছিল জ্যোতিষবিদ্যাত সুদক্ষা। ডংকৰ ঔৰসত সাবিত্ৰী ওৰফে ভড্ডলীৰ গৰ্ভত জন্ম হোৱা সন্তানসকল ৰাজস্থানত ডাকোত ৰূপে পৰিচিত।[১১০] ডাকোত পদটো 'ডাকপুত্ৰ' শব্দৰ পৰা বিকাশ হ'ব পাৰে। গতিকে ডংক-পৰম্পৰাৰ লগত ডাক-পৰম্পৰাৰ নিবিড় সম্পৰ্ক বৰ্তমান।

আন এক পৰম্পৰা মতে ডংক, বৰাহমিহিৰৰ পুত্ৰ। কিন্তু বৰাহমিহিৰ, পৰীক্ষিত আৰু বৈদ্য ধন্বন্তৰিৰ সময়ক লৈ প্ৰমাদত পৰিবলগীয়া হয়। 'পঞ্চ-সিদ্ধান্তিকা' অনুসৰি খ্ৰীঃ ৫০৫ চনৰ ওচৰে-পাঁজৰে বৰাহমিহিৰৰ কাল নিৰ্ণয় কৰিব পাৰি। পৰীক্ষিত মহাভাৰতকালীন নৃপতি। তেওঁৰ সময় নিৰূপণ কৰিব পাৰি খ্ৰীঃপূঃ তৃতীয় শতিকাৰ পূৰ্বে। বৈদ্য ধন্বন্তৰি অতিকথাৰ (myth) পৰিসীমাত পৰে। গতিকে এই তিনিওজনকে সমসাময়িক ৰূপে স্থাপন কৰা দুৰূহেই নহয়, অসম্ভৱো। এই সন্দৰ্ভত ডি. চি. চৰকাৰে এনেদৰে লিখিছে ঃ .... the contemporareity of Parikṣita, Dhanvantari and Varāhamihir is as absurd as the Bengal legend ascribing Bengali aphorisms to the pen of Varā ha's daughter-in-law.'[১১১]

গতিকে ডংক আৰু ভড্ডলী-পৰম্পৰাৰ প্ৰাচীনত্ব সূচিত কৰাৰ প্ৰয়াসেৰে যে সেই পৰম্পৰাৰ লগত পৰীক্ষিত, ধন্বন্তৰি আৰু বৰাহমিহিৰৰ নাম সংযোগ কৰি দিয়া হৈছে— তাত দ্বিমত থাকিব নোৱাৰে। উজ্জয়িনীৰ ওচৰৰ মালৱাৰৰ প্ৰথিতযশা জ্যোতিষীৰ পুত্ৰবধূক ৰাজস্থানত নাম দিয়া হৈছে ভড্লী বা ভড্ডলী আৰু বঙ্গদেশ, উৰিষ্যা আৰু পশ্চিম অসমত তেওঁৰ নাম খনা। 'খনা'ৰ প্ৰকৃত অৰ্থ জ্যোতিষী। ভড্লী আৰু ভড্ডলী পদৰ অৰ্থও জ্যোতিষী হ'ব পাৰে।[১১২] ৰাজস্থানৰ জ্যোতিষী সম্প্ৰদায়ক সূচিত কৰিবলৈ বৰ্তমানো ভড্লী বা ভড্ডলী পদটো ব্যৱহাৰ কৰা দেখা যায়। অৱশ্যে জ্যোতিষী-গোষ্ঠীক সূচিত কৰিবৰ বাবে ভড্লী, ভাডলী অথবা ভড্জলী পদৰ বাহিৰেও ডাকোত, গুৰ্ডে, থৱৰিয়া, শনিছৰিয়া, দিশন্তৰি আৰু যোশী আদি উপাধিও প্ৰয়োগ হোৱা দেখা যায়। গতিকে খনা, ভড্লী অথবা ভাডলী বা ভড্ডলী আদি মূলতঃ পুৰুষসূচক শব্দ; অৰ্থ জ্যোতিষী; কিন্তু লোকসমাজত স্ত্ৰীলিংগবোধক পদৰূপে ব্যৱহৃত হ'বলৈ ধৰিলে। ইয়াতেই ক্ষান্ত নাথাকি লোকমানসে বৰাহৰ পুত্ৰ মিহিৰৰ পত্নীৰূপে অথবা বৰাহমিহিৰৰ পুত্ৰ ডংকৰ পত্নীৰূপে নাইবা ঘাঘৰ পত্নীৰূপে কল্পনা কৰি ঘটনাচক্ৰৰ পৰিসৰ বৃদ্ধি কৰাৰ লগে লগে কাহিনীচক্ৰত গাম্ভীৰ্য্য প্ৰদান কৰিবলৈ চেষ্টা নকৰাকৈ নাথাকিল।

ৰাজস্থানী ডংক-পৰম্পৰা আৰু পূৰ্ব ভাৰতত প্ৰচলিত ডাক-পৰম্পৰাৰ মাজত কোনো পাৰ্থক্য নাই। ৰাজস্থানী ডংক পদেই মিথিলা, বিহাৰ, বঙ্গদেশ, উৰিষ্যা আৰু অসমত 'ডাক'ৰূপ গ্ৰহণ কৰা স্বাভাৱিক।

ৰাজস্থানত প্ৰচলিত ডংক-প্ৰবচনৰ লগত অসমত প্ৰচলিত ডাক-বচনৰ সাদৃশ্য নথকা

---

১১০. ত্ৰিপাঠী, পৃঃ ২৬

১১১. *D. C. Sircar, Op-cit.* P. 194

১১২. *D. C. Sircar, Loc-cit.*

নহয়। উদাহৰণস্বৰূপে দুটি প্ৰবচনৰ তুলনা তলত দিয়া হ'ল ঃ

ডা. প্ৰ. ঃ উদয়ে সিন্দুৰ পচিমে কালা।
তেবে জানা বহু বাৰিসাৰ মালা।। (পৃঃ ৩৫)

ডংক-প্ৰবচন ঃ আভা ৰাতা। মেহ মাতা।।[১১৩]

ডা. প্ৰ. ঃ গৰ্জ্জে দেৱে বৰিসে ধাৱে। পৰ্বত বুৰাএ একে বাৱে।।
আউল বাউল বহে বাও। ডাকে বোলে বিনাসেৰ ভাও।।
দক্ষিনে গৰ্জ্জে পুবে বৰিসে পচিমে দিএ ধেনু।
ডাক বোলে পৰ্ব্বত বুৰাএ জানো।। (পৃঃ ৩৬, পা. টী.)

ডংক-প্ৰবচন ঃ পবন গিৰী ছুটৈ পৰৱাঈ। উঠৈ ঘটা ছটা চড় আঈ।।
সাৰো নাজ কৰৈ সৰসাঈ। ঘৰগিৰ ছোলাঁ ইন্দ্ৰ ধপাঈ।। [১১৪]

অসমত প্ৰচলিত ডাক-প্ৰবচন আৰু ৰাজস্থানত ব্যৱহৃত ডংক-বচনৰ মাজত মিল দেখা যায়। ৰাজস্থানাদিত প্ৰচলিত ডংক, ভড্‌লী বা ভাডলী অথবা ভড্‌ডলী ঐতিহাসিক ব্যক্তি নহয়, হোৱাহেঁতেন তেওঁলোকৰ স্থান-কালক কেন্দ্ৰ কৰি ইমান মতানৈক্যৰ সৃষ্টি নহ'লহেঁতেন আৰু তেওঁলোকৰ জীৱন-বৃত্তৰ লগত নানা ধৰণৰ অসম্ভৱ আৰু অবাস্তৱ জনশ্ৰুতি সম্পৃক্ত নহ'লহেঁতেন। সাধাৰণতে ইতিহাস নিৰপেক্ষ ঘটনা বা ব্যক্তিৰ লগত নানা ধৰণৰ কিংবদন্তী, দন্তকথা সংযোজিত হোৱা দেখা যায়। ঐতিহাসিক ব্যক্তিৰ জীৱন-বৃত্ত বা তেওঁৰ লগত জৰিত ঘটনা-বৃত্তত এনে ধৰণৰ সংযোজনৰ পৰিমাণ, তুলনামূলকভাৱে কম। গতিকে ঘাঘ, ভড্‌ডৰ, ভাডলী, ডংক আদি ঐতিহাসিক ব্যক্তি নোহোৱাই স্বাভাৱিক।

জনৈক পণ্ডিতৰ মতে গুজৰাট প্ৰদেশতো ডংক, ডাক, ঘাঘ, ভড্‌ডৰ আদি চৰিত্ৰৰ লগত জৰিত কৃষি আৰু জ্যোতিষ বিষয়ক অনেক প্ৰবচন পোৱা যায়।[১১৫] দক্ষিণ ভাৰতত, বিশেষকৈ তামিলনাদত ডাক, খনা বা ঘাঘৰ বচনৰ দৰে কৃষি, জ্যোতিষ আৰু শকুন বিষয়ক কিছুমান প্ৰবচন মুখ পৰম্পৰা প্ৰচলিত। এই প্ৰবচনবোৰক 'অগস্তি বচন' অৰ্থাৎ Sayings of Agasti [১১৬] বোলা হয়, যদিও দৰাচলতে এই প্ৰবচনবোৰ অগস্তি মুনিৰ উক্তি নহয়, কিন্তু লোকসমাজত সদা-সৰ্বদাই প্ৰচলিত লোকোক্তিবোৰৰ লগত অগস্তি মুনিক সংযোগ কৰি দিয়া হৈছে। এনেধৰণৰ প্ৰৱণতা সৰ্বকালৰ, সৰ্বদেশৰ, সৰ্বসমাজত পৰিদৃষ্ট হোৱা স্বাভাৱিক।

নেপালতো ডাক-প্ৰবচনৰ সদৃশ কিছুমান লোকোক্তিৰ প্ৰচলন লক্ষ্য কৰা যায়। এই বচনবোৰো বিশেষভাৱে কৃষি আৰু জ্যোতিষ বিষয়ক। নেপালৰ সংস্কৃতিৰ লগত ভাৰতৰ সংস্কৃতিৰ নিবিড় সম্পৰ্ক। গতিকে জনপ্ৰব্ৰজন আৰু সাংস্কৃতিক সমাহৰণ প্ৰক্ৰিয়াৰ ফলস্বৰূপে ডাক-পৰম্পৰা নেপাললৈ প্ৰবজন কৰা অস্বাভাৱিক নহয়। অৱশ্যে এই প্ৰসংগত উল্লেখ কৰা

১১৩. ত্ৰিপাঠী, পৃঃ ১২২
১১৪. ত্ৰিপাঠী, পৃঃ ১২৪
১১৫. শশিশেখৰ তিৱাৰী, প্ৰা. গ্ৰ., পৃঃ ২৩১
১১৬. সংবাদ দাতা ঃ আৰ. চন্দ্ৰশেখৰ, তামিলনাদ
ঃ জ্যোতিষ ভাগৱতী, ছিলং।

ভাল যে, নেপালৰ ৰাজ-ভৱনৰ গ্ৰন্থাগাৰৰ পৰা উদ্ধাৰ কৰা 'ডাকাৰ্ণৱ' গ্ৰন্থৰ লগত 'ডাক-বচন'ৰ বিষয়গত (thematic) বা উদ্দেশ্যগত, ভাৱগত আৰু সাংযুতিক মিল নাই।*

বাংলাদেশতো ডাক আৰু খনা-পৰম্পৰা প্ৰবহমান। বাংলাদেশত কৃষি বিষয়ক বচনখিনিক খনাৰ লগত সাঙোৰা হয় আৰু জ্যোতিষ বিষয়ক বচনবোৰ ডাকৰ লগত জৰিত কৰি দিয়া যায়। বাংলাদেশত 'খনা' শব্দৰ প্ৰতিশব্দ ৰূপে 'খোনা' পদৰ ব্যৱহাৰো দেখা যায়। বাংলাদেশত গৃহ-নিৰ্মাণ পদ্ধতি, কপাহ, মূলা, ধান, তামোল-পাণ আদিৰ খেতি সম্বন্ধীয় প্ৰবচনবোৰেই খনা বা খোনাৰ বচনৰ অন্তৰ্গত। আলি নাৱাজৰ মতে ডাক আৰু খনাৰ বচনবোৰ একে নহয়—।[১১৭] অৱশ্যে সামগ্ৰিকভাৱে অসমত ডাক আৰু খনাৰ বচন একাকাৰ হৈ পৰিছে, যদিও নামনি অসমত উভয়ৰে সুকীয়া অস্তিত্ব বৰ্তমান। বাংলাদেশত প্ৰচলিত পৰম্পৰা মতেও ডাক গোৱালৰ পুত্ৰ, অৰ্থাৎ গোৱালা (milk-man)।[১১৮] আলি নাৱাজৰ মতে শ্ৰীহট্টৰ ওচৰতো লেহিডঙৰা নামৰ এখন গাঁও আছে, যিখন গাঁৱত ডাকৰ জন্ম হৈছিল বুলি কিংবদন্তী প্ৰচলিত আছে।[১১৯]

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে বাংলাদেশত প্ৰচলিত ডাক আৰু খনা পৰম্পৰাৰ লগত বঙ্গদেশত প্ৰবহমান ডাক আৰু খনা-পৰম্পৰাৰ কোনো বৈসাদৃশ্য নাই। বাংলাদেশ বঙ্গদেশৰ অংগবিশেষ আছিল, সেইবাবে সংস্কৃতিৰ ক্ষেত্ৰত বঙ্গদেশৰ লগত বাংলাদেশৰ সাদৃশ্য থকা স্বাভাৱিক। গতিকে বাংলাদেশীয় ডাক আৰু খনা-পৰম্পৰা আৰু অসমত প্ৰচলিত ডাক-পৰম্পৰা একেটা পৰম্পৰাৰেই আঞ্চলিক ৰূপ মাথোন।

---

* ইতিমধ্যে এই বিষয়ে আলোচনা কৰি অহা হৈছে।

১১৭. বাংলাদেশ কৃষি বিশ্ববিদ্যালয়ৰ অধ্যাপক আলি নাৱাজে গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোকসংস্কৃতি গৱেষণা বিভাগৰ মুখ্য অধ্যাপক ড° প্ৰফুল্লদত্ত গোস্বামীলৈ ২১.৭.৭৬ তাৰিখে দিয়া চিঠিখনৰ পৰা।

১১৮. উক্ত চিঠি

১১৯. উক্ত চিঠি

দ্বিতীয় অধ্যায়
'ডাক' পদৰ অৰ্থ

ডংক, ডাক, খনা, খোনা, ঘাঘ, ভড্ডৰ, ভড্ডৰী আদি পদৰ অৰ্থ বিচাৰৰ প্ৰয়োজনীয়তা ডাক-পৰম্পৰাৰ অধ্যয়নৰ প্ৰসংগত পৰিহাৰ কৰিব নোৱাৰি।

'ডাকাৰ্ণৱ' প্ৰভৃত ‘ডাক’ পদৰ প্ৰয়োগ একাধিক বাৰ পৰিদৃষ্ট নোহোৱাকৈ নাথাকে। যেনে ঃ

ক. *ডাকঃ সম্ভৱতে তস্মাৎ মহামণ্ডলযোগতঃ।* [১]

অৰ্থাৎ, মহামণ্ডলৰ সংযোগৰ পৰা 'ডাক'ৰ জন্ম হয়।

খ. *সৰ্ব্বডাকিণীময়ঃ সত্বো বজ্ৰডাকঃ পৰংসুখ।* [২]

অৰ্থাৎ, প্ৰাণ ডাকিনীময়, বজ্ৰডাকহে পৰম সুখৰ আধাৰ।

গ. *ইত্যাহ ভগবান্ ডাকঃ সৰ্ব্বযোগঃ প্ৰপূৰিতঃ।* [৩]

অৰ্থাৎ, এইদৰে ভগবান্ ডাকে সৰ্ব্বযোগৰ বিষয়ে সম্পূৰ্ণ ভাবে কলে।

ইয়াত 'ডাক' পদে সহজজ্ঞানী (বৌদ্ধ সহজীয়া) সিদ্ধ পুৰুষক সূচিত কৰিছে।

অসমত প্ৰচলিত জনশ্ৰুতি অনুসৰি ভূমিষ্ঠ হৈয়েই ডাক দিয়াৰ বাবে শিশুটিৰ নাম হ'ল ডাক। অসমীয়া ভাষাত কুকুৰাই ডাক দিয়া, চৰায়ে ডাক দিয়া, দাউকে ডাক দিয়া আদিৰ প্ৰসংগত 'ডাক' পদৰ ব্যৱহাৰ লক্ষ্য কৰিব পাৰি।

তেনেদৰে দংশন কৰা (সং. দংশ); চিঠি আদি প্ৰেৰণ কৰাৰ উপায়; যান-বাহন (ডাক-গাড়ী); উচ্চশব্দ, বৰকৈ মাত্; তাচ খেল (—খেল) আদি অৰ্থ সূচিত কৰিবলৈ 'ডাক' শব্দ প্ৰয়োগ কৰা দেখা যায়। বঙলাত পিশাচ; সিদ্ধপুৰুষ; চিঠি বিলোৱাৰ চৰকাৰী ব্যৱস্থা; চিৎকাৰ; সম্বোধন; আহ্বান আদি অৰ্থ বুজাবৰ বাবে 'ডাক' শব্দৰ প্ৰয়োগ লক্ষ্য কৰা যায়। তেনেদৰে হিন্দীতো চিঠি-পত্ৰ বিতৰণৰ চৰকাৰী ব্যৱস্থা; বিশ্ৰাম গৃহ (ডাক বংগলা); ঘোঁৰা সলনিৰ স্থান (ডাক চৌকী) আদি অৰ্থ সূচিত কৰাৰ প্ৰসংগতো 'ডাক' পদৰ ব্যৱহাৰ লক্ষ্য কৰিব পাৰি।

সংস্কৃত 'ডঃ' শব্দৰ অৰ্থ ধ্বনি। যিজনে ধ্বনি কৰে তেৱেঁই ডাক; অথবা যিজনে ঘোষণা কৰে তেৱেঁই ডাক। যিজন সিদ্ধ পুৰুষে ভৱিষ্যতৰ বিষয়ে ক'ব পাৰে অৰ্থাৎ ভৱিষ্যদ্বাণী কৰিব পাৰে তেৱেঁই ডাক-পুৰুষ। গতিকে ডাকপুৰুষ সমাসবদ্ধ পদটোৰ প্ৰয়োগ বিশেষণ ৰূপেহে, বিশেষ্যৰূপে নহয়।

দ্বিতীয়তে 'ডংক' পদৰ লগতো 'ডাক' পদৰ সম্বন্ধ নথকা নহয়। ভাষাতাত্বিক দৃষ্টিভংগীৰ ফালৰ পৰা বিচাৰ কৰি চালে ডংক ৰূপৰ (form) পৰা ডাক পদৰ বিকাশ হ'ব পাৰে। 'ডংক' পদৰ অৰ্থ ৰাজস্থানী ভাষাত জ্যোতিষী। বঙ্গদেশত ডাক, জ্যোতিষী ৰূপেহে প্ৰসিদ্ধ।

---

১. হৰপ্ৰসাদ শাস্ত্ৰী (সম্পা) ঃ *ডাকাৰ্ণৱ*, পৃঃ ১২৯

২. উঃ গ্ৰঃ, পৃঃ ১৩১

৩. উঃ গ্ৰঃ, পৃঃ ১৩৭

গতিকে জ্যোতিষী অৰ্থাৎ ডংক বা ডাকৰ ঘোষণা বা উক্তিয়েই ডাকৰ বচন বা ডাক-প্ৰবচন।

তৃতীয়তে, তিব্বতী ভাষাত ডাকৰ অৰ্থ জ্ঞান। গতিকে ডাকৰ বচন মানে জ্ঞান বচন অৰ্থাৎ জ্ঞানীজনৰ প্ৰবচন।[৪]

ডংকা (অৰ্থাৎ ঢোল জাতীয় অৱনদ্ধ বাদ্যযন্ত্ৰ) পদৰ লগতো ডংক বা ডাক শব্দৰ কিবা সম্পৰ্ক থাকিব পাৰে। পুৰণি কালত ভাৰতবৰ্ষ আৰু আন দেশত ঢোল বজাইহে ঘোষণাদি প্ৰচাৰ কৰিছিল।[৫] গতিকে যি বাণী বা বচন জনসাধাৰণৰ মাজত প্ৰচাৰ কৰা হৈছিল সেয়ে ডাকৰ বাণী বা ডাকৰ বচন।

'খনা' বা 'খোনা' শব্দ সংস্কৃত ক্ষণদ* পদৰ পৰা উদ্ভৱ হ'ব পাৰে। ক্ষণদ পদৰ অৰ্থ জ্যোতিষী (an astrologer)। ক্ষণদ পদৰ পৰা খনা বা খোনা শব্দৰ বিকাশ হোৱা অসম্ভৱ নহয়।[৭] গতিকে খনা বা খোনা কোনো ব্যক্তিবিশেষৰ নাম হ'ব নোৱাৰে, জ্যোতিষীক সূচিত কৰাৰ ক্ষেত্ৰতহে খনা বা খোনা পদ ব্যৱহাৰ কৰা হৈছে। এই প্ৰসংগত ডি. চি. চৰকাৰৰ এটি মন্তব্য প্ৰণিধানযোগ্য ঃ "....there is reason to believe that Ḍāk and Khanā could not have been personal names."[৮]

তেনেদৰে 'ঘাঘ' পদৰ অৰ্থ সীয়ান লোক বা জ্ঞানী মানুহ। 'ভাৰ্গৱ আদৰ্শ হিন্দী শব্দকোশ'ত ঘাঘ শব্দৰ অৰ্থ এনেদৰে ব্যাখ্যা কৰিছে ঃ 'অতি চতুৰ মনুষ্য, সয়ানা।' ইয়াতো ঘাঘ পদটো বিশেষ্য ৰূপে প্ৰয়োগ হোৱা নাই, বিশেষণ ৰূপেহে ব্যৱহাৰ কৰা হৈছে; অৰ্থাৎ এই পদটোৱে ব্যক্তিবিশেষৰ নাম সূচিত নকৰি গুণহে সূচিত কৰিছে। ডাকৰ অৰ্থও জ্ঞানী লোক আৰু ঘাঘৰ অৰ্থও জ্ঞানীলোক। গতিকে সংযুতিৰ ফালৰ পৰা পদ দুটাৰ বিভিন্নতা দেখা গ'লেও অৰ্থৰ দিশৰ ফালৰ পৰা দুয়োটাৰ মাজত সাদৃশ্য বৰ্তমান।

ভড্ডৰ, ভড্ডৰী আৰু ভাড্* এই তিনিটা পদৰো পাৰস্পৰিক সম্বন্ধ অস্বীকাৰ কৰিব নোৱাৰি। ভড্ডৰ শব্দৰ পৰা 'ভাড্' পদৰ বিকাশ হোৱা স্বাভাৱিক। উত্তৰ প্ৰদেশত পৰিচিত নাম ঘাঘেই, বিহাৰ অঞ্চলত ডাক, খোনা, আৰু ভাড নামেৰে পৰিচিত।[৯] ভড্ডৰ শব্দৰ সমাৰ্থক শব্দ ভড্ডুৰ। নিম্ন শ্ৰেণীৰ ব্ৰাহ্মণ এশ্ৰেণীক সূচিত কৰিবলৈ ভড্ডৰ বা ভড্ডুৰ শব্দৰ প্ৰয়োগ হিন্দীভাষী অঞ্চলত লক্ষ্য কৰা যায়। এই শ্ৰেণীৰ ব্ৰাহ্মণে গ্ৰহৰ ফলাফল নিৰ্ণয় কৰে

---

৪. সত্যেন্দ্ৰনাথ শৰ্মা ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, পৃঃ ৫৩

৫. "Of course, it is difficult to say whether the name Danka has anything to do with *daṅkā* (a drum). But we know that proclamations were made in ancient and medieval India by the beatings of drums."

৬. সং ক্ষণদ > প্ৰা, খণ > ন. ভা. খনা, খোনা।

৭. D. C. Sircar, *Loc-cit*, P. 162

৮. D. C. Sircar, *Loc-cit*,

* < সং ভদ্ৰ

৯. 'घाघ के अन्य कई नाम भी बिहारवालों में प्रचलित है। जैसे डाक, खोना, भाड आदि।' ত্ৰিপাঠী, পৃঃ ২৬

আৰু গ্ৰহাদিৰ বাবে কৰা দানাদি গ্ৰহণ কৰে। তেওঁলোকে যাত্ৰা নিৰ্ণয়াদিও সম্পাদন কৰে।[১০] ভড্‌ডৰী পদ ভড্‌ডৰ পদৰ সম্প্ৰসাৰণ মাথোন। ভড্‌ডৰ আৰু ভড্‌ডৰী উভয় পদে জ্যোতিষ চৰ্চাকাৰী জাতিবিশেষক ইংগিত কৰে।

ডংক আৰু তেওঁৰ পত্নী ভড্‌ডলীয়ে বঙ্গদেশ, উৰিষ্যা আদিত প্ৰচলিত পৰম্পৰা খনা আৰু তেওঁৰ স্বামী মিহিৰলৈ মনত পেলায়। ডংক আৰু ভড্‌ডলী উভয়ে জ্যোতিষী। তেনেদৰে খনা আৰু তেওঁৰ স্বামী মিহিৰ উভয়ে জ্যোতিষী। ভড্‌ডলী পদে ৰাজস্থানত বাস কৰা এশ্ৰেণীৰ জ্যোতিষীক বুজায়। গতিকে খনা, ভড্‌ডলী বা ভড্‌ডৰী আদি স্ত্ৰীলিঙ্গবাচক শব্দ নহয়, পুংলিঙ্গবাচকহে আৰু জ্যোতিষী অৰ্থ সূচিত কৰিবলৈহে এই পদ দুটাৰ প্ৰয়োগ সংচালনিভাৱে চলি আহিছে। লোকমানসে খনা আৰু ভড্‌ডৰীক স্ত্ৰীৰূপে কল্পনা কৰি ক্ৰমে মিহিৰ আৰু ডংক নামৰ দুগৰাকী জ্যোতিষীৰ লগত তেওঁলোকৰ বিয়া হোৱা দেখুৱাইছে।[১১] ইয়াৰ পৰা অতি সহজেই অনুমান কৰিব পাৰি যে, ডংক, ভড্‌ডৰী, ডাক, খনা, মিহিৰ আদি সম্পূৰ্ণভাৱে জনশ্ৰুতি আশ্ৰিত; ইতিহাসৰ বাস্তৱতাৰ লগত এইবোৰ চৰিত্ৰৰ কোনো সম্পৰ্ক নাই।

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে ডাক, খনা, ঘাঘ, ভড্‌ডৰ, ভাড ভড্‌ডৰী, ভড্‌ডলী আৰু ডংক আদি শব্দৰ সাদৃশ্য— অৰ্থৰ ফালৰ পৰা সুস্পষ্ট। জ্যোতিষী অৰ্থ বুজাবৰ বাবেই যে এই পদবোৰ ব্যৱহৃত হৈ আহিছে তাত সন্দেহ নাই।

দ্বিতীয়তে, ডাক, খনা, ঘাঘ, ভড্‌ডৰ, ভাড, ভড্‌ডৰী, ভড্‌ডলী আৰু ডংকৰ লগত জৰিত বিভিন্ন জনশ্ৰুতি·আৰু বিশ্বাসৰ লগতো পাৰস্পৰিক সাদৃশ্য আৰু মিল আছে।

(ক) ডাক বৰাহমিহিৰৰ পুত্ৰ, জন্ম কুমাৰণীৰ গৰ্ভত। অন্যহাতে উত্তম ব্ৰাহ্মণৰ ঘৰত তেওঁৰ জন্ম হোৱা বুলিও কোৱা হৈছে; ডাকৰ জীৱন-বৃত্তৰ লগত শ্ৰীৰামৰ কথাও সম্পৃক্ত। ডাক প্ৰসিদ্ধ জ্যোতিষী।

(খ) ডংক বৰাহমিহিৰৰ পুত্ৰ, জন্ম ব্ৰাহ্মণৰ ঘৰত, প্ৰসিদ্ধ জ্যোতিষী; ৰজা পৰীক্ষিত আৰু বৈদ্য ধন্বন্তৰিৰ লগত ডংকৰ কথা-বৃত্ত বিজৰিত; এগৰাকী প্ৰসিদ্ধ জ্যোতিষী।

(গ) ঘাঘ বৰাহমিহিৰৰ পুত্ৰ, জন্ম গোৱালিনীৰ গৰ্ভত, গণনাকাৰী বা জ্যোতিষী, ডাকৰ দৰে ঘাঘৰো পানীত পৰি অপঘাত মৃত্যু হৈছিল।

(ঘ) ভড্‌ডৰী বৰাহমিহিৰৰ বীৰ্য্যসম্ভূত পুত্ৰ, জন্ম অহীৰ-পত্নীৰ গৰ্ভত, প্ৰসিদ্ধ জ্যোতিষী।

(ঙ) মিথিলা, বঙ্গদেশ, বাংলাদেশ, উৰিষ্যা আৰু বিহাৰৰ কোনো কোনো অঞ্চলত প্ৰচলিত পৰম্পৰা মতে ডাক, বৰাহমিহিৰৰ পুত্ৰ, জন্ম গোৱালৰ ঘৰত, তেৰোঁ জ্যোতিষী। মৈথিল ডাকৰ মৃত্যু হৈছিল পানীত পৰি।

---

১০. *ভাৰ্গৱ আদৰ্শ হিন্দী শব্দকোশ*

১১. "Thus the masculine words Khanā and Bhadlī, etc., meaning 'an astrologer', were popularly conceived as the names of a female astrologer married to Var¯aha's son called Mihira in Bengal and Danka (Dāk) in Rajasthan, the same as Ghāgh of Uttarpradesh." D. C. Sircar, *op-cit*, pp-164-165

(চ) খনা বৰাহৰ পুত্ৰ মিহিৰৰ পত্নী, ভড়ডলী বৈদ্য ধন্বন্তৰিৰ কন্যা আৰু ডংকৰ পত্নী। ভড়ডলী আৰু খনা দুয়ো জ্যোতিষ-শাস্ত্ৰত পাৰদৰ্শিনী। ডাকৰ নিচিনাকৈ খনায়ো ষড়যন্ত্ৰমূলক মৃত্যুৰ মুখত পৰিব লগা হৈছিল।

ডংক, ডাক, ভড়ডৰ, ভাড়, ভড়ডলী, খনা আদিৰ লগত বৰাহমিহিৰ বিশেষভাৱে জৰিত। যদি জনশ্ৰুতিৰ ওপৰত আশ্ৰয় কৰা হয় তেন্তে ক'ব লাগিব যে— ডাক, ঘাঘ, ভড়ডৰ, ভাড, ভড়ডৰী, খনা আদি খ্ৰীঃ ষষ্ঠ শতিকাৰ লোক। কিন্তু এইসকলৰ নামত প্ৰচলিত প্ৰবচনবোৰৰ ভাষা, বিষয়বস্তু আদি বিশ্লেষণ কৰি চালে এইবোৰক খ্ৰীঃ ষোড়শ শতিকাৰ পিছলৈ ঠেলিব নোৱাৰি। দ্বিতীয়তে, বৰাহমিহিৰৰ পুত্ৰ, পুত্ৰবধু আদিয়ে খ্ৰীঃ ষষ্ঠ শতিকাতে অসমীয়া, বঙলা, উৰিয়া, ভোজপুৰী, অৱধি, ব্ৰজভাষা, ৰাজস্থানী, পাঞ্জাৱী, গুজৰাটী আদি ভাষাত প্ৰবচন ৰচনা কৰা কথাটো যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত হ'ব নোৱাৰে। লোকমানসে নিজ নিজ অঞ্চলত প্ৰচলিত জ্যোতিষ-পৰম্পৰাৰ লগত ভাৰত বিখ্যাত জ্যোতিষী বৰাহমিহিৰৰ কথা-বৃত্ত সংযোগ কৰাৰ গুৰিতে আছে— সেই সেই পৰম্পৰাবোৰত আভিজাত্য আৰু প্ৰাচীনত্ব প্ৰদানৰ প্ৰৱণতা।

দ্বিতীয়তে, খেতি বা কৃষি সম্পৰ্কীয় বচনৰ পৰম্পৰা ভাৰতবৰ্ষত যে ডাক, খনা, ঘাঘ, ভড়ডৰ, ডংক আদিৰ বচনৰ লগে লগেহে আৰম্ভ হৈছে তেনে নহয়। ভাৰতবৰ্ষত কৃষিৰ পৰম্পৰা কেইবা হাজাৰ বছৰপূৰ্বৰে পৰা প্ৰবহমান। গতিকে কৃষি বিষয়ক প্ৰবচনবোৰ লোকসমাজত কেইবা হাজাৰ বছৰ অতীতৰে পৰা চলি আহিছে। লোকসমাজত কৃষি সম্পৰ্কীয় প্ৰবচন, কৃষি-জীৱন আৰু কৃষিভিত্তিক সমাজৰ আৰম্ভণিৰ পৰাই চলি আহিছে। এতাদৃশ প্ৰবচনবোৰকেই পৰৱৰ্তী কালৰ ঋষি-মুনিসকলে শিষ্ট বা অভিজাত সমাজোপযোগী শ্লোকৰ ৰূপ প্ৰদান কৰিছিল। সেয়েহে পৰাশৰ কৃত শ্লোকত আমি পাওঁ কৃষি আৰু কৃষকৰ যশোগান ঃ

অৱস্ত্ৰত্বং নিৰন্নত্বং কৃষিতোনৈৱ জায়তে।।
অনাতিথ্যঞ্চদুংখিত্বং গোমতো ন কদাচন।, ৫/১৮৬ ৮৭

অৰ্থাৎ কৃষকৰ কাপোৰ আৰু ভাতৰ কষ্ট নহয়। অতিথি সেৱা কৰিবলৈ অসমৰ্থাদি দুঃখৰদ্বাৰা তেওঁলোকৰ মন কোনোদিনে ব্যথিত নহয়।

অন্য এটি শ্লোকতো ঋষি পৰাশৰে কৃষকৰ গুণানুকীৰ্তন কৰিছে।

সুৱৰ্ণ ৰৌপ্যমাণিক্যবসনৈৰপিপূৰিতাঃ।
তথাপি প্ৰাৰ্থ্যন্তেৱ কৃষকান্ ভক্ততৃষ্ণায়া।।

অৰ্থাৎ সোণা, ৰূপা, মাণিক আৰু বস্ত্ৰ আদি বিষয়ত ধনী লোকেও খোৱা মুঠিৰ বাবে খেতিয়কক প্ৰাৰ্থনা কৰিবলৈ বাধ্য হয়।

ডাকৰ নামত প্ৰচলিত এটা প্ৰবচনতো এই শ্লোকটোৰ বিষয়বস্তুৰ প্ৰতিধ্বনি শুনা যায় ঃ

সোণা ৰূপা কিবা কৰি। ভাত নাখালে ভোকতে মৰি।।
হীৰা মাণিক থাকে অপাৰ। খুদ গাল নহ'লে মৰণে সাৰ।।
ধনৰ মধ্যত ধান্য সোভন। ধান্য নহ'লে মৰে তেখন।।
এতেকে কৃষি কৰিবা সাৰ। দুৰ্ভিক্ষত কৃষি কৰে নিস্তাৰ।। (পৃ. ৩৯-৪০)

প্ৰাণ ধাৰণৰ বাবে ভোজন অপৰিহাৰ্য। অন্ন ব্যতিৰেক ভোজন-ব্যাপাৰ অসম্ভৱ। অন্নৰ উৎস আকৌ কৃষি। গতিকে জীৱন-ধাৰণৰ প্ৰধান মাধ্যম কৃষিৰ ওপৰত সৰ্বাধিক গুৰুত্ব প্ৰদান কৰা বিধেয়। পৰাশৰৰ ভাষাত ঃ

অন্নং তু ধান্যসংভূতং ধান্যং কৃষ্যা বিনা ন চ।
তস্মাৎসৰ্বম্পৰিত্যজ্য কৃষিং যত্নেন কাৰয়েৎ।। (*বৃহৎ পৰাশৰস্মৃতি*)

পৰাশৰ শ্লোকত নাঙল-জোঙেলি, বিধা, ফাল আদিৰ আকাৰ, গঠন আৰু জোখৰ বৰ্ণনাও পোৱা যায়। যেনে ঃ

ঈষা যুগোহলস্থাণুৰ্নিৰ্যোলস্তস্যপাশিকা।
অড়ডচল্লশ্চশৈলশ্চ পদ্যনীচহলাষ্টকম্।।
পঞ্চহস্তাভবেদীষাস্থাণুঃ পঞ্চৱিতস্তিকঃ।
সাৰ্দ্ধহস্তস্তুনিৰ্যোলোযুগঃ কৰ্ণসমানকঃ।।
নিৰ্যোলপাশিকা চৈৱ অড়ডচল্লস্তথৈৱ চ।
দ্বাদশাংগুলমানো হি শৈলোৰত্নিপ্ৰমাণকঃ।।

অৰ্থাৎ হালৰ অংগ অষ্ট প্ৰকাৰৰ, যেনে ঃ মুঠি, জুৱলি, কুঢ়, ফাল, পাশিকা অৰ্থাৎ জৰী, ডিলামাৰি, শল্‌মাৰি আৰু পাচন জৰী। মুঠিৰ পৰিমাণ পাঁচ হাত, আঢ়ৈ হাত কুঢ়ৰ দীঘ, ফাল লগোৱা কাঠৰ দীঘ ডেৰ হাত আৰু হালোৱা গৰুৰ কান্ধৰ সমান ডিলামাৰিৰ উচ্চতা হোৱা উচিত। ফাল, পাশিকা, কাঠ বা বাঁহৰ শলা— এই তিনিওবিধৰ প্ৰত্যেকৰে জোখ বাৰ আঙুলি হোৱা উচিত। ফাল লগোৱা স্থানৰ পৰা বাৰ মুঠি বা ন মুঠিৰ ওপৰৰ আগভাগত লোহাৰে সংযুক্ত পুষ্ট বাঁহৰ ডিলামাৰি লগোৱা বিধেয়। জুৱলিৰ মাজত পোষ্কৰ আঙুলি পৰিমাণৰ গোলাকাৰ আৱদ্ধ থকা উচিত। জুৱলিৰ পৰিমাণ চাৰি হাত হোৱা বিধেয় আৰু জোঁটনি পাঁচ হাত দৈৰ্ঘ্যবিশিষ্ট হোৱা বিধেয়। ফালৰ দৈৰ্ঘ্য এহাত পাঁচ আঙুলি বা এহাত হোৱা ভাল। পাশিকাৰ দৈৰ্ঘ্য ন আঙুলি।

বিধা, মৈ আদিৰ জোখ আৰু বৈশিষ্ট্যৰ বিষয়েও ক'বলৈ ঋষি পৰাশৰে পাহৰা নাই। ইয়াৰ উপৰি বিভিন্ন মাহত খেতিৰ মাটিয়ে নৈসৰ্গিকভাৱে লাভ কৰা গুণৰ কথাও তেওঁ উল্লেখ কৰিছে। যেনে ঃ

মৃৎসুৱৰ্ণসমা মাঘে পৌষে ৰজতসন্নিভা।
চৈত্ৰে তাম্ৰ সমাখ্যাতাধান্যতুল্যা চ মাধৱে।।

অৰ্থাৎ মাঘৰ মাটি সোণাৰ তুল্য, পুহৰ মাটি ৰূপাৰ সমান, চ'ত মাহৰ মাটি তামৰ দৰে আৰু ব'হাগৰ মাটি অন্নৰ নিচিনা ফলপ্ৰদ।

ডাকৰ নামত প্ৰচলিত প্ৰবচনতো পৰাশৰ শ্লোকৰ বিষয়বস্তুৰ প্ৰতিধ্বনি স্পষ্ট ঃ

ফাগুনৰ মাটি সোণাৰ মাটি। চৈত্ৰৰ মাটি ৰূপাৰ পাটি।।
বৈসাগৰ মাটি গুণ্ডাগুণ্ডি। জেঠৰ মাটি বাঙ্গৰ গুড়ি।। (পৃঃ ৩৮)

ডাক, ডংক, ঘাঘ আদিৰ নামত প্ৰচলিত প্ৰবচনবোৰ অতি প্ৰাচীন কালৰেপৰা কৃষিজীৱী সমাজত, সমাজৰ উমৈহতীয়া সম্পত্তিৰূপে ব্যক্তিনিৰপেক্ষ ৰচনা হিচাপে চলি আহিছে।

কৃষকৰ সূক্ষ্ম পৰ্যবেক্ষণ, জীৱন আৰু বৃত্তিসম্ভূত গভীৰ অভিজ্ঞতা, যাদুমূলক ক্ৰিয়া-কাণ্ডৰ ওপৰত আস্থা স্থাপন আদিৰ ওপৰত নিৰ্ভৰ কৰি জন্ম লাভ কৰিছে বচনবোৰে। আকৌ এই বচনবোৰেই পৰাশৰ, বশিষ্ঠ, যাজ্ঞবল্ক্য আদি ঋষি-মুনিৰ হাতত দ্বিজত্ব লাভ কৰিছে ঃ শ্লোকৰূপে, শাস্ত্ৰবাক্যৰূপে, আপ্ত বচন ৰূপে। আৰু সেই পৰম্পৰাৰ গতি-প্ৰগতিয়েই গৈ লোক-মানসৰ হাতত ধৰা দিছে— ডাকৰ বচন, খনাৰ বচন, ঘাঘৰ বচন, ডংক-ভড্ডৰ-ভড্ডৰীৰ বচন ৰূপে। গতিকে ডাক, ঘাঘ, খনা, ডংক, ভড্ডৰ, ভড্ডৰী আদি ঐতিহাসিক ব্যক্তি নহয়,— এইবোৰ লোকমানসৰ সৃষ্টি।

অন্যহাতে পৰাশৰ, যাজ্ঞবল্ক্য, বশিষ্ঠ আদি ঋষি-মুনিৰ দ্বাৰা ৰচিত শিষ্ট-সমাজোপযোগী বচন-প্ৰবচন-আপ্তবাক্য আদি লোকায়ত পটভূমিত বিৱৰ্তিত হৈ আঞ্চলিক প্ৰবচন, বচন আদিৰ ৰূপ পৰিগ্ৰহ কৰিব পাৰে। বাল্মীকি, ব্যাসৰ *ৰামায়ণ, মহাভাৰতৰ* কাহিনী, ঘটনা, উপকাহিনী আদিয়ে লোকসমাজত ৰূপ সলোৱাৰ নিচিনাকৈ পৰাশৰ, যাজ্ঞবল্ক্য আদিৰ সংস্কৃত শ্লোক-প্ৰবচন আদিয়েও লোকসমাজৰ লগত সঙ্গতি ৰাখি ৰূপ সলাব পাৰে আৰু পৰম্পৰাগতভাৱে প্ৰবহমান এই বচন-প্ৰবচনবোৰে ডাকৰ বচন, খনাৰ বচন, ঘাঘৰ বচন, ভড্ডৰ বা ভড্ডৰী বা ভড্ডলীৰ বচন, ডাক-প্ৰবচন ৰূপে আত্মপ্ৰকাশ কৰিব পাৰে।

ডাক, খনা, ভড্ডৰ, ভড্ডৰী, ঘাঘ, ডংক আদিৰ ঐতিহাসিকতাক লৈ পণ্ডিতসকল বিমোৰত পৰিছে। ডি. চি. চৰকাৰৰ মতে ডাক, খনা আদি ঐতিহাসিক ব্যক্তি নহয়। ডাক ঐতিহাসিক ব্যক্তি হোৱাহেঁতেন তেওঁৰ বচনবোৰ ভাৰতৰ মাত্ৰ এটা আঞ্চলিক ভাষাত ৰচিত হ'ব লাগিছিল; কিন্তু কাৰ্যতঃ তেনে হোৱা নাই, কাৰণ ডাকৰ বচনৰ প্ৰচলন অসমৰ বাহিৰেও বঙ্গদেশ, উৰিষ্যা, বাংলাদেশ, নেপাল, বিহাৰ, মিথিলা, ৰাজস্থান, ভোজপুৰীক্ষেত্ৰ, পঞ্জাব আদিতো দেখা যায়। গতিকে ডাক ঐতিহাসিক ব্যক্তি হ'ব নোৱাৰে।[১২] তেনেদৰে খনাকো ঐতিহাসিক ব্যক্তি বুলিব নোৱাৰি। খনাৰ বচন অকল বঙলা ভাষাতেই পৰিসীমিত নহয়, অসম (পশ্চিম অসম), উৰিষ্যা, বিহাৰ, বাংলাদেশ, আদিতো খনাৰ বচন জনপ্ৰিয়। খনা ঐতিহাসিক ব্যক্তি হোৱাহেঁতেন তেওঁৰ নামত সাঙুৰি দিয়া বচনবোৰো ভাৰতৰ বিশেষ এটা আঞ্চলিক ভাষাত আৱদ্ধ থাকিব লাগিছিল।

অন্যহাতে ডাক, ঘাঘ, ভড্ডৰ, ভড্ডৰী, ডংক আদিক বৰাহমিহিৰৰ পুত্ৰ বোলা হৈছে। বৰাহমিহিৰ অতিথি ৰূপে কুমাৰ, গোৱাল, মেষপালক আদিৰ ঘৰত আশ্ৰয় লোৱা অৱস্থাত কুমাৰণী বা গোৱালনী বা মেষপালকৰ যুৱতী কন্যাৰ লগত তেওঁৰ যৌন মিলনৰ পৰিণতিস্বৰূপে ডাক, ডংক, ঘাঘ, ভড্ডৰী, ভড্ডৰ আদিৰ জন্ম। এইটো যদি সত্য হয় তেনেহ'লে ডাক, ডংক, ঘাঘ, ভড্ডৰ আদিৰ জন্ম হ'ব লাগিব খ্ৰীঃ ৬ষ্ঠ শতিকাত; কাৰণ বৰাহমিহিৰ এই শতিকাৰ লোক। কিন্তু কাৰ্যতঃ ডাক, ডংক, ঘাঘ, ভড্ডৰ আদি সমসাময়িক নহয়; আনকি ডংক, ডাক, খনা, ভড্ডৰ, ভড্ডৰী আদিৰ সময় সঠিকভাৱে কোনো পণ্ডিতেই স্থিৰ কৰিব পৰা নাই। ডাক, ডংক, ঘাঘ আদি যদি ঐতিহাসিক ব্যক্তি হ'লহেঁতেন তেনেহ'লে

১২ D. C. Sircar, *Op-cit*, p. 163

এজনৰ নহয় এজনৰ সময় সঠিকভাৱে স্থিৰ কৰিব পৰা গ'লহেঁতেন। গতিকে আমি নিশ্চিতভাৱে ক'ব পাৰোঁ যে, ডাক, ঘাঘ, খনা, মিহিৰ, ভড্ডৰ, ভড্ডৰী আদি ঐতিহাসিক ব্যক্তি নহয়।

ডাক, ডংক, ঘাঘ আদি যে ঐতিহাসিক ব্যক্তি নহয়, মৌখিক পৰম্পৰাহে— এই অনুমানৰ অনুকূলে শশিশেখৰ তিৱাৰীৰ এটি মন্তব্য উল্লেখ কৰিব পাৰি ঃ

...ঘাঘ, ভড্ডৰ, ভড্ডৰী আৰু ডাকৰ জন্মস্থান, জন্মতিথি, মৃত্যু তিথি, প্ৰামাণিক নাম আৰু তেওঁলোকৰ প্ৰবচনৰ মূল ভাষাৰ প্ৰসংগত নিশ্চিতভাৱে একো ক'ব নোৱাৰি। অসমৰ পৰা গুজৰাট পৰ্য্যন্ত প্ৰায়বিলাক আঞ্চলিক ভাষাত আৰু উপভাষাত এই কবিসকলৰ নামত প্ৰচলিত প্ৰবচন বা লোকোক্তি পোৱা যায়। এই লোকোক্তিবিলাকৰ ওপৰত নিৰ্ভৰ কৰি ভাৰতবৰ্ষৰ বিভিন্ন ভাষা-ভাষী ক্ষেত্ৰৰ লোক এই কবিসকলক নিজৰ নিজৰ ক্ষেত্ৰ আৰু ভাষাৰ কবিৰূপে প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰি আহিছে।[১৩]

ডাক-ঘাঘ আদি ঐতিহাসিক ব্যক্তি হোৱাহেঁতেন তেওঁলোকৰ স্থান-কাল আদিৰ বিষয়ে নিশ্চিত হ'ব পৰা গ'লহেঁতেন।

জয়কান্ত মিশ্ৰই ডাকৰ ৰহস্য ভেদ কৰিবলৈ অক্ষম হৈ ক'বলৈ বাধ্য হৈছে ঃ

প্ৰহেলিকাবৃত ব্যক্তিসকলৰ ভিতৰত ডাকও এজন, যিজনে সম্ভৱ কেতিয়াও ৰহস্যৰ পৰিসীমা অতিক্ৰম কৰিব নোৱাৰিব।[১৪] অৱশেষত তেওঁ ক'বলৈ বাধ্য হৈছে যে, ডাক উত্তৰ-পূব ভাৰতৰ লোক।[১৫] অৱশ্যে তেওঁ ৰাজস্থানী ডংক পৰম্পৰাৰ বিষয়ে উল্লেখ কৰা নাই। আন যি কি নহওক, জয়কান্ত মিশ্ৰয়ো ডাকক ঐতিহাসিক ব্যক্তিৰূপে আখ্যা দিবলৈ চেষ্টা কৰা নাই।

ঘাঘৰ সম্পৰ্কেও ক'ব পাৰি যে, ঘাঘে প্ৰবচনৰ কোনো পুথি ৰচনা কৰা নাই অথবা তেওঁৰ নামত চলা প্ৰবচনবোৰ তেওঁ যে কাৰোবাক কৈছিল তাৰো প্ৰমাণ নাই। গতিকে ঘাঘকো ঐতিহাসিক ব্যক্তি বোলাৰ কোনো ভিত্তি নাই। ভড্ডৰীৰ প্ৰবচনৰ লগত ডংক আৰু ডাক-প্ৰবচনৰ সাদৃশ্য আছে; ভড্ডৰীৰ বচনৰাজি বিহাৰ, মধ্যপ্ৰদেশ, উত্তৰ প্ৰদেশ, ৰাজপুতনা, পঞ্জাব আদি প্ৰদেশত চলে। গতিকে ভড্ডৰী কোন ঠাইৰ ব্যক্তি তাক সঠিকভাৱে নিৰ্ণয় কৰা অসম্ভৱেই; অথবা কোন প্ৰদেশৰ ভাষাত পোনতে ভড্ডৰীয়ে তেওঁৰ প্ৰবচনবোৰ কৈছিল তাকো নিৰ্ণয় কৰিব নোৱাৰি। পঞ্জাবত প্ৰচলিত ভড্ডৰীৰ বচনৰ লগত অন্য প্ৰদেশত প্ৰচলিত

---

১৩. "घाघ, भड्डर, भड्डरी और डाक के जन्मस्थान, जन्मतिथि, मृत्युतिथि, प्रामाणिक नाम और इनकी सूक्तियों की मुलभाषा के सम्बन्ध में निश्चित रूपसे कुछ नहीं कहा जा सकता। असम से गुजरात तक की प्राय· सभी भाषाओं और बोलियों में इन कवियो के नाम से प्रचलित सूक्तियाँ मिलती हैं। इसी आधार पर भारतवर्ष के कई भाषा-भाषी क्षेत्र एक साथ इन कवियो को अपने-अपने क्षेत्र और भाषाके कवि सिद्ध करने की कोशिश करते हैं।" — *भोजपुरी लोकोक्तियाँ*, पृः 231

১৪. "Dāka is one of those enigmatic figures who will never probably cross the frontiers of mystery." *Introduction to the Folk Literature of Mithilā* P. 44

১৫. "It appears that Dāka belonged to North-East India." *Idid* P. 45

সেই জাতীয় প্ৰবচনৰ পাৰ্থক্য মূলতঃ নাই।[১৬] গতিকে ডাক, ঘাঘ আদিৰ দৰে ভড়ডৰ, ভড়ডৰীও ঐতিহাসিক ব্যক্তি নহয়, মৌখিক পৰম্পৰাহে।

সত্যেন্দ্ৰ নাথ শৰ্মাৰ মতেও ডাক ঐতিহাসিক ব্যক্তি নহয়। তেওঁৰ ভাষাত :

ডাক চৰিত আৰু জন প্ৰবাদৰ পৰস্পৰবিৰোধী বৰ্ণনা আৰু অলৌকিক আৰু অবিশ্বাস্য ঘটনাৰ উল্লেখে উক্ত চৰিতক বুৰঞ্জীমূলক সত্য নিৰ্ধাৰণৰ অনুপযোগী সমলৰূপে প্ৰতিপন্ন কৰিছে। অজ্ঞাত লেখকৰ 'ডাকচৰিত' অৰ্বাচীন ৰচনা। গতিকে সেই চৰিত পুথিৰ কথাত একান্ত নিৰ্ভৰ কৰি ডাকক নিৰ্দিষ্ট স্থানত আৰু নিৰ্দিষ্ট ঘৰত জন্মলাভ কৰা ঐতিহাসিক ব্যক্তিৰূপে মানি লোৱা টান। ডাক শব্দৰ অৰ্থ হ'ল উচ্চাৰণ কৰা, সম্বোধন কৰা বা আহ্বান কৰা, গতিকে যিবোৰ উপদেশে সমাজত কেনেকৈ চলিব লাগে সকীয়াই দিয়ে, সিয়ে হয়তো ডাক ৰচনাৰূপে প্ৰসিদ্ধি লভে। কালক্ৰমত সেই ডাক-বচনবোৰৰ এজন উদ্ভাৱক কল্পনা কৰি ল'লে।[১৭]

অতুলচন্দ্ৰ বৰুৱাই ডাকক ইতিহাস নিৰপেক্ষ ব্যক্তিৰূপে অভিহিত কৰিছে। তেওঁৰ মতে ডাক নামৰ কোনো ব্যক্তিৰ অস্তিত্ব স্বীকাৰ কৰি লোৱা দুৰূহ। পৰম্পৰাগতভাৱে সঞ্চিত আৰু প্ৰবহমান অৰ্থপূৰ্ণ প্ৰবচনবোৰ ডাক নামৰ এগৰাকী কাল্পনিক ব্যক্তিৰ নামত সংযোগ কৰি দিয়া হৈছে মাথোন।[১৮]

ওপৰৰ আলোচনাৰ পৰা আমি নিৰ্ভুলভাৱে ক'ব পাৰোঁ যে, ডাক, ডংক, ঘাঘ, ভড়ডৰ, ভড়ডৰী আদি ঐতিহাসিক ব্যক্তি নহয়। দূৰ অতীতৰপৰা মুখ পৰম্পৰা চলি অহা কৃষি, জ্যোতিষ, শুভাশুভনিৰ্ণয়, যাত্ৰা বিচাৰ আদি সম্পৰ্কীয় প্ৰবচনবোৰ লোকমানসে ডাক, ডংক, ঘাঘ, ভড়ডৰ, ভড়ডৰী আদিৰ নামত সংযোগ কৰি দিছে— সেই প্ৰবচনবোৰৰ মূল্য আৰু গাম্ভীৰ্য বঢ়াবলৈ। লোক মনস্তত্বই ব্যক্তিনিৰপেক্ষ ৰচনাতকৈ ব্যক্তিসাপেক্ষ ৰচনাত গুৰুত্ব দিবলৈ প্ৰবৃত্তিগতভাৱে ভাল পায়। ব্যক্তিনিৰপেক্ষ মৌখিক বা বাচিক কলাৰ জন্ম নীড় কৃষিজীৱী লোকসমাজ; কিন্তু সেই লোকসমাজেই কোনো জ্ঞানী লোকৰ ৰচনা বুলি নক'লে অৰ্থাৎ প্ৰামাণ্য (authority) বিহীন ৰচনা বা প্ৰবচন সৰ্বান্তকৰণে গ্ৰহণ কৰিবলৈ টান পায়— আৰু তাৰেই পৰিণতিত জন্ম লাভ কৰিছে ডাক, ডংক, খনা, মিহিৰ, ঘাঘ, ভড়ডৰ, ভড়ডৰী, ভড়ডলী আদি কাল্পনিক ব্যক্তিয়ে।

সুদীৰ্ঘ ধাৰাবাহিকতা (Continuity) বিশিষ্ট ভাৰতীয় লোকোক্তি বা প্ৰবচনৰ পৰম্পৰাই ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত, বিভিন্ন অঞ্চলত, বিভিন্ন ভাষা-উপভাষাত ডাক, ডংক, ঘাঘ, ভড়ডৰ, ভাড, ভড়ড্ৰী, ভড়ডলী, খনা, মিহিৰ আদি নানা শাখা-প্ৰশাখাত বিকীৰ্ণ (diffuse) হোৱা স্বাভাৱিক।

কাশ্মীৰৰ পৰা কন্যাকুমাৰী লৈ আৰু দ্বাৰকাৰ পৰা দূৰ নগাভূমিলৈ এই বিশাল ভূখণ্ডত প্ৰবহমান লোকোক্তিবিলাক বিভিন্ন ভাষা আৰু উপভাষাত পোৱা গ'লেও সেইবিলাকৰ

---

১৬. ত্ৰিপাঠী, পৃঃ ৯-১১

১৭. সত্যেন্দ্ৰ নাথ শৰ্মা, প্ৰা. গ্ৰ., পৃঃ ৫০-৫১

১৮. অতুল চন্দ্ৰ বৰুৱা : *ডাকে বোলে শুনা উপায়*, পৃঃ ৫

বিষয়বস্তু, ভাব আৰু অনুভৱৰ মাজত বিভিন্নতা নাই। কাশ্মীৰ, পঞ্জাব, ৰাজপুতনা, কাঠিয়াবাড়, গুজৰাট, মহাৰাষ্ট্ৰ, দক্ষিণ ভাৰত, উৰিষ্যা, বঙ্গদেশ, অসম, বিহাৰ, মধ্যপ্ৰদেশ আৰু অন্য প্ৰান্তৰ প্ৰবচনবোৰ সেই সেই প্ৰান্তৰ ভাষা-উপভাষাত ৰচিত হোৱা বাবে বেলেগ বেলেগ যেন লাগে, কিন্তু সেইবিলাকৰ মাজত উপলব্ধ হোৱা অনুভৱ মূলতঃ একেই।'[১৯]

এই সাদৃশ্যৰ মূল কাৰণ জন প্ৰব্ৰজন আৰু সাংস্কৃতিক সম্পৰ্ক (Cultural Contact)। অসমত প্ৰচলিত অনেক ডাক বচন, জন প্ৰব্ৰজন আৰু সাংস্কৃতিক সম্পৰ্কৰ মাধ্যমেৰে পশ্চিমৰ পৰা আহিছে। প্ৰব্ৰজিত প্ৰবচনবোৰে অসমৰ ভৌগোলিক আৰু সাংস্কৃতিক পৰিৱেশ (Cultural milieu) অনুসৰি ৰূপ সলাইছে। অনেক প্ৰবচনে আকৌ স্থানীয়ভাৱেই (locally) বিকাশ লাভ কৰিছে। অৱশেষত ডাকৰ নামত মৌখিক পৰম্পৰাত প্ৰচলিত এই প্ৰবচনবোৰৰ কিছুমানে লিখিত ৰূপ পাইছে আৰু কিছুমান তেনে প্ৰবচন মুখে মুখে প্ৰচলিত হৈয়ে আছে।

১৯ ত্ৰিপাঠী, পৃঃ ৬

তৃতীয় অধ্যায়

অসমীয়া ডাক-প্ৰবচন

ডাক, ডংক, ঘাঘ, ভাড, ভড্ডৰ, ভড্ডৰী, খনা, মিহিৰ আদিৰ নামত প্ৰচলিত প্ৰবচনবোৰ মৌখিক পৰম্পৰাৰূপে প্ৰবহমান হৈ আহি বৰ্তমান লিখিত ৰূপ পৰিগ্ৰহ কৰিছে; যদিও অনেক প্ৰবচন বৰ্তমানো লোক জীৱনত মুখ পৰম্পৰা প্ৰচলিত হৈয়ে আছে। আনকি বৰ্তমানো দুই চাৰিজন লোকে মৌখিকভাৱে প্ৰচলিত ডাক-প্ৰবচনবোৰক লিখিত ৰূপ দিবলৈ চেষ্টা চলাই আছে। দ্বিতীয়তে, তুলনামূলকভাৱে পুৰণি প্ৰবচনবোৰৰ লগত অপেক্ষাকৃতভাৱে নতুন প্ৰবচন সংযোগ কৰাৰ প্ৰৱণতাও সুস্পষ্ট। গতিকে ডাক-প্ৰবচন সম্বলিত পুথিৰ পাঠ আৰু সংখ্যাৰ ক্ষেত্ৰত তাৰতম্য দেখা যায়। এই প্ৰসংগত মহেশ্বৰ নেওগৰ এটি মন্তব্য প্ৰণিধানযোগ্য ঃ

... ডাকৰ বচনৰ যিবোৰ পুথি পোৱা যায় তাত পাঠ আৰু সংখ্যাৰ তাৰতম্যলৈ লক্ষ্য কৰিলে সংগ্ৰহখন (এক প্ৰকাৰ compendium) বিভিন্ন সময়ত কোনোৱে সংকলন কৰা সংস্কৰণ (redaction) যেন লাগে। [১]

তৃতীয়তে, ডাকৰ বচন সংকলকসকলে অনেক ক্ষেত্ৰত কোনো বিশেষ পুথিৰ পৰা ডাক-প্ৰবচনসমূহ গ্ৰহণ নকৰি পৰম্পৰাগতভাৱে শিকি অহা বা জনা বচনবোৰ হে লিপিবদ্ধ কৰে। সেয়েহে ডাকৰ বচনৰ এটা পাঠৰ লগত আন এটা পাঠৰ প্ৰায়ে মিল পোৱা নাযায়।

বৰ্তমান চলি থকা এই প্ৰৱণতাৰ পৰিণতিতেই ডাক-চৰিত বা ডাক-ভণিতা পুথিবোৰৰ জন্ম সম্ভৱ হৈছে। মৌখিকভাৱে প্ৰচলিত এই প্ৰবচনবোৰে এনেদৰেহে লিখিত ৰূপ পাইছে। বঙ্গদেশত ডাক বা খনাৰ বচনে লিখিত ৰূপ পাবলৈ এশ বছৰৰো ওপৰ হোৱা নাই। বাংলাদেশতো ডাক আৰু খনাৰ বচনে লিখিত ৰূপ পাবলৈ সৰহ দিন হোৱা নাই। উৰিষ্যাত মুখ পৰম্পৰা প্ৰচলিত ডাক-বচনসমূহ সংগ্ৰহ কৰিছে কুঞ্জবিহাৰী দাসে। মৈথিল ভাষাত প্ৰচলিত ডাক-বচনৰ পুথি উদ্ধাৰ হোৱা নাই, যদিও তালপত্ৰত লিখা জ্যোতিষ বিষয়ক পুথিত ডাকৰ নাম পোৱা যায়। জীৱানন্দ ঠাকুৰে প্ৰাচীন হাতেলিখা পুথিৰ পৰা কিছুমান ডাক-বচন উদ্ধাৰ কৰিছে।[২] ইয়াৰ বাহিৰেও মৈথিল ভাষাত ৰচিত *বিশুদ্ধ ডাক বচন* নামৰ এখন পুৰণি পুথি (তাল পাতত লিখা) পোৱা হৈছে।[৩] পুথিখন এশ, ডেৰশ বছৰতকৈ বেছি পুৰণি নহয় যেন লাগে। এই পুথিখনকে মূল পুথিস্বৰূপে লৈ কপিলেশ্বৰ ঝাই খ্ৰীঃ ১৯২৭ চনত *ডাকবচনামৃত* নামৰ পুথিখন সম্পাদন কৰিছিল।[৪] ওপৰোল্লিখিত তালপত্ৰত ৰচিত পুথিখনকেই

---

১. মহেশ্বৰ নেওগ (সম্পা) ঃ *অসমীয়া খণ্ডবাক্য কোষ*, 'ভূমিকা', পৃঃ ৩৪

২ Sri Jivananda Thakur.........quotes a number of Dāka's verses from very old manuscripts. ....." *মৈথিল ডাক*, পৃঃ খ

৩. *মৈথিল ডাক*, পৃঃ গ

৪. কহৈয়ালাল কৃষ্ণদাস, ৰামেশ্বৰ প্ৰেছ, দাৰভাংগা।

আধাৰগ্ৰন্থ ৰূপে গ্ৰহণ কৰি খ্ৰীঃ ১৯৫০ চনত জীৱানন্দ ঠাকুৰে *মৈথিল ডাক* সম্পাদন কৰে।[৫]

মিথিলাৰ বাহিৰে বিহাৰৰ অন্য অঞ্চলত আৰু ভোজপুৰী ক্ষেত্ৰত প্ৰচলিত *ডাক-বচন* অথবা *ভাডৰ-বচন* মুখ পৰম্পৰা প্ৰচলিত। অসমীয়া ভাষা অথবা মৈথিল ভাষাৰ নিচিনাকৈ সেইবোৰ অঞ্চলত ডাক-বচন বা ভাডৰ-বচন সম্বলিত হাতে লিখা পুথি এতিয়ালৈকে উদ্ধাৰ হোৱা নাই।

ঘাঘ আৰু ভড্‌ডৰ অথবা ভড্‌ডৰীৰ প্ৰবচনবোৰো মুখ পৰম্পৰাহে প্ৰচলিত। সাম্প্ৰতিক কালত অদৃশ্য এই প্ৰবচনবোৰে লিখিত ৰূপ পালেও এশ, ডেৰশ বছৰৰ পূৰ্বে ৰচিত হোৱা ঘাঘ আৰু ভড্‌ডৰ-ভড্‌ডৰীৰ প্ৰবচন সম্বলিত পুথি পোৱা নাযায়। ৰাম নৰেশ ত্ৰিপাঠীয়ে প্ৰায় এবছৰ কাল গাঁৱে-ভূঞে ফুৰিহে এই প্ৰবচনবোৰ সংগ্ৰহ কৰিছে।[৬] ভড্‌ডৰী-প্ৰবচনৰাজি সম্বলিত এখন সৰু পুস্তিকা *শকুন-বিচাৰ* নামেৰে ছপা হৈছে।[৭] এই পুথিখন হাতেলিখা পুথিৰ ওপৰত নিৰ্ভৰশীল নহয়। মুখ পৰম্পৰা প্ৰচলিত ভড্‌ডৰী-প্ৰবচনবোৰ সংগ্ৰহ কৰিহে উক্ত পুস্তিকাখনি প্ৰস্তুত কৰা হৈছে।

ৰাজপুতনাত প্ৰচলিত ভড্‌ডলী-বচন সম্বলিত এখন পুথি অৱশ্যে পোৱা গৈছে। পুথিখনৰ নাম *ভড্‌ডলী পুৰাণ*। কিন্তু এই পুথিখনৰ প্ৰাচীনত্ব সম্পৰ্কে জনা নাযায়।

অসমীয়া ভাষাত ৰচিত কেইবাখনিও ডাক-বচন সম্বলিত পুথি বিভিন্ন অনুষ্ঠান আৰু ব্যক্তিবিশেষৰ ঘৰত সংৰক্ষিত অৱস্থাত পোৱা গৈছে। লণ্ডনৰ ইণ্ডিয়া অফিচ লাইব্ৰেৰীত *ডাক-ভণিতা* নামবিশিষ্ট এখন হাতেলিখা পুথি সংৰক্ষিত থকাৰ সম্বাদ সূৰ্য্যকুমাৰ ভূঞাদেৱে দণ্ডীৰাম দত্তক দিছিল আৰু সেই পুথিখন দত্তদেৱে পঢ়িবলৈও সুবিধা লাভ কৰিছিল। পুথিখন মুঠতে ষোলটা ফলক সম্বলিত।[৮] ইয়াৰ বাহিৰেও সৰ্থেবাৰীৰ হৰিঘাট; উত্তৰ লখীমপুৰৰ ঘাৰমৰা সত্ৰ আদিত সংৰক্ষিত *ডাক-ভণিতা* পুথিৰ সম্বাদো দত্তদেৱে আমাক দিছে।[৯]

গুৱাহাটী বিশ্ববিদ্যালযৰ পুৰণি পুথি সংৰক্ষণ বিভাগ; বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, গুৱাহাটী; অনুসন্ধান সমিতি, গুৱাহাটী আদিত কেইবাখনিও *ডাক-বচন* বা *ডাক-ভণিতা* পুথি ৰক্ষিত হৈছে। এই হাতে লিখা পুথিবিলাকৰ ভিতৰত কেইখনমান পুথিতহে লিপিকাৰৰ নাম, ধাম আৰু সময়ৰ উল্লেখ আছে। কেইখনমান পুথিত লিপিকাৰৰ নাম-ধাম আৰু লিপ্যন্তৰৰ সময়ৰ উল্লেখ নাই।

বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগত ১৪০৫ ক্ৰমাংক বিশিষ্ট *ডাক-বচন* পুথিখনিৰ লিপিকাৰ ধনঞ্জয় কাকতি। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পুৰণি পুথি সংৰক্ষণ বিভাগত সংৰক্ষিত ২৮৮৭ ক্ৰমাঙ্কৰ *ডাক-চৰিত* পুথিখনি বিষ্ণুৰাম ডেকা বৰুৱাই লিখিছিল। লিখাৰ সময় ১৭৮৬ শকৰ ১২ পুহ (অৰ্থাৎ ১৭৮৬ + ৮৭ = ১৮৬৪ চন)। বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগত সংৰক্ষিত

---

৫. মৈথিলী-সাহিত্য-পৰিষদ, দাৰভাংগা।

৬. ত্ৰিপাঠী পৃঃ ১১

৭ ত্ৰিপাঠী, পৃঃ ২৭

৮ দণ্ডীৰাম দত্ত (সম্পা) : *ডাকৰ বচন*, 'পাতনি', পৃঃ ৫

৯ উঃ গ্ৰঃ

(ক্ৰমাঙ্ক ৫২৭) *ডাক-বচন* পুথিখনৰ ৰচনাৰ সময় ১৭২৮ শকৰ ১৫ আহিন (অৰ্থাৎ ১৮০৬ চন)। লিপিকাৰৰ নাম আৰু সময়ৰ উল্লেখ নথকা *ডাক-চৰিত* পুথি কেইখনো এশ, ডেৰশ বছৰৰ পূৰ্বেহে ৰচিত। গতিকে অতি সহজেই অনুমান কৰিব পাৰি যে, *ডাক-চৰিত* পুথিসমূহ অৰ্বাচীন। পুথিৰ ভাষা, লিখন শৈলী, বানানৰীতি আদিৰ ফালৰ পৰাও অতি সহজেই অনুমান কৰিব পাৰি যে, *ডাক-বচন* সম্বলিত পুথিসমূহ বৰ বেছি পুৰণি নহয়। অন্যহাতে *ডাক-চৰিত* পুথিৰ মূল ৰচয়িতা কোন তাক জনাৰ উপায় নাই। দ্বিতীয়তে, লিপিকাৰসকলে যে আন আন পুথি লিপ্যন্তৰ কৰাৰ নিচিনাকৈ এখন মূল পুথি আগত ৰাখি নকল কৰিছিল তেনে নহয়। লিপিকাৰৰ মনত থকা বচনবোৰহে এফালৰ পৰা লিখি গৈছিল। সেইহে অন্য হাতেলিখা পুথিৰ নিচিনাকৈ *ডাক-বচন* পুথিৰ বিষয়বস্তুৰ ক্ষেত্ৰত হুবহু মিল বা সাদৃশ্য থকা দেখা নাযায়। এখন *ডাক-বচন* পুথিৰ বিষয়বস্তু আৰু বিষয়বস্তু বিভাজনৰ ৰীতিৰ লগত আনখন *ডাক-ভণিতা* পুথিৰ বিষয়বস্তু আৰু ইয়াৰ বিভাজন-ক্ৰমৰ অমিল দেখা যায়। আনকি নামৰ ক্ষেত্ৰতেই বিভিন্নতা দেখা যায়, যেনে ঃ *ডাকৰ বচন, ডাক-চৰিত, ডাক-ভণিতা, ডাক-প্ৰবচন* ইত্যাদি। কোনো কোনো পুথিত, বিশেষকৈ জ্যোতিষ প্ৰকৰণ, গৃহলক্ষণ, দ্ৰব্যগুণ কথন আদিত পণ্ডিতী ৰচনাৰ গোন্ধ পোৱা যায়। এইবিলাকত পৰম্পৰাগত ফলিত জ্যোতিষীৰ স্থূল হস্তাৱলেপৰ নিদৰ্শন স্পষ্ট। আনকি এখন ছপা *ডাকৰ বচন*ত, পুৰাণৰ নিচিনাকৈ কাহিনী, উপ-কাহিনী আদি সংযোজন কৰাৰ প্ৰৱণতা পৰিলক্ষিত। উদাহৰণস্বৰূপে, 'সুপুৰুষ-লক্ষণ' প্ৰকৰণত বৈশ্যপুত্ৰ সৰ্ব-ৰাজলক্ষণ যুক্ত হোৱা সত্ত্বেও 'আঙ্গাৰ বৰণ'বিশিষ্ট জিহ্বা আৰু তালুত 'কাকৰ চৰণ' চিহ্ন থকাৰ বাবে কিদৰে ভিক্ষা বৃত্তি অৱলম্বন কৰিবলগীয়া হৈছিল তাৰ বৰ্ণনা পৰিৱেশন কৰা হৈছে।[১০] এনে ধৰণৰ 'চৰিত কথা' আনহাতে লিখা বা ছপা ডাকৰ বচন পুথিত পাবলৈ নাই।

সাধাৰণতে মূলপাঠ বিশিষ্ট পুথিত এনে ধৰণৰ সংযোজনৰ প্ৰৱণতা তুলনামূলকভাৱে কম। ইয়াৰ বিপৰীতে মূলপাঠ নোহোৱা পুথিৰ ক্ষেত্ৰত নতুন সংযোজনৰ মাত্ৰা সদায়েই বেছি। গতিকে মূলপাঠ নোহোৱা *ডাক-বচন*ত নতুন সংযোজনৰ প্ৰক্ৰিয়া প্ৰতিজন লিখকৰ কাপৰ জৰিয়তে বাঢ়ি যোৱা অস্বাভাৱিক নহয়। আকৌ অঞ্চলবিশেষেও *ডাক-বচন*ৰ ক্ষেত্ৰত বিভিন্নতা পৰিলক্ষিত।

উজনি-নামনিত প্ৰচলিত ডাক-বচনৰ ভাষা আৰু বিষয়বস্তুৰ ক্ষেত্ৰত পাৰ্থক্য নথকা নহয়। তেনেদৰে পুৰণি কামৰূপ জিলাৰ বিভিন্ন অঞ্চলৰ লোক জীৱনত সদা-সৰ্বদাই ব্যৱহৃত ডাক-প্ৰবচনৰ মাজতো তাৰতম্য লক্ষ্য কৰিব পাৰি; তদ্ৰূপ কামৰূপ আৰু দৰঙত প্ৰচলিত ডাকৰ বচনৰ মাজতো বিভিন্নতা নথকা নহয়। এই বিভিন্নতা বিশেষভাৱে পাঠ আৰু জমিনৰ প্ৰসঙ্গত হ'লেও অনেক স্থলত বিষয়বস্তুৰ ক্ষেত্ৰতো দেখা যায়। মৌখিক সাহিত্য বা বাচিক কলাৰ প্ৰসংগত যিদৰে অঞ্চলভেদে পাঠ, জমিন, বিষয়বস্তুৰ ক্ষেত্ৰত তাৰতম্য দেখা যায় তদ্ৰূপ *ডাকৰ বচন*ৰ ক্ষেত্ৰতো এই তাৰতম্য স্পষ্ট। গতিকে *ডাকৰ বচন* যে মৌখিক কলাৰ অঙ্গীভূত

১০. দণ্ডীৰাম দত্ত (সম্পা) ঃ *ডাকৰ বচন*, পৃঃ ৪১-৪৬

তাত দ্বিমত থাকিব নোৱাৰে; মৌখিক কলাই লিখিত ৰূপ পৰিগ্ৰহ কৰাৰ নিচিনাকৈ *ডাকৰ বচনেও* লিখিত ৰূপ গ্ৰহণ কৰিছে।

ডাকৰ বচনৰ যি পাঠ পোৱা যায় সেই পাঠবোৰ বিশেষ কোনো পাঠৰ পৰা নকল কৰা যেন নালাগে। বানান, ভাষা, আঞ্চলিক ৰূপ আদিৰ ফালৰ পৰা বিচাৰ কৰি চালে দেখা যায় যে, *ডাকৰ বচনৰ* পাঠবোৰ মৌখিক সঞ্চাৰণৰ (oral transmission) ওপৰতহে প্ৰতিষ্ঠিত।

ডাকৰ বচনৰ পাঠত উল্লেখ থকা চন-তাৰিখ, ইয়াৰ বানান-ৰীতি, ভাষা শৈলী আদি বিশ্লেষণ কৰি চাই ক'ব পাৰি যে, ডাকৰ বচনসমূহে এশ, ডেৰশ বছৰৰ ভিতৰতে লিখিত ৰূপ গ্ৰহণ কৰিছে। ইয়াতকৈ পুৰণি ডাকৰ বচনৰ পাঠ নথকাৰ অনুকূলে মত পোষণ কৰাই যুক্তিসঙ্গত। আমাৰ অনুমানৰ সপক্ষে প্ৰফুল্লদত্ত গোস্বামীৰ এটি মন্তব্য উল্লেখ কৰিব পাৰি ঃ

ডাকৰ বচনৰ বয়স নিৰ্ণয় কৰিবলৈ বহুতে চেষ্টা কৰিছে আৰু প্ৰায় বিফলো হৈছে। অসমত চলা ডাকৰ বচন ডেৰশ দুশ বছৰতকৈ পুৰণি যেন নালাগে আৰু তাত বাহিৰৰ প্ৰভাৱ আওকাণ কৰিব নোৱাৰি। বচনৰ বেছি পুৰণি পুথিও পোৱা নাযায়। মুখ বাগৰি পুৰণি মাত-কথাবিলাকে আধুনিক গঢ় লয়; বহুত সময়ত সেইবিলাকে আজিকালিৰ সামাজিক আচাৰ-ব্যৱহাৰৰ সাঁচো লয়।[১১]

ডাক বচনৰ ভাষাতাত্ত্বিক দিশ ঃ

ডাকৰ বচন মুখে মুখে প্ৰচলিত। মুখ পৰম্পৰা প্ৰচলিত গীত-পদ আদিৰ ভাষাৰ স্থিৰ ৰূপ ৰক্ষিত নহয়; তদ্ৰূপ *ডাকৰ বচন*-ৰ ভাষায়ো স্থিৰ ৰূপ পোৱা নাই। বাচিক কলাৰ কোনো এটি শ্ৰেণীৰ (genre) জমিন (texture) যথাৰ্থভাৱে ৰক্ষিত নহ'লে তাৰ কাল নিৰ্ণয় কৰা অসম্ভৱ।

১.১ *ডাকৰ বচন*-ৰ পুথিৰ বিষয়বস্তু যে সম্পূৰ্ণভাৱে মৌখিক পৰম্পৰাৰ ওপৰত প্ৰতিষ্ঠিত তাৰ সাক্ষ্য এই পুথিৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যয়ো দিব পাৰে। আখৰ জোঁটনি বা বানান-পদ্ধতিৰ (orthography) প্ৰসংগত *ডাক-প্ৰবচন*-ৰ পাঠে কথিত ৰূপৰ ওপৰত তুলনামূলকভাৱে অধিক গুৰুত্ব দিয়া দেখা যায়। সাধাৰণতে কথিত ৰূপত বা মৌখিক ৰূপত যিদৰে ই, ঈ; উ, ঊ, চ, ছ; জ, ঝ; ট, ত; ঠ, থ; ড, দ; ঢ, ধ; ণ, ন; শ, ষ, স বৰ্ণৰ প্ৰয়োগত প্ৰায়ে পাৰ্থক্য দেখা নাযায়; তদ্ৰূপ 'ডাক-প্ৰবচন'ৰ পাঠতো' হ্ৰস্ব-দীৰ্ঘ, দন্ত্য-মূৰ্ধন্য বৰ্ণৰ মাজত প্ৰায়ে পাৰ্থক্য দেখুৱাবলৈ চেষ্টা কৰা নাই। 'য' বৰ্ণৰ ব্যৱহাৰ নথকা নহয় যদিও 'জ' বৰ্ণৰ প্ৰয়োগ নিশ্চিতভাৱে তাৎপৰ্যপূৰ্ণ ঃ জেবে (যেবে), জেনে (যেনে), জতন (যতন), জিতো (যিটো), জদি (যদি), জুদ্ধ (যুদ্ধ), জেবে (যেবে), জেই (যেই), জি (যি), জতনে (যতনে), জাই (যাই), জত (যত), জাত্ৰা (যাত্ৰা), জাইবেক (যাইবেক), জতেক (যতেক), জাহাৰ (যাহাৰ), জিৱন (জীৱন), জসি (যশী), জস (যশ), জেদূৰ (যেদুৰ), জাও (যাওঁ), জাচি (যাচি), জে (যে), জাবা (যাবা), জিএ (জীৱ), জম (যম), কাৰ্জ (কাৰ্য) ইত্যাদি।

১.২ মূৰ্ধন্য 'ণ'ৰ ব্যৱহাৰ নাই বুলিয়েই ক'ব পাৰি। দন্ত্য 'ন'ৰ প্ৰয়োগৰ পৰিমাণেই অধিক।

---

১১. প্ৰফুল্লদত্ত গোস্বামী ঃ *অসমীয়া জন-সাহিত্য*, পৃঃ ৮৮

ণত্ব বিধানৰ ৰীতি প্ৰায়ে পালন কৰা হোৱা নাই ঃ লোন (লোণ), ব্ৰাহ্মন (ব্ৰাহ্মণ), গন (গণ), কৰন (কৰণ), ৰোপন (ৰোপণ), সোনা (সোণ), ঋন (ঋণ), চৰন (চৰণ), শ্ৰাবন (শ্ৰাবণ), গুনিয়াক (গুণীয়াক), দক্ষিনা (দক্ষিণা), বানি (বাণী), ঘৰিনি (ঘৰিণী), ধৰনি (ধৰণী), তৃন (তৃণ), পান (পাণ), মানিক (মাণিক), স্মৰন (স্মৰণ), বামুন (বামুণ), বৰিষন (বৰিষণ), সোনাৰি (সোণাৰী), সৰন (শৰণ), ভৰন (ভৰণ), পৰিমান (পৰিমাণ), সোন (সোণ), দুগুন (দুগুণ), নাৰায়ন (নাৰায়ণ), লক্ষন (লক্ষণ), মৰন (মৰণ', গুন (গুণ) ইত্যাদি।

১.৩ নামনি অসমৰ উপভাষাত 'জ'ৰ ঠাইত 'ঝ'ৰ প্ৰয়োগ বেছি। *ডাক-প্ৰবচন*-ৰ পাঠত 'ঝ'ৰ প্ৰয়োগহে বিশেষভাৱে লক্ষ্য কৰা যায় ঃ ঝালুক (জালুক), ঝাল (জাল), মাঝে মাঝে (মাজে মাজে), বাঝে (বাজে), বুঝিয়া (বুজিয়া), সুঝিয়া (সুজিয়া), বাঝ (বাজ), ঝোকাৰি (জোকাৰি), ঝাপত (জাপত), জুঝাৰ (যুজাৰ), ঝাএো (জাও), ঝোল (জোল), বুঝি (বুজি), বুঝিব (বুজিব), ঝাৰি (জাৰি), ঝুঝে (যুজে), বুঝাই বুঝাই (বুজাই বুজাই), সাঝিবা (সাজিবা) ইত্যাদি।

১.৪. 'ক্ষ'ৰ ঠাইত 'খ'ৰ প্ৰয়োগ দেখা যায় ঃ খুদ্ৰ (ক্ষুদ্ৰ), দখিনে (দক্ষিণে), খয়ঙ্কৰ (ক্ষয়ঙ্কৰ), খীন (ক্ষীণ), খিন (ক্ষীণ), খুধা (ক্ষুধা), পখে (পক্ষে), সাখি (সাক্ষী) ইত্যাদি।

১.৫ কোনো কোনো ক্ষেত্ৰত খ > ক্ষ হোৱাও দেখা যায়; দ্বিতিয়তে সনিয়ে হৰে খ্যাতি। (ডা. প্ৰ., পৃঃ ৫৫)

১.৬ কোনো কোনো শব্দ ৰূপত (form) ক > খ লৈ পৰিবৰ্তিত হোৱাৰ উদাহৰণো পৰিদৃষ্ট হয় ঃ

(ক) সুখুতাৰ পাত বেসুয়াৰৰ জোল। (*ডা. প্ৰ.*, পৃঃ ২৯)

(খ) ভোজনৰ ৰস ভুঞ্জে ভোখে। (*ডা. প্ৰ.*, পৃঃ ২২)

(গ) বাহৰ আগত সুখাই তেবে। (*ডা. প্ৰ.*, পৃঃ ৫৬)

(ঘ) ৰৌদ্ৰত কাটি থই সুখাই। (*ডা. প্ৰ.*, পৃঃ ৩৩)

১.৭ কোনো কোনো ক্ষেত্ৰত খ > ক লৈ পৰিবৰ্তিত হোৱাৰ উদাহৰণো নেদেখাকৈ থকা নাযায় ঃ

লাকুতিত বান্ধিবা ভাৰ। (*ডা. প্ৰ.*, পৃঃ ৯৩)

১. ৮ ষ > খ ধ্বনিলৈ পৰিবৰ্তিত হোৱাৰ প্ৰৱণতা বিশেষভাৱে নামনি অসমৰ কথিত ভাষাৰ এটা অন্যতম বিশেষত্ব। 'ডাক-প্ৰবচন'ৰ পাঠৰ ভাষাতো এই বৈশিষ্ট্যটো লক্ষ্য কৰিব পাৰি ঃ

(ক) ক্ৰাখত কলচি জলক জাই। (*ডা. প্ৰ.*, পৃঃ ৩৩)

(খ) কাখত কলচি কহন্ত কথা। (পৃঃ ৮৯)

(গ) সুতিকাৰ কাখে ৰাখিব জুই। (পৃঃ ৩)

(ঘ) সুতিকা কাখৰে নথৈবা পানি। (পৃঃ ৪)

(ঙ) কাখত লোকে হাই নকৰিব। (পৃঃ ৫)

১.৯ (i) শ্চ > চ, (ii) ঠ > থ > ত হোৱাৰ দৃষ্টান্তও *ডাক-প্ৰবচন*-ৰ পাঠত নোপোৱাকৈ থকা নাযায় ঃ

(i) (ক) পচিমে গাজিলে আনে। (পৃঃ ২৭)
(খ) সিৰচেদ তাৰ হুইবে নিচিত। (পৃঃ ৬৩)
(গ) সিতো ধনবন্ত হোৱে নিচয়। (পৃঃ ৬৪)
(ii) (ক) আতত (আঠত) তিতা দাতত লোন। (পৃঃ ৮৪)

১. ১০ *ডাক-প্ৰবচন*-ৰ পাঠত সংযুক্ত 'ষ্ঠ' আৰু 'স্থ' ধ্বনি ক্ৰমে 'ষ্ট' আৰু 'স্ত' ধ্বনিলৈ পৰিবৰ্তন হোৱা দেখা যায়। যেনে ঃ

শ্ৰেষ্ট, বলিষ্ট; গৃহস্তালি, গৃহস্ত ইত্যাদি।

১. ১১ শ, ষ, স— এই তিনিওটা উষ্ম ধ্বনিৰ (fricative or spirant) মাজত 'স' ধ্বনিৰ প্ৰয়োগ আপেক্ষিকভাৱে বেছি ঃ দসমূল (দশমূল), সিসুক (শিশুক), সিৰে (শিৰে), সুৱাইব (শুৱাইব), নিসা (নিশা), সালি (শালি), সোভন (শোভন), আস (আশ), সাৰি (শাৰী), প্ৰসংসে (প্ৰশংসে), সালা (শালা), সত্ৰু (শত্ৰু), সুনা (শুনা), সপত (শপত), সংসয় (সংশয়), দোস (দোষ), প্ৰায়স্বিত্ত (প্ৰায়শ্চিত্ত), সাঠি (ষাঠি), বিস (বিষ), সিত (শীত), সৰ (শৰ), বেস্যা (বেশ্যা), পসু (পশু), কেসৰি (কেশৰী), সাক (শাক), ইস (ইষ), সন্তোস (সন্তোষ) ইত্যাদি।

১. ১২ 'ষত্ব বিধান'ৰ নিয়ম প্ৰায়ে ৰক্ষিত হোৱা নাই ঃ তৃসাৰ্ত্ত (তৃষাৰ্ত্ত), বৃস্তি (বৃষ্টি), পুস্ত (পুষ্ট), কৃসি (কৃষি) ইত্যাদি।

১. ১৩ সংযুক্ত ধ্বনিৰ ক্ষেত্ৰত 'য' (J) ধ্বনি 'এ'লৈ ৰূপান্তৰিত হোৱাৰ উদাহৰণো পোৱা যায়। যেনে ঃ

(ক) সেই বেঞ্জন সাৰ বোলে ডাক। (পৃঃ ৩০)
(খ) এই বেঞ্জন জিজনে খাই। (পৃঃ ৩১)
(গ) আন বেঞ্জনক কৰিব দূৰ। (পৃঃ ৩১)
(ঘ) পৰিহৰ বাহি ভৈলে বেঞ্জনৰ সুখ। (পৃঃ ৪২)
(ঙ) তাহাৰ অঙ্গ হৈব বেথিত। (পৃঃ ৬৩)

১. ১৪ 'চ' আৰু 'ছ' ধ্বনিৰ মাজত 'চ' ধ্বনিৰ প্ৰয়োগ পৰিদৃষ্ট হয় ঃ চিঙ্গে (ছিঙ্গে), মাচ (মাছ), চাগ (ছাগ), চাই (ছাই), চোৱালি (ছোৱালী), চমাহ (ছমাহ), মিচা (মিছা), চলে (ছলে), চেদয় (ছেদয়) ইত্যাদি।

১. ১৫ 'ট' ধ্বনিৰ ঠাইত 'ত' ধ্বনিৰ ব্যৱহাৰ হোৱাৰো প্ৰমাণ পোৱা যায় ঃ তোকেৰি (টোকাৰি), জিতো (ঘিটো) ইত্যাদি।

১. ১৬ 'প' ধ্বনিৰ ঘোষীভূত ৰূপ 'ব'ৰ প্ৰয়োগো মাজে মাজে চকুত নপৰাকৈ নাথাকে ঃ নৰৰ লঘু লেবলেবোয়া (লেপলেপোৱা)। (পৃঃ ২৩)

১. ১৭ 'স' ধ্বনি আৰু ইয়াৰ পৰিবৰ্তিত ৰূপ 'হ'ৰ প্ৰয়োগো লক্ষ্য কৰিব পাৰি ঃ

(ক) বেহা কৰিবা লো কপাহ। (পৃঃ ২৩)
(খ) তত লাভ পাই কলা কপাহে। (পৃঃ ৩৬)
(গ) জি নাৰিৰ আলাস কপাহ সুতাৰ কাৰ্জে। (পৃঃ ৪১)

১. ১৮ নামনি অসমৰ বিশেষকৈ কামৰূপী উপভাষাত 'জ্যো' সংযুক্ত ধ্বনি 'জৌ' ৰূপে

উচ্চাৰিত হোৱা দেখা যায়। *ডাক-প্ৰবচন*-ৰ ভাষাতো এই প্ৰৱণতাৰ দৃষ্টান্ত নোপোৱাকৈ থকা নাযায় ঃ

(ক) চোৰে ভাল নেদেখে চন্দ্ৰৰ জ্যোতি। (পৃঃ ১৩)

১. ১৯ মান্য অসমীয়াত ব্যৱহৃত 'যোৱা বছৰ' পদৰ অৰ্থ সূচিত কৰিবলৈ নামনি অসমৰ, বিশেষকৈ দৰঙী কথিত ভাষাত 'আৰ বছৰা' পদৰ (term) ব্যৱহাৰ দেখা যায়। *ডাক-প্ৰবচন*-ৰ ভাষাতো এই পদটোৰ প্ৰয়োগ লক্ষ্য কৰিব পাৰি ঃ

'আৰ বছৰত পৰ বাৰ পাই।' (পৃঃ ৭৪)

১. ২০ কথিত ৰূপত একেটা শব্দৰে বিভিন্ন ৰূপ দেখাৰ নিচিনাকৈ *ডাক-প্ৰবচন*-ৰ ভাষাত কিছুমান পদৰ একাধিক ৰূপ দেখা যায়। যেনে ঃ

উশাহ, উয়াহ, উশাস, উসাস।
কুষ্ঠি, কৌষ্ঠি, কোষ্ঠি।
পৈ, পই; নৈ, নই।
তিৰোতা, তিৰুতা, তিৰতা।
পোৱাতি, পোয়াতি, পোএগতি।
এৰা, আএগ, এএগ।
সাওন, সাৱন, সাএন।

১. ২১ নিষেধাত্মক উপসৰ্গ (Negative Particle) 'ন'ৰ পৰৱৰ্তী ক্ৰিয়াৰ সৈতে অসমীভূত আৰু সমীভূত উভয় ৰূপৰে প্ৰয়োগ *ডাক-প্ৰবচন*-ৰ ভাষাত পৰিলক্ষণীয়। যেনে ঃ অসমীভূত ৰূপ ঃ

(ক) বটিয়া খুৱাইব নথাকে বাঙ্কি। (পৃঃ ৩)
(খ) ঘন পোৱাতিৰ নহৈবা জোয়াই। (পৃঃ ১৮)
(গ) তিনি তিৰতাৰ পৈ নপাই ভাত। (পৃঃ ২৬)
(ঘ) এএগ ভাঙ্গিলে নথাবা এদা চৈই। (পৃঃ ২০), ইত্যাদি।

সমীভূত ৰূপ ঃ (ক) অহিতে সিসুক জনে নেদেখি। (পৃঃ ৩)
(খ) দিনত সিসুক নাচাৰিব জনে। (পৃঃ ৩)
(গ) সপুত্ৰনি নাৰি সঙ্গে নেড়িব। (পৃঃ ৩)
(ঘ) পানিৰ ঘাটত নুহিবা আগা। (পৃঃ ১৭)

১. ২২ *ডাক-প্ৰবচন* পুথিত 'বৎসৰ' আৰু 'মৎস্য' শব্দ দুটিৰ সমীভূত ৰূপ যথাক্ৰমে 'বচ্ছৰ' আৰু 'মচ্ছ'ৰ প্ৰয়োগ উল্লেখ কৰিব পাৰি। যেনে ঃ

ভিক্ষা মাগি ভুঞ্জিব বাৰে বচ্ছৰে। (পৃঃ ১০)
সাঠি বোচ্চৰত বোলে আই। (পৃঃ ১১)
বচ্ছৰকে তাৰ নিমিলে ৰঙ্গ। (পৃঃ ৪৮)
আৰু, মচ্ছ মাংস যদি হোৱে প্ৰচুৰ। (পৃঃ ৪০)

'শিষ্য' শব্দৰ সমীভূত আৰু তাৰ সম্প্ৰসাৰিত ৰূপ 'সিচ'ৰ প্ৰয়োগ দেখা যায়। যেনে ঃ

'ভকতি আতাই তাই সিচো কপটিয়া শুৰু আসাধাৰী। (পৃঃ ২৬)

১.২৩ স্বতঃস্ফূৰ্ত আনুনাসিক্যীভৱনৰ উদাহৰণো দুই এটা দেখা যায় ঃ

(ক) বটিয়া খুৱাইব নথাকে বাঙ্কি। (পৃঃ ২)

(খ) পালে বস্তু পুতেকলৈ সাঞ্চে। (পৃঃ ১৩)

(গ) চয়ে তামোল নন্দন বন্দন। (পৃঃ ৪১)

১.২৪ কথিত পৰম্পৰাত দীৰ্ঘ স্বৰধ্বনিৰ প্ৰয়োগ কম। 'ডাক-প্ৰবচন'ৰ ভাষাতো ঈ, ঊ আদিৰ প্ৰয়োগ নিচেই কম। যেনে ঃ কাহিনি (কাহিনী), জিব (জীব), পৰিক্ষা (পৰীক্ষা), পানি (পানী), নিতি (নীতি), হিৰা (হীৰা), তিৰ্থ (তীৰ্থ), স্বামি (স্বামী), ক্ষিৰে (ক্ষীৰে), গিতাল (গীতাল), সিত (শীত), ধনি (ধনী), মূল (মূল), পুবলৈ (পূবলৈ), ৰূপা (ৰূপা), সুদ্ৰ (শূদ্ৰ), সুতা (সূতা), দুৰ (দূৰ), পুজে (পূজে), মুৰুখ (মুৰুখ) ইত্যাদি।

১. ২৫ স্ত্ৰীবাচক পদবোৰো প্ৰায়ে ইকাৰন্ত হোৱা দেখা যায় ঃ জননি (জননী), নাৰি (নাৰী), ঘৰিনি (ঘৰিণী), ধৰনি (ধৰণী), বোয়নি (বোৱনী), তিৰি (তিৰী), লক্ষি (লক্ষ্মী), চোৱালি (ছোৱালী), নটিনি (নটিনী), বুঢ়ি (বুঢ়ী), স্ত্রি (স্ত্ৰী), ধুবুনি (ধুবুনী), মালিনি (মালিনী), গোআলি (গোৱালী), ইত্যাদি।

১. ২৬ সংস্কৃতৰ নিচিনাকৈ 'আ'ৰ সহায়ত লিঙ্গ পৰিবৰ্তন কৰাৰ দৃষ্টান্ত নথকা নহয় ঃ

ডাকে বোলে দুষ্টা জানিবা তাই। (পৃঃ ২৯)

১. ২৭ 'অ' ধ্বনি 'এ'-লৈ পৰিবৰ্তিত হোৱাৰ উদাহৰণ 'ডাক-প্ৰবচন'ত পোৱা যায় ঃ

(ক) পানিৰ ঘাটক একলে জাই। (পৃঃ ৭২)

(খ) এঞা ভাঙ্গিলে নাখাবা এদা চৈই। (পৃঃ ২১), ইত্যাদি।

১. ২৮ 'অ' ধ্বনি 'ও'-লৈ পৰিবৰ্তিত হোৱাৰ উদাহৰণ লক্ষ্য কৰিব পাৰি ঃ সাগোৰ (সাগৰ), ওলোট (ওলট), বিপোৰিত (বিপৰীত), সোমান (সমান), গোৰখিয়া (গৰখীয়া), তেলো (তেল), মাচোক (মাছুক), ইত্যাদি।

১. ২৯ কোনো কোনো শব্দ ৰূপত 'আ' ধ্বনিৰ সলনি 'অ' ধ্বনিৰ প্ৰয়োগ দেখা যায়। যেনে ঃ

ঔসচ বাঝে মঙ্গল্য কৰি। (পৃঃ ৩)

ইয়াৰ বিপৰীতে 'অ' ধ্বনিও 'আ' ধ্বনিলৈ ৰূপান্তৰিত হোৱা দেখা যায়। যেনে ঃ

অভ্যান্তৰে থৈবা সুহৃদ ৰাখি। (পৃঃ ২)

তেবেসে ৰাজাৰ দায়াক পাই। (পৃঃ ২২), ইত্যাদি

১. ৩০ কথিত ৰূপত সঘনে দেখা বিশেষত্ব যেনে ঃ

(ক) ও > উ, (খ) ও > অ, (গ) অ > এ, (ঘ) উ > ও আদি বৈশিষ্ট্যও 'ডাক-প্ৰবচন'ত পৰিদৃষ্ট হয়। যেনে ঃ

(ক) বুলয়, বুলে, কহু, উদ্যুগ, কাপুৰ, মনুৰথ, ইত্যাদি।

(খ) তিৰতা, 'পোলগা তিৰতা ঘৰলৈ নানি।' (পৃঃ ১৩)

(গ) ক্ষেত্ৰিয়, 'ক্ষেত্ৰিয়গনৰ জুদ্ধ কৰণ।' (পৃঃ ৩)

(ঘ) অমোল্য, ভোবন, 'কথাৰ ৰস ভোৱনত সাৰ।।' (পৃঃ ১৭)

১. ৩১ নামনি অসমৰ কথিত ভাষাত মধ্যবৰ্তী 'ই' ধ্বনি 'উ'-লৈ পৰিবৰ্তিত হোৱাৰ নিচিনাকৈ 'ডাক-প্ৰবচন'ৰ পুথিৰ ভাষাতো মধ্যবৰ্তী 'ই' ধ্বনি, 'উ' ধ্বনিলৈ পৰিবৰ্তিত হোৱা দেখা যায়। যেনে ঃ

বৰুসন হ'লে তিনিকো নাপাই। (পৃঃ ২০)

১. ৩২ ঋ>ৰি, যেনে ঃ

(ক) ৰিনৰ সাখি জদি নাই খত। (পৃঃ ৭)

(খ) ৰিক্ষ তিথি জেবে দুয়োতুল। (পৃঃ ৩৬)

১. ৩৩ 'ডাক-প্ৰবচন'ৰ পুথিৰ ভাষাত 'ঋ' আৰু ৰ্ (ৃ) ধ্বনিৰ মাজত পাৰ্থক্য ৰখা দেখা নাযায়। যেনে ঃ

গৃষ্ম (গ্ৰীষ্ম), ত্ৰিতিয়া (তৃতীয়া), ৰাতৃ (ৰাত্ৰি), ইত্যাদি।

১. ৩৪ বৰ্ণ বিপৰ্যয়ৰ পৰিণতিস্বৰূপে 'অশৌচ' পদ 'ঔসচ' ৰূপলৈ ৰূপান্তৰিত হৈছে ঃ 'ঔসচ বাঝে মঙ্গল্য কৰিঁ।' (পৃঃ ৩)

১. ৩৫ শ্ৰুতিধ্বনিৰ বিকাশ হোৱা কোনো কোনো ক্ষেত্ৰত দেখা গ'লেও অনেক ক্ষেত্ৰত শ্ৰুতিধ্বনিৰ বিকাশ হোৱা দেখা নাযায়। যেনে ঃ

(ক) চাগ চাএ চাই। (পৃঃ ২০)

(খ) কাটোক নকাটোক লোএ।
পোহোক নোপোহোক পোএ।। (পৃঃ ২০)

(গ) জদি দৈৱ বসে হএ শনিবাৰ। (পৃঃ ৩৬)

(ঘ) বোয়াৰি থাকে মুখলৈ চাই। (পৃঃ ১২)

(ঙ) ঘন পোৱাতিৰ নহৈবা জোয়াই। (পৃঃ ১৩)

(চ) কাঁয়ে মাচক কচি কুটিয়া। (পৃঃ ২৩)

(ছ) পুয়া হলি জাবা নিআৰ সাৰি। (পৃঃ ৭৫)

(জ) চিত জোৰআ চলি কাতি। (পৃঃ ২৩)

(ঝ) ধুবুনি মালিনি নটি গোআলি। (পৃঃ ২৯)

(ঞ) পুআ জাবি গধুলি য়াহিবি। (পৃঃ ৪২)

(ট) গলত বেখা কুকুআ কান। (পৃঃ ৭০)

(ঠ) গলত বেখা পসিআ থাকয়। (পৃঃ ৭২)

(ড) বোলন্ত ডাকে বিধোআ সুল। (পৃঃ ৭২), ইত্যাদি।

১. ৩৬ কথিত ৰূপত 'ই' ধ্বনি আৰু 'য়' ধ্বনিৰ প্ৰয়োগত প্ৰায়ে পাৰ্থক্য নাথাকে। 'ডাক-প্ৰবচন'ৰ পুথিৰ ভাষাতো কথিত ৰূপৰ এই বৈশিষ্ট্যটো ৰক্ষিত হৈছে। যেনে ঃ

(ক) গৰুয় নাজানে গৃহন্তৰ ধান। (পৃঃ ১৫)

(খ) আগে বই পাচে বাই।
সেহি গৃহন্তৰ লাখেক বই।। (পৃঃ ১৬)

(গ) জাত্ৰাৰ ৰস আনে বই ভাৰ। (পৃঃ ১৭)
(ঘ) জি ৰাজায় প্ৰজাক পালে। (পৃঃ ২২)
(ঙ) আই নাচাই ব্যয় কৰে প্ৰচুৰ। (পৃঃ ২৬)
(চ) তাহাক সক্ৰয় জিনিব জেবে। (পৃঃ ৪৮)

১. ৩৭ স্বৰভক্তিৰ সহায়ত সংযুক্ত ব্যঞ্জন ধ্বনিবিশ্লিষ্ট কৰাৰ উদাহৰণ 'ডাক-প্ৰবচন'ৰ পাঠত পোৱা যায়। যেনে ঃ

(ক) কিৰিসি পান পুত্ৰ ধন। (পৃঃ ২০)
(খ) কিৰিসি কৰিবা চাহ পুৰনা। (পৃঃ ৪২)
(গ) তেবেসে কৰিসিৰ ফলক পাই। (পৃঃ ৪২)
(ঘ) মৰনক যদি আছে তৰাস। (পৃঃ ৬৫)
(ঙ) উদফাই চিত্ত সবদ জেবে। (পৃঃ ৬৭)
(চ) সিতো গৃহস্তৰ নাহিকে চিৰি। (পৃঃ ৭২)

১. ৩৮ 'ডাক-প্ৰবচন'ৰ পুথিৰ ভাষাত ১মাদি বিভিন্ন বিভক্তিৰ প্ৰয়োগ দেখা যায়। যেনে ঃ

১মা - এ ঃ (ক) উপজিয়া ডাকে বোলন্ত বাক। (পৃঃ ১)
(খ) বোলন্ত ডাকে দৈবে বাধা নাই। (পৃঃ ৬)
(গ) চোৰে ভাল নেদেখে চন্দ্ৰৰ জ্যোতি। (পৃঃ ১০)
(ঘ) বাপে-পোৱে যদি কন্দন বাজে। (পৃঃ ৮)
(ঙ) গুৰুএ যদি দেখে লগ্নক। (পৃঃ ৪৬), ইত্যাদি।

২য়া - ক ঃ (ক) পোএগতি ৰাখি চাৰ পুতাক। (পৃঃ ১)
(খ) অহিতে সিসুক জনে নেদেখি। (পৃঃ ২)
(গ) সুৰ্য্যক দেখাইবা নয়ন ভৰি। (পৃঃ ৩)
(ঘ) ডাকে বোলে তাইক খেদা নিকালি। (পৃঃ ২৬)

৩য়া - এ ঃ (ক) তাৰ মুখে কথা হৈবেক বাঝ। (পৃঃ ৫)
(খ) স্বামিৰ দোষে ভৃত্যৰ দণ্ড। (পৃঃ ৭)
(গ) প্ৰত্যেক দিবসে ভোজন ক্ষিৰে। (পৃঃ ৮)
(ঘ) পৰৰ ভাতে জাই দিন। (পৃঃ ৪৮)
(ঙ) আদাএ ভোজন সিলিখাএ মুসুদ্ধি। (পৃঃ ৬৭)

৪ৰ্থী - লৈ ঃ (ক) পুবলৈ সিৰে সিসু সুয়াইব। (পৃঃ ২)
(খ) বোয়াৰি থাকে মুখলৈ চাই। (পৃঃ ১২)
(গ) পালে বস্ত্ৰ পুতেকলৈ সাঞ্চে। (পৃঃ ১৩)
(ঘ) সিজা ভাতো এড়ি ৰাজসভালৈ জাবা। (পৃঃ ২০)
— লে ঃ (ক) মিতিৰৰ ঘৰলে চমাহে বৎসৰেকে জাবা। (পৃঃ ২০)

৫মী - হন্তে ঃ (ক) পৰ গৃহ হন্তে ৰাখিবা নাৰি। (পৃঃ ২৮)

(খ) ৰিপু হন্তে তাৰ মিলে সংশয়। (পৃঃ ৫৪)

—ৰ ঃ সদায় হাসি মুখৰ নেৰে। (পৃঃ ৩০)

—পৰা ঃ (ক) কৈৰ পৰা আহে চহাল কুকুৰ। (পৃঃ ১২)

(খ) তিনি দিনৰ পৰা চুৰানিৰ কুকুৰ। (পৃঃ ১৩)

৬ষ্ঠী - ৰ ঃ (ক) কলা তুলসি বেলৰ পাত। (পৃঃ ১)

(খ) কালিৰ ভাগক ৰাখে জতনে। (পৃঃ ৪)

(গ) প্ৰসংসে তাহাক ৰবিৰ নন্দনে। (পৃঃ ৪)

(ঘ) সোনাৰ তুল্য কন্যা দান। (পৃঃ ৪)

৭মী - ত ঃ (ক) মুথা সমে খুন্দি পটাত। (পৃঃ ১)

(খ) নিসাত ৰাখিব মাৰে জতনে। (পৃঃ ১)

(গ) ঋণৰ সাখি যদি নাই খতত। (পৃঃ ৭)

(ঘ) মাঘি সপ্তমিত গৰজে দেৱ। (পৃঃ ৬০)

(ঙ) উদৰত নকৰে ৰোগ নিবাস। (পৃঃ ৬৭)

— এ ঃ (ক) ধুৰাই পখলাই কোলে লৈব জবে। (পৃঃ ১)

(খ) উৎপত্তি কালে তৃসাৰ্ত্ত জানি। (পৃঃ ৩)

(গ) প্ৰত্যেক দিবসে ভোজন ক্ষিৰে। (পৃঃ ৮)

(ঘ) ঘৰে ঢেকি পৰ ঠাই জাই। (পৃঃ ২৮)

কোনো কোনো ক্ষেত্ৰত ২য়া বিভক্তিৰ সলনি ৭মী বিভক্তিৰ প্ৰয়োগ কৰা দেখা যায়। যেনে ঃ

সাসুৰিত পুচি কৰে আয় ব্যয়। (পৃঃ ২৫)

তেনেদৰে ৬ষ্ঠী বিভক্তিৰ সলনি ৭মী বিভক্তি প্ৰয়োগ কৰা হৈছে। যেনে ঃ

উৰুষা ঘৰতে চালত লাউ। (পৃঃ ১৮)

১. ৩৯ বৰ্ত্তমান কালৰ ধাতুত 'অন্ত' যোগ কৰি সমাপিকা ক্ৰিয়া সিদ্ধ কৰাৰ উদাহৰণ 'ডাক-প্ৰবচন'ৰ পাঠৰ ভাষাত পৰিদৃষ্ট হয়। যেনে ঃ

(ক) উপজিয়া ডাকে বোলন্ত বাক। (পৃঃ ১)

(খ) ধৰ্ম্ম কৰি কথা সোধন্ত ৰাজ। (পৃঃ ৫)

(গ) বোলন্ত ডাক সাৰ্থক জিবন। (পৃঃ ৮)

১. ৪০ ৰেফ্‌যুক্ত বৰ্ণ সাধাৰণতে দ্বিত্ব ৰূপত দেখা যায়। যেনে ঃ

ধৰ্ম্ম, কৰ্ম্ম, নৰ্ক্কে, সৰ্ব্ব, গৰ্ব্ব, ইত্যাদি।

১. ৪১ বৰ্ত্তমান, অতীত আৰু ভৱিষ্যত— তিনিওটি কালৰ প্ৰয়োগ 'ডাক-প্ৰবচন'ৰ ভাষাত লক্ষ্য কৰিব পাৰি। নিত্য বৰ্ত্তমান কালৰ তৃতীয় পুৰুষত 'এ'ৰ প্ৰয়োগ দেখা যায়। যেনে ঃ

(ক) ধনি জাই (যায়) গাৱ ঝোকাৰি। (পৃঃ ১২)

(খ) পৰৰ স্ত্ৰীত কৰে চিত্ত। (পৃঃ ১৫)

স্বৰূপ ভূত কালৰ তৃতীয় পুৰুষত 'ইলে'ৰ প্ৰয়োগ লক্ষ্য কৰিব পাৰি। যেনে ঃ

লাজ কৰিলে হৰাই কাৰ্য্য। (পৃঃ ১৮)

ভৱিষ্যৎ কাল সূচিত কৰিবলৈ ধাতুৰ পিছত 'ইব' বিভক্তি প্ৰয়োগ হোৱা দেখা যায়। যেনে ঃ

(ক) ভালে ভালে ফুল পৰিব তেবে। (পৃঃ ১)

(খ) পত্ৰত নাম লিখি ৰাখিব। (পৃঃ ৬)

অনুজ্ঞাৰ সন্মানাৰ্থত 'আ' বিভক্তিৰ প্ৰয়োগ লক্ষ্য কৰিব পাৰি ঃ

(ক) হৰিধ্বনি কৰি নাভি কাটিবা। (পৃঃ ১)

(খ) বাৰিসা কুমাৰৰ নিকিনিবা চৰু। (পৃঃ ১৯)

অনুজ্ঞাৰ তুচ্চাৰ্থত 'আ' বিভক্তিৰ প্ৰয়োগ পৰিদৃষ্ট হয় ঃ

(ক) পোএগতি ৰাখি চাব পুতাক। (পৃঃ ১)

(খ) বহু ঘৰ বহু নৰ। ডাকে বোলে নকৰ নকৰ।। (পৃঃ ৬৩)

১. ৪২ 'ডাক-প্ৰবচন'ৰ পাঠৰ ভাষাত মান্য অসমীয়াত অপ্ৰচলিত অথচ নামনি অসমৰ কথিত ভাষাত ব্যৱহৃত কিছুমান ৰূপৰ (form) প্ৰয়োগ সহজে লক্ষ্য কৰিব পাৰি, যেনে ঃ বিদিচাই, গাতি, টেলেঙ্গা, ভৰা, চাহি, চহলিয়া, পথৰ, ভোচা, সৰখিয়া, পনেইখুৰ,.বাউমুৰা, গৰিয়াগুটি, মেচি, বিভাৰমুৰা, দিগি, ঘৰ্ন্নিয়াক, মেচা, হাপামুখি, চোতালহানপিঠি, হেঙ্গেৰাদাতি, পাতাল (লঘু), হাদিৰ মেল, চকলামুখি, ধাৰাহান পিঠি, বটেলি, ইত্যাদি।

১.৪৩ 'ডাক-প্ৰবচন'ৰ পাঠত নামনি অসমৰ কথিত ভাষাৰ অনেক শব্দৰূপৰ ব্যৱহাৰ থকাৰ উপৰি অনেক বাক্য ৰূপৰো প্ৰয়োগ লক্ষ্য কৰিব পাৰি। যেনে ঃ

(ক) সকলো বন এডি পকা ধান দাবা। (পৃঃ ১২)

(খ) বেলি পৰি গেল নহল সোধোতা। (পৃঃ ২০)

(গ) পোৰা মাচ নষ্ট গেল ঢমঢমিয়া জুই।
জি নষ্ট গেল পৰৰ ঘৰত থই।।
চাল নষ্ট গেল কাতি সতাত।
ঘৰ নষ্ট গেল ভুৰভুৰিয়া কথাত।। (পৃঃ ২০)

(ঘ) আখেৰ তপত। তিৰিৰ সপত।। (পৃঃ ২১)

(ঙ) খাবাৰ বেলা মুণ্ড নোতোল। (পৃঃ ২৬)

(চ) স্বামিৰ বাক্য কিচো নেপেলাই।। (পৃঃ ২৭)

(ছ) ডাকে বোলে হৈল নাৰ। (পৃঃ ২৯)

(জ) বিগুতি ৰঙ্গে কৰে ধৈমালি। (পৃঃ ৩১)

(ঝ) পানিৰ ঘাটক খৰ কৰি জাই। (পৃঃ ৩২)

(ঞ) ঘৰৰ ঢেকি আচোতে পৰৰ ঢেকি জাই। (পৃঃ ২৯)

(ট) কষ্ট পুষ্ট যদি হোৱে মুৰ। (পৃঃ ৩৭)

(ঠ) ভাল কাপুৰ নষ্ট গেল নিতে ললে ঝাপত। (পৃঃ ১৩)

(ড) ঝকৰা পন্তা কৰিবা গ্ৰাহ। (পৃঃ ৬৩)

(ঢ) বাই তোকেৰি বাই তাল। (পৃঃ ৬৯)

১. ৪৪ বিদেশী শব্দৰ ভিতৰত ফাৰ্চী 'হাৰামখোৰ' পদটোৰ প্ৰয়োগ দেখা যায় ঃ

ডাকৰুৱা খলিহা হাৰামখোৰ। (পৃঃ ১৯)

জুইৰ পৰিবৰ্তে অন্ততঃ এঠাইত 'আগুন' পদৰ প্ৰয়োগ লক্ষ্য কৰিব পাৰি ঃ

পিৰিক পাবাক কৰে আগুন। (পৃঃ ১)

১. ৪৫ সংস্কৃতীয়া ঠাঁচৰ বাক্যও দুই এটা নথকা নহয়। যেনে ঃ

ৰাজ্য হস্তি বিহাৰে মন্ত্ৰি। বিনাযুদ্ধে প্ৰজা মৰন্তি।। (পৃঃ ৫৯)

১. ৪৬ 'ডাক-প্ৰবচন'ৰ পাঠৰ ভাষাত আধুনিকতাৰ স্পষ্ট প্ৰভাৱ অস্বীকাৰ কৰিব নোৱাৰি। মুখ-পৰম্পৰা প্ৰবহমান অথচ জনপ্ৰিয় গীত, পদ, লোকোক্তিৰ ভাষাত আধুনিকতাৰ প্ৰভাৱ পৰা স্বাভাৱিক। সেয়েহে 'ডাক-প্ৰবচন'ৰ পাঠৰ ভাষাতো আধুনিকতাই স্থান লাভ কৰিবলৈ সক্ষম হৈছে। যেনে ঃ

(ক) লোন ঋালুক দি খুৱাব ঝোল। (পৃঃ ১)
(খ) মুখ চাই ৰান্ধনি নেদিয়ে ভাত। (পৃঃ ১২)
(গ) খালা নাখালা সোধোতা নাই। (পৃঃ ১২)
(ঘ) পালে বস্তু পুতেকলৈ সাঞ্চে। (পৃঃ ১৪)
(ঙ) বুঢ়া গৰুৰ শিঙ্গে ভাৰ। (পৃঃ ১৪)
(চ) এদিনৰ মিতিৰ দুদিনৰ মিতিৰ।
তিনি দিনৰ পৰা চুৰানিৰ কুকুৰ।। (পৃঃ ২০)
(ছ) আজৰি পালে ওলাই জাই। (পৃঃ ৩০)
(জ) শুক্ৰবাৰে খাব আখৈ।। (পৃঃ ৬৮)
(ঞ) ফাগুনৰ মাটি সোনাৰ মাটি। (পৃঃ ৩৮)
(ট) যেনেকৈ ৰজাই পালে ৰাণীক। (পৃঃ ৪০)
(ঠ) গৰু কিনিবা চিতৰা পখৰা। (পৃঃ ৩৮), ইত্যাদি।

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে, *ডাক-প্ৰবচন*ৰ পাঠৰ ভাষাৰ বানান পদ্ধতি, শব্দৰূপ আদিৰ ক্ষেত্ৰত সমৰূপতা (Uniformity) মুঠেই ৰক্ষিত হোৱা নাই। লিখিত পৰম্পৰাৰ ওপৰত প্ৰতিষ্ঠিত পুথিৰ ভাষাত ন্যূনতম সমৰূপতা ৰক্ষিত নোহোৱাকৈ নাথাকে। অন্যহাতে মৌখিক পৰম্পৰাৰ ওপৰত প্ৰতিষ্ঠিত পাঠত সমৰূপতা নথকাই স্বাভাৱিক, যদিহে লিখক বা লিপিকাৰ ভাষাৰ সমৰূপতাৰ প্ৰতি সচেতন আৰু সজাগ নহয়। *ডাক-প্ৰবচন* পুথিৰ লিখক বা লিপিকাৰসকলে *ডাক-প্ৰবচন*ৰ মূল পুথিৰ ওপৰত নিৰ্ভৰ কৰি ডাক-প্ৰবচনৰ বিভিন্ন পুথিবোৰ লিখাহেঁতেন সেইবোৰৰ পাঠৰ মাজতো ন্যূনতম সমৰূপতা ৰক্ষিত হ'লহেঁতেন; কিন্তু কাৰ্যতঃ তেনে হোৱা নাই। *ডাক-প্ৰবচন*ৰ পুথিৰ ভাষাত কথিত ভাষাৰ, বিশেষকৈ লোক ভাষাৰ প্ৰভাৱ স্পষ্ট। মৌখিক পৰম্পৰাৰ ওপৰত নিৰ্ভৰ কৰি *ডাক-প্ৰবচন*ৰ পুথি ৰচনা কৰিবলগীয়া হোৱা বাবেই ইয়াৰ ভাষাত কথিত ৰূপৰ প্ৰভাৱৰ গভীৰতা আপেক্ষিকভাৱে ব্যাপক। *ডাক-প্ৰবচন*ৰ ভাষাই খ্ৰীঃ ১৮শ শতিকাৰ পূৰ্বৰ অসমীয়া ভাষাৰ নিদৰ্শন নিশ্চিতভাৱে দাঙি ধৰিব নোৱাৰে।

ডাক-প্ৰবচনৰ মূল পাঠ যে কোনো ব্যক্তিবিশেষৰ ৰচনা নহয় আৰু এই বচনবোৰ যে মুখ পৰম্পৰা প্ৰচলিত হৈ আহি এশ-ডেৰশ বছৰৰ পূৰ্বেহে লিখিত ৰূপ লৈছে তাত সন্দেহৰ অৱকাশ নাই। বাচিক কলাৰ (verbal art) অন্তৰ্গত এই লোকোক্তিবোৰ যুগে যুগে মুখ পৰম্পৰা সঞ্চাৰিত হৈ, এশ-ডেৰশ বছৰৰ পূৰ্বে এইবোৰে লিখিত ৰূপ পৰিগ্ৰহ কৰিলেও মৌখিক পৰম্পৰাৰ পৰিৱেশ আৰু গাঁথনি এৰিব পৰা নাই। এই সন্দৰ্ভত মহেশ্বৰ নেওগে সমীচীন মন্তব্য দাঙি ধৰিছে ঃ

মুঠতে ডাক যদি বুৰঞ্জীসিদ্ধ পুৰুষো হয়, তেওঁৰ বিষয়ে প্ৰচলিত বিশ্বাস আৰু তেওঁৰ নামত চলিত প্ৰবচনবোৰ লোকমনৰ মাজৰ পৰাহে জন্ম লোৱা যেন লাগে।[১২]

ডাক, ডংক, খনা, ভড্ডৰ, ভড্ডৰী, ভড্ডলী আদিৰ নামত প্ৰচলিত বচনবোৰ স্বৰূপাৰ্থত নৈৰ্ব্যক্তিক (impersonal) ৰচনা। মৌখিক পৰম্পৰাৰ অন্তৰ্গত শ্ৰেণীবিশেষ ৰূপে মুখে মুখে চলি অহা এই বচনবোৰক পৰৱৰ্তী কালত কাল্পনিক ব্যক্তিবিশেষৰ নামত সংযোগ কৰি লিখিত ৰূপ দিয়া হৈছে। লিখিত ৰূপ পালেই যি কোনো গীত-পদ-বচন আদি মৌখিক পৰম্পৰাৰ অঙ্গীভূত বিষয় হ'ব নোৱাৰে তেনে কোনো কঠোৰ বাধা-নিষেধ নাই।[১৩] গতিকে 'ডাক-প্ৰবচন'বোৰে লিখিত ৰূপ পালেও সেইবোৰ মৌখিক পৰম্পৰাৰ অঙ্গীভূত বাচিক কলা ৰূপে পৰিগণিত হোৱা স্বাভাৱিক।

---

১২. মহেশ্বৰ নেওগ ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা*, পৃঃ ৪০

১৩. "One must not insist that all the transmission, or even the composition, be oral. ..... But one may insist, I think, that a true folksong or folktale will always have some biography, traceable– or at least hypothetical– as tradition in a non-literate or semi-literate society, or must be preserved orally in a literate society because it is obscene or libelous or otherwise uncomfortable in print."
Francis Lee Utley : 'A Definition of Folklore'.
American Folklore, ed. Tristram Coffin, III, P. 12

চতুৰ্থ অধ্যায়
উপসংহাৰ

কৃষিজীৱী-সমাজ ডাক, খনা, ভড্ডৰ, ভড্ডৰী, ভাড, ভড্ডলী, ডংক আদিৰ নামত চলা বচন-প্ৰবচন-উক্তি আদিৰ জন্ম উৎস। এই বচন-প্ৰবচনবোৰৰ প্ৰসঙ্গ (context) যদিও অনেক সময়ত নিৰ্ণয় কৰিব নোৱাৰি তত্ৰাচ যিবোৰ বচনৰ প্ৰসঙ্গ অনুমান কৰি ল'ব পাৰি সেইবোৰ লোক জীৱন, খেতি-বাতি আদিৰ লগত সম্পৰ্কান্বিত। গতিকে ডাকৰ নামত জৰিত এই বচন-প্ৰবচনবোৰক প্ৰাজ্ঞোক্তি ৰূপে অভিহিত নকৰি লোকোক্তি বোলাহে উচিত।

এই প্ৰসংগত উল্লেখ কৰিব পাৰি যে, প্ৰবাদ-বচন-প্ৰবচনৰ আদি স্ৰষ্টা লোকসমাজ। তেওঁলোকৰ সাধাৰণ বুদ্ধি আৰু জ্ঞানৰ বহুদৰ্শিতাৰ অবলম্বনত প্ৰবাদ-প্ৰবচনৰ সৃষ্টি আৰু প্ৰচাৰ হৈছিল। পুৰুষ পৰম্পৰা মুখ বাগৰি আহি লাহে লাহে এইবোৰে সাহিত্যিক ৰচনাত স্থান লাভ কৰিবলৈ সক্ষম হ'ল আৰু তাৰ পৰিণতিস্বৰূপে প্ৰবাদ-প্ৰবচন-বচনবোৰে লাভ কৰিলে পৰিপুষ্টি আৰু স্থায়িত্ব।

লোকসমাজৰ সাধাৰণ মানুহ ব্যতিৰেক শিষ্ট বা জ্ঞানী সমাজৰ প্ৰতিনিধিস্বৰূপ জ্ঞানী ব্যক্তি বা Oracleসকলৰ সুবিবেচিত আৰু স্বল্পাক্ষৰৰ দ্বাৰা সংক্ষিপ্ত আপ্তবাক্য বা বাক্যসূত্ৰৰাজিক জনসাধাৰণে জীৱন-প্ৰবাহৰ গতিবিধি বুলি ধৰি লৈছিল। এইদৰেই সৃষ্টি হৈছিল চলোমনৰ প্ৰবচন বা হেছিয়ডৰ বচন। চলোমনৰ দ্বাৰা সংগৃহীত *Proverbs* গ্ৰন্থত উল্লেখ থকা 'words of the wise and their dark sayings' জাতীয় প্ৰবচনবোৰ প্ৰাজ্ঞ বচন বা প্ৰাজ্ঞোক্তি। লেটিন ভাষাত এই শ্ৰেণীৰ প্ৰাজ্ঞ বচনক বোলা হৈছে—*Sententia*। এই প্ৰাজ্ঞ বচনবোৰক যথাৰ্থতে প্ৰকৃত প্ৰবচন বা প্ৰবাদ বা *Proverbium* বুলিব নোৱাৰি; প্ৰাজ্ঞ বচনৰাজি সদা-সৰ্বদাই জ্ঞানীৰ বিদ্যা আৰু জ্ঞানৰ নিষ্কৰ্ষ, সুচিন্তিত, সুব্যক্ত আৰু উপদেশমূলক নীতি বাক্যৰ দ্বাৰা সম্পৃক্ত; কিন্তু প্ৰকৃত প্ৰবাদ বা প্ৰবচনত পাণ্ডিত্য, চিন্তা বা উপদেশৰ কঠোৰতা নাথাকে।[১]

প্ৰাজ্ঞ বচন অথবা প্ৰাজ্ঞোক্তিক প্ৰকৃতাৰ্থত প্ৰবাদ অথবা প্ৰবচন বুলিব নোৱাৰি, যদিহে সেইবোৰ লোকসমাজৰ দ্বাৰা গৃহীত নহয়। ব্যক্তি বিশেষৰ ৰচনা হৈও প্ৰবাদ, প্ৰবচনবোৰ নৈৰ্ব্যক্তিক ৰচনা, সমাজৰ উমৈহতীয়া সম্পত্তি, সেইবাবে প্ৰকৃত প্ৰবাদ-প্ৰবচনত নাথাকে ৰচয়িতাৰ নাম-ধাম-কাল। প্ৰকৃত প্ৰবাদ-প্ৰবচনবোৰ সাৰ্বকালিক। প্ৰবাদ-প্ৰবচনৰ সংযোগত কোনো এক নৃ-গোষ্ঠীৰ সাংস্কৃতিক আচৰণৰ বিষয়ে অৱগত হ'ব পাৰি। সেইহে প্ৰবাদ-প্ৰবচনক 'ethnography of speaking'ৰূপে অভিহিত কৰা হৈছে।[২] অন্যহাতে প্ৰকৃত প্ৰবচন-প্ৰবাদ আদিয়ে যোগাযোগৰ মাধ্যমৰূপে (Medium of Communication) কাম কৰে। কোনো এক জাতিৰ মনস্তত্ত্ব আৰু আচাৰ-ব্যৱহাৰৰ প্ৰতিফলনো সেই জাতিৰ প্ৰবাদ-

---

১. সুশীল কুমাৰ দে (সম্পা) ঃ *বাংলা প্ৰবাদ*, ভূমিকা, পৃঃ ২

২. Alan Dundes : *Essays in Folkloristics*, P. 52

প্ৰবচনত পৰিদৃষ্ট নোহোৱাকৈ নাথাকে।

ডাকৰ নামত জৰিত অনেক প্ৰবচন-প্ৰবাদত ওপৰোল্লিখিত বৈশিষ্ট্যসমূহ বৰ্তমান। পিছে, ডাক বা খনা বা ভড্ডৰ নামত সংযোজিত প্ৰবচনবোৰক প্ৰাজ্ঞোক্তি আখ্যা নিদি লোকোক্তি আখ্যা দিয়াহে সমীচীন; কাৰণ এই বচনবোৰৰ প্ৰসঙ্গ, প্ৰয়োগ আৰু প্ৰকাৰ্য্য (function) লিখা-পঢ়া নজনা লোকসমাজত (non-literate society) সীমিত। সেইহে ডাকৰ নামত চলা প্ৰবচনবোৰত প্ৰাজ্ঞোক্তিৰ গুণ থাকিলেও সেইবোৰ মুখ্যতঃ লোকোক্তিহে।

অসমত প্ৰচলিত ডাক-প্ৰবচনবোৰৰ পাঠ (text) আৰু জমিন (texture) ৰক্ষিত হ'লেও অনেক ক্ষেত্ৰত সেইবোৰৰ প্ৰসঙ্গ (context) ৰক্ষিত হোৱা নাই। অৱশ্যে কিছুমান প্ৰবচনৰ প্ৰসঙ্গ অনুমান কৰিবলগীয়া হয়। কোনো কোনো প্ৰবচনৰ প্ৰসংগ লোককথাৰ লগত জৰিত যেন লাগে। উদাহৰণস্বৰূপে 'কেসৰি নষ্ট গেল টিপচিক পুসি' (পৃঃ ১৫) বচনটোৰ প্ৰসংগ নিশ্চিতভাৱে লোক-কাহিনী। তেনেদৰে 'মৰে নপাই টুঙ্গা, মৰে পদুলি সুঙ্গা' (পৃঃ ২১) প্ৰবচনটোৰ প্ৰসঙ্গও সাধুকথা যেন লাগে। সেইদৰে 'পঢ়াই পঢ়ে ৰোৱে পান, এই তিনি নিচিন্তে আন' (পৃঃ ১৭) প্ৰবচনটোৰ প্ৰসংগ কৃষিজীৱী সমাজতে সীমিত নহয় আৰু এই বচনটো তুলনামূলকভাৱে আধুনিক যেন লাগে; কাৰণ ইয়াত শিষ্ট সমাজ বা শিক্ষিত সমাজৰ (elite or literate) গোন্ধ নথকা নহয়।

কিছুমান প্ৰবচনৰ প্ৰসঙ্গ নিৰ্ণয় কৰা টান। উদাহৰণস্বৰূপে, 'কাপ মহি পাত, তিনি মিলি আখৰৰ জাত' (পৃঃ ২১), 'বৈদ্য হুয়া মৰে আপুনি বিসে' (পৃঃ ৯). 'আহে বহে উকুৰ, কৈৰ পৰা আহে চহাল কুকুৰ' (পৃঃ ১১), আদি উক্তিৰ প্ৰসঙ্গ বা সামাজিক পৰিৱেশ নিৰ্ণয় কৰা টান।

প্ৰসঙ্গ বা সামাজিক পৰিৱেশ অবিহনে প্ৰবাদ-প্ৰবচন-বচন-উক্তি আদিৰ পাঠ (text) বা জমিন (texture) অৰ্থশূন্য। এই সন্দৰ্ভত কোনোবাই প্ৰশ্নৰ অৱতাৰণা কৰিব পাৰে : পাঠৰ (text) লগত প্ৰসংগৰ কি প্ৰয়োজন? প্ৰত্যুত্তৰত ক'ব পাৰি যে, প্ৰসংগ অবিহনে কোনো এক বিশেষ সামাজিক পৰিস্থিতিত কিয় বিশেষ এটি পাঠ ব্যৱহাৰ কৰা হয় তাৰ যৌক্তিকতা প্ৰদৰ্শন কৰিব নোৱাৰি।[৩] প্ৰবচনৰ অৰ্থ-ব্যাখ্যাৰ বাবে প্ৰসংগ অপৰিহাৰ্য, যিহেতু প্ৰসংগবিহীন প্ৰবচন স্বৰূপাৰ্থত স্পন্দনহীন দেহ সদৃশ।[৪] প্ৰকৃত প্ৰসংগৰ অভাৱ হোৱা হেতু ডাকৰ নামত প্ৰচলিত বহুতো বচনৰ অৰ্থ ব্যাখ্যা কৰাৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হ'বলগীয়া হয়।

ডাকৰ নামত চলা আটাইবোৰ বচনক প্ৰকৃতাৰ্থত প্ৰবাদ বা প্ৰবচন অৰ্থাৎ Proverb বুলিব পাৰিনে নোৱাৰি— এই বিষয়েও আলোচনা হোৱা উচিত। প্ৰবচন বা Proverb-ৰ অন্যান্য বৈশিষ্ট্যৰ প্ৰতি আওকাণ কৰি মাত্ৰ এটা বৈশিষ্ট্যৰ ওপৰত দৃষ্টিপাত কৰি ক'ব পাৰি যে, ইয়াৰ এটা অন্তৰ্নিহিত অৰ্থ থাকে— যিটো বাহ্যিক অৰ্থতকৈ সম্পূৰ্ণ বেলেগ। ডাকৰ নামত চলা কিছুমান প্ৰবচনত অন্তৰ্নিহিত অৰ্থ অথবা ব্যঞ্জনা বিচাৰি পোৱা নাযায়। উদাহৰণস্বৰূপে কেইটিমান প্ৰবচন তলত দিয়া হ'ল :

---

৩. Alan Dundes *Op-cit*, P. 28

৪. "The text, of course, is extremely important, but without the context it remains lifeless." –Bronislaw Malinowski : *Magic, Science and Religion*, P. 104

ক) ব্ৰাহ্মণৰ পিতৃ দেৱ অৰ্চন।
ক্ষেত্ৰিয়গনৰ জুদ্ধ কৰণ।।
খ) নৃপতি সবৰ প্ৰজা পালন।
গ) বৈশ্যৰ বাণিজ্য ধন আৰ্জ্জন।
সুদ্ৰৰ স্বধৰ্ম্ম নিতি সেৱন।।
ঘ) জেবে ধৰ্ম্ম কৰিবা জানি।
পুখুৰি খানিয়া ৰাখিবা পানি।।
ঙ) বৃক্ষ ৰোপনত অধিক ধৰ্ম্ম।।
মঠ মণ্ডপ সোভন কৰ্ম্ম।। (পৃঃ ৩)

ওপৰোল্লিখিত বচনকেইটিত প্ৰকৃত প্ৰবচনত বৰ্তমান থকাৰ দৰে প্ৰাসঙ্গিক অৰ্থ অন্তৰ্নিহিত হৈ থকা নাই। অৱশ্যে এই বচনকেইটিত নীতি বা উপদেশমূলক শিক্ষা নিহিত হৈ আছে, কিন্তু উচ্চ আদৰ্শ, তত্ত্বজ্ঞান বা লোকশিক্ষা প্ৰবাদ-প্ৰবচনৰ মূল লক্ষ্য নহয়। 'প্ৰবাদৰ প্ৰধান অনুপ্ৰেৰক নৈতিক জ্ঞান নহয়, সাংসাৰিক জ্ঞান, পৰোক্ষ চিন্তা নহয়, প্ৰত্যক্ষ অনুভূতি।'[৫] প্ৰবচনত সাধাৰণতে এটা ৰূপক (metaphor) থাকে যাৰ সহায়ত অভিপ্ৰেত অৰ্থটো প্ৰকাশ কৰা হয় ঃ

Most of the commonly used proverbs are metaphors drawn from daily life or the observation of nature or are terse summeries of experience.[৬]

ওপৰোল্লিখিত বচনকেইটিত ৰূপকৰ সহায়ত অন্তৰ্নিহিত অৰ্থ ব্যঞ্জিত হোৱা নাই; কাৰণ বচনকেইটাৰ অৰ্থ স্পষ্ট আৰু পোনপটীয়া।

অসমৰ সামাজিক আৰু ঘৰুৱা জীৱনত, বিশেষকৈ কৃষিভিত্তিক সমাজত ডাকৰ বচনে 'বেদৰ বাণী'ৰ দৰে আস্থা আৰু শ্ৰদ্ধা লাভ কৰি আহিছে ঃ 'ডাকৰ বচন বেদৰ বাণি" (পৃঃ ১৩)। খনাৰ বচন, ভড্ডৰ আৰু ভড্ডৰী-বচন, ডংক-বচন, অগস্তি-বচন আদিৰ ক্ষেত্ৰতো একেই মন্তব্যকে দাঙি ধৰিব পাৰি। অৱশ্যে এই আস্থা আৰু শ্ৰদ্ধা ডাকৰ বচন বা ভড্ডৰীৰ বচন ৰূপে নহয়, প্ৰবচন ৰূপেহে। সৰ্ব যুগৰ, সৰ্ব দেশৰ সংস্কৃতিত সেই সেই সংস্কৃতিৰ প্ৰবচনৰাজিয়ে শ্ৰদ্ধা, আস্থা আৰু গুৰুত্ব লাভ কৰা স্বাভাৱিক। আনকি আদালততো বিচাৰৰ প্ৰসংগত প্ৰবচনৰ গুৰুত্বপূৰ্ণ ভূমিকা অস্বীকাৰ কৰিব নোৱাৰি। বিশেষকৈ, আফ্ৰিকাৰ ন্যায়ালয়ৰ প্ৰক্ৰিয়াত অংশগ্ৰহণকাৰীসকলে প্ৰবচনৰ সহায় যুক্তিপূৰ্ণ তৰ্কত প্ৰবৃত্ত হয়।[৭] অসমৰ ন্যায়ালয়ত বিচাৰৰ প্ৰসংগত প্ৰবচনৰ ভূমিকা নাথাকিলেও লোকজীৱনত দেখা দিয়া নানা সমস্যাৰ সমাধানত প্ৰবচনৰ বাস্তৱ ভূমিকা কোনোৱে অস্বীকাৰ কৰিব নোৱাৰে। এই সন্দৰ্ভত ডাকৰ নামত চলা প্ৰবচনবোৰৰ প্ৰকাৰ্য্য (function) অত্যধিক।

ডাকৰ নামত চলা প্ৰবচনবোৰৰ প্ৰভাৱ অজনজাতীয় সমাজ-জীৱনতেই যে সীমিত তেনে

৫. সুশীল কুমাৰ দে (সম্পা) *প্ৰা. প্ৰ.*, ভূমিকা, পৃঃ ৪
৬. Maria Leach (ed) : *Dictionary of Folklore, Mythology and Legend*, P. 902
৭. "The impersonal power of proverbs is perhaps most apparent in the well-known African judicial Processes in which the participants argue with proverbs intended to serve as past precedents for present actions." Alan Dundes, *Op-cit*, P. 50

নহয়; জনজাতীয় জীৱন প্ৰবাহতো এই প্ৰবচনবোৰৰ স্থান মন কৰিবলগীয়া। অসমৰ চাহ মজদুৰ জনজাতিসকলৰ সাংস্কৃতিক জীৱনত *শালুক বচন*।[৮] অৰ্থাৎ প্ৰবচনৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী। *শালুক বচনত* সংগৃহীত প্ৰবচনৰাজিৰ অন্তৰ্গত কিছুমান প্ৰবচন, ডাকৰ বচনৰ পৰা লোৱা হৈছে। যেনে :

ডা. ব.	চোৰে ভাল নেদেখে চন্দ্ৰৰ জৌতি। দুষ্টা স্ত্ৰীৰ নাই পুত্ৰত ৰতি।।	(পৃ. ১০)
শা. ব.	চোৰ নিন্দে চান্দকে, বেশ্যা নিন্দে ভাতাৰকে।	(পৃ. ১০০)
ডা. ব.	খুৰাই পেলোৱা ঝাপৰ।	(পৃ. ১৯)
শা. ব.	খুৰাই দেৱল দাড়ি, ঝাড়ু কৰল জবৰা।	(পৃঃ ৭১)
ডা. ব.	বামুণে শগুনে বিচাৰে মৰা। আলু কচু বিচাৰে বৰা।।	(পৃ. ২০)
শা. ব.	গহৰী খোজে কান্দা কচু, বাহমন গিধিন খোজে মৃত্যু।	(পৃ. ৭৫)
ডা. ব.	বাট বুলিবা দেখি, কৰি লবা লেখি।	(পৃ. ১৮)
শা. ব.	কড়ি লেবে গইন কে, ৰাস্তা চলবে ফুইককে।	(পৃ. ৪৭)
ডা. ব.	অন্ন জল জানা অধিকে দান। তাত কৰি শ্ৰেষ্ঠ নাহিকে আন।।	(পৃ. ৪)
শা. ব.	অন্নদান মহাদান, যে কৰে ও ভগবান।	(পৃ. ১৩)
ডা. ব.	গৰু কিনিবা চিকন জালি। দুই চাৰি চয় দতিয়া ভালি।। হৰিনৰ সম জিহ্বা কান। হেন বলধক বিচাৰি আন।।	(পৃ ৩৭)
শা. ব.	গৰু কিনবে চিকন গাত, দুই চাৰ ছয় গইনবে দাঁত, হৰিণেৰ মতন যাৰ কাণ, সে ৰকম বুঝে আন।	(পৃ. ৭৬)
ডা. ব.	চক্ষুত অঞ্জন দান্তত লোণ। উদৰ ভৰিব তিনি কোন।।	(পৃ. ৬৭)
শা. ব.	চইখে অঞ্জন, দাঁতে লৱণ, পেট ভইৰবে তিনি কোণা....।	(পৃ. ৯৩)
ডা. ব.	আঠত তিতা দাতত লোন। পেট ভৰাবা তিনি কোন।। কৰ্ণে কচু নাভিত তেল।	

৮ মেঘৰাজ কৰ্মকাৰৰ দ্বাৰা সংকলিত আৰু সম্পাদিত আৰু ভট্টাচাৰ্য্য এজেঞ্চীৰ দ্বাৰা প্ৰকাশিত (১৯৮৪) *শালুক বচন* দ্ৰষ্টব্য।

ডাকে বোলে বৈদ্য গেল বা নেগেল।। (পৃ. ৬৮)
শা. ব. আঠতে তিতা খায়, দাঁত ঘসে নিমকে,
কাণেতে কচু দেয়, তেল দেয় নাভিতে,
সে ঘৰে ভূত নাই, ডাক্তৰ নাই ডাকতে। (পৃ. ২২)
ডা. ব. কাখত কলচি জলক জাই।
তলমূৰ কৰি কাকো নাচাই।।
জেইপথে জাই সেই পথে আসে।
ডাকে বোলে ভাল মনত ভাসে।। (পৃ. ২৮)
শা. ব. কাষে কলসী জলে যায়,
হেট মাথায় আসে যায়,
সে মেয়েৰ সবাই গুণ গায়। (পৃ. ৫৭)
ডা. ব. চাগ পাৰা পোহে হাস।
দুই সিমাত ৰোৱে বাস।।
বোলন্ত ডাকে মোত দোস নাই।
নিতে নিতে আহ্নকালে জাই।। (পৃ. ৩৬)
শা, ব. ছাগল পাৰ আৰ পালে হাঁহ,
বাড়ীক ধাপে ৰোপে বাশ,
সে ঘৰে কিসেক উপাস? (পৃ. ১০১)
ডা. ব. গাঁওৰ বলধ নিকটৰ ভুই।
ইহাক নেড়িবা জানন্তা হুই।। (পৃ. ৩৭)
শা. ব. গাবয়েৰ বলদ, সামনেৰ পাথাৰ।
এই দোনোক নাই ছাড়বাৰ।। (পৃ. ৮০)

এইদৰে ডাকৰ বচনৰ লগত শালুক-বচনৰ সাদৃশ্যৰ তুলনাৰ সংযোগত সহজে অনুমান কৰিব পাৰি যে, ডাকৰ বচনৰ লোকপ্ৰিয়তাৰ পৰিসৰ অসমৰ সাংস্কৃতিক প্ৰবাহৰ প্ৰক্ৰিয়াৰ লগত সমীভূত জাতি-উপজাতিৰ সাংস্কৃতিক জীৱন পৰ্য্যন্ত সম্প্ৰসাৰিত। প্ৰবচনত বৰ্তমান থকা সাৰ্বজনিনতা, সঞ্চিত বাস্তৱ অভিজ্ঞতা আৰু জীৱন আৰু সমাজৰ লগত থকা নিবিড় সম্পৰ্কৰ দ্বাৰা এইবিধ বাচিক কলাই লোকজীৱনত নৈৰ্ব্যক্তিক বাহনৰ (impersonal vehicle) প্ৰকাৰ্য্য (function) সম্পাদনৰ ভূমিকা গ্ৰহণ কৰিবলৈ সক্ষম হৈছে। ডাকৰ বচন, খনাৰ বচন, ভড়ডৰ-ভড়ডৰী-প্ৰবচন আদিয়ে পৰম্পৰাগত উক্তিৰ মাধ্যমত (in traditional terms), সাংস্কৃতিক অতীতৰ (cultural past) পৰা সত্যক বিবৃত কৰে— সামাজিকক (audience) লক্ষ্য কৰি আৰু ইয়াতেই পৰ্যবসিত প্ৰবচনৰ স্থায়িত্ব।

ভাৰতীয় প্ৰবচন বা লোকোক্তি পৰম্পৰাৰ প্ৰত্যক্ষ বাহক ডাকৰ বচনৰাজি অসমীয়া বাচিক-কলাৰ অন্তৰ্গত অতি প্ৰয়োজনীয় আৰু আকৰ্ষণীয় অঙ্গ। ডাকৰ বচন তথা প্ৰবচনৰাজিৰ প্ৰণালীবদ্ধ অধ্যয়নে অসমীয়া তথা ভাৰতীয় সমাজ-জীৱন আৰু সাংস্কৃতিক-জীৱনৰ অনেক অজ্ঞাপিত সম্ভেদ যে দিব পাৰিব তাত সন্দেহ নাই।

ঘ. গ্ৰন্থপঞ্জী

অসমীয়া ঃ

কটকী, ভীমকান্ত ঃ *পাৰিবাৰিক জ্যোতিষ-দৰ্পণ*, মণি-মাণিক প্ৰকাশ, গুৱাহাটী, ১৯৮৬।

কৰ্ম্মকাৰ, মেঘৰাজ [সম্পা] ঃ *শালুক বচন*, ভট্টাচাৰ্য্য এজেঞ্চি, ডিব্ৰুগড়, ১৯৮৪

গোস্বামী, প্ৰফুল্লদত্ত ঃ *অসমীয়া জন-সাহিত্য*, বাণী প্ৰকাশ, গুৱাহাটী, ১৯৮৬

(——) ঃ *বুৰঞ্জী আৰু সংস্কৃতি*, বীণা লাইব্ৰেৰী, গুৱাহাটী, ১৯৮৫

গোস্বামী, সত্যেন্দ্ৰ নাৰায়ণ ঃ *নিবন্ধ গুচ্ছ*, মণি-মাণিক প্ৰকাশ, গুৱাহাটী ১৯৭২

গোস্বামী, হেমচন্দ্ৰ [সম্পা] ঃ *অসমীয়া সাহিত্যৰ চানেকি*, [১ম খণ্ড] কলিকতা, ১৯২৯।

চৌধাৰী, ৰঘুনাথ ঃ *হেমকোষৰ পৰিশিষ্ট*, গুৱাহাটী, ১৯১৯

দত্ত, দণ্ডীৰাম [সম্পা] ঃ *ডাকৰ বচন*, লয়াৰ্ছ বুক ষ্টল, ১৯৬৮

নেওগ, মহেশ্বৰ (সম্পা) ঃ *বেণুধৰ ৰাজখোৱাৰ অসমীয়া খণ্ডবাক্য কোষ*, বৰুৱা বুক এজেঞ্চি, গুৱাহাটী, ১৯৮০

(——) ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা*, *নিউ বুক ষ্টল*, গুৱাহাটী, ১৯৭৪

বৰুৱা, অতুলচন্দ্ৰ ঃ *ডাকে বোলে শুনা উপায়*, নৱগিৰি, গুৱাহাটী, ১৮৬৪

(——) [সম্পা] ঃ *ৰঘুনাথ চৌধাৰী ৰচনাৱলী*, অসম সাহিত্য সভা, যোৰহাট, ১৯৮০

বৰুৱা, প্ৰসন্ন চন্দ্ৰ (সম্পা) ঃ *পটন্তৰ মালা*, আঠঘৰীয়া, ১৩৩৪ সাল

বৰুৱা, হেমচন্দ্ৰ ঃ *হেমকোষ*, গুৱাহাটী, ১৯০০

বৰ্ম্মণ, হেমৰথ (সম্পা) ঃ *সম্পূৰ্ণ ডাকৰ বচন*, গুৱাহাটী বুক ষ্টল, গুৱাহাটী, ১৯৮০

বেজবৰুৱা, দেবেন্দ্ৰ নাথ ঃ *অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী*, যোৰহাট, ১৯১৩

ভট্টাচাৰ্য্য, শিৱনাথ [সম্পা] ঃ *ডাক-চৰিত্ৰ বা ডাক-ভণিতা*, ৰিহাবাৰী, ডিব্ৰুগড়, ১৯৩১

ভট্টাচাৰ্য্য, হৰেন্দ্ৰ নাথ [সম্পা] ঃ *ফকৰা যোজনা*, ভট্টাচাৰ্য্য এজেঞ্চি, ডিব্ৰুগড়, ১৯৬৩

মহন্ত, হলিৰাম [সম্পা] ঃ নাৰায়ণ দাস ঠাকুৰ আতা বিৰচিত *ফকৰা পুথি*, দত্তবৰুৱা এণ্ড কোং, নলবাৰী, ৫০৯ শঙ্কৰাব্দ

ৰাজগুৰু, সৰ্ব্বেশ্বৰ [সম্পা] ঃ *অসমীয়া প্ৰবাদ*, নগাঁও, ১৯৭২

শৰ্মা, গিৰিধৰ ঃ *অসমীয়া অভিধান*, ৰাধা-প্ৰকাশন, ৰিহাবাৰী, গুৱাহাটী, ১৯৭১

শৰ্মা, সত্যেন্দ্ৰনাথ ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, সৌমাৰ প্ৰিণ্টিং এণ্ড পাব্লিছিং প্ৰা. লি. ৰিহাবাৰী, গুৱাহাটী, ১৯৮৪

আলোচনী-প্ৰবন্ধাদি

আৱাহন, ১ম বছৰ ২য় আৰু ৩য় সংখ্যা।

প্ৰবন্ধ ঃ

সোণাৰাম চৌধুৰী : "ডাক পুৰুষৰ জীৱনী আৰু বচনাৱলী", [*আৱাহন*, ১ম বছৰ ২য় আৰু ৩য় সংখ্যা]

বঙলা

দত্ত, ভোলানাথ [সম্পা] : *ডাকেৰ কথা*, কলিকতা, ১৩০৪ সাল
দাস, প্ৰভাত কুমাৰ [সম্পা] : *খনাৰ বচন*, কলিকতা, পঞ্চদশ মুদ্ৰণ
দাস, লক্ষেশ্বৰ [সম্পা] : *খনাৰ বচন*, তিনিচুকীয়া, ১ম তাঙৰণ
দে, সুশীল কুমাৰ [সম্পা] : *বাংলা প্ৰবাদ*, কলিকতা, ১৩৫৯ সাল
দেৱ, আশুতোষ : *নুতন বাঙ্গালা অভিধান*, কলিকতা, ১৯৭৬
ন্যায়ৰত্ন, বক্ৰেশ্বৰ [সম্পা] : *ডাক পুৰুষেৰ বচন*, কলিকতা, ১৯২৮
বসু, মণীন্দ্ৰ মোহন : *সহজিয়া সাহিত্য*, কলিকতা, ১৯৩২
বসু, ৰাজশেখৰ : *চলন্তিকা*, কলিকতা, ১৩৮৫ সাল
বিদ্যাৰত্ন, কালীমোহন [সম্পা] : *বৰাহমিহিৰ ও খনা*, কলিকতা, ১৩৩৩ সাল
বিশ্বাস, উজ্জ্বল [সম্পা] : *খনাৰ বচন*, কলিকতা, ১৩৮৬ সাল
ভট্টাচাৰ্য্য, আশুতোষ [সম্পা] : *বাংলাৰ লোক সাহিত্য*, ৫ম খণ্ড, কলিকতা, ১৯৭১
(——) [সম্পা] : *বাংলাৰ লোক-সাহিত্য*, ৬ষ্ঠ খণ্ড, কলিকতা, ১৯৭২
মুখোপাধ্যায়, দুৰ্গাগতি [সম্পা] : *ডাক পুৰুষেৰ কথা*, কলিকতা, ১৯০৪

হিন্দী :

তিবাৰী, শশিশেখৰ : *ভোজপুৰী লোকোক্তিয়াঁ*, বিহাৰ ৰাষ্ট্ৰভাষা পৰিষদ, পাটনা, ১৯৭০
ত্ৰিপাঠী, ৰামনৰেশ [সম্পা] : *ঘাঘ ঔৰ ভড্ডৰী*, হিন্দুস্থানী একাডেমী, য়ু. পী., এলাহাবাদ, ১৯৪৯
পাঠক, আৰ. সী. : *ভাৰ্গৱ আদৰ্শ হিন্দীকোশ*, বাৰানসী, ১৯৮৬
মেহতা, বি. এন. : *যুক্ত প্ৰান্ত কী কৃষি সম্বন্ধী কহাৱতে*,
সহল, কন্হেয়ালাল : *ৰাজস্থানী কহাৱতে*, দিল্লী, ১৯৫৮

মৈথিল :

ঠাকুৰ, জীৱানন্দ [সম্পা] : *মৈথিল ডাক*, মৈথিলী-সাহিত্য-পৰিষদ, দাৰভাঙ্গা, ১৯৪৯-৫০

সংস্কৃত :

অমৰকোষ, শ্ৰীমদ্‌গুৰুনাথ বিদ্যানিধিভট্টাচাৰ্য্য সম্পাদিত, কলিকতা, ১৩৬৮ সাল

ডাকাৰ্ণৱ, মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰী সম্পাদিত ('হাজাৰ বছৰেৰ পুৰাণ বাঙ্গলা ভাষায় বৌদ্ধগান ও দোহা'ৰ অন্তৰ্গত) বঙ্গীয় সাহিত্য পৰিষৎ, কলিকতা, ১৩৮৮ সাল।

ব্ৰহ্মবৈৱৰ্ত্তপুৰাণ, পঞ্চানন তৰ্কৰত্ন সম্পাদিত, কলিকতা, ১৩৩২ সাল
মনুস্মৃতি, পণ্ডিত ৰামেশ্বৰ ভট্ট সম্পাদিত, দিল্লী, ১৯৮৫
স্মৃতি-সন্দৰ্ভ, শ্ৰীমন্মহৰ্ষি প্ৰণীত, কলিকতা, ১৯৫২
(*পৰাশৰস্মৃতি, বৃহৎ পৰাশৰস্মৃতি, লঘুহাৰীতস্মৃতি, বৃদ্ধহাৰীতস্মৃতি*)

ইংরাজী :

Alan Dundes : *Essays in Folkloristics,*
Folklore-Institute, Meerut, 1978.
Apte, Vaman Shivram : *The Practical Sanskrit-English Dictionary,* Delhi, 1965
Coffin, Tristram (ed) : *American Folklore, Voice of America, 1968*
Das, Kunjabehari : *A Study of Orissan Folklore,*
Visvabharati, Santiniketan, 1953
Goswami, Praphulladatta : *Folk-Literature of Assam,* D. H. A. S, Gauhati, 1965
Goswami, Hemchandra : *Descriptive Catalogue of Assamese Manuscripts, University of Calcutta, 1930*
Leach, Maria (ed) : *Dictionary of Folklore, Mythology and Legend, Funk & Wagnalls Company, New York, 1950*
Malinowski, Bronislaw : *Magic, Science and Religion,*
Garden City, 1954
Mansinha, Mayadhar : *History of Oriya Literature,*
Sahitya Akademi, New Delhi, 1972
Mishra, Jayakanta : *History of Maithili Literature,* Sahitya Akademi, New Delhi, 1976
(-------) : *Introduction to the Folk Literature of Mithila,* University of Allahabad, 1950
Sen, Sukumar : *History of Bengali Literature,*
Sahitya Akademi, New Delhi, 1950
Sharma, M. M. : *Folklore of Nepal,* New Delhi, 1978

Article

Sircar, D. C. : "The Saying of Dāk" in *Prāgjyotisa,* Sourvenir of the All India Oriental Conference, XXII Session, Gauhati, 1965; Dākar-bacan, ed. D. Datta 1968
Utley, F. L : "A Definition of Folklore" in *American Folklore,* ed, Coffin, T., Voice of America, 1968.

ঙ. সংবাদদাতা/দাত্ৰী ঃ

১. আচাৰ্য্য মনোৰঞ্জন শাস্ত্ৰী
অৱসৰপ্ৰাপ্ত অধ্যক্ষ, নলবাৰী সংস্কৃত কলেজ, নলবাৰী

২. ড° প্ৰফুল্লদত্ত গোস্বামী
অৱসৰপ্ৰাপ্ত প্ৰফেছৰ, লোকসংস্কৃতি গৱেষণা বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

৩. ড° সত্যেন্দ্ৰ নাথ শৰ্মা
অৱসৰপ্ৰাপ্ত ৰবীন্দ্ৰ প্ৰফেছৰ, আধুনিক ভাৰতীয় ভাষা বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

৪. ড° বীৰেন্দ্ৰনাথ দত্ত
প্ৰফেছৰ, লোকসংস্কৃতি গৱেষণা বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

৫. ড° প্ৰবীণ চন্দ্ৰ দাস
অধ্যাপক, লোকসংস্কৃতি গৱেষণা বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

৬. ড° সত্যেন্দ্ৰনাৰায়ণ গোস্বামী
ৰিডাৰ, আধুনিক ভাৰতীয় ভাষা বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

৭. ড° পৰীক্ষিত হাজৰিকা
ৰিডাৰ, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

৮. ড° প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্য
অৱসৰপ্ৰাপ্ত অধ্যক্ষ, বি. বৰুৱা কলেজ, নৱগিৰি, গুৱাহাটী

৯. শ্ৰীঅতুল চন্দ্ৰ বৰুৱা
প্ৰাক্তন সভাপতি, অসম সাহিত্য সভা, নৱগিৰি, গুৱাহাটী

১০. শ্ৰীহলিৰাম মিশ্ৰ, জ্যোতিষৰত্ন, ডাহী, দৰং

১১. শ্ৰীপুৰুষোত্তম ভট্টাচাৰ্য্য, নলবাৰী, অসম

১২. ড° মুকুন্দ মাধৱ শৰ্মা
প্ৰফেছৰ, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

১৩. ড° বাণীকান্ত শৰ্মা
ৰিডাৰ, আধুনিক ভাৰতীয় ভাষা, গুৱাহাটী বিশ্ববিদ্যালয়

১৪. অধ্যাপক নলিনীৰঞ্জন শৰ্মা,
সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

১৫. ড° নলিনী দেৱী মিশ্ৰ
অধ্যাপিকা, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

১৬. ড° কৃষ্ণনাৰায়ণ প্ৰসাদ 'মাগধ'
প্ৰফেছৰ, হিন্দী বিভাগ, মণিপুৰ বিশ্ববিদ্যালয়

১৭.অধ্যাপক নন্দ কিশোৰ সিং
প্ৰাগজ্যোতিষ কলেজ, গুৱাহাটী
১৮. ড° হেমন্ত কুমাৰ শৰ্মা
প্ৰফেছৰ, কটন কলেজ, গুৱাহাটী
১৯. শ্ৰীভদ্ৰকান্ত শৰ্মা, বলদেৱপাৰা, দৰং
২০.শ্ৰীদিবাকৰ শৰ্মা, বি. এ. বি. টি. বলদেৱপাৰা, দৰং
২১.শ্ৰীশৰত শৰ্মা, [বিয়াহৰ ওঝা], ব্যাসপাৰা, দৰং
২২.শ্ৰীভাবিৰাম শৰ্মা, [বিয়াহৰ ওঝা], ব্যাসপাৰা, দৰং
২৩.ড° ভৃগুমোহন গোস্বামী, অধ্যাপক, উত্তৰ গুৱাহাটী কলেজ, গুৱাহাটী
২৪.শ্ৰীৰঞ্জিত ভট্টাচাৰ্য্য, ব্যাসপাৰা, দৰং
২৫.শ্ৰীঅৰুণ শৰ্মা, ৰঙাহাৰপাৰা, হাজৰিকাপাৰা, দৰং
২৬.শ্ৰীদেবেন শৰ্মা, পশ্চিমচুবা, নায়ক পাৰা, দৰং
২৭.শ্ৰীদুৰ্গাকান্ত শৰ্মা, বি. কম., এল. এল. বি. এড্‌ভোকেট, শান্তিপুৰ, গুৱাহাটী-৯
২৮.শ্ৰীমতী চাৰু (মানী) দেৱী, শান্তিপুৰ, গুৱাহাটী-৯
২৯.শ্ৰীহংসনাথ শৰ্মা, শান্তিপুৰ, গুৱাহাটী-৯
৩০.শ্ৰীহেমো নাথ, পকাদলি, ছিপাঝাৰ, দৰং
৩১.শ্ৰীদুৰ্গানাথ ওঝা, পকাদলি, ছিপাঝাৰ, দৰং
৩২.শ্ৰীললিত চন্দ্ৰ নাথ ওঝা, ছিপাঝাৰ, দৰং
৩৩.শ্ৰীহেমৰথ বৰ্মণ, গুৱাহাটী-১
৩৪.শ্ৰীহৰেকৃষ্ণ গোস্বামী, পাটবাউসী সত্ৰ, বৰপেটা
৩৫.শ্ৰীৰামচন্দ্ৰ কলিতা, হৰিপুৰ, পাঠশালা, বৰপেটা
৩৬.শ্ৰীধৰম কলিতা, বৰভাল্লা, পাঠশালা, বৰপেটা
৩৭.শ্ৰীকাশীচন্দ্ৰ দেৱ গোস্বামী, গোবিন্দপুৰ, বৰপেটা
৩৮.শ্ৰীমতী বাসন্তী দেৱী, দুৰ্গাসৰোবৰ, গুৱাহাটী-৯
৩৯.শ্ৰীমতী সুভদ্ৰা দেৱী, হাজৰিকাপাৰা, দৰং
৪০.শ্ৰীৰমণীকান্ত শৰ্মা, হাজৰিকাপাৰা, দৰং
৪১.শ্ৰীউমাকান্ত শৰ্মা, হাজৰিকাপাৰা, দৰং
৪২.শ্ৰীজ্যোতিষ ভাগৱতী, অধ্যাপক, ছেণ্ট এড্‌মাণ্ডছ কলেজ, ছিলং
৪৩.শ্ৰীলোকনাথ শৰ্মা, বৰগেইনীপাৰা, হাজৰিকাপাৰা, দৰং
৪৪.শ্ৰীঅৰবিন্দ তালুকদাৰ, দুৰ্গাসৰোবৰ, গুৱাহাটী-৯
৪৫.শ্ৰীজগদীশ শৰ্মা, গুৱাহাটী বিশ্ববিদ্যালয়
৪৬.শ্ৰীমতী চন্দ্ৰপ্ৰভা বৰুৱা চৌধাৰী, শান্তিপুৰ, গুৱাহাটী-৯
৪৭. ৺জোলেই শৰ্মা ওঝা, ব্যাসপাৰা, দৰং
৪৮. ৺ধানুৰাম কলিতা ওঝা, পিঠাখোৱা, দৰং

৪৯.শ্ৰীপংকজ শৰ্মা, বলদেৱপাৰা, দৰং

৫০.শ্ৰীহেমচন্দ্ৰ গোস্বামী, কটাহী, দৰং

৫১.শ্ৰীমতী চাৰু দেৱী, বালি, টিহু, নলবাৰী

৫২.শ্ৰীকালীচন্দ্ৰ শৰ্মা, দুধনৈ, গোৱালপাৰা

৫৩.আৰ. চন্দ্ৰ শেখৰম্, অধ্যাপক, ভাৰথিয়াৰ বিশ্ববিদ্যালয়, কোইম্বাতুৰ, তামিলনাডু

৫৪.ড° এন. চি. পাণ্ডা, সম্বলপুৰ বিশ্ববিদ্যালয়, জ্যোতিবিহাৰ, উৰিষ্যা

৫৫.ড° বৃন্দাবন চন্দ্ৰ আচাৰ্য্য, প্ৰফেছৰ, উড়িয়া বিভাগ, সম্বলপুৰ বিশ্ববিদ্যালয়, জ্যোতিবিহাৰ, উৰিষ্যা

চ. পৰিশিষ্ট

ডাক-প্ৰবচন পুথিত সন্নিৱিষ্ট প্ৰবচনবোৰৰ বাহিৰেও ডাকৰ নামত প্ৰচলিত কিছুমান বচন মুখ পৰম্পৰা প্ৰচলিত হৈ থকা দেখা যায়। তেনে ধৰণৰ কেইটিমান প্ৰবচন তলত দিয়া হ'ল ঃ

১। ষোল্ল চাসে মূলা, তাৰ আধা তুলা।
তাৰ আধা ধান, বিনা চাসে পান।।
২। এক শাওনে ধান, তিনি শাওনে পান।।
৩। এক আঘোণে ধান, তিনি শাওনে পান।।
৪। পচিমৰ ধেনু নিত্য খৰা, পূবৰ ধেনু বৰিষে ধাৰা।
৫। যদি বৰষে আঘণে, ৰাজা যায় মাগনে।
যদি বৰষে পুহে, ধান হয় তুঁহে।
যদি বৰষে মাঘৰ শেষে, ধন্য ৰাজা ধন্য দেশ।
যদি বৰষে ফাগুনে, চিটা ধান হয় দুগুণে।
৬। মাটি কিন্‌বা খলপা বমপা, গৰু কিন্‌বা গাই।
ঝীয়া আন্‌বা হেকেৰী পেকেৰী, চহকী কৰ্‌বো তাই।।
৭। লিকিৰাই লিকিৰাই কথা পাতেই মাচাক মিচিক হাঁহেই।।
বুঢ়াই বুঢ়াই কথা পাতেই ঠেহেৰ ঠেহেৰ কাহেই।।
৮। মাটি কিন্‌বা চিটা বান্ধনী, গৰু কিন্‌বা গাই।
ঝীয়া আন্‌বা আলাই জাবেৰী, ঘৰ ৰাখ্‌বো তাই।।
৯। দিলো লাউ বগাল পূৰে, লাগিল কোবাভাতুৰী।
কাউৰীৰ বাহত কুলিয়ে ডিমা পাল্লা জাগিল চুঙা বাদুলি।।
১০। আহাৰ নিদ্ৰা মৈথুন, যিমানে বঢ়ায় সিমানে হয়।
১১। বামুণৰ ঝীয়া আন্‌লি কাণত লাগেই সোণা।
গণকৰ ঝীয়া আন্‌লি হৱই থাপাৰা থুপুৰা।
গৰিয়াৰ ঝীয়া আন্‌লি হৱই ঝুঝৰ কুকুৰা।।
১২। প্ৰকাশিয়া ৰবি উঠিয়া নাসে।
উত্তৰৰ মেঘ দখিণে ভাসে।।
পূৰ্ব্ব দিশে প্ৰকাশে ধেনু।
ডাকে বোলে বৃষ্টি হৈব জানু।।
১৩। চন্দ্ৰ মণ্ডলৰ মাঝত তৰা।
মেঘে বৰষে মূষল ধাৰা।।
১৪। সুতিৰী গেজেলী।

১৫। সুতিৰী ফেদেলী।

১৬। কাণ লট্‌পট্‌ শিং সৰু।
লেঙুৰ চাই কিনবা গৰু।।
ঘাৰ কজলা কুকা ৰঙা।
কাণৰ সোণা বেচি আনা।।

১৭। ডিমা নাপ্‌ৰা হাঁহ, ডমা পৰা মাহ্‌।
নদীৰ সিপাৰৰ ভুঁই, বুঢ়িখেৰৰ জুই।
এই চাৰিটাৰ ভাৰষা নাই।

১৮। ঝীৰ নাতি ঢোকোনা কাটি।
পোৰ নাতি মইঝাৰ মাটি।।

১৯। তিৰী মৰদৰ যোৰা নাই।
গৰু মৈহৰ যোৰা নাই।।

২০। ঢেকীৰ জোখ ঃ আঢ়ে ডেৰে গজে মুঠি।

২১। ঘন সৰিয়হ পাতাল মাহ।
তিলৰ তলত চৰেই হাঁহ।।

২২। ৰাজা কৰেই ধানে, ৰাজা কৰেই পাণে।

২৩। যাৰ নাই গৰু সি সবাতকৈ সৰু।

২৪। ঘৰৰ কথা নকবি পৰক।
কথা হৰেই লৰক ফৰক।।

২৫। অজান জোন বুৰাৰ শেষ।
দধিৰ আদ্য ঘটৰ শেষ।।
শাকৰ চায় মাচৰ মায়।
যত পাৰা তত খায়।।

২৬। মাঘে তৰু, ফাগুনে গৰু।
চৈতে নৰ, বৈশাখে বানৰ।

২৭। সাপে খায় লেখি, বাঘে খায় দেখি।
যদি ধৰে কালে, মৰে নিজৰ কৰমৰ ফলে।

২৮। এক তিৰুতা হুকুৰ দুকুৰ।
তিনি তিৰুতা কাঠিৰ কুকুৰ।।

২৯। চেঙেৰা কালৰ বেটা বেটী কান্ধে উঠাই ভাৰ।
বুঢ়া কালৰ বেটা বেটী চুমাটিয়ে সাৰ।।

৩০। আহিনত কল, কাতিত চানা।
তাক খালে নহয় বেমাৰ জানা।।

৩১। টকা-পইচা বাহুৰ বল।

পুত্র কন্যা কৰ্ম্মৰ ফল।।
৩২। পঢ়োৱা পণ্ডিত নপঢ়োৱা ওঝা।
নচোৱাই দাঙি দিলা ডুমুনীৰ বোঝা।।
৩৩। যাচি দিয়ে ঔষধ যিটো।
অশ্বমেধৰ ফল পাৱে সিটো।।
৩৪। মাঘৰ আগ, পুহৰ শেষ।
তেহে দেখ্‌বা জাৰৰ ঠেহ।।
৩৫। পুহৰ পণ্টা মাঘত খায়।
বাঘৰ সমান বল পায়।।
৩৬। মাঘৰ পণ্টা বাঘৰ বল।
৩৭। সাত ভাই যাৰ কুহিয়াৰ খেতি তাৰ।
৩৮। সই শনি ফাটেফুটে দেৱে মঙ্গলে আয়ুস টুটে।
৩৯। সপ্তমত ৰাহু ভুঞ্জে তিনি শাঁহু।*

---

*১—৫ ঃ ৺ থানুৰাম কলিতা, পিঠাখোৱাপাৰা, দৰং
৬—৮ ঃ শ্ৰীপঙ্কজ শৰ্মা, বলদেৱপাৰা, দৰং
১০, ২৬, ৩৪—৩৬ ঃ ড° ভৃগুমোহন গোস্বামী, উত্তৰ গুৱাহাটী কলেজ
৯, ১১ ঃ শ্ৰীললিত চন্দ্ৰ নাথ, ছিপাঝাৰ, দৰং
১২, ১৩ ঃ শ্ৰীউমাকান্ত শৰ্মা, হাজৰিকাপাৰা, দৰং
১৪, ১৫ ঃ হেমো নাথ (ডাইনাপালি, বিয়াহৰ ওঝা), পকাদলি, দৰং
১৬, ১৭, ১৯-২১ ঃ শ্ৰীঅৰবিন্দ তালুকদাৰ, তাপা, বৰপেটা, (দুৰ্গা সৰোবৰ, গুৱাহাটী-৯)
১৮ ঃ শ্ৰীমতী সুভদ্ৰা দেৱী, হাজৰিকাপাৰা, দৰং
২২—২৪ ঃ শ্ৰীভদ্ৰকান্ত শৰ্মা, বলদেৱপাৰা, দৰং
২৫ ঃ শ্ৰীহলিৰাম মিশ্ৰ, জ্যোতিষৰত্ন, ডাহী, দৰং
২৭—৩৩ ঃ শ্ৰীভাবিৰাম শৰ্মা ওঝা, ব্যাসপাৰা, দৰং
৩৭ ঃ শ্ৰীহেমচন্দ্ৰ গোস্বামী, কটেহী, দৰং
৩৮ ঃ শ্ৰীমতী চাৰু দেৱী, বালি, টিহু
৩৯ ঃ শ্ৰীকালীন্দ্ৰ শৰ্মা, দুধনৈ

ছ. নির্ঘণ্ট

[কাষত থকা সংখ্যাই পৃষ্ঠাৰ ক্ৰমাঙ্ক নিৰ্দেশ কৰিছে]

অ

অগস্তি ১৫৩, -৮০

অগস্তি-বচন ১৫৩, -৮০

অচ্যুত কন্যা ১৩৪

অতিথি ১২১

অতুল চন্দ্ৰ বৰুৱা ১৬২

অনুসন্ধান সমিতি ১৬৫

অপঘাত মৃত্যু ১২২

অপভ্ৰংশ ১১৯

অপহট্ট ১৩৮

অৱধ ১৪৫

অসম ১১৯-১২৪, ১৬৪-৬৭

অসমৰ ডাক ১২৮-৩২

অসমীয়া ১২০

অসমীয়া ডাক-প্ৰবচন ১৬৪-৭৭

অসমীয়া ডাকৰ বচন ১৬৫

অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী ১২৩-২৪

অহীৰ ১৪৩, -৪৪, -৪৫, -৪৮, -৪৯

আ

আকবৰ ১৪৪, -৪৫

আজমগঢ় ১৪২

আপ্তবাক্য ১৬০, -৭৮

আফ্ৰিকা ১৮০

আভীৰ ১৩৮

আৱাহন ১২৩

আলি নাৱাজ ১৫৪

আশুতোষ ভট্টাচাৰ্য্য ১২৫

ই

ইণ্ডিয়া অফিচ লাইব্ৰেৰী ১৬৫

‘ethnography of speaking’ ১৭৮

ঈ

ঈড়া ১১৯

উ

উজ্জয়িনী ১২৭, -৫২
উত্তৰপ্ৰদেশ ১৩৫
উত্তৰ প্ৰদেশত প্ৰচলিত ডাক-পৰম্পৰা ১৪৩-৪৮
উত্তৰ বিহাৰ ১২৫, -৩৮
উমেশ মিশ্ৰ ১৩৭
উৰিয়া ১২০, -৩৪
উৰিষ্যাত প্ৰচলিত ডাক-পৰম্পৰা ১৩৪-৩৭

ও

oracle ১৭৮

ঔ

ঔবৈয়ামঠ ১৪৪

ক

কনৌজ ১৪৪
কন্যাকুমাৰী ১৬৩
কপিলেশ্বৰ ঝা ১৬৪
কান্যকুব্জ ১৪৩
কামৰূপেশ্বৰ ভাস্কৰ বৰ্মা ১২০
কাৰুষ ১৪২
কাশী ১৪২
কাশ্মীৰ ১৬৩
কীৰ্তিলতা ১৩৭
কুঞ্জবিহাৰী দাস ১৩৪, -৬৪
কুমাৰ ১২০, -২১, -৪৫
কুমাৰণী ১২২, -৫৭
কৃষি ১২৫
কৃষিজীৱী সমাজ ১৩২
কৌলিয় ১৪২

খ

খতন্ত্ৰ ১২৭
খনা ১১৯-২৬, -২৭, -৫২, -৫৫-৬০
খনা-পৰম্পৰা ১১৯, -২৬, -৩৪, -৫৫- -৬০

খনাৰ বচন ১১৯, ১২৩, -৫৫- -৬০
খোনা ১২৯, -৫৪

গ

গণনাকাৰী ১৪৫
গাজীপুৰ ১৪২
গুজৰাট ১৫৩
গুৰ্ডে ১৫২
গুৱাহাটী বিশ্ববিদ্যালয়ৰ পুৰণি পুথি সংৰক্ষণ বিভাগ ১৬৫
গোণ্ড ১৪৪
গোপ ১৪৪
গোপকন্যা ১৪৪
গোপকুলালঙ্কাৰ ১৩৮
গোৰখপুৰ ১৪২
গোৱাল ১২৫, -৪৫
গোৱালা ১৫৪
গ্ৰামবাস বিচাৰ ১৩৭

ঘ

ঘাঘ ১১৯, -৩৭, -৪২-৪৮, -৫৫- -৬০
ঘাঘ-পৰম্পৰা ১৪২-৪৮, -৫৫- -৬০
ঘাঘ-প্ৰবচন ১৪৩, -৪৪

চ

চম্পাৰণ ১৪২
চৰগুজা ১৪২
চৰ্য্যা ১১৯
চলোমন ১৭৮
চাৰণ ১৪২
চাহাবাদ ১৪২

ছ

ছটা ১৩৫
ছট্টিচগড ১৪২
ছপ্পয ১৪৩

জ

জচপুৰ ১৪২
জনশ্ৰুতি ১২৩

জন্মকুণ্ডলী ১২৬
জয়কান্ত মিশ্ৰ ১৩৮— -৬১
জীৱানন্দ ঠাকুৰ ১৩৭, -৩৮, -৬৪, -৬৫
জোনাকী ১২৩
জৌনপুৰ ১৪২
জ্যোতিৰ্বিদ বৰাহ-মিহিৰ ১২১, -২৭
জ্যোতিষ ১২৪, -২৫, -২৭
জ্যোতিষবিদ্যা ১২৬
জ্যোতিষ শাস্ত্ৰ ১২৬, -৩৭
জ্যোতিষী ১৪৫
জ্ঞানী ডাক ১২৩

ড

ডংক ১১৯, -৩৭, -৫৫-৬০
ডংক-পৰম্পৰা ১২০—৬০
ডংক-বচন ১২০-২১
ডাক ১১৯, -২০-২১, -২২-৫২
ডাক আৰু খনা ১২৪
ডাক চৰিত ১৬৪
ডাক-চৰিত্ৰ ১২৪
ডাক-পৰম্পৰা ১১৯, ১২৪—৪৮
ডাক পুত্ৰ ১৫২
'ডাক পুৰুষৰ জীৱনী আৰু ৰচনাৱলী' ১, ১২৩
ডাক পুৰুষেৰ কথা ১২৫
ডাক-প্ৰবচন ১১৯, -২৩-২৬, -৫৫, -৭৭
ডাকৰ বচন ১১৯, - ২৩, - ২৪-৩৫
ডাক-বচনৰ ভাষাতাত্ত্বিক দিশ ১৬৭-৭৭
ডাক বচনামৃত ১৬৪
'ডাকবছন' ১৩৫, -৩৬
ডাক-ভণিতা ১২৩, - ২৪, -১৬৪
ডাকাৰ্ণৱ ১১৯, - ২০, -৫৪, -৫৫
ডাকাৰ্ণৱতন্ত্ৰ ১২৬
তন্ত্ৰ ১২৬
ডাকিনী ১২৬
ডাকোত ১৫১, -৫২

ডি. চি. চরকার ১৫২, ৫৬

ঢ

ঢগ ১
ঢাৰিক ১৩৫

ত

তান্ত্রিক গ্রন্থ ১১৯
তান্ত্রিক বৌদ্ধ ১২৬
তামিলনাদ ১৫৩
তিথিদ্বৈধ নির্ণয় ১৩৭
তিব্বতী ভাষা ১৫৬

থ

থৰৰিয়া ১৫২

দ

দন্তকথা ১৩৮, -৪৫, -৫৩
দণ্ডীৰাম দত্ত ১২৮, -৬৫
দক্ষিণ ভাৰত ১৫৩
দিগন্তৰি ১৫২
দীনেশ চন্দ্র সেন ১২৬
দুবে ১৪৪
দুর্গাগতি মুখোপাধ্যায় ১২৫
দেবেন্দ্রনাথ বেজবৰুৱা ১২৩, -২৪
'দৈবজ্ঞ বান্ধৱ' ১৩৭
দৈৱজ্ঞাচার্য্য ১৩৮
দোহা ১১৯, -৪৩
দোহাবলী ১১৯
দ্বাৰকা ১৬৩
দ্বিজকুল ১৩৮
D. C. Sircar ১৫৬

ধ

ধনঞ্জয় কাকতি ১৬৫
ধন্বন্তৰি ১৫২
ধর্মশাস্ত্র ১৩৭

ন

নগাভূমি ১৬৩

নবৰত্ন ১২৬
নিবন্ধ ১৩৭
নেপাল ১২৬, -৪২, -৫০

প

পঞ্চসিদ্ধান্তিকা ১৫২
পঞ্জাব ১৩৫
পৰম্পৰাগত উক্তিৰ মাধ্যম ১৮২
পৰাশৰ ১৫৮, -৬০
পৰীক্ষিত ১৫১, -৫২
পলামু ১৪২
পাতঘিলা ১২৩
পাতালতত্ত্ব ১২৭
পিঙ্গলা ১১৯,
পিৰ মহম্মদ য়ুচুফ ১৩৭, -৪৪
পুত্ৰবধূ ১২৮
পুৰাণ ১৬৫
প্ৰকাৰ্য্য ১৭৯
প্ৰফুল্লদত্ত গোস্বামী ১৫৪, -৬৭
প্ৰবচন ১২৪, -৩৫, -৪২, -৬০
প্ৰবাদ ১২৪, -৩
প্ৰবাদ-বচনৰ পুথি ১২০
প্ৰয়োগ ১৭৯
প্ৰসংগ ১৭৯
Proverb ১৩৫, -৭৮
Proverbs ১৭৯
Proverbium ১৭৮
প্ৰাজ্ঞবচন ১৭৮
প্ৰাজ্ঞোক্তি ১৭৮, -৭৯

ফ

ফলিত জ্যোতিষ ১৪৯

ব

বঙলা ১২০,
বঙলা ডাকৰ বচন ১২১
বঙ্গদেশ ১২৪, -৩৪, -৩৫

বঙ্গৰ চক্ৰেটিছ ১২৬
বজ্জি ১৪২
বৰপেটা ১২০
বজ্ৰ ডাকতন্ত্ৰ ১২৬
বৰাহ ১২০, -২৬, -২৭
বৰাহৰ পুত্ৰ মিহিৰ ১২৮
বৰাহমিহিৰ ১২০, - ২১, - ২২, - ২৩, -২৬
বলিয়া ১৪২
বশিষ্ঠ ১৬০
বস্তি ১৪২
বাক্যসূত্ৰ ১৭৮
বাচিক কলা ১৩৫
বাংলাদেশ ১৪
বাংলা প্ৰবাদ ১২৫
বাৰানসী ১৪২
বাল্মীকি ১৬০
বি. এন. মেহতা ১৪৯
বিক্ৰমৰজা ১৪৪
বিক্ৰমাদিত্য ১২৬, -২৭
বিদ্যাপতি ঠাকুৰ ১৩৭
বিনোদ ১৪৩
বিশুদ্ধ ডাক-বচন ১৬৫
বিষ্ণুৰাম ডেকা বৰুৱা ১৬৫
বিহাৰ ১৩৫, -৪২,
বীজ বন্ধন ১৩৭
বুদ্ধ ১১৯
বুধিসত্ত্ব ১১৯
বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ ১৬৫
বুলি ১৪২
বৃন্দাবনচন্দ্ৰ আচাৰ্য ১৩৫
বৃহৎ পৰাশৰস্মৃতি ১৫৯
বেদৰ বাণী ১৮০
বৈৰাগনিয়া ১৪৪
বৌদ্ধগ্ৰন্থ ১৪২

বৌদ্ধতান্ত্ৰিক ১২৬
বৌদ্ধধৰ্ম ১২৬
বৌদ্ধ সহজীয়া ১১৯
ব্যৱহাৰ প্ৰদীপক ১৩৭
ব্ৰহ্মপুত্ৰ নদ ১২২
ব্ৰাহ্মণৰ সন্তান ১২০
ব্যৱহাৰ প্ৰদীপক ১
ব্যাস ১৬০

ভ

ভট্টাচাৰ্য্য ১২৬
ভড়্লী ১৫৩
ভড্ডুৰ ১৫৩
ভড়্ডৰ ১১৯, -৪২-৫১
ভড়্ডৰ পৰম্পৰা ১১৯-৫১
ভড়্জলী ১৫২
ভড়্ডৰ-বচন ১৪৮-৫১
ভড়্ডৰ প্ৰবচন ১৪৮-৫১
ভড়্ডৰী ১১৯, -৪২, ৫২
ভড়্ডৰী-পৰম্পৰা ১৪৮-৫১
ভড়্ডৰী-প্ৰবচন ১৪৮-৫১
ভড়্ডলী ১৪৮, -৫২, -৫৭
ভড়্ডলী-পুৰাণ ১৬৫
ভাড ১৫২, -৫৬, -৫৭
ভাড়্লী ১৫২
ভাৰতত প্ৰচলিত ডাক-পৰম্পৰা ১১৯
ভাৰতীয় পৰম্পৰা ১২৮
ভাৰতীয় প্ৰবচন ১৮২
ভাৰ্গৱ আদৰ্শ হিন্দীশব্দকোশ ১৫৭
ভাস্কৰ বৰ্মা ১২০
ভূতত্ত্ব ১২৭
ভোজপুৰী ক্ষেত্ৰত প্ৰচলিত ডাক-পৰম্পৰা ১২৫, -৪২-৪৩

ম

মগ্ধ ১৪২
মধ্যপ্ৰদেশ ১৪২

ময়দানৱ ১২৬, -২৭
মল্ল ১৪২
মহাভাৰত ১১, -৫২, -৬০
মহেশ্বৰ নেওগ ১৬৪, -৬৫, -৭৭
মাগধী অপভ্ৰংশ ১৪২
মানৱকন্যা ১২৬
মালোৱা ১২৮
মিথিলাত প্ৰচলিত ডাক-পৰম্পৰা ১২৪, -৬৭-৪২
মিৰ্জাপুৰ ১৪২
মিশ্ৰবন্ধু ১৪৩
মিহিৰ ১২৬, -২৭
মুদ্ৰা ১১৯,
মুদ্ৰাহস্ত ১৩৭
মৃণাল ১২২
মেষপালক ১৪৯-৬০
মৈথিল ১৩৭
মৈথিল ডাক ১৩৭, -৪৬, -৬৫
মৈথিল ডাক-প্ৰবচন ১৩৭
মৈথিল ভাষা ১৬৪
মৈথিলী ১২০
মৌৰ্য্য ১৪২

য

যন্ত্ৰচক্ৰ ১১৯
যাজ্ঞবল্ক্য ১৬০
যোগাযোগৰ মাধ্যম ১৭৮
যোশী ১৫২

ৰ

ৰাঁচি ১৪২
ৰাজস্থান ১৩৫, -৫২
ৰাজস্থানত প্ৰচলিত ডাক-পৰম্পৰা ১৫১-৫৩
ৰামনৰেশ ত্ৰিপাঠী ১৪২, -৬৫
ৰামায়ণ ১৬০
ৰিয়াচত ১৪২
ৰূপক ১৮০

ল

লঙ্কাদ্বীপ ১২৬
লালবুঝক্কড় ১৪৫
লেহিডঙৰা ১২০, - ২২
লোকমানস ১২৮, -৫২
লোক সমাজ ১১৯, -৩৫, -৫৩
লোকোক্তি ১৩৫, -৪২, -৭৯

শ

শকুন বিচাৰ ১৫১, -৫৩, -৬৫
শনিছৰিয়া ১৫২
শশিশেখৰ তিৱাৰী ১৬১
শাক্য ১৪২
শালুক বচন ১৮১, -৮২
শিৱনাথ ভট্টাচাৰ্য্য ১২৪
শিৱসিংহ ১৪৩
শুভঙ্কৰ ঠাকুৰ ১৩৭
শ্ৰীৰামচন্দ্ৰ ১২২
শ্ৰীহট্ট ১৫৪

ষ

ষড়চক্ৰ ১১৯

স

সংস্কৃত ১২০, -৩৭
সত্যেন্দ্ৰনাথ শৰ্মা ১৬২
সম্পূৰ্ণ ডাকৰ বচন ১২৪
সৰোজ ১৪৩
সাধনতত্ত্ব ১১৯
সাৱিত্ৰী ১৫২
সিদ্ধযোগ বিচাৰ ১৩৭
সুশীল কুমাৰ দে ১২৫
সুষুম্না ১১৯
সূৰ্য্যকুমাৰ ভূএগ ১৬৫
সোণাৰাম চৌধুৰী ১২৩, -২৪
Sententia ১৭৮

হ

হংসবেগ ১২০
হৰপতি ঠাকুৰ ১৩৭
হৰ্ষবৰ্ধন ১২০
হুমায়ুন ১৪৪
হিন্দী-শব্দসাগৰ ১৪৪
হিন্দু সম্ৰাট ১২০
হেছিয়ডৰ বচন ১৭৮
হেমৰথ বৰ্মণ ১২৪

ক্ষ

ক্ষণদ ১৫৬
ক্ষৌৰকৰ্ম ১২৫



জন্ম-পত্ৰিকাৰ চাৰিসাগৰ (চিত্ৰ ১)



দিশাধিপতি গ্ৰহ (চিত্ৰ ৩)



নিষিদ্ধ যাত্ৰা (চিত্ৰ ৪)



দ্বাদশ ৰাশি, অধিপতি গ্ৰহ আৰু নক্ষত্ৰৰ স্থান (চিত্ৰ ৫)